


সূত্ৰধাৰ

তৃতীয় বছৰ, নৱম সংখ্যা,
১৬-৩১ মে, ১৯৯১
Vol. III, No. 9,
16-31 May

# বিষয়-সূচী


প্ৰচ্ছদ নিবন্ধ

## নৃত্যৰ তালে তালে

সত্ৰীয়া আৰু উড়িছী নৃত্য শিল্পী গৰিমা হাজৰিকাই তেখেতৰ শিল্পী জীৱনৰ চমু আভাস দিছে প্ৰচ্ছদ নিবন্ধ 'বহু কাম কিন্তু সময় কম'ৰ মাজেৰে। লগতে প্ৰথিতযশা সাংবাদিক তথা সাহিত্যিক হোমেন বৰগোহাঞিয়ে 'নৃত্যৰ তালে তালে'ৰ মাজেৰে নৃত্যশিল্পী গৰিমা হাজৰিকাৰ বিৰল প্ৰতিভাৰ চমু আলোচনা পাঠকলৈ আগবঢ়াইছে। ২০

নিৰ্বাচন

## নিৰ্বাচনৰ ৰণ নিনাদ আৰু অসমৰ ভৱিষ্যত □

অসমতো নিৰ্বাচন সমাগত। কিন্তু অসমৰ মানুহে এইবাৰ ভোট কাক দিব? কিহৰ ভিত্তিত এই নিৰ্বাচন অনুষ্ঠিত হ'ব? সম্প্ৰতি অসমৰ সমূহ ৰাইজক আলোড়িত কৰি থকা প্ৰশ্নবোৰেই ফঁহিয়াই চোৱাৰ চেষ্টা কৰিছে আলোচিত নিবন্ধটোত দুলাল বৰাই। ৬

সাম্প্ৰতিক নিৰ্বাচন

## যুৱ-সমাজৰ ভূমিকা, প্ৰতিক্ৰিয়া

নিৰ্বাচনত অসমৰ যুৱ সম্প্ৰদায়ৰ ভূমিকা কেনে ধৰণৰ হ'ব আৰু এই ভূমিকাই ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক জীৱনত গতিশীলতা দিব পাৰিব নে নাই – এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টোকে লৈ অসমৰ কেইবাটাও ৰাজনৈতিক দলৰ যুৱ নেতা আৰু সাধাৰণ যুৱক-যুৱতীৰ মতামত সাপেক্ষ পৰ্যালোচনা আগবঢ়াইছে ভাস্কৰ জ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে ১৩

শিক্ষা
গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভৱিষ্যত □ পবিত্ৰ কুমাৰ শৰ্মা ৪৮
দেহ, মন, অন্তৰ আৰু আত্মা □ ডাঃ প্ৰবীণ কুমাৰ নেওগ ৫০


শিক্ষা
বিজ্ঞান, দৰ্শন আৰু শিক্ষা □ মুকুল কুমাৰ শৰ্মা ৫১

বিশ্ববিদ্যালয়ৰ বাতৰি
গুৱাহাটী বিশ্ববিদ্যালয়ত বসন্তৰ বাতৰি আৰু শৈক্ষিক পৰিবেশ □ স্বপ্না বেজবৰুৱা ৩৩

নিৰ্বাচন
নিৰ্বাচন ৰাজনৈতিক দল আৰু প্ৰতিশ্ৰুতি □ হিতেন মহন্ত ১২

বিচিত্ৰা
গুহাৰ ভিতৰত □ প্ৰীতি কাকতী ২৯

ৰাজনীতি
এইবাৰৰ নিৰ্বাচনত কোনো লহৰ নাই □ গিৰীশ চন্দ্ৰ শৰ্মা ৯


চুই যাওঁ
ভোটাৰ সকল সপোন খেমালি এৰি বাস্তৱবাদী হওক □ অনিল বৰুৱা ১৯

ৰাজনীতি
অসমৰ নিৰ্বাচনৰ আলেখ-লেখ □ ত্ৰিনয়ন ২৮

গ্ৰন্থজগত
নিৰুপমা বৰগোহাঞিৰ 'চম্পাৱতী' নাৰী মুক্তিৰ 'চম্পাৱতী' নাৰী মুক্তিৰ সকীয়নি □, অঞ্জলি শৰ্মা ৪০

অৰ্থনীতি
আঞ্চলিক অসমতাৰ উৎস: এটি সমীক্ষা □আতিকুদ্দিন আহমেদ ৪২

শিক্ষা
উচ্চ শিক্ষাৰ গতানুগতিকতা আঁতৰ হওৱৰ □ পবিত্ৰ কুমাৰ শৰ্মা ৩৪

গ্ৰন্থজগত
কবিতাৰ দেশ-কাল □ নলিনীধৰ ভট্টাচ

সাহিত্য
'নাট্য শাস্ত্ৰ'ৰ অসমীয়া অনুবাদ: কিছু প্ৰাসঙ্গিক চিন্তা □ সঞ্জীৱ কলিতা ৩৮

সম্পাদকৰ টোকাবহী ৫
মতামত ৪৭
গল্প ৪৪
উপন্যাস ৫৬
খেল ধেমালি ৬০
প্ৰাত্যহিক ৫৪


## অহা সংখ্যাত

অসমত ৬ আৰু ৮ জুনত হ'ব লগা নিৰ্বাচনৰ বিষয়ে আগতীয়া বিশ্লেষণ, নেপথ্য সংবাদ, সাক্ষাতকাৰ আৰু মূল্যবান প্ৰবন্ধৰে সূত্ৰধাৰৰ অহা সংখ্যাটো বিশেষ নিৰ্বাচনী সংখ্যা ৰূপে প্ৰকাশ পাব

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

মুখ্য প্ৰতিবেদক
হৰেন কুৱাগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □

# অধিক মাছত বগলী কণা?

নির্বাচনলৈ আৰু বেছি দিন নাই। ভোট বিচৰা মানুহৰ চিঞৰ-বাখৰত চৌদিশ খলক লাগিছে। কিন্তু যি সকলে ভোট দিব তেওঁলোকে বা কি ভাবিছে? এইবাৰৰ নিৰ্বাচনৰ আটাইতকৈ চকুত লগা বৈশিষ্ট্যটো হ'ল ভোট বিচৰা দল আৰু প্ৰাৰ্থীৰ অভাৱনীয় সংখ্যা বৃদ্ধি। প্ৰাৰ্থীৰ সংখ্যাই আগৰ সকলো অভিলেখ চেৰাই গৈছে। অধিক মাছত বগলী কণা হোৱাৰ দৰে অসংখ্য দল আৰু প্ৰাৰ্থী দেখি ভোটদাতাসকলো বিবুধি হব নেকি? তেনে ভয় আছে বুলি মই নাভাবো, কাৰণ মানুহ বগলী নহয়। কিন্তু হঠাৎনো কিয় ভোট বিচৰা দল বা প্ৰাৰ্থীৰ সীমা সংখ্যা নোহোৱা হৈছে সেই কথা বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। মোৰ বোধেৰে প্ৰধান কাৰণটো হ'ল এই যে ভাৰতৰ ৰাজনীতিত ঠিক এই মুহূৰ্তত এটা বিৰাট শূন্যতা বিৰাজ কৰিছে। এনে এটা দল নাই যিটো দলৰ ওপৰত দেশৰ এক বৃহৎ সংখ্যক মানুহে আস্থা স্থাপন কৰিব পাৰে। এনে এজন নেতা নাই যিজনে নিজৰ ব্যক্তিত্ব আৰু আদৰ্শবাদিতাৰ দ্বাৰা দেশৰ এক বৃজন সংখ্যক মানুহৰ শ্ৰদ্ধা অৰ্জন কৰিব পাৰে। আটাইবোৰ দল আৰু আটাইবোৰ নেতাৰ ৰেহ-ৰূপ ইতিমধ্যেই মানুহৰ জনা হৈ গৈছে। কংগ্ৰেছৰ একাধিপত্যৰ অৱসান ঘটাই যোৱা বাৰ বছৰৰ ভিতৰত দুবাৰকৈ জনসাধাৰণে অকংগ্ৰেছী দলবোৰৰ হাতত ক্ষমতা তুলি দিলে। কিন্তু সেই দলবোৰে ক্ষমতাৰ সদ্ব্যৱহাৰ কৰি দেশত কিবা পৰিবৰ্তন অনা দূৰৰ কথা, পূৰা পাঁচ বছৰৰ কাৰণে ক্ষমতা ধৰি ৰাখিবলৈকো তেওঁলোকৰ সামৰ্থ্য নহ'ল। মানুহ হতাশ আৰু বিভ্ৰান্ত হোৱাৰ ইও এটা প্ৰধান কাৰণ। যেতিয়ালৈকে মানুহৰ সন্মুখত কিবা এটা বিকল্প থাকে তেতিয়ালৈকে মানুহৰ মনত এটা আশাও থাকে। কিন্তু যেতিয়া প্ৰতিটো বিকল্পই মানুহক হতাশ কৰে, বিকল্প বুলিবলৈ একো অৱশিষ্ট নাথাকে, তেতিয়া মানুহ প্ৰকৃত অৰ্থত কিংকৰ্তব্যবিমূঢ় হৈ পৰে। ঠিক এই মুহূৰ্তত ভাৰতৰ এক বিৰাট সংখ্যক মানুহৰ ঠিক এই অৱস্থা হৈছে। তেওঁলোকৰ সন্মুখত কোনো স্পষ্ট পছন্দ নাই। ভোটদাতাসকলৰ এই মানসিক বিভ্ৰান্তি আৰু দ্বিধা-দ্বন্দ্ব অনুমান কৰিব পাৰিয়েই চল চাই কঠীয়া পাৰিব খোজা বহুতো মানুহে ৰাতিটোৰ ভিতৰতে একোটা দল তৈয়াৰ কৰি বা নিৰ্দলীয়ভাবে হলেও নিৰ্বাচনী পথাৰত জঁপিয়াই পৰিছে। নিৰ্বাচনৰ নিচিনা এটা গুৰুত্বপূৰ্ণ বিষয়ক তেওঁলোকে লটাৰি খেলত পৰিণত কৰিছে।

কিন্তু নিৰ্বাচন কেতিয়াও লটাৰি খেল নহয়। হ'ব নোৱাৰে। ব্যক্তিৰ দৰেই এটা জাতিৰ জীৱনো নানা অনিশ্চিত বিপদ সম্ভাৱনাৰে পৰিপূৰ্ণ। কিন্তু একমাত্ৰ মূৰ্খ আৰু পাগলৰ বাহিৰে আন কোনো মানুহেই যেনেকৈ বিপদৰ ভয়ত দিশহাৰা হৈ কেৱল ভাগ্যক ধিয়াই বহি নাথাকে, বৰং ধৈৰ্য ধৰি আৰু বুদ্ধি খটাই প্ৰতিটো সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰে, ঠিক তেনেকৈ এটা জাতিয়েও বিপদকালত ধৈৰ্য নেহেৰুৱাই সাহসেৰে আৰু বিচাৰ বুদ্ধি প্ৰয়োগ কৰি প্ৰতিটো জটিল সমস্যাৰ সন্মুখীন হবই লাগিব। লগতে আমি এই কথাও সততে মনত ৰাখিব লাগিব যে ব্যক্তিগত জীৱনত আমি যেনেকৈ আমাৰ জীৱন বিপন্ন কৰি তোলা সকলো সমস্যা কোনো মন্ত্ৰ বা ভেল্কি-বাজিৰ সহায়েৰে মুহূৰ্তৰ ভিতৰতে সমাধান কৰিব নোৱাৰো, বৰং সমস্যাৰ লগত সহবাস কৰিবলৈ শিকাটোকো আমি পৈণত মনৰ পৰিচয় বুলি ভাবো, ঠিক তেনেকৈ এটা জাতিয়েও কিছুমান জটিল সমস্যা সমাধান কৰিবৰ কাৰণে বহুদিন ধৈৰ্য ধৰিবলৈ শিকিব লাগিব। জাতি বা সমাজো ব্যক্তিৰ সমষ্টি মাত্ৰ। যিবোৰ নিয়মৰ দ্বাৰা ব্যক্তি জীৱন পৰিচালিত হয়, সমাজো পৰিচালিত হয় সেই একেবোৰ নিয়মৰ দ্বাৰা। এই সহজ সত্যটো উপলব্ধি কৰিব পাৰিলে আমি অবিবেচনা প্ৰসূত বহুতো ভুল এৰাই চলিব পাৰো।

আগন্তুক নিৰ্বাচনত অসংখ্য দলৰ উপস্থিতি দেখি ভোটদাতাসকলৰ অধিক মাছত বগলী কণা হোৱাৰ অৱস্থা হোৱাৰ কোনো কাৰণ নাই। ফুঁ মাৰি টেবুলৰ ধূলি চাফা কৰাৰ দৰে বেছিভাগ দলকেই আৱৰ্জনাৰ দৰে ভোটদাতাসকলে দলিয়াই পেলাব পাৰে। উদাহৰণ স্বৰূপে এমিবাৰ নিচিনা নিজৰ বংশ বৃদ্ধি কৰা আঞ্চলিক দলবোৰক একমাত্ৰ মূৰ্খৰ বাহিৰে আন কোনেও গুৰুত্ব দিয়া উচিত নহয়। অসমৰ ৰাজনৈতিক মঞ্চত আঞ্চলিক দলৰ আবিৰ্ভাৱ হৈছিল বিদেশী খেদাৰ প্ৰতিশ্ৰুতিৰে। পাঁচ বছৰৰ কাৰণে ক্ষমতা পাই বিদেশীৰ নামত এটা মাত্ৰ মানুহো খেদিবতো নোৱাৰিলেই, কৰাৰ ভিতৰত কৰিলে মাত্ৰ নিজৰ বংশ বৃদ্ধি। পাঁচ বছৰৰ আগতে তেওঁলোকৰ শ্লোগান আছিল বিদেশী খেদা। এইবাৰ নতুন শ্লোগান উলিয়াইছে – 'আত্ম-নিয়ন্ত্ৰণ'। যিবোৰ মানুহে নিজৰ জিভাখন নিয়ন্ত্ৰণ কৰিব নোৱাৰে, সেইবোৰ মানুহেই নিয়ন্ত্ৰণ কৰিব এটা জাতিৰ ভাগ্য? অসমৰ মানুহ কি ইমানেই মূৰ্খ যে সকলো ফালে অপঁইতা এই মানুহবোৰৰ সস্তীয়া শ্লোগানত ভোল গৈ বাৰে বাৰে নিজৰ মূৰ খাব?

**হোমেন বৰগোহাঞি**

# নিৰ্বাচনৰ ৰণনিনাদ আৰু অসমৰ ভৱিষ্যত

**দুলাল বৰা**

সেইবোৰৰ একোৱেই এইবাৰ নাই। "গলি গলি মেঁ চোৰ হ্যায়, ৰাজীৱ গান্ধী চোৰ হ্যায়" বুলি নিম্নৰুচিৰ শ্লোগান যিসকল ৰাজনৈতিক নেতাই অলিয়ে-গলিয়ে চিঞৰিছিল সেইসকল এইবাৰৰ নিৰ্বাচনত চুপ। ব'ফৰ্চ বৰটোপ কিনাৰ তথাকথিত কেলেংকাৰিক কেন্দ্ৰ কৰি যিসকল বুদ্ধিজীৱীয়ে ১৫ মাহ পূৰ্বে বাতৰিৰ পৃষ্ঠাত অনৰ্গল বমি কৰি আছিল, সেইসকলৰ ওকালি এইবাৰ বন্ধ। বিৰোধী পক্ষৰ নেতাসকলক একপ্ৰকাৰ সাপ-বাঘ-ঘোঙৰ লগত তুলনা কৰি যোৱাটো নিৰ্বাচনত ৰাজীৱ গান্ধীৰ কংগ্ৰেছে যি উন্মাদ প্ৰচাৰ চলাইছিল, সেইবোৰো এইবাৰ নাই। জাতীয় ঐক্য আৰু সংহতিৰ দৰে দেশ প্ৰেমৰ বিষয়বোৰ নাই। নাই "গৰিৱী হটাও"ৰ দৰে অত্যুৎসাহী আস্ফালন। এক বিকল্প সমাজ-জীৱন বা ব্যৱস্থাৰ কথা এইবাৰ কোনেও তোলা নাই। কিন্তু যিবোৰ আছে, বা যিবিলাক প্ৰসংগ এইবাৰ উত্থাপিত হৈছে সেইবোৰ অনেক স্পষ্ট।

দেশখনত ১৯৫২ চনৰ পৰা ইতিমধ্যে হৈ যোৱা কোনোটো নিৰ্বাচনতে, আসন্ন মধ্যবৰ্তীকালীন নিৰ্বাচনৰ দৰে প্ৰসংগবোৰ ইমান নাঙঠ ৰূপত ধৰা পৰা নাছিল। কাৰো লুক্‌ঢাক নাই। মাত্ৰ ১৫টা মাহতে দুটাকৈ চৰকাৰ দিল্লীত বাগৰি পৰাৰ ছেগ বুজি কংগ্ৰেছ(ই)-এ "সুস্থিৰ চৰকাৰ" গঠনৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনত নামিছে। ভাৰতীয় জনতা পাৰ্টিয়ে (বি জে পি) দেখাদেখিকৈয়ে হিন্দুৰাজ প্ৰতিষ্ঠা কৰাৰ আৱাজ তুলিছে আৰু বাবৰি মছজিদ ভাঙি তাৰ ঠাইতেই "ৰাম মন্দিৰ" নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দি ভোট বিচাৰিছে। তেনে নীতিৰ ভিত্তিতেই উক্ত দলে নতুন দিল্লীত ক্ষমতা দখলৰ কথা কৈছে। বিশ্বনাথ প্ৰতাপ সিঙৰ নেতৃত্বাধীন জনতা দল আৰু ৰাষ্ট্ৰীয় মৰ্চাই পোনপটীয়াকৈয়ে জাত-পাতৰ কথা কৈছে। মণ্ডল আয়োগৰ বিতৰ্কিত পৰামৰ্শাৱলীৰ গাত ভেজা দি ভাৰতত চলা "উচ্চ বৰ্ণ ৰাজ'ৰ বিৰুদ্ধে "নিম্ন বৰ্ণৰ" জেহাদ ঘোষিত হব লাগে বুলিয়েই উত্তৰ ভাৰতত জনতা দলৰ জনদিয়েক নেতাই প্ৰচাৰ চলাইছে। প্ৰধান বাওঁপন্থী দল, চি পি আই আৰু চি পি এম-এ, নিজে ক্ষমতা দখল কৰাটো অসম্ভৱ বুলিয়েই নিজৰ ভাগ্য ভি পি সিঙৰ চৰণত সঁপি দিছে। মুঠৰ ওপৰত, কোনেও ভোটাৰ সকলক একো একোজন স্বাধীনমনা ব্যক্তি বুলি বিবেচনা কৰা নাই। সকলো ভোটাৰকে নেতাসকলে নিজৰ নিজৰ ধৰণেৰে পূৰ্বনিৰ্ধাৰিত ভোট-বেংক বুলি বিবেচনা কৰাহে পৰিলক্ষিত হৈছে। সঁচা কথা ক'বলৈ গ'লে পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰখনত, নিৰ্বাচনৰ দৰে বৃহত্তম প্ৰক্ৰিয়াটো অনুষ্ঠিত হবলৈ গৈছে প্ৰকৃত গণতান্ত্ৰিক নীতি আৰু মূল্যবোধবোৰ মুঠেই নোহোৱাকৈয়ে।

যি কি নহওক, এই কথা কিন্তু স্বীকাৰ্য যে আসন্ন নিৰ্বাচনৰ প্ৰতি সৰ্বসাধাৰণ ভোটাৰ ৰাইজৰ আগ্ৰহতকৈ বিৰক্তিহে বেছি। সেই বুলি সংসদীয় গণতন্ত্ৰৰ প্ৰতি বিৰক্তি নহয়। বিৰক্তি হৈছে ইতিমধ্যে অৰ্জন কৰা অভিজ্ঞতাবোৰৰ প্ৰতিহে। দীৰ্ঘদিনীয়া আৰু এদনীয়া কংগ্ৰেছ শাসন ওৰ পৰক বুলি জনসাধাৰণে যেতিয়াই যি অ-কংগ্ৰেছী চৰকাৰ নতুন দিল্লীত বহুৱাইছে, সেইটোৱেই হামখুৰি খাই পৰিছে। কোনোটোৱেই সংবিধান-প্ৰদত্ত পাঁচ বছৰীয়া ম্যাদ ভোগ কৰিব পৰা নাই। প্ৰমাণ হৈ গৈছে যে কংগ্ৰেছৰ নেতা সকলতকৈ অ-কংগ্ৰেছী নেতা সকলৰো প্ৰবঞ্চনা আৰু ক্ষমতা-খক্ কোনো গুণে কম নহয়। এই সত্য আটাইতকৈ প্ৰকট হ'ল যোৱা ১৫ টা মাহৰ অভিজ্ঞতাত। দুৰ্নীতিৰ অভিযোগৰ এক ধুমুহা তুলি ভি পি সিঙৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে কোনো এটা দুৰ্নীতি অকাট্যভাবে প্ৰমাণ কৰি ৰাইজৰ সমুখতো দাঙি ধৰিবতো নোৱাৰিলেই বৰং নিজেই অকালতে অধঃপতিত হ'ল। মৰ্চা চৰকাৰক লেং মাৰি চন্দ্ৰ শেখৰে যিটো চৰকাৰ প্ৰতিষ্ঠিত কৰিছিল, সেইটোৱে নিজেও লেং খাই. বাগৰি পৰিল। ফলস্বৰূপে মধ্যবৰ্তী নিৰ্বাচনেই হব লগীয়া হ'ল, যিটোত ভাৰতৰ দৰে দুখীয়া দেশখনে পুনৰ প্ৰায় ১৫০০ কোটি টকা নিৰ্বাচনৰ নামতেই ব্যয় কৰিব লগা হ'ল। চি পি আই আৰু চি পি এম-ৰ দৰে বাওঁপন্থী দলসমূহে বিভিন্ন সময়ত কৰা কছৰৎ আৰু কাৰচাজিবোৰৰ ব্যাখ্যা এই বুলি আগবঢ়োৱা হৈছিল যে বিজেপি-ৰ দৰে সাম্প্ৰদায়িক শক্তিবোৰক তেওঁলোকে প্ৰায় এঘৰীয়া কৰিছে। কিন্তু আসন্ন নিৰ্বাচনৰ দুৱাৰডলিত এই কথাহে অনুভূত হৈছে যে নতুন দিল্লীৰ ক্ষমতা দখলৰ বাবে বিজেপি দলেহে সবাতোকৈ শক্তিশালী প্ৰচেষ্টা চলোৱাৰ সামৰ্থ্য পালে। এনে পটভূমিত সৰ্বসাধাৰণ ভোটাৰৰ বিৰাগ বা বিৰক্তি নিতান্তই স্বাভাৱিক।

সন্দেহ নাই যে সময়ে সময়ে বিপৰ্যয়ৰ কবলত পৰিলেও কংগ্ৰেছ(ই) দলৰ গণভিত্তি ভাৰতৰ মাটিত উলাই কৰিব পৰা বিধৰ মুঠেই নহয়। ১৯৮৯ চনৰ যিটো সাধাৰণ নিৰ্বাচনত ৰাজীৱ গান্ধী চৰকাৰৰ পতন ঘটিছিল সেইটোতো উক্ত দলে শতকৰা ৩৯.৩৩ ভাগ ভোট পাবলৈ সমৰ্থ হৈছিল। ১৯৮৪ চনত দলটোৱে পোৱা ভোটৰ সৰ্বোচ্চ শতকৰা হাৰতকৈ মাত্ৰ ১০ ভাগহে কম আৰু ১৯৭৭ চনত পোৱা সৰ্বনিম্ন ভোটতকৈ শতকৰা ৫ ভাগ বেছিহে আছিল। অৰ্থাৎ ইন্দিৰা গান্ধীৰ দিনৰ জৰুৰীকালীন অৱস্থাৰ পিছৰ পৰা ১৯৮৯ চনতেই কংগ্ৰেছ(ই) দল সবাতোকৈ শক্তিশালী প্ৰত্যাহ্বানৰ সমুখীন হোৱা সত্বেও, দেশৰ প্ৰায় প্ৰতিজন তৃতীয় ভোটদাতাই কংগ্ৰেছ(ই)কেই ভোট দিছিল। বা ১৯৮৪ চনৰ দৰে কংগ্ৰেছৰ ঢৌ সৃষ্টি হোৱা নিৰ্বাচনত প্ৰায় প্ৰতিজন দ্বিতীয় ভোটদাতাই কংগ্ৰেছক ভোট দিয়া দেখা গৈছিল। আসন্ন নিৰ্বাচনত বিগত বাৰৰ দৰে কংগ্ৰেছ(ই)-ৰ বিৰুদ্ধে বিৰোধী পক্ষৰ সৰ্বাত্মক ঐক্য একেবাৰে অনুপস্থিত। এনেস্থলত কংগ্ৰেছ(ই) দলৰ ভোটৰ হাৰ আন বিলাকতকৈ এইবাৰো অধিক হোৱাই স্বাভাৱিক।

লক্ষ্ণীয় কথা যে দশম লোকসভাৰ বাবে হব লগীয়া নিৰ্বাচনটোত কংগ্ৰেছ (ই) দলৰ "সুস্থিৰ চৰকাৰ"ৰ শ্লোগানেই ভোটদাতা ৰাইজক সৰ্বাধিক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। শ্লোগানটো নিঃসন্দেহে একো নতুন নহয়। কিন্তু যি পটভূমিত ৰাইজে পুনৰ ভোট দিবৰ বাবে বাধ্য হৈছে, তাৰ ভিত্তিতহে কংগ্ৰেছ(ই) দলৰ কৌশলটোৰ আবেদন বাঢ়িছে। ইমানেই বাঢ়িছে যে কংগ্ৰেছ(ই)-ৰ দুয়োটা মূল প্ৰতিপক্ষ, বিজেপি আৰু ভি পি সিং নেতৃত্বাধীন জোঁট উভয়েই সুস্থিৰ চৰকাৰৰ নিজা নিজা ব্যাখ্যা আগবঢ়াবলৈ বাধ্য হৈছে। একমাত্ৰ উত্তৰ ভাৰতত সীমাবদ্ধ হৈ থকা চেহেৰাটো আঁতৰাই, ভাৰত জোৰা প্ৰভাৱ আছে বুলি সৰ্বসাধাৰণ ৰাইজক পতিয়ন নিয়াবলৈকে বিজেপি-ৰ দৰে হিন্দুবাদত বিশ্বাসী দলে খৃষ্টান অধ্যুষিত নাগালেণ্ডৰ একমাত্ৰ লোকসভা আসনখনতো এজন প্ৰাৰ্থী থিয় কৰিছে। একেদৰে ভি পি সিং জোঁটৰ অন্তৰ্ভুক্ত চি পি এম দলে চিকিমৰ দৰে ৰাজ্যত কাহানিও কোনো ধৰণৰ গণ সংগ্ৰামৰ পাতনি নেমেলাকৈয়ে, এজন প্ৰাৰ্থী নিৰ্বাচনত থিয় কৰাব লগীয়া হৈছে। মুঠৰ ওপৰত, বিজেপি-ৰ কমণ্ডলু আৰু ভি পি সিঙৰ 'মণ্ডল' ৰাজনীতিৰ মাজত ভাৰতৰ সমাজ জীৱন ছেদেলি-ভেদেলি হোৱাৰ যি ভিত্তি ভূমি তৈয়াৰ হৈছে, তাৰ বিপৰীতে সুস্থিৰ চৰকাৰৰ ভিত্তিতহে আসন্ন নিৰ্বাচনৰ মতামত নিৰ্ণীত হব আৰু সেই দৰেই ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰো এক মেৰুভৱন ঘটিব। কোনটো দলে চৰকাৰ গঠন কৰিব সেইটো পিছৰহে কথা।

সমগ্ৰ দেশৰ প্ৰায় লগে লগেই অসমতো অনেক শংকা আৰু দ্বিধাৰ মাজেদি নিৰ্বাচন অনুষ্ঠিত হব। শংকা এইবাবেই যে স্বাধীনোত্তৰ অসমত পোন প্ৰথমবাৰৰ বাবে বিচ্ছিন্নতা আৰু সন্ত্ৰাসবাদৰ ছাঁৰ মাজত এই নিৰ্বাচন অনুষ্ঠিত হৈছে। আকৌ দ্বিধা এই বাবেই আছে যে নিৰ্বাচনটো অনেক থেৰো-গেৰোৰ মাজেদি কেৱল মাত্ৰ ভৰ-বাৰিষাতেই হবলৈ যোৱা নাই। সমগ্ৰ দেশৰ ভোটাৰে নতুন দিল্লীৰ চৰকাৰটোৰ নিৰ্ণয় কৰি পেলোৱাৰ পিছতহে অসমৰ ৰাইজে কাক ভোট দিব সেই কথা নিৰ্ণয় কৰিব লাগিব। স্বাভাৱিকতে নতুন দিল্লীৰ নতুন চৰকাৰৰ প্ৰভাৱ পোনচাতেই অসমৰ নিৰ্বাচনত সবাতোকৈ প্ৰবল ভাবে পৰিব। মনত ৰখা দৰকাৰ যে নিৰ্বাচনৰ সময়তো অসমত অশান্ত অঞ্চল আইন, সশস্ত্ৰ বাহিনীৰ আইন আদিও বাহাল থাকিব।

এই কথাও লুকাই লাভ নাই যে যোৱা প্ৰায় পাঁচটা বছৰে অসমৰ জনজীৱন তল-ওপৰ কৰি থকা বিষয়বোৰ। যেনে গণ পৰিষদ চৰকাৰৰ বিশ্বাসঘাতকতা, দুৰ্নীতি আৰু অপশাসন, আল্‌ফাৰ সশস্ত্ৰ সংগ্ৰাম, স্বাধীন অসম প্ৰতিষ্ঠাৰ সপোন, স্বায়ত্ত শাসন, কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক, ৰাষ্ট্ৰপতিৰ শাসনৰ অতিচাৰ বা বড়োলেণ্ড আদিৰ কোনোটোৱেই আসন্ন নিৰ্বাচনৰ বাবে মুখ্য নিৰ্বাচনী বিষয় হৈ উঠা নাই। এক অভূতপূৰ্ব সংক্ৰান্তি সময়ৰ গৰাহত সেই বিষয়বোৰ তল পৰি গৈছে। অসমৰ ৰাইজৰ বাবে এতিয়া মুখ্য বিষয়েই হৈছে শান্তি আৰু সংহতি। গণ পৰিষদৰ শাসন কালত বিভিন্ন জাতি-গোষ্ঠীৰ মাজত যি সংঘাত হ'ল ভ্ৰাতৃঘাতী সংঘৰ্ষৰ কবলত যেতিয়া ভালে সংখ্যক লোক নিহত হব লগীয়া হ'ল, স্বাধীনোত্তৰ কালত যেতিয়া সৰ্বাধিকবাৰ পুলিচৰ গুলি চলিব লগীয়া অৱস্থা হ'ল, তেতিয়া সংহতি আৰু সম্প্ৰীতিৰ বিষয়টোৱে জনসাধাৰণৰ মনত প্ৰাধান্য পোৱাটো স্বাভাৱিক। আকৌ একেদৰেই যি কালছোৱাত অসমৰ বুকুত দিছপুৰৰ প্ৰায় সমান্তৰাল ভাবেই আল্‌ফাৰ এক অঘোষিত ৰাজত্ব চলিল, ৰাজনৈতিক হত্যা, সমাজ শুদ্ধিকৰণৰ নামত হত্যা আৰু শাস্তি, বে-

## এইবাৰ আমেৰিকাৰ শীতল হাত?

পাকিস্তানত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত ৰবাৰ্ট ওকলে আন্তৰ্জাতিক ভাবে অত্যন্ত বিতৰ্কিত কূটনৈতিক বিষয়া। সমগ্ৰ দক্ষিণ পূব এচিয়া অঞ্চলটোত থকা আমেৰিকান বিষয়া সকলৰ ভিতৰত তেঁৱেই সবাতোকৈ প্ৰবীণ। অলপতে তেওঁ কাশ্মীৰ ভাৰতৰ অংগ নহয় বুলি স্পষ্টভাবে ঘোষণা কৰি যথেষ্ট খলকনি তুলিছিল। যোৱা আঠটা বছৰৰ ভিতৰত তিনিটাকৈ চৰকাৰ পাকিস্তানত সালসলনি হোৱা ঘটনা তেওঁ কেৱলমাত্ৰ প্ৰত্যক্ষ কৰাই নহয় প্ৰতিবাৰেই সেই দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ কথাও প্ৰকাশিত হৈছিল। পাকিস্তানৰ বাহাউলপুৰত থকা সৈন্যবাহিনীৰ অনুষ্ঠানলৈ তেওঁ তদানীন্তন প্ৰেছিডেন্ট জেনেৰেল জিয়াউল হকৰ সৈতে একেখন বিমানতে গৈছিল কিন্তু ঘূৰি আহোতে একেলগে ৰহস্যজনকভাবে অহা নাছিল। অথচ সেইদিনা ঘূৰি আহোতেই বিমানৰ ভিতৰত বোমা ফুটি জিয়াউল হকৰ মৃত্যু হৈছিল।

ভাৰতত নিৰ্বাচন ঘোষণা হোৱাৰ লগে লগে অৰ্থাৎ এপ্ৰিল মাহৰ শেষৰ সপ্তাহত ৰবাৰ্ট ওকলেই আহি নতুন দিল্লীত খিতাপি লৈছিলহি; ঘোষণা কৰা মতে, আন্তৰ্জাতিক গোষ্ঠী ছাৰ্কৰ (SAARC) অন্তৰ্ভুক্ত দেশবোৰৰ আভ্যন্তৰীণ অৱস্থাৰ খতিয়ান লবৰ বাবে, উক্ত দেশবোৰত থকা আমেৰিকান ৰাষ্ট্ৰদূত সকলৰ এক বৈঠক অনতিপলমে কাঠমাণ্ডুত অনুষ্ঠিত কৰিবৰ বাবেই তেওঁ আহিছিল।

তথাপি প্ৰাক-নিৰ্বাচনী সময়ত আমেৰিকান কূটনীতিবিদ গৰাকীৰ আগমনে ভাৰতৰ সচেতন মহলত যথেষ্ট জোঁকাৰণি তুলিছে। কিয়নো, ইৰাকত চান্দাম হুছেইনক 'এশিকনি' দি বলীয়ান হৈ উঠা আমেৰিকাই সম্প্ৰতি তেওঁলোকৰ নিয়ন্ত্ৰণাধীন 'নতুন বিশ্ব ব্যৱস্থা' প্ৰতিষ্ঠা কৰাৰ আগ্ৰহৰ কথা খোলাখুলি কৈয়ে বেকত কৰিছে। এই কথাও দেখা গৈছে যে ছাৰ্ক গোষ্ঠীভুক্ত দেশবোৰৰ ভিতৰত ইতিমধ্যে দুখন দেশ, পাকিস্তান আৰু বাংলাদেশত হৈ যোৱা নিৰ্বাচনত যি দুটা নতুন চৰকাৰ গঠন হ'ল, সেই দুয়োটাই আন্তৰ্জাতিক ভাবে আমেৰিকাৰ লগতহে সম্ভাৱ স্থাপন কৰিছে। সম্প্ৰতি ভাৰত আৰু নেপালত নিৰ্বাচন হোৱাৰ কথা। গতিকে, এই দুখন দেশৰ নিৰ্বাচনতো প্ৰকাৰান্তৰে আমেৰিকাই প্ৰভাৱ বিস্তাৰ যে নকৰিব, সেই কথা কব নোৱাৰি।

ভাৰতৰ মাটিত পঞ্জাৱৰ সন্ত্ৰাসবাদী নেতা চিমৰানজিৎ সিং মানে পোনপটিয়াকৈ আমেৰিকাক হস্তক্ষেপ কৰিবলৈ জনোৱা আবেদনৰ কথা সৰ্বজনবিদিত। তদুপৰি ভাৰতীয় জনতা পাৰ্টিও (বিজেপি) আমেৰিকা পন্থী বুলি ৰাজনৈতিক মহলত পৰিচিত। নতুন দিল্লীত ক্ষমতা দখলৰ বাবে বিজেপি দলেই সাম্প্ৰতিক নিৰ্বাচনত সবাতোকৈ বেছি তৎপৰ হৈ উঠা কথাটোও মন কৰিবলগীয়া।

ভাৰতৰ নিৰ্বাচনক কেন্দ্ৰ কৰি আন্তৰ্জাতিক ভাবে হোৱা এনে তৎপৰতৰ পৰিপ্ৰেক্ষিতত, ৰবাৰ্ট ওক্‌লেৰ ভাৰত ভ্ৰমণ স্বাভাৱিকতেই সন্দেহৰ ঊৰ্দ্ধত নহয়। উল্লেখযোগ্য যে নতুন দিল্লীত বাহৰ পাতি থাকোতে কূটনৈতিক বিষয়াজনে ভাৰতৰ ভালেমান ৰাজনৈতিক নেতা, বুদ্ধিজীৱী, সাংবাদিকৰ সৈতে গোপন আলোচনাত প্ৰবৃত্ত হৈছিল।

নিৰ্বাচনৰ ফলাফল ওলোৱাৰ পিছতহে হয়তো প্ৰমাণিত হব যে আমেৰিকাৰ শীতল হাতৰ প্ৰভাৱ নিৰ্বাচনত কিমানখিনি পৰিল।

দুলাল বৰা

পৰোৱা চান্দা-সংগ্ৰহ আদি চলিল আৰু সেইবোৰ দমনৰ নামত গাৱে-ভূঞে সৈন্য বাহিনীৰ অতিচাৰ চলিল, সেইবোৰৰ মাজত সৰ্বসাধাৰণ ৰাইজৰ উশাহ-বন্ধ হোৱা স্বাভাৱিক। লক্ষণীয় যে অসমৰ ৰাইজৰ এনে মানসিক অৱস্থাৰ কথা প্ৰতিষ্ঠিত ৰাজনৈতিক দলবোৰতকৈও আগতেই উপলব্ধি কৰিলে স্বয়ং আল্‌ফাইহে। শান্তিৰ বাবে ৰাইজৰ ব্যাকুলতাৰ প্ৰতি সম্পূৰ্ণ নতশিৰ হৈয়েই আল্‌ফাই একপক্ষীয়ভাবে তেওঁলোকৰ "যুদ্ধ বিৰতি"ৰ কথা ঘোষণা কৰিলে, কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাত বহাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিলে আৰু আসন্ন নিৰ্বাচনত সম্পূৰ্ণ নিৰ্লিপ্ত হৈ ৰব বুলি সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি অসমৰ ৰাইজক দিলে। আল্‌ফাৰ এনে ভূমিকাক কোনো কোনো মহলে এক কৌশলী কাৰচাজি বুলি আখ্যা দিলেও কিন্তু সত্য কথাটো ওৰণি আঁৰত থকা নাই। যি অৱস্থাৰ পটভূমিত আল্‌ফাৰ এনে ভূমিকা সম্ভৱপৰ হ'ল সেই অৱস্থাতেই যে নিৰ্বাচন হব আৰু সেই অৱস্থাসম্ভূত বিষয়েই যে নিৰ্বাচনৰ ফলাফল নিৰ্ণয় কৰিব সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই।

অসমৰ ১২৬ খন বিধান সভা আৰু ১৪ খন লোক সভাৰ আসনৰ বাবে হবলগীয়া নিৰ্বাচনত ইতিমধ্যে এখন বিধান সভা আসনৰ পৰা আবছু-সমৰ্থিত প্ৰাৰ্থী এগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হৈছে; অৱশ্যে এই সংক্ৰান্তত নিৰ্বাচনী আয়োগৰ বিধিগত ঘোষণা হবলৈ এতিয়াও বাকী। বাকী ১২৫ খন বিধান সভা আৰু ১৪ খন লোক সভা আসনৰ সকলোতে প্ৰাৰ্থী থিয় কৰাই কংগ্ৰেছ(ই) দলেই অসমত গণ পৰিষদৰ বিকল্প চৰকাৰ গঠনৰ আৱাজ তুলিছে। গণ পৰিষদ দলে বিধান সভাৰ বাবে ১১৯ খনত আৰু নতুন অসম গণ পৰিষদে ৮২ খন বিধান সভা আসনত প্ৰাৰ্থী দি প্ৰত্যেকেই নিজা নিজাকৈ ৰাজ্য চৰকাৰ গঠন কৰাৰ কথা কৈছে। গণ পৰিষদ দলৰ সৈতে আন কাৰো নিৰ্বাচনী বুজাপৰা হোৱা নাই। নতুন অসম গণ পৰিষদৰ সৈতে তেনে এক বুজাপৰা হৈছে সংখ্যালঘু মৰ্চাৰ (ইউ এম এফ) পৰাই মূলতঃ ফাটি আহি নতুনকৈ গঠিত হোৱা গণতান্ত্ৰিক গণ মৰ্চা নামৰ এটি সৰু দলৰ লগত যিটোৱে মাত্ৰ ১২ খন বিধান সভাৰ আসনতহে প্ৰাৰ্থী দিব পাৰিছে। বাওঁপন্থী গণতান্ত্ৰিক শিবিৰ বুলি সময়ে সময়ে উচ্চাৰিত হোৱা সকলৰ মাজত কোনো ধৰণৰ ঐক্য নিৰ্বাচনৰ কালছোৱাত গঢ়ি নুঠিল। চি পি আই, আই পি এফ আৰু এ এচ ডি চি-ৰ মাজত যি এক বুজাপৰা হৈছে বুলি সংশ্লিষ্ট মহলবোৰে দাবী কৰিছে, সেই সকলৰ লগতে চি পি আই (এম এল) দলকো (যিটো দৰাচলতে আই পি এফ আৰু এ এচ ডি চি-ৰ পিতৃ সংগঠন) যদি ধৰা যায় তেন্তে তেতিয়াও এই কথাহে ওলায় যে উক্ত কেউটা ফৈদ মিলি মাত্ৰ ৪৮ খন বিধান সভাৰ আসনতহে প্ৰতিদ্বন্দ্বিতা কৰিছে। অৱশ্যে এই কথা ঠিক যে ৯৩ খন বিধান সভা আসনত প্ৰতিদ্বন্দ্বিতা কৰা জনতা দলৰ নেতা গোলাপ বৰবৰা নিৰ্বাচনৰ পিছত হ'লেও বিজয়ী অ-কংগ্ৰেছী আৰু অ বি জে পি প্ৰাৰ্থী সকলক একেলগ কৰি কংগ্ৰেছ(ই)-ৰ বিকল্প চৰকাৰ গঠন কৰিব পৰা যাব বুলি জনসাধাৰণক আশ্বাস দিছে। তেনে বিকল্পত আনকি প্ৰয়োজন হ'লে গণ পৰিষদ দলকো সামৰা হব বুলি ইংগিত দিছে।

প্ৰাক্ নিৰ্বাচনী পৰ্যায়ৰ এই বিকল্প-সন্ধানৰ বাটছোৱাত দেখা যায় যে কংগ্ৰেছ(ই) দলেইহে এতিয়ালৈকে সুবিধাজনক অৱস্থানত আছে। জাতীয় ক্ষেত্ৰৰ দৰে অসমত ৰাষ্ট্ৰীয় মৰ্চাও সক্ৰিয় নহ'ল বা ৰাষ্ট্ৰীয় মৰ্চা বাওঁপন্থী জোঁটটোও গঢ়ি নুঠিল। বিজেপি-ৰ কমণ্ডলু-মছজিদৰ ৰাজনীতি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অচল। ভি পি সিঙৰ "মণ্ডল ৰাজনীতি" কৰিবলৈও জনতা দলৰ চল নাই। কিয়নো একেটা আধাৰত অধিক উগ্ৰ ভূমিকা লৈ এইবাৰৰ অসম নিৰ্বাচনত আৰ্মকা নামৰ সংগঠনটো নামিছে আৰু ৰাজ্যৰ ৫১ খন বিধান সভা আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে। আকৌ ৰাজ্যখনৰ অন্যতম প্ৰতিদ্বন্দ্বী গণ পৰিষদ দল এইবাৰ সম্পূৰ্ণ দুটা ভাগত বিভক্ত। তদুপৰি যি প্ৰচণ্ড ঢৌ ১৯৮৫ চনৰ নিৰ্বাচনত গণ পৰিষদৰ সপক্ষে চলিছিল, সেই ঢৌ এইবাৰ সমূলঞ্চে অনুপস্থিত। যি ইউ এম এফ দলে ১৯৮৫ চনৰ নিৰ্বাচনত বহু সমষ্টিত কংগ্ৰেছ(ই) দলক ধৰাশায়ী কৰিছিল সেইটো দলো এতিয়া বহুধা বিভক্ত। দুয়োটা গণ পৰিষদ দলৰ পৰাই মনোনয়ন নেপাই বহু সংখ্যকে এইবাৰ নিৰ্দলীয় হিচাপে বা নব গঠিত জাতীয় স্বতন্ত্ৰ মৰ্চা নামৰ সংগঠন এটাৰ সমৰ্থন লৈ এইবাৰ নিৰ্বাচনী যুঁজত নামিছে। ১৯৮৫-ৰ দৰে আঞ্চলিক ৰাজনৈতিক শক্তি সমূহৰ ঐক্যও এইবাৰ নাই, বৰং প্ৰায় এক্কুৰিমান আঞ্চলিক দলহে নিৰ্বাচনী যুঁজত ৰণ সাজে হাজিৰ হৈছে। এই বিলাকৰ বিপৰীতে অৱশ্যে এই কথাও সত্য যে এইবাৰ কংগ্ৰেছ(ই) দল ৰাজ্য বা কেন্দ্ৰ কতোৱেই শাসনত নাই। দ্বিতীয়তে এই দলৰ পৰা ফাটি গৈ সৃষ্টি হোৱা সংযুক্ত অসম কংগ্ৰেছ নামৰ এটি দলৰ প্ৰাৰ্থী ৮ খন বিধান সভা আসনত আছে আৰু দলীয় মনোনয়ন নেপাই বিক্ষুব্ধ হোৱা কিছু সংখ্যকে নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই সকলোবোৰ মিলাই চালে দেখা যায় যে তীব্ৰ গণ পৰিষদ ঢৌৰ মাজত, ১৯৮৫ চনৰ নিৰ্বাচনত কংগ্ৰেছ(ই) দলে যেতিয়া অসমত ২৩.৪৭ শতাংশ ভোট পাইছিল আৰু গণ পৰিষদে পাইছিল ৩৪.৫৪ শতাংশ। এইবাৰ সম্পূৰ্ণ এক বিপৰীত পৰিস্থিতি আৰু শক্তি-সমাবেশৰ মাজত কংগ্ৰেছ(ই) -ৰ সপক্ষে ভোটৰ হাৰ বৃদ্ধি পোৱাৰ সম্ভাৱনাই প্ৰবল। অৱশ্যে এই গোটেই হিচাপ মূলত, নিৰ্বাচন নিকা হোৱাৰ ওপৰত আৰু কংগ্ৰেছ(ই) বাগাড়ম্বৰ তথা সস্তীয়া বাহাদুৰিবোৰ নিয়ন্ত্ৰিত হৈ থকাৰ ওপৰত নিৰ্ভৰশীল।

অসমৰ সাধাৰণ ভোটাৰ ৰাইজে এইবাৰ সমাজ জীৱনলৈ তুলনামূলক ভাবে হ'লেও শান্তি, শৃংখলা আৰু সংহতি ঘূৰি আহক বুলিয়েই যে ভোট দিব তাত কোনো সন্দেহ নাই। বিপন্ন আৰু বিষণ্ণ সময়বোৰৰ ওৰ পেলোৱাৰ উদ্দেশ্যেৰেই তেওঁলোকে সিদ্ধান্ত লব। কংগ্ৰেছ(ই) দলে শান্তিৰ কথা ক'লেও কিন্তু বিগত কালছোৱাৰ খতিয়ান তেওঁলোকৰ বাবে বৰ সুখকৰ নহব। তদুপৰি কেন্দ্ৰীয় শাসন আমন্ত্ৰণ কৰি অনাৰ, দুৰ্বল হ'লেও এক অভিযোগৰ জবাবদিহি হব লাগিব। সাধাৰণ ৰাইজে গাঁৱলৈ কেতিয়া, কিহৰ বাবে থানাৰ দাৰোগা আহে সেই কথা যিদৰে সহজে বুজে, সেইদৰে ৰাষ্ট্ৰপতি শাসন আৰু সৈন্য বাহিনীৰ নিৰ্বিচাৰ দমনৰ আঁৰত কংগ্ৰেছ(ই) দলৰ ভূমিকাৰ কথাও বুজ লবলৈ চেষ্টা কৰিব। অৱশ্যে ৰাষ্ট্ৰপতি শাসনৰ বাবে মুখ্য মন্ত্ৰী হৈ থাকোতে প্ৰফুল্ল কুমাৰ মহন্তয়েই গোপনে সন্মতি দিছিল বুলি নতুন অসম গণ পৰিষদৰ নেতা সকলে কৰা অভিযোগে কংগ্ৰেছ(ই) দলৰ ব্যাখ্যা নিঃসন্দেহে বহু সুচল কৰিব।

দিছপুৰত কংগ্ৰেছ(ই)-ৰ চৰকাৰ নে পুনৰ গণ পৰিষদ গয়ৰহে বিভিন্ন দলৰ সন্মিলিত চৰকাৰ– এই প্ৰশ্নৰ উত্তৰ আসন্ন নিৰ্বাচনে দিব। সন্দেহ নাই এই নিৰ্বাচনত অসমৰ ৰাইজৰ ভৱিষ্যত, অসমীয়া জাতি সত্তাৰ ভৱিষ্যত ভয়ংকৰ ভাবে সংলিপ্ত। সূ





# এইবাৰৰ নিৰ্বাচনত কোনো লহৰ নাই

গিৰীশ চন্দ্ৰ শৰ্মা

অহা ৬ আৰু ৮ জুনত হব লগীয়া ১৪টা লোকসভা আৰু ১২৫টা বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে সমগ্ৰ অসমতে নিৰ্বাচন হব আৰু তাৰ বাবে ইতিমধ্যে প্ৰাৰ্থী, প্ৰাৰ্থীৰ সমৰ্থক আৰু বিভিন্ন দল উপদলৰ মাজত তৎপৰতা পৰিলক্ষিত হৈছে। অসমত এই নিৰ্বাচন হব লগীয়া হৈ আছিল যদিও দেশৰ অন্যান্য অংশত নিৰ্বাচন হবৰ সময় হোৱা নাছিল। ১৫ মাহৰ আগতে ১৯৯০ চনৰ নবেম্বৰ মাহত দেশত সংসদীয় আৰু কিছুমান ৰাজ্যত বিধান সভাৰো নিৰ্বাচন হৈছিল কিন্তু কোনো দলেই স্থায়িত্বৰ প্ৰতিশ্ৰুতি দিব পৰাকৈ সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱৰাৰ ফলত বিজেপি আৰু কংগ্ৰেছ আইৰ সমৰ্থনত গঠিত ৰাষ্ট্ৰীয় মৰ্চাৰ চৰকাৰ ভাগি যায় আৰু দ্বিতীয়খন চৰকাৰ চন্দ্ৰ শেখৰৰ নেতৃত্বত গঠিত হৈছিল যদিও সেইখনো নিটিকিল। নিটিকাই স্বাভাৱিক। ৫৪ জন সদস্যেৰে আনৰ দয়াত চৰকাৰ এখন গঠন কৰিবলৈ নিদি তেতিয়াই নতুনকৈ নিৰ্বাচন পতাৰ আদেশ দিয়াহেঁতেন খৰালিৰ ভিতৰতে নিৰ্বাচন শেষ হৈ গ'লহেঁতেন। দুৰ্ভাগ্যৰ কথা যে পাঁচ বছৰৰ ঠাইত পোন্ধৰ মাহৰ পিছত নিৰ্বাচন পাতিব লগীয়া হোৱাৰ ফলত দেশে অযথা 3000 কোটিৰো অধিক টকা খৰচ কৰিব লগীয়া হব। চৰকাৰী হিচাপ মতে যোৱা বাৰৰ নিৰ্বাচনত এহেজাৰ কোটি টকা খৰচ হোৱা বুলি কোৱা হৈছিল যদিও প্ৰকৃততে খৰচৰ অংকটো বহুত ডাঙৰ। প্ৰত্যক্ষ হিচাপৰ উপৰিও পৰোক্ষ ভাবে বহুত খৰচ হয়। প্ৰয়োজনীয় যদিও এই খৰচৰ উৎপাদিকা শক্তি নাই। সেয়েহে মধ্যবৰ্তী নিৰ্বাচনে দেশৰ এনেয়ে বেয়া অৰ্থনৈতিক অৱস্থাৰ ওপৰত আৰু এটা মাধমাৰ শোধাব। জনমত কিন্তু এনে সঘন নিৰ্বাচনৰ বিৰোধী।

সমগ্ৰ দেশৰ মানুহে ভাবিছে ভৱিষ্যতে জানো এখন স্থায়ী চৰকাৰ গঠিত হব? এই চিন্তা-ধাৰাই ভোটদানৰ ওপৰতো প্ৰভাৱ পেলাব পাৰে। যাকে তাকে ভোট নিদি মানুহে এইবাৰ চৰকাৰ চলাব পৰা দল বা ব্যক্তিকহে ভোট দিব বুলি ধাৰণা কৰিব পাৰি। হিন্দী বলয়ৰ ৰাজ্য সমূহত জোৰ প্ৰচাৰ চলিছে "এনে দলকহে ভোট দিয়ক যিয়ে চৰকাৰ চলাব পাৰিব।" কোনে পাৰিব সেইটো ৰাইজে বিচাৰ কৰি চাব। ক্ষমতালৈ আহি শোচনীয় কাৰ্যনিৰ্বাহ কৰা দল বা ব্যক্তিয়ে স্বাভাৱিকতে জনমানসত আস্থাৰ ভাব উদ্ৰেক কৰিব নোৱাৰে। ভোটদাতা সকলৰ মানসিকতাৰো সলনি হৈ আহিছে। বিশেষকৈ ভোটাধিকাৰ পোৱা ১৮ বছৰ বয়সৰ চামটোৱে কোনো মতবাদ বা দলীয় আদৰ্শতকৈ ব্যৱহাৰিক দিশটোলৈ চাইহে ভোট দিয়ে। যোৱাবাৰ তেওঁলোকে প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰাৰ পিছত এনে ধাৰণা এটাৰ সৃষ্টি হৈছে।

অসমত এইবাৰৰ নিৰ্বাচনত কোনো ইছ্যু বা ৰাজহুৱা প্ৰশ্ন নাই। ১৯৮৫ চনত আছিল। অসম চুক্তি, বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান এই দুটা ইছ্যুৰ ওপৰতে ভিত্তি কৰি ১৯৮৫ চনৰ নিৰ্বাচন খেলা হৈছিল। অবাৰিতভাবে অনুপ্ৰবেশ কৰি থকা বিদেশী নাগৰিকে খিলঞ্জীয়া লোকক সংখ্যা লঘিষ্ঠত পৰিণত কৰি অসমৰ ৰাজনৈতিক ক্ষমতা দখল কৰিব এইটোকে ইছ্যু কৰি লৈ খিলঞ্জীয়া লোকৰ বিপুল সমৰ্থনত অসম গণ পৰিষদ নামৰ নিৰ্বাচনৰ দুমাহ আগতে গঠিত আঞ্চলিক দলটোৱে ক্ষমতালৈ আহি পাঁচ বছৰৰ পঞ্চল্লিছ দিন বাকী থাকোতে ক্ষমতাৰ পৰা আঁতৰি যাব লগা হ'ল। বিদেশী সমস্যাৰ সমাধানতো দূৰৈৰ কথা পাঁচ বছৰত পাঁচশও বিদেশী চিনাক্ত কৰি বহিষ্কাৰ কৰাত বিফল হোৱা দলটোৱে পুনৰ নিৰ্বাচনত অবতীৰ্ণ হৈ ভোট বিচাৰিছে। অৱশ্যে দলটো দ্বিধা বিভক্ত হোৱাৰ বাবে আগৰ শক্তি এতিয়া নাই। প্ৰভাৱো কমিছে। পাঁচ বছৰ ক্ষমতাত বহাৰ পাছত দিছপুৰতে অন্তৰীণ হৈ থকা অগপ-ৰ নেতৃবৰ্গই জনসংযোগ হেৰুৱাই পেলোৱাৰ পাছত ভগ্নোৎসাহ হৈ নিৰ্বাচনত অবতীৰ্ণ হোৱাটো সচেতন লোকৰ দৃষ্টিগোচৰ নোহোৱাকৈ থকা নাই।

উল্লেখযোগ্য যে বিদেশী নাগৰিকৰ প্ৰশ্নত ছবছৰ আন্দোলন কৰি শেষত দিছপুৰত গাদী দখল কৰা অগপ-ৰ নেতাসকলে এতিয়া ভুলতেও বিদেশী নাগৰিকৰ নাম উচ্চাৰণ নকৰে। অগপ-ই প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰত বিদেশী নাগৰিকৰ প্ৰশ্নটোক এটা নিৰ্বাচনী ইছ্যু হিচাপে ঘোষণা কৰা নাই। ইস্তাহাৰ প্ৰকাশ কৰা সময়ত অগপ নেতা প্ৰফুল্ল মহন্তৰ দৃষ্টি আকৰ্ষণ কৰাত তেওঁ ক'লে যে অসম চুক্তি ৰূপায়ণৰ লগতে বিদেশী নাগৰিকৰ কথাটোও আছে। অগপ-ই আৰু বিদেশী নাগৰিকৰ নাম লব নোখোজে। এইবাৰ কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাসৰ ওপৰত গুৰুত্ব দিছে। একেটা বিষয়ৰ ওপৰত গুৰুত্ব দিছে চি পি এম দলেও।

কোকৰাঝাৰ পশ্চিম সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী শ্ৰীপৰমেশ্বৰ ব্ৰহ্মই বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰাৰ পাছত ১২৫ খন বিধান সভা আসনৰ বাবে নিৰ্বাচন হব। অগপ-ই ১১৯খনত, নতুন অগপই- ৯০ খনত, কংগ্ৰেছ আই ১২৫ খনত, জনতা দলে ৯৩ খনত, আৰ্মকাই ৮৬ খনত, বিজেপি ৪৮ খনত, কংগ্ৰেছ (স) ৪৬ খনত আৰু অন্যান্য সৰ্বভাৰতীয় তথা আঞ্চলিক দলৰ সৰ্ব মুঠ ৮৩৩ জন প্ৰাৰ্থী বিধান সভাৰ নিৰ্বাচনত অবতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ৬৬ জন নিৰ্দলীয় প্ৰাৰ্থী আছে। অগপ, নতুন অগপ-ৰ উপৰিও আৰু বহুতো সৰুসুৰা দলে প্ৰাৰ্থী থিয় কৰাইছে এজনৰ পৰা চল্লিছজনৰ ভিতৰত। ১৯৮৫ চনত গোলাঘাটত হোৱা আছুৰ অভিবৰ্তনত অগপ-ই জন্ম লাভ কৰাৰ প্ৰাক মুহূৰ্তত আঞ্চলিক দলটোত চামিল হৈ যোৱা অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ আদিয়ে পুনৰ নিজৰ ববীয়াকৈ প্ৰাৰ্থী থিয় কৰাইছে। ভোটদাতা ৰাইজ নিশ্চয় খেলিমেলিত পৰিছে। ইমানবোৰ দল আৰু ইমানবোৰ প্ৰাৰ্থী। 30/40 জনকৈ প্ৰাৰ্থী থিয় কৰোৱা দল সমূহে ক্ষমতা দখল কৰাৰ কথা



OCDISC

ভবা নাই নিশ্চয়। কিন্তু তেওঁলোকক ভোট দিলে ভোটদাতাই কি ভাবি ভোট দিব কোৱা টান। সকলোতে প্ৰাৰ্থীৰ সংখ্যা সৰহ। প্ৰাৰ্থীৰ সংখ্যাধিক্যৰ ফলত সকলো আসনতে প্ৰতিদ্বন্দ্বিতা কেইটামান দলৰ মাজতহে সীমিত থাকিব। এইবাৰ অসমত প্ৰতিদ্বন্দ্বিতা হব মূলতঃ কংগ্ৰেছ আই, অগপ, নতুন অগপ আৰু জনতা দলৰ মাজত।

নিৰ্বাচনী ছবিখন এতিয়াই স্পষ্ট হৈ উঠা নাই। প্ৰচাৰ কাৰ্যও জোৰে চলা নাই। দলসমূহে দেৱাল লিখন, পোষ্টাৰিং আৰু প্ৰচাৰ পত্ৰ প্ৰচাৰৰ মাধ্যমত নিৰ্বাচনী অভিযান আৰম্ভ কৰি দিছে। কিন্তু দুৰ্যোগপূৰ্ণ বতৰৰ বাবে নিৰ্বাচনী প্ৰচাৰত কিছু বাধাৰ সৃষ্টি হৈছে। ২৬ এপ্ৰিলৰ দিনা মনোনয়ন উঠাই লোৱাৰ শেষ তাৰিখ আছিল তাৰে পিছ দিনাৰ পৰাই বৰষুণ দি আছে। এই প্ৰবন্ধ লিখাৰ দিনালৈকে অৰ্থাৎ এঘাৰ দিনৰ পিছতো আকাশ মুকলি হোৱা নাই। কিনকিনীয়াৰ পৰা ধাৰাসাৰ বৰষুণো হৈছে। অসমত এয়া বানপানীৰ সময় তথাপি সুকলমে নিৰ্বাচন হব বুলি আশা কৰিব পাৰি। এতিয়ালৈকে অসমৰ ক'তো কোনো অশান্তিৰ সৃষ্টি হোৱা নাই।

সংযুক্ত মুক্তি বাহিনী বা আলফাই নিৰ্ৱাচনৰ পৰা আঁতৰি আছে। তেওঁলোকে কাকো সমৰ্থনো নকৰে আৰু নিৰ্বাচনতো ভাগ নলয়। গতিকে আলফাই নিৰ্বাচনৰ সময়ত সন্ত্ৰাসৰ সৃষ্টি কৰিব পাৰে বুলি অসমৰ নেতিবাচক দিশটো প্ৰচাৰ কৰা বাহিৰৰ একাংশ কাগজৰ ধাৰণা যে ভ্ৰম আৰু তেওঁলোকৰ প্ৰচাৰ যে উদ্দেশ্য প্ৰণোদিত সেই কথা সকলোৱে বুজি পায়। আমি পোৱা খবৰ মতে আলফাই এটা কথা প্ৰতিপন্ন কৰিব যে তেওঁলোকে সন্ত্ৰাসবাদী নহয়। কৌশলগত কাৰণত কেতিয়াবা ত্ৰাসমূলক কাম কৰিব লগীয়া হ'লেও সন্ত্ৰাস দলটোৰ কাম্য নহয়। ৰাজ্যত এখন নিৰ্বাচিত চৰকাৰ থাকিলেহে আলফাৰ লগত আলাপ আলোচনা চলোৱাৰ পথ সুগম হব। বেছি ভাগ ৰাজনৈতিক দলেই বিচাৰে ভাৰত চৰকাৰে আলফাৰ লগত আলাপ আলোচনা আৰম্ভ কৰিব লাগে। যি কি নহওক আলফা অসমৰ নিৰ্বাচনৰ সতে জড়িত নহয় আৰু সেই সম্পৰ্কত অযথা উৎকণ্ঠিত হোৱাৰ প্ৰয়োজন নাই।

অসমৰ মানুহৰ গণতান্ত্ৰিক চেতনা যে কিমান প্ৰবল সেই কথা যোৱা চাৰি মাহৰ ঘটনা প্ৰবাহে সূচাইছে। সকলো শ্ৰেণীৰ লোকে বিচাৰে নিৰ্বাচন আৰু এখন নিৰ্বাচিত চৰকাৰ। অন্যথায় জনসাধাৰণে অসহায় অনুভৱ কৰে। ব্যক্তি স্বাধীনতাত আঘাত পৰে। জনসাধাৰণৰ বিচাৰ আৰু বিবেকৰ ওপৰত আমাৰ পৰম বিশ্বাস আছে। যিহেতুকে বৰ্তমান সময়ত কোনো লহৰ নাই, কোনো ইছ্যু নাই জনসাধাৰণে ৰাজনৈতিক স্থায়িত্বৰ বাবেই চাইচিতি ভোট দিব বুলি অনুমান কৰা হয়। সংখ্যালঘু, চাহ শ্ৰমিক আৰু দলমতৰ অনুগামী নোহোৱা জনসাধাৰণে এইবাৰ স্থায়িত্ব, শান্তি আৰু সম্প্ৰীতিৰ বাবে ভোট দিব।

বিভিন্ন জনগোষ্ঠীৰ কিছুমান বিশেষ দাবীয়ে অ'ত ত'ত স্থানীয়ভাবে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে যদিও সামগ্ৰিকভাবে তেনে প্ৰভাৱ লক্ষণীয় নহব যেন লাগে। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰ বিন্যাস ঘটালে আৰু ৰাজ্যলৈ অধিক ক্ষমতা প্ৰদান কৰাৰ মাধ্যমত বিভিন্ন জনগোষ্ঠীৰ ৰাজনৈতিক আশা আকাংক্ষা পূৰণ কৰিব পৰা যাব বুলি অগপ, চি পি এম, নতুন অগপ আদি কেইবাটাও দলে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বড়োলেন্ডৰ প্ৰশ্নত কেন্দ্ৰই উচ্চ ক্ষমতাসম্পন্ন কমিটি গঠন কৰাত আবছু আৰু বড়ো পিপলছ একচন কমিটি সন্তুষ্ট হৈছে। চি পি এমে দাবী কৰিছে "অসমৰ ভিতৰতে বড়ো, কাৰ্বি আদি সকলো জনজাতিৰ কাৰণে স্বায়ত্ত শাসন, সমানাধিকাৰ, ভাষা-সংস্কৃতিৰ সুৰক্ষা আদিৰ ভিত্তিত জনজাতি সমস্যাৰ ন্যায্য সমাধান।" আন কেইবাটাও দলে অনুৰূপ মনোভাব ব্যক্ত কৰিছে। আটাইবোৰ ৰাজনৈতিক দলে বিচাৰে অসমত যি কেইটা জনজাতি আছে তেওঁলোকৰ যিবোৰ সমস্যা সেইবোৰৰ এটা সমাধান হব লাগে যাতে ক'তো অসন্তোষৰ বীজ ৰৈ নেযায়। ভোটাৰ সকলে এটা সামগ্ৰিক দৃষ্টিভংগীলৈ যদি ভোটদান কৰে তেনেহ'লে তেওঁলোকে নিতান্ত স্থানীয় ইছ্যুৰ ওপৰলৈ উঠি সৰ্বভাৰতীয় দৃষ্টিৰে এখন সুস্থিৰ চৰকাৰ আৰু অৰ্থনৈতিক প্ৰগতিৰ স্বাৰ্থত ভোট দিব পাৰে।

নিৰ্বাচনী পৰিস্থিতি সঘনে সলনি হৈ থাকে আৰু নিৰ্বাচনৰ আগমুহূৰ্ততহে ছবিখন স্পষ্ট হৈ পৰে। তথাপি বৰ্তমানৰ গতি ক্ষেত্ৰলৈ চাই এটা কথা ক'ব পাৰি যে জনসাধাৰণে এইবাৰ দুটা কথালৈ লক্ষ্য ৰাখিব। প্ৰথম কথা তেওঁলোকে এনে দলক ভোট দিব যাৰ চৰকাৰ গঠনৰ সামৰ্থ্য আছে আৰু দ্বিতীয়তে স্থায়িত্বৰ প্ৰশ্নলৈও চাব। অগপ-ৰ বিফলতাৰ বাবে পাছত পুনৰ আঞ্চলিক দলৰে পোষকতা কৰিব বুলি ভাবিব নোৱাৰি। অৱশ্যে অগপ-ত বিভাজন নহ'লে পৰিস্থিতি বেলেগ হ'লহেঁতেন। বিভাজন হৈ দুৰ্বল হোৱাৰ পিছত দলটোৱে কেনেভাবে ভোটাৰক আকৰ্ষিত কৰে কোৱা টান। স্বাধীনতাৰ চল্লিছ বছৰ পাছত জনসাধাৰণৰ ৰাজনৈতিক অভিজ্ঞতা পূৰঠ হোৱা বুলি ক'ব পাৰি আৰু সেই ধৰণেই তেওঁলোকে ভোটাধিকাৰ সাব্যস্ত কৰিব। যদিও সকলো সমষ্টিতে প্ৰাৰ্থীৰ সংখ্যা আগতকৈ বহুত বেছি তথাপি সকলো প্ৰাৰ্থীয়েই যে ভোট পাব তেনে আশা নাই। ভোট কেইজনমানেহে পাব। জনসাধাৰণে সেই সকল প্ৰাৰ্থীকহে ভোট দিব যাৰ জয়লাভৰ আশা আছে। এতিয়া ভোটাৰে ভোট নষ্ট নকৰাৰ কথা কোৱা হৈছে গণতন্ত্ৰৰ বাবে এইটো শুভ লক্ষণ।

মন কৰিব লগীয়া কথা যে এইবাৰৰ নিৰ্বাচনত কোনো ইছ্যু নাই। কোনো ঢৌ নাই। সেয়েহে নিৰ্বাচনৰ ফলাফল কেনে হব কোৱা টান কিন্তু জনসাধাৰণৰ সাম্প্ৰতিক চেতনাৰ পৰা এটা ধাৰণা হয় যেন তেওঁলোকে দেশত তথা ৰাজ্যত এখন সুস্থিৰ চৰকাৰৰ বাবে ভোট দিব। এইবাৰৰ নিৰ্বাচনে ভৱিষ্যতৰ নিৰ্বাচনৰ দিক নিৰ্ণয় কৰিব।

যি সময়ত অসমৰ ভোটদাতাসকলে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ পাব তাৰ আগতেই ভাৰতৰ অন্যান্য ৰাজ্যৰ নিৰ্বাচনৰ ফলাফল প্ৰকাশ হৈ যাব আৰু কেন্দ্ৰতো নতুন চৰকাৰ গঠন হব। প্ৰশ্ন হয় সৰ্বভাৰতীয় ফলাফলে অসমৰ ভোটাৰ সকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবনে? একেবাৰে নকৰে বুলিও ক'ব নোৱাৰি। কিছু প্ৰভাৱ পৰিব। কিন্তু যিহেতুকে অসমৰ পৰিস্থিতি বেলেগ অসমৰ ভোটদাতা-সকলৰ বৃহৎ অংশটো সৰ্বভাৰতীয় ফলাফলৰ দ্বাৰা প্ৰভাৱান্বিত হব বুলি ক'ব নোৱাৰি। তেওঁলোকে যি সিদ্ধান্ত লৈ থৈছে বা যাক দিম বুলি ভাবিছে তাকেই দিব।

ইয়াৰ আগৰ বাৰ অসমত নিৰ্বাচন নহ'ল সংশোধিত ভোটাৰ তালিকা এখন নোহোৱাৰ অজুহাতত। সেয়েহে ১৯৮৫ চনৰ পিছত এয়া নিৰ্বাচন আৰু এই নিৰ্বাচনত সকলো শ্ৰেণীৰ লোকে মুকলিমূৰীয়াকৈ ভোটদান কৰি নিজৰ নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ আৰু এটা সুযোগ পাইছে। ■






# যিটো বিষয় এইবাৰ হত্যা কৰা হ'ল

'অসম চুক্তি ৰূপায়ণ, গণ পৰিষদৰ বাবে জীৱনপণ' – এই ৰণধ্বনি দিয়েই ১৯৮৫ চনৰ নিৰ্বাচনত গণ পৰিষদ দল বিজয়ী হৈছিল আৰু দিছপুৰত ক্ষমতা দখল কৰিছিল। কংগ্ৰেছ (ই) চৰকাৰো অসম চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী আছিল। কিন্তু অসমীয়া ৰাইজক বুজোৱা হৈছিল যে উক্ত দলে চুক্তি ৰূপায়ণ কৰিব নোৱাৰে। বৰং কূটাঘাতহে চলাব আৰু চল-চক্ৰান্ত কৰি হলেও অসম চুক্তি মৰ্মে চিনাক্ত হোৱা বিদেশীবোৰক অসমতে নিগাজীকৈ থাপিব একমাত্ৰ ভোটৰ আশাত। এক প্ৰচণ্ড আন্দোলনৰ নেতৃত্ব দিয়া নেতা, পালিনেতা, বুদ্ধিজীৱী সকলৰ এনে ব্যাখ্যা অধিকাংশ ৰাইজে মনে-প্ৰাণে গ্ৰহণ কৰিছিল আৰু সেইমতে কংগ্ৰেছ (ই) দলক পৰ্যুদস্ত কৰি পেলাইছিল। গণ পৰিষদ দলৰ চৰকাৰ প্ৰায় ৫ বছৰকাল দিছপুৰৰ ক্ষমতাত থাকিল। আখৰে আখৰে চুক্তি ৰূপায়ণ কৰি ৰাইজক চমক দেখুৱাই দিয়াৰ মতলবেৰে মুখ্য মন্ত্ৰীৰ বাবলোৱা প্ৰফুল্ল কুমাৰ মহন্তই সচিবালয়ত 'চুক্তি ৰূপায়ণৰ' নামত এটা স্বতন্ত্ৰৰীয়া বিভাগ খুলিলে আৰু তাৰ দায়িত্বও নিজৰ হাতত ৰাখিলে। কিন্তু দিন অতিবাহিত হোৱাৰ পিছত ক্ৰমান্বয়ে কথা বিষম যেন দেখি মন্ত্ৰী জয়নাথ শৰ্মাৰ কান্ধত সেই ভাৰখন চমজাই দিলে। তেতিয়ালৈকে মন্ত্ৰী হবলৈ নোপোৱা শৰ্মা ডাঙৰীয়াইও চুক্তি ৰূপায়ণ মন্ত্ৰিত্বৰ বাব পাই টকালি পাৰি উঠিল। বিভাগটোত টকা-পইছাৰ লেনদেন নাথাকিলেও তেওঁ যে সুখী হৈছে সেই কথাও ৰাইজে শুনাকৈ কলে। ফলত শ্ৰীশৰ্মা মহন্তৰ অন্যতম প্ৰিয়পাত্ৰ হৈ উঠিল। পিছে তেওঁ কথা বেগতিক দেখি 'চুক্তি ৰূপায়ণৰ' দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ চেষ্টা কৰিলে। মিত্ৰৰ পেটৰ কথা বুজিব পাৰি মহন্তই একেবাৰে শেষত সেই দায়িত্বফেৰা চমজাই দিলেগৈ তেতিয়াৰ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ কান্ধত। সম্ভৱতঃ মনৰ ভাব আছিল যে চুক্তি ৰূপায়ণৰ ব্যৰ্থতাৰ বদনামবোৰ ফুকনৰ মূৰৰ ওপৰতে পৰক। কিয়নো মন্ত্ৰী সভাখনত মহন্তৰ প্ৰতিদ্বন্দ্বী হিচাপে ফুকনেই মূৰ দাঙি উঠিছিল। গতিকে তেওঁ মজাতো পাওক। কিন্তু মন্ত্ৰী সবৰ কোনজনে মজা পালে তাৰ মীমাংসা নহলেও এটা কথা কিন্তু খাটাং হৈ গ'ল যে প্ৰতিশ্ৰুতি নেৰাখি এক প্ৰকাৰ বিশ্বাসঘাতকতা কৰিয়েই হলেও, মহন্ত চৰকাৰে অসমৰ ৰাইজকহে এমজা দিলে। চুক্তি ৰূপায়ণ হোৱা নাই, বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰা নাই বুলি কৈ থাকিয়েই যোৱা ৫ টা বছৰে ৰাজ্যখনত পঞ্চায়ত, নগৰ-পালিকা আদি একোৰে নিৰ্বাচন অনুষ্ঠিত হবলৈ নিদিলে। আনকি ১৯৮৯ চনৰ লোক সভাৰ নিৰ্বাচনো একেটা কাৰণতে অসমত হোৱা নাছিল।

অসম চুক্তিৰ মূল কথাই আছিল বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ। ১৯৭১ চনৰ পিছত অহা সকলক বহিষ্কাৰ কৰাৰ কথা আছিল আৰু ১৯৬৬-৭১ৰ ভিতৰত অহা সকলক চিনাক্ত কৰি তেওঁলোকৰ নাম সংশ্লিষ্ট পঞ্জীয়ন প্ৰাধিকাৰীৰ ওচৰত পঞ্জীভুক্ত কৰাৰ কথা আছিল। চৰকাৰী হিচাপ মতে বিগত ৫ বছৰত অসম গণ পৰিষদ চৰকাৰে ১৯৯০ চনৰ ৩০ নৱেম্বৰলৈকে বিদেশী বহিষ্কাৰ কৰিলে মাত্ৰ ৫৩০ জন। দ্বিতীয় বিধৰ ভিতৰত ২৪,৫৯২ জনক চিনাক্ত কৰা হ'ল যদিও পঞ্জীভুক্ত কৰিব পাৰিলে মাত্ৰ ৩১২৩ জন। অৰ্থাৎ নেতা সকলে দাবী কৰা লাখ লাখ বিদেশী বহিষ্কাৰ নহ'ল। এতিয়া প্ৰশ্ন হ'ল, মহন্ত চৰকাৰেও সেই সকল বিদেশীক একমাত্ৰ ভোট-বেংক হিচাপেই ৰাখি থলে নেকি?

বোধকৰো একমাত্ৰ নিজৰ শোচনীয় ব্যৰ্থতা ঢাকি ৰাখিবৰ বাবেই গণ পৰিষদ দলে আসন্ন নিৰ্বাচনৰ মজিয়াত অসম চুক্তিৰ প্ৰসংগটো এৰাই চলিছে। ১৯৮৫ চনৰ নিৰ্বাচনী ইস্তাহাৰত সৰ্বপ্ৰথমে অগ্ৰাধিকাৰ দিয়া 'অসম চুক্তি ৰূপায়ণ' বিষয়টো এইবাৰৰ দলীয় ইস্তাহাৰত ৫ নং দফাতহে ঠাই পাইছে। ব্যৰ্থতাৰ ব্যাখ্যা হিচাপে বিননি জোৰা হৈছে যে একমাত্ৰ আই এম ডি টি (IMDT) আইনখনেই সকলো অথন্তৰৰ মূল। কিন্তু ১৯৬৬-৭১ চনৰ বিদেশী চিনাক্ত কৰণৰ বাবে উক্ত আইনৰ দৰকাৰ নোহোৱা সত্ত্বেও কিয় উক্ত কামফেৰাও আশানুৰূপ ভাবে সফল নহ'ল, তাৰ কৈফিয়ৎ দলে দিব পৰা নাই। কিংবা নিজৰেই চৰকাৰ, অৰ্থাৎ ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ দিল্লীত থাকোতে আৰু নিজ দলৰেই নেতা দীনেশ গোস্বামী উক্ত চৰকাৰৰ আইন মন্ত্ৰী হৈ থকা অৱস্থাতো কিয় আই এম ডি টি আইনখন অসমৰ পৰা ৰদ কৰাব নোৱাৰিলে সেই বিষয়েও দল নিমাত।

নতুন অসম গণ পৰিষদ দলো অসম চুক্তিৰ প্ৰতি সমানেই দায়বদ্ধ। উক্ত দলৰ নিৰ্বাচনী ইস্তাহাৰত চুক্তি ৰূপায়ণৰ প্ৰতিশ্ৰুতিকেই অগ্ৰাধিকাৰ দিয়া হৈছে। কিন্তু এই ক্ষেত্ৰত যোৱা ৫ বছৰীয়া কালৰ ব্যৰ্থতাৰ বোজা সাহসেৰে কান্ধ পাতি লবলৈ উক্ত দলৰ নেতা সকলো অপাৰগ।

বিদেশী বহিষ্কাৰ আন্দোলন আৰু গণ পৰিষদ চৰকাৰৰ অভ্যুদয়ৰ সময়ত অসমত কেইবা কুৰি ঢুলীয়া, বুদ্ধিজীৱী, সাংবাদিক, ৰাজনৈতিক নেতাৰ আৱিৰ্ভাৱ হৈছিল। সেই সকল ঢুলীয়াৰ অধিকাংশই এইবাৰ নিৰ্বাচনত নতুন ঢং দেখুওৱাত লাগিছে। কোনোৱে 'স্থিতাৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ'ৰ নামত সন্ত্ৰাসবাদৰ উচটনি, কোনোৱে 'স্বায়ত্ব শাসন', কোনোৱে 'অসমীয়াৰ স্বাৰ্থৰক্ষা', কোনোৱে আকৌ নিৰ্বাচনক বিপ্লৱী সংগ্ৰামৰ মজিয়ালৈ ৰূপান্তৰিত কৰা আদি নানা চঙেৰে ৰাইজৰ মন 'বিদেশী নাগৰিকৰ সমস্যা'ৰ পৰা নিলগত ৰখাৰ প্ৰচেষ্টাত ব্ৰতী হোৱা দেখা গৈছে। বিদেশী খেদা আন্দোলনৰ সময়ত সেই সকলে কি কৈছিল, কেনি অসমবাসীৰ মুক্তি হ'ব বুলি মহান বাণী বৰষিছিল, সেইবোৰৰ এতিয়া কোনো উম ঘামকে নুলিওৱা হ'ল। আন্দোলনৰ প্ৰখ্যাত নেতা নিবাৰণ বৰাই সংযুক্ত লোক পৰিষদৰ পৰা, আন এচামে আকৌ জাতীয় স্বতন্ত্ৰ মঞ্চৰ মজিয়াৰ পৰা নিৰ্বাচনত নামি জিকাৰ সপোন দেখিছে। কিন্তু কোনেও বিদেশী সমস্যাৰ কথাহে নকয়।

মূঠৰ ওপৰত বিদেশী নাগৰিকৰ সমস্যাটো দৰকাৰতকৈ ডাঙৰকৈ যিসকল নেতা আৰু ঢুলীয়াই তুলি ধৰিছিল, সেই সকলেই এইবাৰৰ নিৰ্বাচনত উক্ত সমস্যাটো হত্যা কৰি পেলালে। জনসাধাৰণে স্থাপন কৰা আস্থাবোৰৰ যোৱা ৫টা বছৰত হত্যা হ'ল আৰু নিৰ্বাচনৰ ৰণক্ষেত্ৰত উক্ত বিষয়টোকেই হত্যা কৰা হ'ল।

হত্যাকাৰী সকলৰ শাস্তি অহা নিৰ্বাচনত জানো হ'ব? নে বছৰে বছৰে বৰণ সলোৱা বাৰেৰঙী বহুৱাবোৰৰ উৎপাত, আতিশয্য অসমত চলিয়েই থাকিব?

হৰেন বুঢ়াগোহাঞি

# নিৰ্বাচন, ৰাজনৈতিক দল আৰু প্ৰতিশ্ৰুতি

হিতেন মহন্ত

নিৰ্বাচন আৰু প্ৰতিশ্ৰুতি। এই শব্দ দুটা এতিয়া একাকাৰ হৈছে। আচলতে প্ৰতিটো নিৰ্বাচনৰ সময়ত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিশ্ৰুতিৰ জোৱাৰত ভোটাৰ ৰাইজ নাকনি-কাননি খাবলগীয়া হয়। এইবাৰো তাৰ কোনো ব্যতিক্ৰম হোৱা নাই। বৰং এইবাৰৰ নিৰ্বাচনত অধিক সংখ্যক ৰাজনৈতিক দলৰ উপস্থিতি আৰু ইয়াৰ লগে লগে প্ৰতিশ্ৰুতিৰ বা-মাৰলীত ভোটাৰ ৰাইজৰ অৱস্থা অধিক দুৰূহ হৈ পৰিছে। সৰস্বতী পূজা, দুৰ্গা পূজা আদিৰ সময়ত যিদৰে কিছুসংখ্যক ল'ৰা লগলাগি চান্দা সংগ্ৰহৰ জৰিয়তে চুবুৰিয়ে চুবুৰিয়ে পূজাৰ আয়োজন কৰে, ঠিক সেইদৰে কেইজনমান লোক লগ লাগি এটা দল গঠনৰ জৰিয়তে এইবাৰৰ নিৰ্বাচনত জঁপিয়াই পৰিছে। অসংখ্যা ৰাজনৈতিক দলৰ উপস্থিতি আৰু সেই ৰাজনৈতিক দলবোৰৰ প্ৰতিশ্ৰুতিত ভোটাৰ ৰাইজ বিভ্ৰান্ত।

কিন্তু ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ সময়ত ভোটাৰ ৰাইজৰ আগত দাঙি ধৰা প্ৰতিশ্ৰুতিবোৰৰ কিবা মূল্য আছে জানো? প্ৰতিটো নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলবোৰে অসংখ্য প্ৰতিশ্ৰুতি ৰাইজৰ আগত দাঙি ধৰে আৰু ক্ষমতালৈ অহাৰ পিছতেই সেইবোৰলৈ পিঠি দিয়ে। অসম গণ পৰিষদ দলেই হৈছে এই ক্ষেত্ৰত জ্বলন্ত উদাহৰণ। এটা দীঘলীয়া আন্দোলন আৰু অজস্ৰ লোকৰ অসীম ত্যাগৰ বিনিময়ত এখন চুক্তি সম্পাদিত হৈছিল। সেই অসম চুক্তি আখৰে আখৰে ৰূপায়ণ আৰু বিদেশী বহিষ্কাৰৰ প্ৰতিশ্ৰুতিৰে অগপ শাসন ক্ষমতালৈ আহিছিল। এজন বিদেশী থকালৈকে জিৰণি লোৱা নহব, দহ টকা ভেটি খোৱাজনৰো শাস্তি বিহা হব এইবোৰ ধ্বনিৰে অগপ-ৰ নেতৃবৃন্দই আকাশ-পাতাল কঁপাই তুলিছিল। কিন্তু ক্ষমতালৈ আহিয়েই তেওঁলোকে কৰিলে কি? লাখ লাখ বিদেশী বহিষ্কাৰৰ কথা কৈ হাজাৰটাও বিদেশী বহিষ্কাৰ কৰিব নোৱাৰি অৱশেষত অগপ-ৰ নেতৃবৃন্দই ক'লে যে ১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী ন্যায়াধিকৰণ চিনাক্তকৰণ (আই এম ডি টি) আইনখনেই ইয়াৰ প্ৰধান অন্তৰায়। কিন্তু ১৯৮৫ চনৰ নিৰ্বাচনৰ সময়ত অগপ-ৰ নেতৃবৃন্দই এই আইনখনৰ কথা কোৱা নাছিল কিয়? দহ টকা ভেটি খোৱাজনকো শাস্তি বিহা হব বুলি অংগীকাৰ কৰা সকলে ৰেলৱে শ্লিপাৰ, লটাৰিৰ টকা বিতৰণ, ষ্টেটফেডৰ চাউলৰ কেলেংকাৰি আদি প্ৰকাশ পোৱাৰ পিছত ওলোটাই প্ৰমাণ দিয়াৰ বাবে ৰাইজক প্ৰত্যাহ্বানহে জনালে। অগপ-ই নিৰ্বাচনী প্ৰতিশ্ৰুতিক যিদৰে প্ৰহসনত পৰিণত কৰিলে, ভাৰতবৰ্ষৰ কোনো এটা ৰাজনৈতিক দলেই ইয়াৰ আগেয়ে এনে দৃষ্টান্ত দাঙি ধৰা নাছিল।

এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ প্ৰায় আটাইকেইটা আঞ্চলিক দলে স্ব-নিয়ন্ত্ৰণ বা আত্মনিয়ন্ত্ৰণৰ অধিকাৰক মূল ধ্বনি হিচাপে লৈ নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ হৈছে। ফলস্বৰূপে ভোটাৰ ৰাইজ বিভ্ৰান্ত হৈছে। তেওঁলোকৰ মাজত খেলি মেলি বাঢ়িছে। আটাইকেইটা আঞ্চলিক দলে স্ব-নিয়ন্ত্ৰণ বা আত্মনিয়ন্ত্ৰণৰ পৃথক ব্যাখ্যা দাঙি ধৰিছে। ভোটাৰ ৰাইজে এতিয়া কোনটো গ্ৰহণ কৰিব? অগপ-ই এইবাৰ আত্মনিয়ন্ত্ৰণ অধিকাৰক 'কেপচুল' হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছে। আত্মনিয়ন্ত্ৰণ অধিকাৰৰ ধ্বনি দি তেওঁলোকে নিৰ্বাচনী ঢৌ-ৰ সৃষ্টি কৰিব বিচাৰিছে। কিন্তু এই আত্মনিয়ন্ত্ৰণ অধিকাৰ আচলতে কি? এই সম্পৰ্কে আঞ্চলিক দল কেইটাৰ কোনো স্পষ্ট ব্যাখ্যা নাই। অগপ-ই আত্মনিয়ন্ত্ৰণৰ ব্যাখ্যা দাঙি ধৰি কৈছে যে বৈদেশিক, প্ৰতিৰক্ষা, যোগাযোগ আৰু মুদ্ৰা বিষয় এই চাৰিটা কেন্দ্ৰৰ হাতত থাকি বাকীবোৰ দপ্তৰ ৰাজ্যৰ হাতত থাকিব লাগে। অৰ্থাৎ সাৰ্বভৌমত্ব বাদ দি আত্মনিয়ন্ত্ৰণ। কিন্তু সাৰ্বভৌমত্ব অবিহনে আত্মনিয়ন্ত্ৰণ এটা পৰস্পৰ বিৰোধী কথা। কিয়নো আত্মনিয়ন্ত্ৰণৰ অৰ্থই নিজৰ ভৱিষ্যত নিজে নিৰূপণ কৰা। কিন্তু কোনো এটা জাতিৰ প্ৰতিৰক্ষা, বৈদেশিক দায়িত্ব আনৰ হাতত অৰ্পণ কৰি আত্মনিয়ন্ত্ৰণ কেনেকৈ সম্ভৱ হব? আচলতে অগপ-ই আত্মনিয়ন্ত্ৰণৰ যিটো ব্যাখ্যা দাঙি ধৰিছে সেইটো আচলতে ক্ষমতাৰ বিকেন্দ্ৰীকৰণহে। এই ক্ষমতাৰ বিকেন্দ্ৰীকৰণকে অগপ-ই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ হিচাপে দাঙি ধৰি এটা খেলি মেলিৰ সৃষ্টি কৰিব বিচাৰিছে। আত্মনিয়ন্ত্ৰণৰ প্ৰচাৰ চলাই এইবাৰ অগপ-ই ভোটাৰ ৰাইজৰ মন জয় কৰিবলৈ বিচাৰিছে। কাৰণ অসম চুক্তি ৰূপায়ণ বা বিদেশী বহিষ্কাৰৰ শ্লোগান ইতিমধ্যে অচল হৈ পৰিছে। অগপ-ই ভালদৰে উপলব্ধি কৰিছে যে অসম চুক্তিৰ 'কেপচুল' গিলিবলৈ ভোটাৰ ৰাইজ এইবাৰ সমূলি ইচ্ছুক নহয়। সেয়ে অসম চুক্তিৰ বিষয়টো অগপ-ৰ নেতৃবৃন্দই এইবাৰ অতি কায়দাৰে এৰাই চলিছে। তাৰ উপৰি দলে ব্যাখ্যা কৰাৰ ধৰণে আত্মনিয়ন্ত্ৰণ অধিকাৰ কেনেকৈ আদায় কৰিব সেই সম্পৰ্কেও কোনো ধৰণৰ স্পষ্ট ব্যাখ্যা দাঙি ধৰিব পৰা নাই। কেৱল উল্লেখ কৰিছে যে আত্মনিয়ন্ত্ৰণ অধিকাৰৰ বাবে দলে সংগ্ৰাম চলাই যাব। সংগ্ৰাম চলাই যোৱাটোৱেই নিৰ্বাচনী প্ৰতিশ্ৰুতি হব পাৰে জানো?

কেৱল অগপ-ই নহয়, অসম জাতীয় পৰিষদ, পূৰ্বাঞ্চলীয় লোক পৰিষদ, অসম জাতীয়তাবাদী দল, অসম সংযুক্ত জন কংগ্ৰেছ আদি আঞ্চলিক দলবোৰেও এইবাৰ স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ লৈ মুখৰিত হৈ পৰিছে।

স্ব-নিয়ন্ত্ৰণ বা আত্মনিয়ন্ত্ৰণৰ সন্দৰ্ভত অগপ-ৰ দৰে অসম জাতীয় পৰিষদেও একেই ব্যাখ্যা দাঙি ধৰিছে। অৰ্থাৎ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে বৈদেশিক, প্ৰতিৰক্ষা, যোগাযোগ আৰু মুদ্ৰা বিষয়ৰ বাহিৰে সকলোবোৰ ক্ষমতা ৰাজ্যৰ হাতত দিব লাগে।

সেইদৰে পূৰ্বাঞ্চলীয় লোক পৰিষদেও ৰাজ্যৰ বিধান মন্ডলৰ হাতত অধিক ক্ষমতা প্ৰদানৰ জৰিয়তে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰাৰ কথা কৈছে।

কিন্তু স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ কেনেকৈ আদায় কৰিব পৰা হব এই সম্পৰ্কে কোনো এটা আঞ্চলিক দলেই স্পষ্ট ব্যাখ্যা দাঙি ধৰিব পৰা নাই। ফলস্বৰূপে ভোটাৰ ৰাইজৰ ধাৰণা হৈছে যে এইটো এটা ৰাজনৈতিক ছলনাৰ বাহিৰে আন একো নহয়।

আচলতে আলফাই আত্মনিয়ন্ত্ৰণ অধিকাৰৰ দাবী উত্থাপন কৰাৰ পিছতেই এইবাৰ আঞ্চলিক দল কেইটাই সেই একেটা বিষয়লৈ মুখৰিত হোৱা দেখা গৈছে।

ভাৰতবৰ্ষত চি পি এম দলেই সৰ্বপ্ৰথমে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ দাবী উত্থাপন কৰিছিল। চি পি এমৰ অসম ৰাজ্যিক শাখাই এইবাৰৰ নিৰ্বাচনতো ৰাজ্যৰ হাতত অধিক ক্ষমতা মূল ধ্বনি হব বুলি ঘোষণা কৰিছে।

আনহাতে কংগ্ৰেছ (ই), কংগ্ৰেছ (এছ), জনতা আদি সৰ্বভাৰতীয় ৰাজনৈতিক দলকেইটাই ৰাজ্যখনৰ শান্তি-সম্প্ৰীতি ঘূৰাই অনাত অধিক গুৰুত্ব আৰোপ কৰিছে। নিৰ্বাচনী প্ৰতিশ্ৰুতি হিচাপে এইটো নতুন কথা নহয়।

আনহাতে যিদৰে স্ব-নিয়ন্ত্ৰণ বা আত্মনিয়ন্ত্ৰণৰ ধ্বনিত ভোটাৰ ৰাইজ বিভ্ৰান্ত হৈছে, ঠিক তেনেদৰে নিৰ্বাচনী জোঁট, মৰ্চা গঠন আৰু বুজাবুজি এই তিনিটা বিষয়লৈও ভোটাৰ ৰাইজ এইবাৰ বাৰুকৈয়ে বিভ্ৰান্ত হৈছে। কিয়নো জনতা দল, চি পি এম আদি দলবোৰে নিৰ্বাচনৰ সময়ত মৰ্চা গঠন কৰিব নোৱাৰিও ঘোষণা কৰিছে যে নিৰ্বাচনৰ পিছত এইটো কৰিব পৰা যাব। ঠিক সেইদৰে সমভাবপন্ন ৰাজনৈতিক দলবোৰে নিৰ্বাচনী বুজাবুজিৰ কথাও কৈছে আৰু সেই ৰাজনৈতিক দলবোৰে একেটা সমষ্টিতে নিজ দলৰ প্ৰাৰ্থী থিয় কৰাইছে। ইয়াৰ দ্বাৰা এটা কথা স্পষ্ট হৈ পৰিছে যে এই ৰাজনৈতিক দলবোৰৰ প্ৰকৃত উদ্দেশ্য হ'ল ক্ষমতা দখল কৰা। ৰাইজক সেৱা কৰা নহয়। ■







## সাম্প্ৰতিক নিৰ্বাচন

# যুৱ-সমাজৰ ভূমিকা, প্ৰতিক্ৰিয়া

**অসমৰ কেইবাটাও ৰাজনৈতিক দলৰ যুৱ নেতা আৰু সাধাৰণ যুৱক-যুৱতীৰ মতামত সাপেক্ষ এই পৰ্যালোচনাটি যুগুত কৰিছে ভাস্কৰ জ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে।**

যিয়ে যেনেকৈয়ে নকওক, স্বাধীন দেশৰ প্ৰতিজন নাগৰিকে, প্ৰতিটো ৰাজনৈতিক দলে এটা সময়ত নিৰ্বাচনৰ সমুখীন হবলৈ বাধ্য হয়। স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ শাসক শ্ৰেণীয়ে গণতান্ত্ৰিক প্ৰমূল্যৰ বহু পৰিমাণে অবক্ষয় ঘটাইছে যদিও আজিও নিৰ্বাচনে ভাৰতৰ ৰাজনৈতিক জীৱনত ইয়াৰ প্ৰাথমিক প্ৰাধান্য অক্ষুণ্ন ৰাখিছে।

কেন্দ্ৰত ভি পি সিং চৰকাৰৰ পতনৰ পিছত আশী কোটি জনতাৰ ৰাজনৈতিক ভৱিষ্যত আকৌ ওলমাই ৰাজীৱ গান্ধীয়ে চন্দ্ৰ শেখৰ চৰকাৰক সংখ্যালঘু চৰকাৰলৈ পৰিণত কৰাৰ পিছতেই ভাৰতৰ সংসদ ভংগ হ'ল। ৰাইজৰ নানা জল্পনা-কল্পনাক ওৰ পেলাই ভাৰতবৰ্ষত ১০ম সংসদীয় নিৰ্বাচনৰ লগতে সাতখন ৰাজ্যত বিধানসভাৰ নিৰ্বাচন ঘোষণা কৰা হ'ল।

কেইবাটাও দিশৰ পৰা এইবাৰৰ নিৰ্বাচন অতিকৈ গুৰুত্বপূৰ্ণঃ প্ৰথমবাৰৰ বাবে বিজেপিয়ে ৰাষ্ট্ৰীয়(?) বিষয় লৈ নিৰ্বাচনত নামিছে; ভাৰতবৰ্ষৰ জন-সাধাৰণৰ বাবে আটাইতকৈ ডাঙৰ সমস্যা হৈছে ৰাজনৈতিক সুস্থিৰতা, শান্তি-শৃংখলাৰ সমস্যা। উন্নয়নশীল দেশ হিচাপে ইয়াৰ লগতে সাঙোৰ খাই আছে মূল্য-বৃদ্ধি, নিবনুৱা সমস্যা, অৰ্থনৈতিক অনগ্ৰসৰতা, বিচ্ছিন্নতাবাদ, সাম্প্ৰদায়িকতাবাদ জাতিগত সমস্যা সমূহ।

শতিকাটো শেষ হবলৈ মাত্ৰ ন'টা বছৰ বাকী থকা অৱস্থাত নতুন প্ৰজন্মই একবিংশ শতিকাক প্ৰগতিৰ জয় ঢোল বজাই সুৱাগুৰি তুলি আদৰি আনিব পাৰিব নে নোৱাৰে সেই কথাটোও নিৰ্বাচনটোত জড়িত হৈ থাকে। ভোটাধিকাৰৰ বয়স হ্ৰাস কৰাত যুৱ সম্প্ৰদায়ৰ অধিকাংশই এইবাৰৰ নিৰ্বাচনত ভোটাধিকাৰ পাইছে। সেই দৃষ্টিকোণৰ পৰাও নিৰ্বাচনটো গুৰুত্বপূৰ্ণ। ৰাজ্য সমূহৰ বিশেষকৈ অসম আৰু পাঞ্জাৱত নিৰ্বাচনৰ গুৰুত্ব বেছি এইবাবেই যে এই ৰাজ্য দুখনৰ ৰাজনৈতিক অস্থিৰতা শীৰ্ষত আৰু ই অধিক শিবিৰত বিভাজিত। দুয়োখন ৰাজ্যই বৰ্তমান ৰাষ্ট্ৰপতি শাসনৰ কবলত। অথচ ৰাজ্য দুখনৰ জনসাধাৰণে সংসদীয় গণতন্ত্ৰৰ ধাৰাৰ ওপৰত এতিয়াও আস্থাভাজন। অসমত ৰাষ্ট্ৰপতি শাসনৰ বিৰুদ্ধে জনসাধাৰণৰ, বিভিন্ন সংগঠনৰ প্ৰতিবাদেই ইয়াক সাব্যস্ত কৰে।

তাৰ উপৰি অসমৰ যোৱা দুটা নিৰ্বাচনৰ বৈশিষ্ট্য এয়ে আছিল যে, তিৰাশীৰ নিৰ্বাচন যুৱ সম্প্ৰদায়ৰ আহ্বানত জনসাধাৰণে বৰ্জন কৰিছিল আৰু পঁচাশীত এক জাতীয় 'ইছ্যু'ৰে যুৱ সম্প্ৰদায়ৰ একাংশই জনসাধাৰণৰ সমৰ্থনত আঞ্চলিক চৰকাৰ গঠন কৰিছিল। আঞ্চলিকতাবাদৰ ভেটি সুদৃঢ় হবলৈ নৌপাওঁতেই এই চৰকাৰৰ প্ৰতি ৰাইজৰ মোহগ্ৰস্ততা আঁতৰিল। সুস্থ-সবল নেতৃত্বৰ অভাৱ, ৰাজ্যখনৰ সমস্যা সমূহ সমাধানত ব্যৰ্থতা, দলীয় বিভাজন আদিয়ে

ৰাইজকে নালাগে যুৱ সম্প্ৰদায়ৰ অধিকাংশক নিৰ্বাচনটো সম্বন্ধে হতাশ আৰু নিৰ্লিপ্ত কৰি পেলাইছে। আনহাতে, যুৱ সম্প্ৰদায়ৰ একাংশই বিভিন্ন ৰাজনৈতিক দলৰ হৈ নিৰ্বাচনতো জঁপিয়াই পৰিছে। এনে পটভূমিত নিৰ্বাচনত অসমৰ যুৱ সম্প্ৰদায়ৰ ভূমিকা কেনে ধৰণৰ হব আৰু এই ভূমিকাই ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক জীৱনত গতিশীলতা দিব পাৰিব নে নাই– ৰাজ্যখনৰ ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ বিষয়।

বিষয়টো আলোচনা কৰোতে নিম্নলিখিত সমস্যা সমূহক আধাৰ হিচাপে লৈ এক সুসংহত বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

১। বৰ্তমান সময়ত ভাৰতবৰ্ষত নতুন প্ৰজন্মৰ সমুখত থকা অগ্নিগৰ্ভা সমস্যা কি? এখন সুস্থিৰ চৰকাৰ গঠন, মূল্যবৃধ্ধি ৰোধ, দেশৰ সংহতি, সন্ত্ৰাসবাদ নে সাম্প্ৰদায়িকতা?

২। এইবাৰৰ সংসদীয় নিৰ্বাচনৰ ফলাফল কেনে ধৰণৰ হব বুলি ভাবে? ৰাজ্য বিধানসভাৰ নিৰ্বাচন সমূহৰ বিশেষকৈ অসমৰ ক্ষেত্ৰত এই ফলাফল ভাৰতবৰ্ষৰ বাকীবোৰতকৈ বেলেগ হব পাৰে নেকি?

৩। সাম্প্ৰদায়িকতাবাদ, জাতিভেদ আৰু বিচ্ছিন্নতাবাদ– এইবোৰৰ কোনটোক আপুনি গুৰুতৰ বুলি ভাবে? ভাৰতবৰ্ষত বিজেপিয়ে কোৱাৰ দৰে হিন্দু সকলক ২য় শ্ৰেণীৰ নাগৰিক বুলি ভাবেনে? অথবা মুছলমান সকলক? বিজেপিয়ে যদি সংখ্যাগৰিষ্ঠতা পায় তেনেহ'লে ভাৰতবৰ্ষত ধৰ্ম নিৰপেক্ষতা ক্ষুণ্ণ হোৱাৰ আশংকা আছে নেকি?

৪। অসম, পাঞ্জাৱ, কাশ্মীৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ নীতি লোৱা উচিত বুলি আপুনি ভাবে?

৫। দেশৰ সংহতি, ঐক্য আৰু সামাজিক সমতা ৰক্ষাৰ দ্বাৰা ধৰ্মনিৰপেক্ষতাৰ স্বকীয় সত্তা অক্ষুণ্ন ৰাখি এখন সুস্থিৰ চৰকাৰ গঠনেৰে দেশৰ দৰিদ্ৰ শ্ৰেণীৰ আশা-আকাংখা প্ৰতিফলিত কৰিব পৰা চৰকাৰখন আপুনি কাৰ নেতৃত্বত হোৱাটো বিচাৰে?

৬। ভাৰতবৰ্ষত বৰ্তমান সংবিধান সংশোধনৰ প্ৰয়োজনীয়তা আছে নেকি? স্বনিয়ন্ত্ৰণৰ দাবীয়ে যি সময়ত ভাৰতৰ আকাশ বতাহ মুখৰিত কৰিছে তেনে সময়ত ভাৰতবৰ্ষৰ দৰে এখন বহুভাষিক ৰাষ্ট্ৰত সংসদীয় আৰ্হিতকৈ ফেডাৰেল গাঁথনিৰ চৰকাৰ এখন উপযুক্ত হব বুলি আপুনি ভাবে নেকি?

৭। ১৯৮৫ চনত বিদেশী বহিষ্কৰণৰ দৰে এক স্পৰ্শকাতৰ 'ইছ্যু'ৰে ক্ষমতাৰ বাঘজৰি লোৱা অগপ চৰকাৰখন অতি কম সময়ৰ ভিতৰতে জনসাধাৰণৰ বাবে এক 'ৰোমান্টিক আয়ৰনিত' পৰিণত হ'ল। ৰাইজৰ উছাহত চেঁচা পানী ঢালি এই চৰকাৰ আইন-শৃংখলা পৰিস্থিতি, অৰ্থনৈতিক উন্নয়ন, জাতীয় সংহতি আদি কৰি মূল বিষয়ত ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপিত হ'ল। আপোনাৰ অভিমত?


৮। ১৯৮৫ চনৰ অসমৰ নিৰ্বাচনত যুৱ সম্প্ৰদায়ৰ বিশেষ ভূমিকা আছিল। ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ পতন, অগপ-ৰ বিভাজন, নিবনুৱা সমস্যা সমাধানত ব্যৰ্থতা, মূল্যবৃধ্ধি, অস্থিৰ শিক্ষানীতিয়ে আজিৰ যুৱক সমাজৰ মাজত এক প্ৰবল হতাশা আৰু অন্তঃসাৰশূন্যতাৰ জন্ম দিছে- যিয়ে সাম্প্ৰতিক নিৰ্বাচনটোৰ ক্ষেত্ৰত সাধাৰণ যুৱক সকলক উদাসীন কৰি পেলাইছে। আনহাতে অসমৰ বিভিন্ন ৰাজনৈতিক দলৰ পৰা আছু, আবছু, যুৱ কংগ্ৰেছ আদিৰ বহুতো যুৱকে সক্ৰিয়ভাবে নিৰ্বাচনতো জঁপিয়াই পৰিছে। প্ৰক্ৰিয়াটোৰ এই দুই বিপৰীতধৰ্মিতাৰ মাজত নিৰ্বাচনটোত যুৱক সকলৰ ভূমিকা কি বুলি ভাবে? এই নিৰ্বাচনত আপোনাৰ কৰ্তব্য কিদৰে নিৰ্ধাৰণ কৰিছে?

৯। ৰাজনৈতিক বিপৰ্যয়, আভ্যন্তৰীণ খেলিমেলিৰ এই চূড়ান্ত নিদৰ্শনৰ পিছতো অসমত যুৱ সম্প্ৰদায়ৰ মাজৰ পৰা এক সুস্থ নিৰ্ভৰশীল বিকল্প ৰাজনৈতিক দল অথবা আঞ্চলিক ৰাজনৈতিক দল এটাৰ কিয় জন্ম নহ'ল?

ওপৰোক্ত প্ৰশ্ন সমূহৰ উত্তৰত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বঙাইগাঁৱৰ শ্ৰীব্ৰজেনজিৎ সিংহই কয়–

"মূল্যবোধৰ সৰ্বগ্ৰাসী খহনীয়াই হৈছে নতুন প্ৰজন্মৰ সমুখত থকা বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ সমস্যা।" শ্ৰীসিংহই আৰু কয় যে, আগন্তুক নিৰ্বাচনত কেন্দ্ৰৰ লগতে অসমতো এখন সুস্থিৰ চৰকাৰ গঠন হোৱাৰ সম্ভাৱনা কম।

আমাৰ তৃতীয় প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহই কয়, সাম্প্ৰদায়িকতাবাদেই আটাইতকৈ গুৰুতৰ সমস্যা। ভাৰতত ২য় শ্ৰেণীৰ নাগৰিক বুলি কোনো নাই। "মুছলমান সকলে অৱশ্যে কিছু কিছু ক্ষেত্ৰত নিৰাপত্তাৰ অভাৱ অনুভৱ কৰা" বুলি তেওঁ মন্তব্য





দিয়ে। বিজেপিৰ সংখ্যাগৰিষ্ঠতা সন্দৰ্ভত শ্ৰীসিংহই কয় যে বিজেপিয়ে যদি ঘোষিত কাৰ্যসূচী সমূহ ৰূপায়ণ কৰিবলৈ যায় তেনেহ'লে ভাৰতত ধৰ্মনিৰপেক্ষতা ক্ষুণ্ন হোৱাৰ আশংকা আছে।

৫নং প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহই কয় যে, ভি পি সিঙৰ নেতৃত্বতে এতিয়াও সকলো আস্থাভাজন। লগতে শ্ৰীসিংহই ফেডাৰেল গাঁথনিৰে ৰাজ্য সমূহৰ স্বায়ত্ত শাসনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কয় যে, এক সুস্থ বিতৰ্কেৰে কেন্দ্ৰীয় চৰকাৰে অসম, পাঞ্জাৱ, কাশ্মীৰ এই তিনিওখন ৰাজ্যৰ সমস্যা সমূহ আন্তৰিকতাৰে আলাপ আলোচনাৰে সমাধান কৰিব পাৰে।

অগপ চৰকাৰৰ পতনৰ সম্পৰ্কে শ্ৰীসিংহৰ অভিমত হ'ল– যুৱ নেতা সকলৰ অনভিজ্ঞতা, সমস্যা সমূহৰ ভিতৰলৈ সোমাই যোৱাত উদাসীনতা, ক্ষমতাৰ প্ৰতি অধিক লালসাই, আৰু স্পষ্ট ৰাজনৈতিক আদৰ্শ আৰু দৰ্শনৰ অভাৱৰ ফলতেই অগপ চৰকাৰে সমস্যা সমূহ সমাধানত ব্যৰ্থ হোৱাৰ লগতে নিজৰো বিভাজন আনিলে।

নিৰ্বাচনটোত যুৱ সম্প্ৰদায়ৰ ভূমিকা সন্দৰ্ভত প্ৰশ্ন কৰাত শ্ৰীসিংহই কয় যে, ভোটাধিকাৰৰ বয়স হ্ৰাস কৰাত এইবাৰৰ নিৰ্বাচনত কমেও দহ/বাৰ হাজাৰকৈ ভোটাৰৰ সংখ্যা বাঢ়িব আৰু এই সকল ভোটাৰ স্বাভাৱিকতেই ৰাজনৈতিক ভাবে সচেতন হব। গতিকে তেওঁলোকে ৰাজনৈতিক দলবিলাকৰ নিৰ্বাচনী প্ৰচাৰত ভোল নগৈ প্ৰাৰ্থীসকলৰ উপযুক্ততাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাৰ্থী নিৰ্বাচন কৰিব। তেওঁৰ নিজৰ কৰ্তব্য কি হব বুলি সোধাত তেওঁ কয়, যে – 'আছু'ৰ এজন সক্ৰিয় কৰ্মী হিচাপে সংগঠনটোৰ নীতি আৰু আদৰ্শৰ মাজতহে তেওঁৰ কৰ্তব্য স্থিৰ হব।

শেষৰ প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহই কয় যে– আদৰ্শ আৰু মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত ৰাজনৈতিক পৰম্পৰা এটি গঢ়ি নুঠাৰ বাবেই অসমত যুৱ সম্প্ৰদায়ৰ মাজৰ পৰা সুস্থ নিৰ্ভৰশীল বিকল্প ৰাজনৈতিক দল অথবা আঞ্চলিক ৰাজনৈতিক দল এটাৰ আজিলৈকে জন্ম নহ'ল। "অসমৰ এটাও আঞ্চলিক ৰাজনৈতিক দল আদৰ্শভিত্তিক নহয়; ব্যক্তিকেন্দ্ৰীক"হে।

গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীসত্যব্ৰত কলিতাক লগ ধৰাত তেওঁ কয়–

"এখন সুস্থিৰ চৰকাৰ গঠনৰ দ্বাৰাহে ওপৰোক্ত সমস্যা সমূহ সমাধান কৰিব পৰা যাব।"

এইবাৰৰ নিৰ্বাচনত কোনো দলেই একক সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰিব। দিল্লীত চৰকাৰ গঠন কৰা দলৰ কিছু প্ৰভাৱ অৱশ্যে পৰিব পাৰে।

"এটা জাতিৰ বা এখন দেশৰ কাৰণে সাম্প্ৰদায়িকতাবাদ, জাতিভেদ, বিচ্ছিন্নতা-বাদ আটাইবোৰ প্ৰগতিৰ অন্তৰায় আৰু ধুৰন্ধৰ ৰাজনীতিক আৰু শোষক সকলৰ হাতিয়াৰ" বুলি শ্ৰীকলিতাই আমাৰ ৩নং প্ৰশ্নৰ উত্তৰত জনায়। ধৰ্মনিৰপেক্ষতাৰ

**ৰাজ্য সমূহৰ বিশেষকৈ অসম আৰু পাঞ্জাৱত নিৰ্বাচনৰ গুৰুত্ব বেছি এইবাবেই যে এই ৰাজ্য দুখনৰ ৰাজনৈতিক অস্থিৰতা শীৰ্ষত আৰু ই অধিক শিবিৰত বিভাজিত। দুয়োখন ৰাজ্যই বৰ্তমান ৰাষ্ট্ৰপতি শাসনৰ কবলত। অথচ ৰাজ্য দুখনৰ জনসাধাৰণে সংসদীয় গণতন্ত্ৰৰ ধাৰাৰ ওপৰত এতিয়াও আস্থাভাজন।**

সন্দৰ্ভত বিজেপি দলৰ প্ৰতি মন্তব্য দি শ্ৰীকলিতাই নিজৰ বক্তব্যত এই দৰে কয়– "বিজেপিৰ হিন্দুত্ব ক্ষমতা দখলৰ এক ৰাজনৈতিক কূট অভিসন্ধি! ক্ষমতাত এবাৰ আহিলেহে তেওঁলোকৰ প্ৰকৃত চৰিত্ৰৰ প্ৰতিফলন ঘটিব।"

ফেডাৰেল গাঁথনিৰ দ্বাৰা অসম, পাঞ্জাৱ, কাশ্মীৰৰ সমস্যা সমূহ সমাধান কৰাত শ্ৰীব্ৰজেনজিৎ সিংহৰ দৰে শ্ৰীকলিতাইও নিজৰ বক্তব্য স্পষ্ট কৰি দিয়ে।

অগপ চৰকাৰ সম্বন্ধে শ্ৰীকলিতাই কয়, "এই চৰকাৰৰ জনজাতীয় কোনো নীতি নোহোৱাত তেওঁলোকে কৰা সামাজিক উন্নয়নৰ কামখিনিৰেও তেওঁলোকক জনসাধাৰণৰ সতে সম্পৰ্ক সুদৃঢ় কৰিব নোৱাৰিলে।"

বিকল্প ৰাজনৈতিক দল এটা কিয় জন্ম নহ'ল বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীকলিতাই কয়– পৰিবেশৰ অস্থিৰতাই এটা সুস্থ নিৰ্ভৰশীল ৰাজনৈতিক অথবা আঞ্চলিক ৰাজনৈতিক দল এটাৰ জন্ম নিদিলে। শ্ৰীকলিতাই আশা প্ৰকাশ কৰে যে– এখন সুস্থিৰ চৰকাৰ গঠন হ'লে হয়তো এই সম্পৰ্কে চিন্তা চৰ্চা চলিব।

অসমীয়া বিভাগৰ শ্ৰীমতী বিনীতা বৰাই কয়– "এখন সুস্থিৰ চৰকাৰ গঠনেই হৈছে নতুন প্ৰজন্মৰ সমুখত থকা অগ্নিগৰ্ভা সমস্যা।"

দেশৰ সংহতি, ঐক্যৰ প্ৰশ্নটোৰ উত্তৰত শ্ৰীমতী বৰাৰ বক্তব্য এনে ধৰণৰ– "স্বৰাজোত্তৰ কালৰ ঘটনাৱলীক কোনো ৰাজনৈতিক দৃষ্টিভংগীৰ অনুগামী নোহোৱাকৈ বিশ্লেষণ কৰিলে এই কথা ক'বলৈ নিশ্চয় সকলোৱে বাধ্য হব যে কংগ্ৰেছৰ বাহিৰে চৰকাৰ সুস্থিৰ ভাবে চলোৱাত আন কোনো ৰাজনৈতিক দলেই সক্ষম নহ'ল। গতিকে দেশৰ সংহতি ঐক্য আৰু সামাজিক সমতা ৰক্ষাৰ দ্বাৰা ধৰ্মনিৰপেক্ষতাৰ স্বকীয় সত্তা অক্ষুণ্ন ৰাখি এখন সুস্থিৰ চৰকাৰ গঠনেৰে দেশৰ দৰিদ্ৰ শ্ৰেণীৰ আশা-আকাঙ্ক্ষা প্ৰতিফলিত কৰিবৰ বাবে পুনৰ কংগ্ৰেছেই চৰকাৰ গঠন কৰাটোৱে মই বিচাৰো।"

আমাৰ ৯ নং প্ৰশ্নৰ উত্তৰত শ্ৰীমতী বৰাই কয় যে– ৰাজনৈতিক তথা সামাজিক ভাবে সচেতন নোহোৱাৰ বাবেই অসমৰ যুৱ সম্প্ৰদায়ৰ মাজৰ পৰা এক সুস্থ নিৰ্ভৰশীল বিকল্প ৰাজনৈতিক দলৰ সৃষ্টি নহ'ল।

সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম উপসভাপতি কোকৰাঝাৰ জিলাৰ শ্ৰীসুভাষ অধিকাৰীৰ অভিমত এনেধৰণৰ– ৪নং প্ৰশ্নৰ উত্তৰত– "সংবিধানৰ দফা কিছু সাল-সলনি কৰি সামৰিক, বৈদেশিক নীতি নিৰ্ধাৰণ কেন্দ্ৰৰ হাত ৰাখি অসম, পাঞ্জাৱ, কাশ্মীৰত ফেডাৰেল গাঁথনিৰ ভিত্তিত স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰি এই ৰাজ্যবোৰৰ সমস্যা সমূহ সমাধান কৰিব পৰা যাব।"

৭নং প্ৰশ্নৰ উত্তৰত শ্ৰীঅধিকাৰীয়ে কয়– ' লিডাৰশ্বিপ ক্ৰাইচিচ আৰু সমূহীয়া

স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থৰ প্ৰতি অত্যধিক দৃষ্টিয়ে অগপ চৰকাৰক মূল সমস্যা সমূহ সমাধান কৰাৰ পৰা আঁতৰাই ৰাখিলে। ফলত চৰকাৰখনৰ এক কৰুণ আৰু ঘৃণনীয় সমাপ্তি ঘটিল।"

অৰ্থনৈতিক বিভাগৰ শ্ৰীদিপাংকৰ গগৈয়ে আমাৰ ৯নং প্ৰশ্নৰ উত্তৰত কয়– "কেৱল ৰাজনীতিৰ স্বাৰ্থতেই নতুন নতুন ৰাজনৈতিক দলৰ সৃষ্টিৰ দ্বাৰা অসমৰ স্বাৰ্থৰ কিবা উন্নতি হব বুলি নাভাবো। যিকোনো দলৰেই নৈতিকতা, আদৰ্শ নাথাকিলে অসমৰ কোনো উন্নতি নহয়। সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সদস্য হৈও যদিহে নিজৰ জাতিৰ প্ৰতি ৰাজ্যখনৰ প্ৰতি আন্তৰিকতা থাকে তেন্তে বহুতো সমস্যাৰ সমাধান হব।"

আমাৰ ২নং প্ৰশ্নৰ উত্তৰত "................ লোকসভাৰ নিৰ্বাচনে অসম বিধানসভাৰ নিৰ্বাচনত কিছু হ'লেও প্ৰভাৱ পেলাব। তথাপিও অসমত চৰকাৰ গঠন কৰিব পৰাকৈ ২/৩ খন আসন পাবলৈ কোনো দলেই সমৰ্থ নহয়।"

ভূতত্ত্ব বিভাগৰ গৱেষক শ্ৰীতপন কুমাৰ দত্তই আমাৰ প্ৰশ্ন সমূহৰ উত্তৰত কয় যে– "স্বনিয়ন্ত্ৰণৰ দাবীবোৰ জনপ্ৰিয় হোৱাৰ মূল কাৰণটো হ'ল– বৰ্তমানৰ system-টোত জাতি সমূহৰ ক্ৰম বিকাশ সম্ভৱ নোহোৱাতো। দিল্লীবাদ আৰু দিল্লীক কেন্দ্ৰ কৰি উত্তৰ ভাৰতীয় এক শ্ৰেণীৰ লোকৰ ইমানদিনে প্ৰশাসনীয়, অৰ্থনৈতিক সকলো ক্ষেত্ৰতে যি এটা প্ৰভূত্ববাদ চলি আহিছে এই system-টোৰ বিৰুদ্ধে জনগণ সক্ৰিয় হৈ উঠিছে। এনে ক্ষেত্ৰত অদূৰ ভৱিষ্যতত সংবিধান সংশোধনৰ প্ৰয়োজনীয়তা একেবাৰে নিশ্চিত।"

বিষয় সমূহৰ ওপৰত মন্তব্য দি ভাৰতীয় গণ মৰ্চাৰ অসম ৰাজ্যিক আশাৰ যুৱ নেতা শ্ৰীজনাৰ্দন গোস্বামী আৰু নৰেন বৰাই কয়, "বৰ্তমান ভাৰতবৰ্ষৰ ন-প্ৰজন্মৰ সমূখত থকা অগ্নিগৰ্ভা সমস্যা হৈছে লেকামহীন মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতা। সেয়ে "দাম বন্ধ, কাম দো" – এই দাবী ন-প্ৰজন্মই দেশ জুৰি উত্থাপন কৰিছে।

তেখেতৰ মতে, "এইবাৰৰ সংসদীয় নিৰ্বাচনৰ ফলাফল হব এখন ওলোমা সংসদ। শাসক দলসমূহে তুলি ধৰা সুস্থিৰ চৰকাৰ গঠনৰ শ্লোগান কোনোপধ্যেই কাৰ্যকৰী নহব। অসমৰ ৰাজনীতি সৰ্বভাৰতীয় ৰাজনীতিৰ তুলনাত অধিক শিবিৰত বিভাজিত বাবে বিধানসভাত আনৰ সহায় নোলোৱাকৈ এটা দলে চৰকাৰ গঠন কৰাটো অসম্ভৱ।

তেওঁ কয় যে "সাম্প্ৰদায়িকতাবাদ দেশৰ প্ৰধান সমস্যা আৰু আমাৰ দেশক ই মধ্য যুগৰ আন্ধাৰলৈ ঠেলি দিছে। ৰথযাত্ৰাৰ দৰে ধৰ্মীয় উন্মাদনাৰ পৰা বিজেপিৰ ধৰ্মনিৰপেক্ষতাবাদী নীতি স্পষ্ট হৈ পৰে, যাৰ বাবে বিজেপিৰ উত্থানক সকলো

**তেওঁৰ মতে নিশ্চিত ভাবে এই নিৰ্বাচনৰ ফলাফল তাৎপৰ্যপূৰ্ণ হব কিয়নো এই প্ৰথমবাৰৰ বাবে এক ৰাষ্ট্ৰীয় বিষয়সূচী ৰাষ্ট্ৰীয় সমাজে নিৰ্ধাৰণ কৰিছে। অসমৰ ক্ষেত্ৰতো দেশৰ বাকী অংশৰ ফলাফলে নিশ্চিত ভাবে প্ৰভাৱ বিস্তাৰ কৰিব।**

গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ শক্তিয়ে মূল বিষয় হিচাপে চিনাক্ত কৰিছে।

অসম, পাঞ্জাৱ, কাশ্মীৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰৰ বৈষম্যবাদী নীতিৰ বিলুপ্তি ঘটাই ৰাজ্য কেইখনৰ সকলো পৰিকল্পনা, সম্পদৰ ব্যৱহাৰ আৰু থলুৱা অৰ্থনীতিৰ বিকাশৰ বাবে বিশেষ মৰ্যাদা এই ৰাজ্য কেইখনক দিব লাগিব বুলিও তেওঁ দৃঢ় মত পোষণ কৰে।

তেওঁৰ মতে "দেশৰ সামাজিক গাঁথনিৰ পৰিবৰ্তন নকৰাকৈ সামাজিক সমতাৰ কথাই উঠিব নোৱাৰে। কোনো সামাজিক পৰিবৰ্তন অবিহনে স্থবিৰ, বৈষম্যমূলক সমাজ ব্যৱস্থাত এখন সুস্থিৰ চৰকাৰ কোনো কেৰিচ্‌মেটিক নেতাৰ দৈৱগুণত গঠন নহয়।

"ভাৰতবৰ্ষৰ সংবিধান হিচাপ ৰাখিব নোৱৰাকৈ সংশোধিত হৈছে ই জনসাধাৰণৰ স্বাৰ্থত নহৈ শাসক শ্ৰেণীৰহে স্বাৰ্থ সিদ্ধি কৰিছে।" তেওঁৰ মন্তব্য, "ভাৰতবৰ্ষ এখন বহুজাতিক ৰাষ্ট্ৰ আৰু তাৰ লগত সংগতি ৰাখি সংবিধানত ৰাষ্ট্ৰ হব লাগিব প্ৰকৃতাৰ্থত ফেডাৰেল আৰ্হিৰ।"

অগপ-ৰ প্ৰতি জনসাধাৰণৰ মোহ ভংগ হৈছে আৰু এই দলে সংখ্যাগৰিষ্ঠতা লৈ কেতিয়াও ক্ষমতালৈ আহিব নোৱাৰে। এইবাৰৰ নিৰ্বাচনত অসমৰ কোকৰাঝাৰ আৰু কাৰ্বি আংলং জিলাক বাদ দি যুৱক সকলৰ মনত কোনো স্বতঃস্ফূৰ্ত বা সংগঠিত প্ৰেৰণা নাই যদিও তেওঁলোকৰ দলে সংগ্ৰামী বিৰোধী পক্ষ গঠনৰ লক্ষ্যৰে আংশিক ৰূপত নিৰ্বাচনক ব্যৱহাৰ কৰিছে। প্ৰকৃত বিপ্লৱী বাওঁপন্থী আন্দোলনৰ দুৰ্বলতা আৰু প্ৰতাৰণাৰ বাবেই অসমত যুৱ সম্প্ৰদায়ৰ নেতৃত্বত তৃতীয় আঞ্চলিক দলৰ জন্ম নহ'ল বুলিও তেওঁ ভাবে।

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ এগৰাকী সক্ৰিয় স্বয়ংসেৱক শ্ৰীদিগন্তবিশ্ব শৰ্মাই ভাৰতীয় গণ মৰ্চাৰ এই যুক্তি সমূহ খণ্ডন কৰি কয় যে "মেকলৰ শিক্ষা পদ্ধতিয়ে ভাৰতীয় জাতিক সাংস্কৃতিক ভাবে আত্মবিচ্যুত কৰিলে আৰু ছেকুলাৰিজিমক নীতি কৰাৰ পৰিবৰ্তে পৰিকল্পিত ভাবে শ্লোগানলৈ ৰূপান্তৰিত কৰা হ'ল। ফল স্বৰূপে ৰাষ্ট্ৰৰ সমূখত দেখা দিয়া প্ৰধান সমস্যা সমূহৰ প্ৰকৃত হেতু আমি বিশ্লেষণ কৰিব নোৱৰা হ'লো। নেহৰুভিয়ান আৰ্হি অৰ্থাৎ পশ্চিমীয়া দৃষ্টিৰে ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশ্লেষণ আৰম্ভ হোৱাৰ পিছত আজি ৰাষ্ট্ৰৰ সমূখত দেখা দিয়া প্ৰধান সমস্যা হৈছে নতুন প্ৰজন্মৰ মানসিক অস্থিৰতা।" তেওঁৰ মতে সুস্থ, শুদ্ধ জাতীয় দৃষ্টিভংগী তথা স্বামী বিবেকানন্দৰ পথ অনুসৰণেই ইয়াৰ একমাত্ৰ মৌলিক প্ৰতিকাৰ।

তেওঁৰ মতে নিশ্চিত ভাবে এই নিৰ্বাচনৰ ফলাফল তাৎপৰ্যপূৰ্ণ হব কিয়নো এই প্ৰথমবাৰৰ বাবে এক ৰাষ্ট্ৰীয় বিষয়সূচী ৰাষ্ট্ৰীয় সমাজে নিৰ্ধাৰণ কৰিছে। অসমৰ ক্ষেত্ৰতো দেশৰ বাকী অংশৰ ফলাফলে নিশ্চিত ভাবে প্ৰভাৱ বিস্তাৰ কৰিব।

তেওঁ হিন্দু সমাজক ভাৰতৰ ৰাষ্ট্ৰীয় সমাজ বুলিহে গণ্য কৰে। তেওঁৰ মতে ধৰ্মনিৰপেক্ষতা 'ছেকুলাৰিজিম'ৰ ভাৰতীয় প্ৰতিশব্দ নহয়। ভাৰতৰ ৰাষ্ট্ৰীয়তা হিন্দুত্ব



বিপদাপন্ন নহ'লে ভাৰতৰ শাসন ব্যৱস্থাৰ চৰিত্ৰ ধৰ্মনিৰপেক্ষ হৈ থাকিব।

'ধৰ্ম' সম্পৰ্কে মুক্তভাবে সকলো কথা আলোচনা কৰিবলৈ আৰু ইয়াক ব্যক্তিগত স্বাধীনতাৰ বিষয়বস্তু হিচাপে ৰাখিবলৈহে ইউৰোপত 'ছেকুলাৰিজিম'ৰ নীতি গ্ৰহণ কৰা হৈছিল। কিন্তু ভাৰতবৰ্ষত ইয়াক বাক স্বাধীনতা হননৰহে অস্ত্ৰ কৰা হৈছে।

তেওঁৰ মতে অসম, পাঞ্জাৱ আৰু কাশ্মীৰৰ সমস্যাসমূহ কোনো "Esoleted" সমস্যা নহয় আৰু ভাৰত বিৰোধী ষড়যন্ত্ৰক প্ৰতিহত কৰি ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে এই সমূহৰ সমাধান কৰা উচিত।

তেওঁ আশা কৰে যে সাংস্কৃতিক আৰু ৰাজনৈতিক ভাবে হিন্দুত্বৰ ওপৰত প্ৰতিষ্ঠিত এক ৰাষ্ট্ৰীয় দৃষ্টি সম্পন্ন নিকা চৰিত্ৰৰ, সুদৃঢ় ব্যক্তিত্ব থকা ব্যক্তিহে বৰ্তমান সময়ত দেশৰ নেতা হোৱাটো প্ৰয়োজনীয়।

'আত্মনিয়ন্ত্ৰণ'ৰ দ্বাৰা ৰাজনৈতিক ভাবে এক দুৰ্বল ভাৰতবৰ্ষ গঢ়ি তোলাৰ সম্পূৰ্ণ বিৰোধী শ্ৰীশৰ্মাই কয় যে সংবিধান এখনৰ ধাৰণা স্থিতিশীল নহয় সেয়ে প্ৰয়োজন অনুসাৰে ইয়াৰ সংশোধন আৰু সাল-সলনি হব পাৰে। কিন্তু এনে সাল-সলনি কোনো বিদেশী ৰাষ্ট্ৰৰ নহয় ভাৰতবৰ্ষৰ স্বাৰ্থতহে হোৱাটো প্ৰয়োজন।

শ্ৰীশৰ্মাৰ বক্তব্য "সুস্থ সমাজ অবিহনে সুস্থ চৰকাৰৰ ধাৰণা মোৰ মতে বিসংগতিপূৰ্ণ। অগপ চৰকাৰে নিজৰ কৰ্ম অনুযায়ী ফল লাভ কৰিব। পুনৰ ক্ষমতালৈ আহিব নে নাহে তাৰ বিচাৰ জনসাধাৰণৰহে। নিৰ্বাচনটোত যুৱ সম্প্ৰদায়ৰ ভূমিকা কি হব সেয়া কোৱাটো কঠিন। কিন্তু যুৱ সমাজে বিশেষকৈ অসমৰ যুৱ সমাজে সকলোবোৰ কথা যুক্তি আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখি নিজকে ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে পৰিচালিত কৰা উচিত।"

তেওঁ আৰু কয় যে আঞ্চলিকতাবাদ কেৱল মাত্ৰ ক্ষমতা লাভৰ পদ্ধতিতহে পৰিণত হৈছে বুলি ৰাইজ পতিয়ন গৈছে।

অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সম্পাদক শ্ৰীঅদীপ ফুকনে কয়– "এখন সুস্থিৰ চৰকাৰ গঠনেই দেশৰ যুৱ সমাজৰ সমূখত থকা প্ৰধান সমস্যা।

এইবাৰৰ নিৰ্বাচনত ৰাজনৈতিক দল বা ব্যক্তিৰ প্ৰভাৱতকৈ জনগণৰ নিজস্ব বিবেকৰ প্ৰভাৱ পৰিব আৰু ফলাফল জনগণৰ ওপৰত নিৰ্ভৰ কৰিব।

সাম্প্ৰদায়িকতাবাদ, জাতিভেদ আৰু বিচ্ছিন্নতাবাদ তিনিওটা নিজৰ স্থিতিত সমাজৰ বাবে ক্ষতিকাৰক।" বিজেপিয়ে কোৱাৰ দৰে ভাৰতবৰ্ষৰ কোনো নাগৰিকক আমি ২য় শ্ৰেণীৰ নাগৰিক বুলি নাভাবো।" কোনো ক্ষেত্ৰতেই ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতা ক্ষুণ্ণ হব নোৱাৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

অসম, পাঞ্জাৱ আৰু কাশ্মীৰৰ সমস্যা সমূহ সমাধানৰ বাবে চৰকাৰে সদিচ্ছাৰে সংশ্লিষ্ট ৰাজ্য চৰকাৰ সমূহৰ লগত আলাপ-আলোচনাৰে এক নিৰ্দিষ্ট সময়-সীমা নিৰ্ধাৰণেৰে আগবাঢ়িব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে।

**জনগণৰ বিশেষকৈ নতুন প্ৰজন্মৰ বহুতেই ফেডাৰেল গাঁথনিৰ কথা কৈছে যদিও এতিয়ালৈ এই বিষয়টোৱে কোনো বিস্তৃত, সুসংহত ৰূপ পোৱা নাই। পুনৰবাৰ পৰম্পৰাগত ভাৰতীয় গণতন্ত্ৰৰ শ্ৰেণী ভিত্তিক ৰাজনীতিক লৈয়েই সহজ-সৰল ৰাইজৰ আকৌ ভাগ্য পৰীক্ষা।**

দুৰ্বল চৰকাৰ আৰু অস্পষ্ট নীতিয়েই ভাৰতবৰ্ষত মূল্যবৃদ্ধি আৰু অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণ বুলি ভবা শ্ৰীফুকনে কয়– "ব্যক্তি বিশেষৰ নেতৃত্বৰ ওপৰত আমি বিশ্বাসী নহওঁ। যিহেতু চৰকাৰ গঠন কৰে জনসাধাৰণে আৰু সেয়েহে চৰকাৰক শুদ্ধ পথে পৰিচালিত কৰাটোও ৰাইজৰ দায়িত্ব। তেওঁৰ মতে ভাৰতবৰ্ষত জাতীয় সমতা ৰক্ষাৰ স্বাৰ্থতে সংবিধান সংশোধন আৰু প্ৰকৃত ফেডাৰেল গাঁথনি প্ৰবৰ্তনৰ প্ৰয়োজনীয়তা আছে।

অগপ চৰকাৰৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ সমৰ্থন কৰি শ্ৰীফুকনে কয় যে সৰ্বভাৰতীয় ৰাজনৈতিক দল আৰু অগপ-ৰ দৰে তথাকথিত আঞ্চলিক দলে অসমৰ উন্নয়নৰ ক্ষেত্ৰত কোনো বাস্তৱ ব্যৱস্থা নলৈ ৰাজ্যত আৰ্থ-সামাজিক অস্থিৰতাৰ সৃষ্টি কৰিছে। সেয়েহে আমি এইটো নাভাবো যে অসমৰ যুৱ সম্প্ৰদায়ে এইবাৰ কোনো এক বিশেষ ৰাজনৈতিক দলক সমৰ্থন জনাব।

সামৰণিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ তৎপৰতা আৰু ৰাজনৈতিক ব্যস্ততাৰে ৰাজ্যৰ নিৰ্বাচনী প্ৰেক্ষাপট ক্ৰমশ আকৰ্ষণীয় হৈ পৰিছে। এতিয়া নিৰ্বাচনী কাৰ্যালয়ত বিৰাট সমাগম। চৌপাশে তোষামোদকাৰীৰ দল আৰু সমৰ্থকৰ বেষ্টনীৰে জনগণৰ ভৱিষ্যতক প্ৰতিনিধিত্ব কৰিব খোজা সকলৰ সমূখত অসংখ্যা প্ৰতিশ্ৰুতি। নতুন দল, নতুন মুখ, নতুন আশা। জনগণৰ বিশেষকৈ নতুন প্ৰজন্মৰ বহুতেই ফেডাৰেল গাঁথনিৰ কথা কৈছে যদিও এতিয়ালৈ এই বিষয়টোৱে কোনো বিস্তৃত, সুসংহত ৰূপ পোৱা নাই। পুনৰবাৰ পৰম্পৰাগত ভাৰতীয় গণতন্ত্ৰৰ শ্ৰেণী ভিত্তিক ৰাজনীতিক লৈয়েই সহজ-সৰল ৰাইজৰ আকৌ ভাগ্য পৰীক্ষা। আনহাতে যিসকল এই বিষয়ত সচেতন আৰু চিন্তাশীল অথচ বিকল্পৰ বাবে কিবা এটা কৰিবলৈ অক্ষম বা খুউব সোনকালেই নাটকীয় ভাবে যিসকলে এইবোৰৰ অৱসান হোৱাটো বিচাৰে, তেওঁলোকৰ বাবে ই এক মানসিক যন্ত্ৰণা। ইয়াৰ ফলশ্ৰুতি হ'ল চূড়ান্ত হতাশা, উদাসীনতা আৰু শেষ অৰ্থত নিষ্ক্ৰিয়তা। দীৰ্ঘম্যাদী লক্ষ্যৰে বিপ্লৱ আৰু গণসংগ্ৰামৰ পোষকতা কৰা বাওঁপন্থী দলসমূহেও আওপকীয়াকৈ এই কথা স্বীকাৰ কৰে যে প্ৰথাগত পুৰণি বাওঁ দলবোৰৰ প্ৰতাৰণা আৰু প্ৰকৃত বিপ্লৱী আন্দোলনৰ দুৰ্বলতাৰ ফলতেই এই দলসমূহৰ প্ৰতি জনসাধাৰণৰ আস্থা সিমান নাই আৰু এই আস্থা হঠাৎ নাটকীয়ভাবে ঘূৰি নাহে।

এই সমূহৰ পৰা এইটোৱেই স্পষ্ট হৈ পৰে যে আমি পুনৰবাৰ সংসদীয় গণতন্ত্ৰৰ গণ্ডীতে থাকি তুলনামূলক ভাবে যোগ্য সকলক নিৰ্বাচিত কৰি দেশ আৰু ৰাজ্যখনলৈ ৰাজনৈতিক সুস্থিৰতা আনিব লাগিব, নহ'লে প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে হৈ থকা জাতীয় নিৰ্বাচনে কোটি কোটি টকাৰ অপচয়েৰে উন্নয়নশীল অৰ্থনীতিক আৰু অধিক মন্থৰ আৰু শোচনীয় কৰি তুলিব।



OKDISCD

বৰ্তমান সময়ত ৰাজ্যখনৰ বিভিন্ন যুৱক-যুৱতীৰ মতামত সাপেক্ষে এইটো কথা স্পষ্ট হৈ পৰিছে যে একবিংশ শতিকাৰ দুৱাৰডলিত ভৰি দিবলৈ যোৱাৰ এই প্ৰাক মুহূৰ্তত সকলোৰে বাবে এটাই প্ৰধান সমস্যা– ৰাজনৈতিক সুস্থিৰতা আৰু সামাজিক শান্তি স্থাপনৰ সমস্যা। এই বিষয়টোৰ লগতে জড়িত হৈ আছে দেশৰ অৰ্থনৈতিক উন্নয়ন, মূল্য-বৃদ্ধি ৰোধ, সামাজিক অসমতা দূৰীকৰণ, নিবনুৱা সমস্যা সমাধান আৰু সমাজৰ সৰ্বাত্মক প্ৰগতিৰ বিষয়সমূহ।

ৰাজনৈতিক সুস্থিৰতা অবিহনে সামাজিক শান্তিৰ প্ৰশ্নটো আহিবই নোৱাৰে। সুস্থ-সবল নেতৃত্বৰ দ্বাৰা পৰিচালিত চৰকাৰে দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে গণমুখী পৰিকল্পনাৰে সম্পদৰ সুব্যৱহাৰ কৰি অৰ্থনৈতিক সমস্যা সমূহৰ সমাধানত ব্ৰতী হব লাগিব। বহুভাষিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত ৰাজ্যসমূহৰ সমস্যাৱলী বিশেষ গুৰুত্ব সহকাৰে বিবেচনা কৰি বিকেন্দ্ৰীকৃত নীতিৰে আঞ্চলিক অসমতা দূৰ কৰি সামাজিক বৈষম্যৰ সমস্যাটো সমাধানৰ চেষ্টা চলাব লাগিব। দেশৰ শিক্ষানীতিক প্ৰায়োগিক আৰু বাস্তৱ দিশত পৰিচালিত কৰাৰ লগতে দেশীয় ধ্যান-ধাৰণা আৰু সংস্কৃতিগত কৰি তোলাৰ প্ৰশ্নটোও সমানেই গুৰুত্বপূৰ্ণ। কাৰিকৰী দক্ষতা, উন্নত প্ৰযুক্তিবিদ্যা আৰু সুব্যৱস্থাপনাৰ আধাৰ দেশতেই গঢ়ি তুলিব লাগিব।

অসমৰ ক্ষেত্ৰত বিভিন্ন জনৰ মতামতৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে ৰাজ্যখনৰ নতুন প্ৰজন্মৰ সন্মুখত থকা প্ৰধান সমস্যাটো ধৰ্ম বা স্বনিয়ন্ত্ৰণৰ দাবী নহয় বৰঞ্চ ৰাজ্যখনৰ সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতি আৰু ৰাজনৈতিক-সামাজিক সুস্থিৰতাহে। দেশৰ ৰাজনৈতিক পৰম্পৰাৰ প্ৰতি যুৱ সম্প্ৰদায়ৰ আস্থা ঘূৰাই আনি, ৰাষ্ট্ৰীয় সুঁতিৰে সৈতে তেওঁলোকৰ ভাবধাৰা একাকাৰ কৰিবলৈ চেষ্টা নকৰিলে অদূৰ ভৱিষ্যতে যুৱ সম্প্ৰদায়ৰ হতাশা আৰু নিৰ্লিপ্ততাই এক নৈৰাজ্যিক ৰূপ ধাৰণ কৰিব আৰু নতুন শতিকাটোক আদৰিবলৈ যোৱাৰ সময়ত সমাজৰ এই মূল মানুহখিনিয়েই হৈ পৰিব পংগু, ভংগু আৰু বিভ্ৰান্ত। হতাশাগ্ৰস্ততাৰে দিক-বিদিক শূন্য হৈ পুনৰবাৰ সৰব শ্লোগানেৰে স্বনিয়ন্ত্ৰণৰ দাবী আহিব, বন্দুক-বাৰুদ আহিব, সন্ত্ৰাসবাদ আহিব আৰু অনাগত অন্ধকাৰ ভৱিষ্যতৰ দুঃচিন্তাত নিন্দা, সমালোচনা, গৰিহনা আৰু হত্যাই হৈ পৰিব দেশীয় ৰাজনীতিৰ আধাৰ। অথচ আমি জানো ব্যৱস্থাটোৰ বাস্তৱ পৰিবৰ্তন নহ'লে সততা আৰু নিষ্ঠা নহ'লে কাগজৰ পাতত অহা স্বাধীনতা বা স্বায়ত্তশাসনে যোগ্যতাৰে জনসাধাৰণৰ বাবে সুখৰ প্লাবন আনিব নোৱাৰে।

বৰ্তমান সময়ত অসমৰ যুৱ সম্প্ৰদায় নিৰ্বাচনটোৰ ক্ষেত্ৰত প্ৰায় নিষ্ক্ৰিয়। অসমৰ কোকৰাঝাৰ আৰু কাৰ্বি আংলং জিলাক বাদ দি যুৱ সমাজ নিৰ্বাচনত সক্ৰিয়তাৰে জঁপিয়াই পৰা নাই। ইয়াৰ কাৰণ অৱশ্যে এনেকুৱাও হব পাৰে যে প্ৰথমবাৰৰ বাবে এই জিলা দুখনৰ যুৱ সম্প্ৰদায়ে এক স্বকীয় পৰিচয় লৈ নিৰ্বাচনত জড়িত হৈছে। তেওঁলোকৰ উদ্দেশ্য এষাৰ কথাই উল্লেখনীয় যে তেওঁলোকৰ স্বনিয়ন্ত্ৰণৰ সমস্যাসমূহ ভাৰতীয় জাতি গঠনৰ প্ৰক্ৰিয়া পুংখানুপুংখৰূপে বিশ্লেষণ, সংবিধানৰ গণ্ডীতে থাকি সমাধানৰ প্ৰচেষ্টা চলোৱাটোহে বেছি প্ৰণিধানযোগ্য কিয়নো অধিক স্বায়ত্তশাসন ব্যৱহাৰ কৰিবলৈ প্ৰয়োজনীয় মনোবল, যোগ্যতা আহৰণ কৰিব লাগিব আৰু তাৰ লগে লগে সামাজিক ব্যৱস্থাও ইয়াৰ অনুকূলে গঢ়ি তুলিব লাগিব।

> প্ৰয়োজনীয় মনোবল আৰু অন্তৰ্নিহিত শক্তি আমাৰ যুৱ সম্প্ৰদায়ৰ এতিয়াও নিঃশেষ হৈ যোৱা নাই। অসম আন্দোলনৰ সময়ত তেওঁলোকে সৰ্বসাধাৰণ ৰাইজৰ মাজত যি জাতীয় সচেতনতা আনি দিবলৈ সক্ষম হৈছিল সিয়েই এনে সম্ভাৱনাৰ ইংগিত দিয়ে।

যুগে যুগে এই কথা প্ৰমাণিত হৈছে যে সামাজিক বিকাশৰ প্ৰক্ৰিয়াটোত যুৱ সম্প্ৰদায় এক অবিচ্ছেদ্য অংগ। কিন্তু তৎসত্বেও অসমৰ যুৱ সম্প্ৰদায়ৰ মাজত প্ৰবল হতাশা, নৈৰাশ্য আৰু নিৰ্লিপ্ততা। অৰ্থনৈতিক প্ৰক্ৰিয়াটোৱে জন্ম দিয়া নিৰাপত্তাহীনতাই যুৱ সমাজৰ মাজত অসমৰ্থনযোগ্য পলায়নবাদী মনোভাবৰ জন্ম দিছে আৰু ইয়েই এওঁলোকৰ মাজত থকা সমস্ত সম্ভাৱনা আৰু শক্তি নিঃশেষ কৰি পেলোৱাৰ উপক্ৰম কৰিছে। উপযুক্ত সংগঠনৰ দ্বাৰা যুৱ সম্প্ৰদায়ৰ নিজৰ শক্তিৰ ওপৰত আস্থা ঘূৰাই আনিব লাগিব আৰু সামাজিক গাঁথনিৰ পৰিবৰ্তিত ৰূপটোক নতুন দিনবোৰৰ মূল্যবোধেৰে মূল্যায়ন কৰিব লাগিব। অগ্ৰজসকলে, শিক্ষাবিদ, গুণী-জ্ঞানীসকলে আলোচনা আৰু বিশ্লেষণেৰে এই ক্ষেত্ৰত এক সংহত নীতি গ্ৰহণ কৰিব লাগিব সুস্থ-সবল নেতৃত্বৰ সামাজিক সংগঠন আৰু সৎ, নিষ্ঠাবান ৰাজনৈতিক কৰ্মীয়ে এই দায়িত্বৰ সিংহভাগ বহণ কৰিব লাগিব।

প্ৰয়োজনীয় মনোবল আৰু অন্তৰ্নিহিত শক্তি আমাৰ যুৱ সম্প্ৰদায়ৰ এতিয়াও নিঃশেষ হৈ যোৱা নাই। অসম আন্দোলনৰ সময়ত তেওঁলোকে সৰ্বসাধাৰণ ৰাইজৰ মাজত যি জাতীয় সচেতনতা আনি দিবলৈ সক্ষম হৈছিল সিয়েই এনে সম্ভাৱনাৰ ইংগিত দিয়ে। মাথো যুৱ-সম্প্ৰদায়ৰ অৱস্থা, প্ৰয়োজন আৰু আকাংখা সম্পৰ্কে জনসাধাৰণ আৰু সিদ্ধান্ত গ্ৰহণ কৰোতাসকল অধিক সজাগ হৈ অভিজ্ঞতা, অৱস্থা আৰু প্ৰয়োজন অনুসৰি নীতি গ্ৰহণ কৰি সমাজত যুৱ সম্প্ৰদায়ৰ সক্ৰিয় অংশ গ্ৰহণৰ মাত্ৰা বৃদ্ধি কৰিব লাগিব।

কিন্তু সৰ্বোপৰি দুটা কথা বিশেষভাবে মন কৰিবলগীয়া। প্ৰথম, দেশখনক ৰাজনৈতিক ক্ষেত্ৰত সুস্থিৰতা আৰু সবলতা দিব পৰা নেতৃবৃন্দক বাছি উলিওৱাত তেওঁলোকেই আগভাগ লব লাগিব আৰু বিচাৰ-বুদ্ধিৰে জনসাধাৰণক চিজাৰৰ বংশধৰ সকলৰ কাৰ্যকলাপ সম্পৰ্কে সজাগ কৰি ৰাখিব লাগিব। সূ






# ভোটাৰ সকল সপোন ধেমালি এৰি বাস্তৱবাদী হওক

অনিল বৰুৱা

এদিন সপোনে উতলা কৰিছিল। পাছত বাস্তৱে থেকেচি, তাও কৰি শুৱাই থৈ গ'ল। অসম গণ পৰিষদক লৈ প্ৰায় এয়ে অভিজ্ঞতা অসমৰ আন্দোলন কৰা মানুহখিনিৰ। অতি কম সংখ্যক মুখিয়াল-মাতব্বৰ জাতীয় মানুহৰ দুপইছা হ'ল– কিছুমানে পাব নলগীয়া সুবিধা পালে, কিছুমানে পদ-মৰ্যাদা, কিছুমানে বঁটা-বানচ, কিছুমানে মৰ্যাদাপূৰ্ণ চাকৰি বাকৰি, কিছুমানে ঠিকা-ঠুকলিৰ সুযোগ, সামগ্ৰী যোগানাৰ সুযোগ, কিছুমানে বহু আকাংক্ষিত পদোন্নতি, বদলি আদি পালে। জকাইৰ মানুহে জুলুকি বাবলৈ পোৱাৰ দৰে ঘটনাও হ'ল। কিন্তু দুই একেহে চপালে; বাকী প্ৰায় সকলো য'তে আছিল ত'তে থাকিল।

আকৌ ভোট আহিছে। আন্দোলন কৰা সৰ্ব সাধাৰণ মানুহখিনিয়ে এতিয়া কি কৰিব! কাক ভোট দিব? কাক দিছপুৰলৈ প্ৰতিনিধি বাছনি কৰি পঠিয়াব? পঁচাশীৰ ভোটত অমুকক পঠিয়াইছিল, কিন্তু এইবাৰ তেওঁক কিয় পঠিয়াব? তেওঁ কি দিলে–সমূহীয়া স্বাৰ্থত তেওঁ কিবা কৰিলে জানো?

এইসকল ভোটাৰৰ সন্মুখত বৰ ডাঙৰ সংকট উপস্থিত হৈছে। কাক ভোট দিব থিৰ কৰিব পৰা নাই।

দিছপুৰত একেবাৰে শেহলৈকে একেলগে ক্ষমতা খাই থাকি অসম গণ পৰিষদৰ নেতা সকল হঠাৎ বেলেগ হৈছে– দুভাগ হৈছে। এভাগে আন ভাগৰ বিৰুদ্ধে অভিযোগ তুলিছে তেওঁলোক হেনহে আছিল, তেনহে আছিল বুলি। সৰ্ব সাধাৰণ ৰাইজে দেখাত হেনহে তেনহে গোটেই মখাই আছিল। হেনহে তেনহে কৰিব পৰাকৈ ক্ষমতাত থকালৈকে হেনহে তেনহে গোটেই মখাই কৰিছিল। ক্ষমতা যোৱাৰ পাছত 'হেনহে তেনহে সিহঁতেহে কৰিছিল, সিহঁতক আমাৰ লগৰ পৰা আঁতৰালো, গতিকে আমাক আকৌ ভোট দিয়াহঁক' বুলি এভাগ দুৱাৰ মুখত থিয় হৈছেহি। এওঁলোকক কি বুলি অভ্যৰ্থনা জনাব লাগিব? কি বুলি বিদায় দিব লাগিব? একো এটা থিৰ কৰিব নোৱাৰি আন্দোলন কৰা ৰাইজ মহা বিপাঙত পৰিছে।

মূৰক সুধিলে এটা কয়, বুকুক সুধিলে আন এটা কয়। বুদ্ধি মূধত উঠিলে মুখৰ ওপৰত দুৱাৰ জপাই খেদি পঠিয়াবলৈ কয় আৰু আবেগ মূধত উঠিলে আঁকোৱাল মাৰি ধৰিবলৈ কয়। চোতালত প্ৰিয়জনৰ মৃতদেহ লৈ যিটো সাধাৰণতে হয় এই ক্ষেত্ৰতো প্ৰায় তেনেকুৱাই হৈছে। বুদ্ধিয়ে জানে, মৃতদেহ খৰি দিবলৈ বা কবৰ দিবলৈ এৰি দিয়াটোৱেই যুক্তিসংগত কথা, নহ'লে মৃতদেহ গেলিব, পচিব আৰু গোন্ধাব– সেইটোৱেই অবধাৰিত। কিন্তু আবেগে নুবুজে, বুজিব নোখোজে।

মনত বুদ্ধি আৰু আবেগৰ এখন তুমুল যুদ্ধ লৈ ৬ আৰু ৮ জুনৰ ভোটৰ দিন দুটালৈ ক্ষণ গণিছে ৰাজ্যখনৰ আন্দোলন কৰা ৰাইজ। ইতিমধ্যে এই যুদ্ধখনৰ মীমাংসা হৈ নগ'লে সৰহভাগেই ভোট দিবলৈকে নাযাব, ঘৰৰ পৰাই নোলাব সেই কেইদিন। ভোটলৈ প্ৰায় এমাহ সময় থকা অৱস্থাত মোৰ ধাৰণা, আন্দোলন কৰা ৰাইজৰ সৰহভাগেই এইবাৰ ভোট দিবলৈ নাযাব। প্ৰাকৃতিক বতৰ এটা বাধা হব হয়তো, কিন্তু মনৰ বতৰৰ বাধাই প্ৰধান ভূমিকা লব। জাৰ-জহ, ৰ'দ-বৰষুণ নেওচি আন্দোলন কৰা ৰাইজক প্ৰাকৃতিক বতৰে বাধা দিব নোৱাৰিলেও মনৰ বতৰে বাধা দিব।

□ □ □

পুতেক-ভায়েক বা জীয়েক-ভনীয়েক যেতিয়া জহন্নামে যায়, ঘূৰাই আনিব নোৱৰাকৈ, উদ্ধাৰ কৰিব নোৱৰাকৈ সিহঁতৰ পতন ঘটে তেতিয়া কি কৰে? তেতিয়া কিছুদিন ধৰি কান্দে, শোৱা-খোৱা এৰে আৰু তাৰ পাছত চকু মুদি দিয়ে– সিহঁতৰ কথা পাতিবলৈ এৰি দিয়ে, সিহঁতৰ কথা চৰ্চা নকৰা হয়, সিহঁতৰ উল্লেখ পৰ্যন্ত হবলৈ নিদিয়ে।

সময়ত সকলো সহ্য কৰিব পৰা হয়গৈ। সময়লৈ ৰৈ থাকে। এই প্ৰসংগত এটা ঘটনা মনত পৰিছে।

ডেকা পুতেক জন্দিচ হৈ ঢুকাল। আত্মীয়-স্বজন, বন্ধু-বান্ধৱে শোক প্ৰকাশ কৰি থকাৰ মাজতে হঠাৎ এখন বিয়াৰ নিমন্ত্ৰণী চিঠি পালে। বাপেকে উলিয়াই দিবলৈ থকা জীয়েকৰ বিয়া পাতিছে, পুতেক ঢুকোৱাৰ এমাহমানৰ পাছতে, তাৰে নিমন্ত্ৰণী চিঠি। বিয়া বুলি গম পাই বহুতেই আচৰিত হ'ল। কি কথা কি বাৰ্তা! সিদিনা ডেকা পুতেক এটা মৰিছে, সেই দুখ, পোৰণি, শোক মাৰ নৌ যাওঁতেই জীয়েকৰ বিয়া! কেনে নিৰ্মম, হৃদয়হীন পিতৃ! কোনো কোনো আত্মীয়-স্বজনে এনেকুৱা এখন বিয়া খাবলৈ নাযাবলৈকে ঠিক কৰিলে।

আসৈ পোৱা আত্মীয়ই সুধিলেও, ক'লেওঃ বৰ ভাল নহ'ল নেকি কথাটো, কিছুদিন পাৰ হৈ যাবলৈ দিব লাগিছিল। বিজ্ঞ পিতৃয়ে উত্তৰ দিলেঃ যি গ'ল গ'লেই আৰু ঘূৰি নাহে। শোক কৰি থাকিলেও, কান্দি-কাটি থাকিলেও সি ঘূৰি নাহে। বৰং শোকৰ পৰিবেশটোৱে থকাবোৰক তিলে তিলে মাৰিব। ছোৱালীজনীৰ বিয়াখনৰ বন্দৱস্ত হৈয়ে আছিল। তাৰিখটো আগবঢ়াই দিলো– বিয়াৰ পৰিবেশে মৃত্যুৰ পৰিবেশটো দূৰ কৰি দিয়ক বুলি। জানাইতো মই বাস্তৱবাদী মানুহ।

আন্দোলন কৰা ভোটাৰ সকল এনেকুৱা ধৰণৰ বাস্তৱবাদী হব পাৰিবনে? মোৰ সন্দেহ আছে। সপোন-ধেমালি খেলি খেলি প্ৰায় এঘাৰ-বাৰ বছৰ কটাই দিয়া– আৰু এই ধেমালিতে হাজাৰ হাজাৰ মৃত্যুৰ কাৰণ হোৱা, অসমৰ সমাজ-জীৱন, বহুতৰ পাৰিবাৰিক জীৱন ধ্বংস কৰাৰ কাৰণ হোৱা, সামাজিক গাঁথনি ছিন্নভিন্ন কৰি দি গঠনৰ প্ৰক্ৰিয়াত থকা জাতি এটাৰ অস্তিত্বকে বিপন্ন কৰাৰ কাৰণ হোৱা, প্ৰতিক্ৰিয়াশীল হিংসা আৰু বিদ্বেষৰ জুই জ্বলোৱাৰ কাৰণ হোৱা এই মানুহখিনি খুব সহজতে, মাত্ৰ পাঁচোটা বছৰৰ থেকেচা-নেকেচাতে বাস্তৱবাদী হৈ উঠিব বুলি মোৰ মনে নধৰে।

ভোট দিবই লাগিব, ভোট দিবলৈ সাজু হওক। আপোনাৰ বাবে এখন নতুন সংসাৰৰ পাতনিৰ দৰে হব এই ভোট। যি গ'ল তাৰ বাবে শোক কৰি নাথাকি বৰং যোৱা প্ৰায় এঘাৰ-বাৰ বছৰত কৰা ভুলৰ শুধৰণি কৰিবলৈ মন সাজু কৰক। এই লেখা প্ৰকাশ হোৱাৰ পৰা কমেও কুৰি দিন সময় পাইছে তাৰ বাবে। সূ

# নৃত্যৰ তালে তালে

মই কটন কলেজত পঢ়ি থাকোতে বিশ্ব-বিশ্ৰুত নৃত্যশিল্পী উদয়-শংকৰ গুৱাহাটীলৈ আহিছিল। তেওঁৰ নৃত্যানুষ্ঠান প্ৰদৰ্শিত হৈছিল ৰূপশ্ৰী চিনেমা হলত। তেওঁৰ নাচ চাবৰ কাৰণে মই ব্যাকুল আগ্ৰহ অনুভৱ কৰিছিলো, কিন্তু টিকট কিনিবৰ জোখাৰে যিমান ধনৰ প্ৰয়োজন সিমানখিনি ধন ঠিক সেই মুহূৰ্তত মোৰ হাতত নাছিল। কিন্তু উদয়শংকৰৰ নাচ নাচালেই নহব। যি উদয়শংকৰ আছিল আনা পাভলোভাৰ নৃত্য-সংগী, ৰবীন্দ্ৰনাথে যাক আখ্যা দিছিল 'ভাৰত-পথিক' বুলি, সেই উদয়শংকৰে ঠিক এই মুহূৰ্তত গুৱাহাটীতেই তেওঁৰ নাচ দেখুৱাই আছে, আৰু মই তেওঁৰ নাচ নোচোৱাকৈ ঘৰতেই বহি থাকিম– এনে কথা কেনেকৈ হব পাৰে? মোৰ হাতত তেতিয়া আছিল এটা প্ৰাচীন জৰা-জীৰ্ণ হাত ঘড়ী। মোৰ সৰু দেউতাৰ পৰা উপহাৰ হিচাপে পোৱা। সেই ঘড়ীটো বন্ধকত থৈ টকা যোগাৰ কৰি মই উদয়শংকৰৰ নাচ চাবলৈ গ'লো।

মই সাহিত্য ভাল পাওঁ, সংগীত ভাল পাওঁ, চিত্ৰকলা ভাল পাওঁ। ঠিক সমানেই ভাল পাওঁ নৃত্যকলা। নৃত্য বোধহয় মানুহৰ আদিমতম কলা। উদ্দাম নৃত্যৰ মাজেদি আদিম চিকাৰী বা ৰণুৱা মানুহে নিজৰ হৃদয়ৰ বিচিত্ৰ আবেগ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল; বহু হাজাৰ বছৰৰ সাধনাৰ মূৰত সিয়েই এতিয়া এটা সু-সংহত কলাৰ ৰূপ লৈ সংগীত আৰু চিত্ৰকলাৰ দৰে মানুহৰ আত্ম-প্ৰকাশৰ এটা শক্তিশালী মাধ্যমত পৰিণত হৈছে। কিন্তু আন সকলো কলাতকৈ নৃত্যৰ আবেদন বেছি ব্যাপক, কাৰণ শৰীৰৰ বিশ্বজনীন ভাষাৰ লগত সকলো মানুহেই সহজতে একাত্মতা অনুভৱ কৰিব পাৰে। নৃত্যকলাৰ এই স্বকীয় বৈশিষ্ট্যৰ সুযোগ লৈয়েই নৃত্যশিল্পী সকলে মানুহক বিচিত্ৰ ভাব আৰু কল্পনাৰে উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰে।



কলেজীয়া ছাত্ৰ হৈ থাকোতে হাতঘড়ী বন্ধকত দিও উদয়শংকৰৰ নাচ চাবলৈ গৈছিলো। তাৰ 'পাছতো গুৱাহাটীত দময়ন্তী যোশি আৰু জাভেৰি ভগ্নীসকলৰ নাচ চোৱাৰ সুযোগ হৈছিল। কিন্তু আজি বহু বছৰ ধৰি গুৱাহাটীলৈ বাহিৰৰ নৃত্যশিল্পী অহাৰ কথা শুনা নাই। অৱশ্যে দূৰদৰ্শনে ঘৰতে বহি ভাৰতৰ বিখ্যাত নৃত্যশিল্পী সকলৰ নাচ চোৱাৰ সুযোগ আমাক দিছে। তাতোকৈ সুখৰ কথা এই যে আমাৰ অসমতে এতিয়া এনে কেবাগৰাকী গুণী নৃত্যশিল্পী ওলাইছে– যিসকলে অসমত এটা নতুন আৰু উন্নত সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰাৰ লগতে দেশ-বিদেশতো সুখ্যাতি অৰ্জন কৰি অসমৰ নাম উজ্জ্বল কৰিছে।

এই সকল নৃত্যশিল্পীৰ ভিতৰত মই কেৱল এগৰাকী শিল্পীৰ নৃত্যাভিনয় দেখিছো। তেওঁ হ'ল গৰিমা হাজৰিকা। গৰিমাৰ 'চেতনা' নৃত্য-নাটিকাৰ অভিনয় দেখি মই অতিশয় মুগ্ধ হৈছিলো ঘাইকৈ এই কাৰণেই যে তেওঁ নৃত্যক কেৱল মনোৰঞ্জন বা আনন্দ-দানৰ মাধ্যম হিচাপে ব্যৱহাৰ নকৰি তাক এটা সামাজিক বিপ্লৱৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰিছে। অৱশ্যে কেৱল এইটোৱেই কলাৰ একমাত্ৰ বা মুখ্য উদ্দেশ্য হোৱা উচিত– এনে কথা মই নকওঁ। কলাৰ উদ্দেশ্য কি হোৱা উচিত সেই বিষয়ে ক'ব লগা হ'লেই মই কবি জন ফ্লেকাৰৰ এটি উক্তি প্ৰায়েই উদ্ধৃত কৰো: 'কবিতাই আমাৰ আত্মাক ৰক্ষা কৰাতকৈ তাক ৰক্ষাৰ যোগ্য কৰি তোলা উচিত।' কবিতাৰ দৰে নৃত্যৰ বিষয়েও নিশ্চয় এই কথা ক'ব পাৰি। কিন্তু কলাই যদি স্ব-ধৰ্ম ৰক্ষা কৰিও মানৱতাৰ সেৱাত লাগিব পাৰে, তেন্তে সিও কলাৰ অন্যতম মহৎ কীৰ্তি বুলিয়েই পৰিগণিত হয়। নৃত্যকলা মই ভাল পাওঁ যদিও তাৰ বিষয়ে মোৰ জ্ঞান সামান্য। ভাৰতৰ নৃত্য-জগতত গৰিমাৰ তুলনা-মূলক স্থান নিৰ্ণয় কৰিব পৰাৰ জোখাৰে বিদ্যা-বুদ্ধি মোৰ নাই। বিখ্যাত কলা-সমালোচক ডঃ মহেশ্বৰ নেওগে গৰিমাক মৃণালিনী সাৰাভাইৰ নিচিনা নৃত্যশিল্পীৰ সমকক্ষ বুলি ভাবে। মোৰ ধাৰণা যে মৃণালিনীহঁতৰ নিচিনাকৈ সুযোগ-সুবিধা আৰু পৰিবেশ পোৱা হ'লে গৰিমা কিজানি তেওঁলোকতকৈও ডাঙৰ নৃত্যশিল্পী হ'লহেঁতেন। কিন্তু এটা ক্ষেত্ৰত গৰিমা এতিয়াও অনন্যা। তেওঁ কেৱল নৰ্তকীয়েই নহয়; তেওঁ একাধাৰে লেখিকা, চিত্ৰশিল্পী, অভিনেত্ৰী, কষ্টিউম ডিজাইনাৰ, ইন্টেৰিয়ৰ ডেকৰেটৰ, সমাজ-সেৱিকা .......... সকলো মিলি এটা বিৰল বৰ্ণাঢ্য ব্যক্তিত্ব।

**হোমেন বৰগোহাঞি**








# বহু কাম, সময় কিন্তু কম

**গৰিমা হাজৰিকা**

সৰুতে কইনা-দৰা খেল খেলি মই মুঠেই ভাল পোৱা নাছিলো। মই ভাল পাইছিলো পুতলা খেল। ১০/১২ টা পুতলা সাজো, তাৰে দুটামানক পৰী, দুটামানক সখী, এটা পুতলা ৰাজকুমাৰী কৰি সজাই পৰাই লৈ, সৰু পীৰা এখন পাৰি, পীৰাৰ ওপৰত খলপ খলপ কৰি ষ্টেজ কৰি লৈ, মুখেৰে মিউজিক বজাই ঘন্টাৰ পাছত ঘন্টা ধৰি পুতলাবোৰ নচুৱাই খেলি থাকো। স্কুললৈ যাবলৈ বৰ বেয়া পাইছিলো। এবাৰ মাহতে স্কুলত নাম লগাই দিলে। প্ৰথম দিনা মাষ্টৰে ক্লাচত নাচিবলৈ কোৱাত, মোৰ যে কি স্ফূৰ্তি লাগিছিল। পাছদিনা স্কুললৈ যাবলৈ তৰাণ্ হেৰাল। কিন্তু সেইদিনা মাষ্টৰে নেওঁতা আৰম্ভ কৰিলে। বচ, মই আৰু স্কুললৈ নোযোৱা হলো। মায়ে উপায় নাপাই ঘৰতে পঢ়ুৱাই একে কোবেই তাৰিণীচৰণ স্কুলত তৃতীয়মান শ্ৰেণীত নাম লগাই দিয়ালে। স্কুলৰ শিক্ষয়িত্ৰী শ্ৰীযুতা গৌৰীবাইদেৱে স্কুলৰ যিকোনো অনুষ্ঠানতেই মোক নাচিবলৈ দিয়ে। গ্ৰামোফনত ৰেকৰ্ড বজাই তাৰ তালে তালে সুৰে সুৰে যি মন যায় নাচিছিলো। পাছলৈ বাইদেৱে কেনেধৰণৰ নাচটো নাচিলে ভাল হ'ব, সেই নাচৰ ভাবাৰ্থটো কি, সেই কথা কৈ দিছিল আৰু মই সেই হিচাপে নাচটো ঠিক"ঠাক কৰি লৈছিলো। এতিয়াৰ চতুৰ্থ, পঞ্চম শ্ৰেণীত পঢ়া ছোৱালীতকৈ আমি বেছি ডাঙৰ আছিলো নেকি? মোৰ এগৰাকী বাইদেউ কল্পিতা দুৱৰাই মোক ৰবীন্দ্ৰ সংগীতৰ লগত নাচ নাচিবলৈ শিকাইছিল। মোৰ ককাইদেউ ডক্টৰ বিশ্বজিৎ বৰুৱাই নিজে বৰ ভাল অৰ্গেন, পিয়ানো আৰু গীতাৰ বজাইছিল। ককাইদেউহঁতৰ এটা music group আছিল। আৰু সেই group টোত আছিল ব্ৰজেন বৰুৱা, ভব ব্যানাৰ্জী,




নৃত্যৰ ভিন্ন ভংগীত গৰিমা হাজৰিকা।





OKDISCD



*অৰুণ শৰ্মা, বীৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ সৈতে গৰিমা হাজৰিকা*

শ্ৰীজয়ন্ত কুমাৰ বৰুৱা আদি। এওঁলোক আটাইবোৰ বৰ ভাল মিউজিচিয়ান আছিল। Function হলেই সেই group টোৱে বজোৱা বিভিন্ন সুৰত মই নাচিছিলো। সকলোৱে পৰা নাচেই মোৰ প্ৰিয় সংগী আছিল। মোৰ দেউতা ভুৱনেশ্বৰ বৰুৱা আৰু মোৰ মাতৃ ইন্দুপ্ৰভা বৰুৱা দুয়োজনে নাচ-গান বৰ ভাল পাইছিল। ডাক্তৰ হলেও দেউতা আছিল এগৰাকী সমাজ কৰ্মী আৰু মায়েও মহিলা কল্যাণমূলক বিভিন্ন কামত নিজকে ব্যস্ত ৰাখিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেউতাৰ বৰ বন্ধু আছিল আৰু আমাৰ পৰিয়ালৰ দৰে আছিল। আমাৰ জোৰ পুখুৰী পাৰত থকা ঘৰলৈ তেওঁ প্ৰায়েই আহিছিল আৰু আমাৰ ঘৰত থকা অৰ্গেনটো মন গলেই বজাইছিল। এদিনাখনৰ কথা। তেখেতে অৰ্গেন বজাই আছে। মই ওচৰতে থিয় দি আছিলো। হঠাতে এবাৰ মোলৈ চাই কলে, 'যোৱা জুনুকা জোৰ পিন্ধি আহা আৰু মই বজোৱা সুৰে সুৰে নাচা'। মই তৎক্ষণাৎ জুনুকা পিন্ধি আহিলো। তেখেতে অৰ্গেনত বিবিধ সুৰ বজাইছে আৰু মই, মই যি মন যায় তাকে নাচি আছো। নাচৰ মাজতে দেউতাৰ মাত শুনিলো, দেউতাৰ মাতত মোৰ নাচ বন্ধ হ'ল। দেউতাই তেতিয়া কোৱা কথাষাৰ এতিয়াও মোৰ মনত আছে। 'অকৰা মৈত উঠিল'। কথাষাৰৰ অৰ্থ মই বুজা নাছিলো। অৰ্গেনৰ পৰা উঠি জ্যোতিপ্ৰসাদদেৱে মোক সাবট মাৰি ধৰি দেউতাক কলে, 'ডাক্তৰ এই বৰ ধুনীয়া নাচনী হ'ব।'

লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত মহা-বিদ্যালয়ৰ পৰা শিক্ষা শেষ কৰি আহি শ্ৰীসুন্দৰ বৰদলৈদেৱে গুৱাহাটীত কুমাৰ ভাস্কৰ নাট্য-মন্দিৰত এখন সংগীত স্কুল খুলিলে। মায়ে মোক মণিপুৰী নাচৰ ক্লাচত নাম লগাই দিলে। নাজানো কিয়, মণিপুৰী নাচৰ প্ৰতি মোৰ তেনে আগ্ৰহ জন্মা নাছিল। কিছুদিন মণিপুৰী নাচ শিকাৰ পাছত নৃত্য-বিশাৰদ চাৰু বৰদলৈক লগ পালো। চাৰুদাই ভাটখাণ্ড সংগীত মহাবিদ্যালয়ৰ পৰা শাস্ত্ৰীয় নৃত্যত শিক্ষা শেষ কৰি গুৱাহাটীলৈ আহিছে। আৰু মোক কোনে পায়। নৃত্য বিশাৰদ চাৰু বৰদলৈদেৱেই হ'ল নাচৰ মোৰ প্ৰথম গুৰু। ভাৰতীয় শাস্ত্ৰীয় নাচৰ সৈতে সক্ৰিয়ভাবে তেখেতে মোক চিনাকি কৰি দিলে। এগৰাকী ডাঙৰ গুৰুৰ তলত মই নৃত্যশিক্ষা আৰম্ভ কৰিলো। সময় পাৰ হ'ব ধৰিলে। বিভিন্ন সংগীত উৎসৱ প্ৰতিযোগিতাত একক ভাবে, দ্বৈতভাবে নৃত্য পৰিবেশন কৰিবলৈ গুৰুৱে মোক অনুমতি দিলে। বিভিন্ন সংগীত অনুষ্ঠানত নৃত্য পৰিবেশন কৰি পুৰস্কৃত হলো। অসমত অনুষ্ঠিত হোৱা প্ৰায়বোৰ সংগীত উৎসৱত মোৰ নাচৰ অনুষ্ঠান অপৰিহাৰ্য আছিল। গুৰুৰ কৃপাতেই হৈছিল বুলি মই আজিও ভাবো। এবাৰ গুৱাহাটীত নৃত্য অনুষ্ঠান পৰিবেশন কৰিবলৈ বিশ্ববিখ্যাত নৃত্য শিল্পী উদয়শংকৰ আৰু তেওঁৰ দল আহক। সেই সময়ত আমি উলুবাৰীৰ শৰণীয়া পাহাৰত সজা আমাৰ নিজৰ ঘৰলৈ আঁহিলো। উদয়শংকৰ আৰু তেওঁৰ পৰিবাৰ নৃত্যাংগনা অমলাশংকৰ আমাৰ ঘৰৰ কাষতে থকা শ্ৰীগণেশ সেনৰ আলহী আছিল। মই তেতিয়া নবমমান শ্ৰেণীৰ ছাত্ৰী। মোৰ স্ফূৰ্তিৰ অন্ত নাই। শ্ৰীগণেশ সেনৰ ঘৰলৈ মাকো মাৰি আছো। দেউতাই উদয়শংকৰক আমাৰ ঘৰলৈ চাহৰ বাবে নিমন্ত্ৰণ জনালে। উদয়শংকৰ অমলাশংকৰ দুয়ো আহিল। দেউতাই কলে, 'মোৰ এই ছোৱালীজনীয়ে কিবা কিবি অলপ নাচে' – উদয়শংকৰে মোক নাচ দেখুৱাবলৈ কবলৈহে পালে। মই তৎক্ষণাৎ মুখেৰে বোল গাই গাই, চাৰুদাই শিকোৱা শাস্ত্ৰীয় নাচ এটা নাচি দিলো। নাচ শেষ হ'ল। উদয়শংকৰে দেউতাক কলে, আপোনাৰ ছোৱালীটি মোক দিয়ক, মোৰ লগত লৈ যাও, এওঁ বৰ ভাল নাচনী হ'ব।' দেউতা প্ৰায় মান্তি হৈছিল। মায়ে কিন্তু পঠিয়াবলৈ ইচ্ছা নকৰিলে। 'তাই মেট্ৰিকটো পাছ কৰি লওকচোন'।

মই মেট্ৰিক পাছ কৰিলো। তাৰ কিছুদিনৰ পাছতেই দেউতা ঢুকাল। উদয়শংকৰৰ ওচৰলৈ যোৱাৰ কথা সম্পূৰ্ণ তল পৰিল। কলেজত নাম লগালো। নাচ কিন্তু মই নেৰিলো। নাচৰ চৰ্চা মোৰ চলিয়েই থাকিল। জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ দহ-বাৰ জন ভকত লৈ আমাৰ ঘৰলৈ আহিছিল আৰু দেউতাই আছুতীয়াকৈ তেখেত সকলৰ থকা মেলা ব্যৱস্থা আমাৰ ঘৰতে কৰিছিল। আমাৰ ঘৰত তেখেত সকলে নাম গোৱাৰ উপৰিও ভকতৰ হতুৱাই নাচো কৰাইছিল। সেই নাচবোৰ চাইছিলো আৰু সুবিধা পালে শিকিম বুলি মনতে ভাবিছিলো। এবাৰ নতুন দিল্লীত অনুষ্ঠিত Youth festivalত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এটা নাচৰ দল, সত্ৰীয়া নাচ প্ৰদৰ্শন কৰিবৰ কাৰণে পঠিয়াবলৈ স্থিৰ কৰা হ'ল। অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগদেৱে এই সম্পৰ্কে বিহিত ব্যৱস্থা কৰি মোকো সেই দলটিত অন্তৰ্ভুক্ত কৰিলে। উত্তৰ গুৱাহাটীত অৱস্থিত আউনিআটী সত্ৰত নাচ শিকিবৰ কাৰণে শ্ৰীযুত নেওগ চাৰে ঠিক কৰিলে। চাৰে আমাৰ দলটিক আউনিআটী সত্ৰলৈ লৈ গ'ল। কিন্তু সত্ৰত ছোৱালীক নাচ শিকাবলৈ মান্তি কৰোৱাব পৰা নগ'ল। কেইগৰাকীমান বায়নে কুমাৰ ভাস্কৰ নাট্য মন্দিৰত আমাক নাচ শিকালে। ৰাসৰ নাচ। আমি youth festivalত এই নাচ প্ৰদৰ্শন কৰি প্ৰশংসা অৰ্জন কৰিলো। নাচৰ বাহিৰেও আৰু এটা কলাৰ প্ৰতি মোৰ ধাউতি আছিল, চিত্ৰকলা। ৰং বৰ ভাল পাইছিলো। যি মনলৈ আহে আঁকিছিলো।



আমাৰ ঘৰৰ বহা কোঠাটো এটা ডাঙৰ হল ঘৰৰ নিচিনা আছিল। হ'লঘৰৰ দেৱালত দেউতাই চিত্ৰশিল্পী আশুদেৱৰ হতুৱাই চিত্ৰ ভাগৱতৰ ১৬খন চিত্ৰ ডাঙৰ ডাঙৰকৈ অঁকোৱাইছিল। অঁকা শেষ হওঁতে দুমাহ মান লাগিছিল। স্কুলৰ পৰা আহি আশুদেৱে আঁকি থকা চিত্ৰবোৰ চাই মজি থাকো। অজানিতে এটা প্ৰেৰণা অনুভৱ কৰিছিলো চিত্ৰ শিল্পৰ প্ৰতি। চিত্ৰশিল্পী গৰাকীয়ে মই বুজি পোৱাকৈ চিত্ৰ অঁকাৰ বিষয়ে বহু নজনা কথা কৈ গৈছিল। চিত্ৰকলাৰ প্ৰতি মোৰ আগ্ৰহ থকা উমান পাই, চিত্ৰ আঁকিবলৈ মোক উৎসাহিত কৰিছিল। লাহে লাহে চিত্ৰ আঁকিবলৈ ললো। এই সময় ছোৱাতেই আন এগৰাকী বিখ্যাত শিল্পীৰ সান্নিধ্যলৈ আহো। তেখেত হ'ল কলাগুৰু যুগল কুমাৰ দাস। এই গৰাকী শিল্পীৰ ওচৰত চিত্ৰকলা হস্তকলা, ৰঙৰ কাম, হাতৰ কাম, মাটিৰ কাম, মুখাৰ কাম, বিধবিধ কলাৰ কাম ক'ত যে শিকিলো আৰু এটা ডাঙৰ কথাও শিকালে, – 'সীমিত খৰচৰ ভিতৰত সুন্দৰ শিল্পকলা সৃষ্টি কৰাৰ কৌশল।'

বি এ পাছ কৰিলো। এইবাৰ মায়ে নিজে কলে, 'দিল্লীত পঢ়িবৰ মন আছে নেকি?' 'আছে। পঢ়িবলৈ নহয়, নাচ আৰু ছবি অঁকা শিকিবলৈ।' – মই উত্তৰ দিলো। মায়ে দিল্লীলৈ পঠিয়ালে। দিল্লীত আৰ্ট কলেজত নাম লগালো। এটা নতুন জীৱনৰ পাতনি। ভাৰতৰ খ্যাতনামা অধ্যাপক চিত্ৰ শিল্পী, ভাস্কৰ্য শিল্পী সকলৰ তলত শিক্ষা লাভ কৰাৰ সুযোগ পালো। এখন ৰঙৰ পৃথিৱীৰ লগত সম্পৰ্ক ঘটিল। মনপুতি শিক্ষা লাভ কৰাৰ চেষ্টা কৰিলো। সেই সময়ত নতুন দিল্লীত ইন্টাৰ নেচনেল চেন্টাৰ অৱ কথাকলি নামৰ এটি কথাকলি নৃত্য প্ৰশিক্ষণ কেন্দ্ৰ স্থাপিত হৈছিল। এই কেন্দ্ৰৰ গুৰু বিখ্যাত কথাকলি গুৰু মাধৱ পানিকৰ। গুৱাহাটীলৈ এবাৰ কথাকলি গুৰু গোপীনাথ আহোতে চিনাকি হৈছিলো। চাৰুদাৰ পৰিচালনাত আমি আমাৰ নাচ তেওঁক দেখুৱাইছিলো। তেতিয়াই মোক চাৰুদাই কৈছিল, সুযোগ পালে কথাকলি নাচ শিকিবা, বিশেষকৈ অভিনয় কৌশল অভিনয়ৰে ৰসৰ প্ৰকাশ। এই কথা মোৰ ভালদৰে মনত আছিল। দিল্লীৰ কেৰলবাগত অৱস্থিত কথাকলি নৃত্য কেন্দ্ৰত নাম লগালো। মাধৱ পানিকৰ তত্ত্বাৱধানত শিক্ষা আৰম্ভ কৰিলো। চাৰুদাৰ এই উপদেশ আছিল অমূল্য। এই প্ৰশিক্ষণ প্ৰাপ্ত কৰি মই যথেষ্ট উপকৃত হৈছো – বিশেষকৈ নৃত্যৰ অভিনয় অংশ ৰচনা কৰাত। দিল্লীত আহি কৃষ্ণমূৰ্তি হাজৰিকাক লগ পাওঁ। তেওঁ মোক উৎসাহিত কৰিলে। তেওঁৰ যোগেদি বহু খ্যাতনামা নৃত্যশিল্পী নৃত্য সমালোচক, সাংস্কৃতিক সংস্থা, আৰু নৃত্যগুৰুৰ সৈতে চিনাকি হ'ল। আৰ্ট কলেজ, নৃত্য-প্ৰশিক্ষণ কেন্দ্ৰত সময়বোৰ অতিবাহিত কৰি আছো। কিছু নতুন নতুন কথা, নতুন জ্ঞান, নতুন অভিজ্ঞতা অৰ্জন কৰিছো। আৰ্ট কলেজ আৰু কথাকলি নৃত্য প্ৰশিক্ষণত শিক্ষা শেষ কৰাৰ পাছত কৃষ্ণমূৰ্তি হাজৰিকাৰ সৈতে মোৰ বিয়া হয়। হাজৰিকাৰ কৰ্মস্থল নতুন দিল্লী। বিয়াৰ পাছতেই পূৰ্ণ উদ্যমেৰে উড়িছী নৃত্য শিকা আৰম্ভ কৰিলো। দিল্লীৰ এটা প্ৰেক্ষাগৃহত নৃত্যাংগনা ইন্দ্ৰানী ৰহমানৰ উড়িছী নৃত্য চাই অভিভূত হৈ পৰিছিলো। সেই সময়ত উড়িছী নাচে দিল্লী ৰাজধানীত তোলপাৰ লগাইছে। এদিনাখন হাজৰিকাই ঘৰলৈ এগৰাকী বন্ধু লৈ আহিল। বেশভূষাত ধৰিলো, নিশ্চয় শিল্পী মানুহ হ'ব। হাজৰিকাই চিনাকি কৰি দি ক'লে, 'উড়িছী নৃত্য গুৰু সুৰেন্দ্ৰনাথ ঝেনা'। মই কিংকৰ্তব্যবিমূঢ় হৈ গুৰুক সেৱা এটা কৰিলো। আথে বেথে তেখেতক বহুৱালো। উড়িছী নাচ মোক শিকাবলৈ তেওঁ মান্তি হ'ল। হাততে এনেকৈ এগৰাকী গুৰু পাম বুলি কল্পনা কৰা নাছিলো। গুৰুজী প্ৰথমবাৰৰ বাবে দিল্লীলৈ আহিছে। তেনেকৈ চিনাকি কাৰোৰ লগত নাই। মোৰ শিক্ষা আৰম্ভ হ'ল। দেওবাৰ দিনটোৰ



*নৃত্যৰ পাঠদান কৰি থকা অৱস্থাত গৰিমা হাজৰিকা।*



নৃত্যৰ ভিন্ন ভংগীত গৰিমা হাজৰিকা

বাহিৰে প্ৰায় প্ৰতি দিনাই আমাৰ ঘৰলৈ পূৱাই আহি গধূলি নিজৰ বহালৈ উলটি গৈছিল। এদিন দুদিন নহয় একেৰাহে বহু দিন। পাছলৈ মই গুৰুৰ ঘৰলৈ যোৱা হল। অযথা সময় নষ্ট নকৰিলো। শিক্ষাৰ অন্তত গুৰুৱে মোক হিয়া উবুৰিয়াই আশীৰ্বাদ দিলে। মোৰ সেৱা শুশ্ৰূষাৰে গুৰুৰ মন হয়তো মই জয় কৰিব পাৰিছিলো। গুৰুজীয়ে মোক গৰিমা নুবুলি গৌৰীমা বুলি মতা হ'ল। আজি মোৰ গুৰু এগৰাকী নামজ্বলা বিখ্যাত উড়িছী নৃত্য গুৰু আৰু দিল্লীৰ প্ৰসিদ্ধ ত্ৰিবেণী কলা কেন্দ্ৰৰ উড়িছী নৃত্যৰ মুৰব্বী। গুৰুজীয়ে দিল্লী চহৰত ঘৰ এটাও সাজিলে। অসংখ্য ছাত্ৰী। দেশ-বিদেশৰ। দিল্লীত গুৰুজীক হয় ত্ৰিবেণী কলা কেন্দ্ৰত বা ঘৰত লগ ধৰোগৈ। নিজে ভাবি ভাল লাগে এই গুৰুজীৰ প্ৰথম ছাত্ৰী ময়েই আছিলো। দিল্লী চহৰত কেবাবছৰো কটালো, যিমান পাৰো নৃত্যানুষ্ঠান, অপেৰা, বেলে, নৃত্যনাট্য, থিয়েটাৰ আদি চালো। মই থকা কালীন দিল্লীত গণৰাজ্য দিৱস উপলক্ষে প্ৰতিবছৰে ৰাষ্ট্ৰীয় লোকনৃত্য উৎসৱ পতা হৈছিল। এই উৎসৱৰ আটাইতকৈ আকৰ্ষণীয় দিশ আছিল তালকোটৰা গাৰ্ডেনত অস্থায়ীভাবে পতা নৃত্য-শিল্পী শিবিৰ। ভাৰতৰ প্ৰতি ৰাজ্যৰ পৰা ৰাষ্ট্ৰীয় লোক নৃত্য উৎসৱত ভাগ লবলৈ পঠোৱা নৃত্য শিল্পী, বাদ্য শিল্পীৰ দল এই শিবিৰত থাকিছিলহি। প্ৰায় ১৫/২০ দিন ধৰি এই শিবিৰ চলিছিল। শিল্পীৰ ক্ষুদ্ৰ ভাৰত। পুৱাৰ পৰা ৰাতিলৈ নাচৰ ৰিহাৰ্চেল। বিধ বিধ বাদ্যযন্ত্ৰৰ শব্দই আৰু নাচনীৰ ঝুনুকাৰ শব্দই অতুলনীয় এক বাতাবৰণ সৃষ্টি কৰিছিল। বাচকবনীয়া সাজপোছাক, আ-অলংকাৰ পিন্ধি-উৰি ভাৰতৰ ভিন ভিন অঞ্চলৰ পৰা অহা এই শিল্পী সকলে শিবিৰটো উৎসৱ মুখৰ কৰি তুলিছিল। তালকোটৰা শিবিৰৰ বিভিন্ন কামত হাজৰিকা ওত-প্ৰোতভাবে জড়িত আছিল কাৰণেই মই এই সুযোগৰ সদ্ব্যৱহাৰ কৰিছিলো। শিবিৰৰ আটাইকেইটা দিনত পুৱাৰ পৰা ৰাতিলৈ ময়ো তালকোটৰা গাৰ্ডেনত। হেঁপাহ পলাই নাচ চাওঁ। কি যে পাহৰিব নোৱৰা এটা মিঠা অভিজ্ঞতা আৰু মধুৰ স্মৃতি। মাজে মাজে বিদেশৰ পৰা নামজ্বলা কৰিয়গ্ৰাফাৰ দিল্লীলৈ আহিছিল। সংগীত নাটক অকাডেমী কৰিয়গ্ৰাফীৰ ৱৰ্কশ্বপ আয়োজন কৰিছিল। কৰিয়গ্ৰাফী শব্দটি মোৰ বাবে তেতিয়া তেনেই আচহুৱা আছিল। এবাৰ এনে এখন ৱৰ্কশ্বপত ময়ো আছিলো। ৰাছিয়াৰ কৰিয়গ্ৰাফাৰ এজনে ৱৰ্কশ্বপ পৰিচালনা কৰিছিল। গুজৰাটী লোকনৃত্য এটা প্ৰথমে পৰিবেশন কৰা হ'ল। কৰিয়গ্ৰাফাৰ গৰাকীয়ে নৃত্যটি ভাল দৰে চাই, কৰিয়গ্ৰাফী কৌশলৰ সহায়ত নাচটো নতুন ৰূপত সজাই তুলিলে। নাচৰ মৌলিকতাত কোনো হেৰফেৰ নহ'ল। কৰিয়গ্ৰাফী এটি বিজ্ঞান সন্মত কৌশল যাক উপযুক্ত ভাবে ব্যৱহাৰ কৰি নাচৰ সৌন্দৰ্য দ্বিগুণে বঢ়াই তুলিব পৰা যায়। দিল্লীত আৰ্ট কলেজত পঢ়ি থকা সময়ত বাতিক চামৰাৰ কাম, বন্ধিনী, আভ্যন্তৰীণ গৃহসজ্জা, কচটিউম ডিজাইন আদি কাম যেতিয়াই পাৰিছো শিকিছো। দিল্লীত থাকোতে এটা কথাই মোক চিন্তিত কৰিছিল, শিকিবলগীয়া দেখাৰ বিষয় আছে – হাতত কিন্তু সময় বৰ কম।


হাজৰিকাৰ চাকৰিৰ কৰ্মস্থল গুৱাহাটীলৈ স্থানান্তৰিত হ'ল। আমি গুৱাহাটী পালোহি। হাজৰিকাই নিজৰ কামত লাগি পৰিল। আৰু মই!

এটা আশা মনতে পুহি যি পাৰো শিকিছিলো। এইবাৰ ইয়াক বাস্তৱত ৰূপ



দিব লাগিব। গুৱাহাটীত এটা কলাকেন্দ্ৰ খুলিম। এই কেন্দ্ৰত উড়িছী নাচ, অসমৰ সত্ৰীয়া নাচ, লোকনৃত্য পৰম্পৰা নৃত্যাদি, সাজপোছাক ডিজাইন, অংগসজ্জা আদি বিভিন্ন কলাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব। কলা অনুৰাগী ল'ৰা-ছোৱালীবোৰে ইয়াত প্ৰশিক্ষণ গ্ৰহণ কৰিব। এনেকুৱা ব্যৱস্থা ৰাখিব লাগিব যাতে শিক্ষাৰ্থীৰ আৰ্থিক অৱস্থা – শিক্ষা গ্ৰহণত অন্তৰায় হ'ব নোৱাৰিব। প্ৰতিভাবান্ ল'ৰা-ছোৱালীৰ প্ৰতিভা কোনো ধৰণৰ ব্যাঘাত নোহোৱাকৈ এই কেন্দ্ৰত বিকশিত হ'ব। এখন শিক্ষানুষ্ঠানত ল'ৰা-ছোৱালীয়ে শুদ্ধ শিক্ষা পোৱাটোৱেই হ'ল প্ৰকৃত কথা; বিশেষকৈ নৃত্য-সংগীত আৰু চিত্ৰ-কলাৰ ক্ষেত্ৰত; কাৰণ আমাৰ ইয়াত ইচ্ছা কৰিলেও তেনে শিক্ষা গ্ৰহণ কৰাৰ সুবিধা কম। গতিকে – এই কলাকেন্দ্ৰত উচ্চমান পৰ্যায়ৰ শিক্ষাদানৰ ব্যৱস্থা থাকিব যাতে আমাৰ ল'ৰা-ছোৱালীয়ে ভাৰতৰ অন্যান্য ৰাজ্যৰ ল'ৰা-ছোৱালীৰ লগত সমানে ফেৰ মাৰিব পাৰে।

এই কলা কেন্দ্ৰত এনেবোৰ নৃত্যনাটিকা, বেলে, অপেৰা ৰচনা আৰু পৰিবেশন কৰা হ'ব যিবোৰ ৰচনাই মানুহৰ মনত চেতনা, প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰিব। সমাজৰ প্ৰতি এই কলাকেন্দ্ৰৰ দায়িত্ব থাকিব। কলা মাধ্যমৰেই সমাজ খনৰ সেৱা কৰিবলৈ আমি যত্ন কৰিম। এয়েই হ'ব কলাকেন্দ্ৰৰ মূল উদ্দেশ্য। এটা নৃত্য বা সংগীত প্ৰশিক্ষণ কেন্দ্ৰত অভিভাৱকে ল'ৰা-ছোৱালী পঠিয়াই শিক্ষালাভ কৰিবলৈ। মঞ্চত বা টেলিভিচনৰ




পৰ্দাত যেতিয়া নিজৰ ল'ৰা-ছোৱালীয়ে নচা বা গীত গোৱা দেখে, মাক বাপেকে মনত এটা বুজাব নোৱৰা তৃপ্তি লাভ কৰে। কিন্তু অকল সেইটোৱেই উদ্দেশ্য হ'ব নোৱাৰে। সকলো শিক্ষাৰ্থী প্ৰফেচনেল গায়ক বা নৰ্তক বা নৰ্তকী হ'ব নোৱাৰে। কিন্তু সৰুতে এই ল'ৰা-ছোৱালীৰ মনত নৃত্যগীতৰ যি বীজ অংকুৰিত হ'ব, সেই বীজে সেই ল'ৰা-ছোৱালীক ডাঙৰ শিল্পী কৰিব নোৱাৰিলেও, এনে এজন ব্যক্তি ৰূপে গঢ়ি তুলিব যি নৃত্যগীত ভাল পাব, নৃত্যগীতৰ মৰ্ম উপলব্ধি কৰিব পাৰিব, এজন ভাল শ্ৰোতা বা দৰ্শক হ'ব। যিবোৰ বিদ্যাৰ্থী এই কলা কেন্দ্ৰৰ পৰা শিক্ষা সাং কৰি ওলাই যাব, তেওঁলোকেও যি শিকিলে যি জ্ঞান অৰ্জন কৰিলে সেই শিক্ষা আৰু জ্ঞান আনক বিলাব। এটা প্ৰক্ৰিয়া, ইয়াৰ কাৰ্যকাৰিতাই আমাৰ ল'ৰা-ছোৱালীৰ মানসিক উৎকৰ্ষত সহায় কৰিব।

গুৱাহাটীত থিতাপি লগাৰ পাছতেই উড়িছী নাচক লৈ চৰ্চা আৰম্ভ কৰো। যশস্বী কন্ঠশিল্পী বিভুৰঞ্জন চৌধুৰী মোৰ এই প্ৰচেষ্টাৰ অংশীদাৰ হ'ল। আজিও এই গৰাকী শিল্পীয়ে অকুন্ঠভাবে মোৰ সকলো ৰচনাতেই সংগীতৰ দিশত সহায় কৰি আছে। গুৱাহাটী আৰু গুৱাহাটীৰ বাহিৰত উড়িছী নাচৰ কেবাটাও একক অনুষ্ঠান মই পৰিবেশন কৰিলো। কলামোদী দৰ্শক, ৰসিক আৰু বাতৰি কাকতে মোক যথেষ্টখিনি উৎসাহিত কৰিলে। অসমত ময়েই প্ৰথম উড়িছী নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ আৰম্ভ কৰিলো। গতিকে দায়িত্ব মোৰ বেছ গধুৰ আছিল। লাহে লাহে ভাৰতীয় অন্যান্য শাস্ত্ৰীয় নৃত্যৰ দৰে অসমৰ দৰ্শকে উড়িছী নাচকো আঁকোৱালি ধৰিলে। এখন শিশু অপেৰা কৰাৰ কথা চিন্তা কৰিলো। স্থানীয় সাংস্কৃতিক সংস্থা ঐকতানে মোক এই কামত সৰ্বোতপ্ৰকাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিল। ঐকতানৰ প্ৰযোজনা আৰু মোৰ ৰচনা পৰিচালনা। পঞ্চতন্ত্ৰৰ কেবাটাও সাধু সম্পাদনা কৰি Script খন লিখি উলিয়ালো। এটা নতুন experiment কৰাৰ কথাও চিন্তা কৰিলো। নৃত্যনাট খনৰ গীত আৰু সংগীত ৰেকৰ্ডিং কৰি লৈ, চাউন্ড ট্ৰেকত নৃত্যনাট্য মঞ্চত পৰিবেশন। এই কামত ঐকতানৰ পবিত্ৰ ডেকাই কিদৰে সহায় কৰিলে সেই কথা লিখি বুজাব নোৱাৰো। তাৰ উপৰি



ঐকতানৰ প্ৰতিজন সদস্যৰ সক্ৰিয় সহযোগিতা। ৩০টা কণমান ল'ৰা-ছোৱালী। ঐকতানৰ সৰু খোটালী এটা। প্ৰায় দুমাহ ধৰি অহৰহ ৰিহাৰ্চেল। বিভূৰঞ্জনৰ সুৰাৰোপ। বিভিন্ন সংগীত, প্ৰাচ্য-পাশ্চাত্য সুৰৰ পৰা বাছি বাছি পবিত্ৰৰ সম্পাদনা। কামৰ শেষ নাই। অৱশেষত পঞ্চতন্ত্ৰ মঞ্চস্থ হ'ল, অতি সফলতাৰে। পঞ্চতন্ত্ৰৰ প্ৰতিটো দৰ্শনী দৰ্শকৰে ভৰপূৰ। অপেৰাখনৰ সাজ-পোছাক, মুখা আদিও ময়েই ডিজাইন কৰিছিলো। এই অপেৰাখনৰ মাজেদি আছিল এটা message 'মাউখে উটিলে গুৰি পৰুৱাৰ মৰণ নাই' –২২ বাৰ ধৰি এই অপেৰাখন মঞ্চস্থ কৰা হ'ল। এটা অভিলেখ সৃষ্টি। এই অপেৰাখনৰ কথা এইবাৰেই লিখিছো যে, কলা কেৱল মনোৰঞ্জনেই নহয়, জনসংযোগৰ প্ৰচণ্ড এটা শক্তি।

ভাৰতীয় এটি শাস্ত্ৰীয় নৃত্যধাৰা (উৰিছী) আয়ত্ত কৰি লৈ এইবাৰ আগবাঢ়িলো সত্ৰীয়া নাচ শিকাৰ উদ্দেশ্যে। নিজৰ মাটিৰ শিল্পকলা গীত, নাচ শিকাটো, প্ৰসাৰ আৰু প্ৰচাৰ কৰাটো এজন শিল্পীৰ বাবে অপৰিহাৰ্য কৰ্তব্য বুলি মই মনে প্ৰাণে বিশ্বাস কৰো। কমলাবাৰী সত্ৰৰ বৰবায়ন মুক্তিয়াৰ সত্ৰীয়া নাচৰ ওজা শ্ৰীৰসেশ্বৰ শইকীয়াৰ কাষ চাপি, তেখেতৰ অধীনত সত্ৰীয়া নাচ শিকিবলৈ লওঁ। সত্ৰীয়া নাচৰ দুটামান অনুষ্ঠানো একক ভাবে কৰিলো। পাছলৈ কমলাবাৰী সত্ৰৰে বৰবায়ন শ্ৰীঘনকান্ত বৰাৰ সৈতে লগলগাই দিলে। বৰবায়ন বৰাদেৱৰ উদ্যোগতে সত্ৰীয়া নাচৰ দিশত বিশদভাবে চৰ্চা কৰিবলৈ আৰম্ভ কৰিলো। বিভূৰঞ্জনকো এই চৰ্চাত সুমুৱাই ললো। বৰবায়ন ঘনবৰা, সংগীতজ্ঞ বিভূৰঞ্জন আৰু মই, এই চৰ্চাত গভীৰভাবে মনোনিবেশ কৰি কামত লাগি পৰিলো। সত্ৰীয়া নাচৰ একক পৰিবেশন কৰিবৰ কাৰণে সকলো মৌলিকতা অটুট ৰাখি এটা ক্ৰম তৈয়াৰ কৰা হ'ল; নাচৰ মাজত সাজ পোছাক নসলোৱাকৈ এটা পোছাকো ডিজাইন কৰিলো। এই নাচ মই নিজে পৰিবেশন কৰিলো বৰাদেৱৰ তত্ত্বাৱধানত। সত্ৰীয়া নাচৰ এই ক্ৰমটিয়ে কলা সমালোচক, কলাৰসিক সকলৰ সমাদাৰ আৰু প্ৰশংসা লাভ কৰিলে। ৰোটাৰী ক্লাবৰ নিমন্ত্ৰণত আমি কলিকতাৰ নেতাজী ষ্টেডিয়াম মঞ্চত সত্ৰীয়া নাচৰ এটা অনুষ্ঠানো পৰিবেশন কৰো। সেইদিনাৰ অনুষ্ঠানত মণিপুৰী নৃত্যৰ বিখ্যাত গুৰু বিপিন সিংহৰ তত্ত্বাৱধানত মণিপুৰী নাচো পৰিবেশন কৰা হৈছিল।



গুৰু মুৰালীধৰ মাঝি

হাজৰিকা প্ৰায়েই উত্তৰ-পূব অঞ্চলৰ বিভিন্ন ৰাজ্যলৈ ভ্ৰমণত গৈছিল। সেই ঠাইবোৰৰ নৃত্যগীতবোৰ চোৱা তেওঁৰ কামৰ ভিতৰত আছিল। যেতিয়াই সুবিধা কৰিব পাৰিছিলো, তেওঁৰ লগত ওলাইছিলো আৰু নিজ চকুৰে নাচবোৰ চাইছিলো। সুযোগ পালেই দুটা এটা নাচ শিকিও লৈছিলো। লাহে লাহে অসমৰ আন আন বাচকবনীয়া লোক নৃত্য বোৰোৰে, কিছু শিকি লওঁ। বড়ো নাচৰ ওজা শ্ৰীকামিনী নাৰ্জাৰী, শুকনানি ওজা শ্ৰীচন্দ্ৰকান্ত নাথ আৰু মণিপুৰৰ গীতনাট বিভাগৰ ট্ৰাইবেল নাচৰ প্ৰশিক্ষকৰ তলত দুটামান নাচ শিকি ললো।

ইয়াৰ ভিতৰত সময় উলিয়াই কচটিউম ডিজাইনৰ কামো হাতত লওঁ। অপেশাদাৰী নাটগোষ্ঠী আৰু পেশাদাৰী নাটগোষ্ঠীৰ বিভিন্ন নাটকৰ বাবে সাজ-পোছাক ডিজাইন কৰিলো। সাজ-পোছাক ডিজাইনৰ দিশত এটা নতুনত্ব আনিব পাৰিলো বুলি মই ভাবো। ইয়াৰ আগতে প্ৰায়বোৰ পৌৰাণিক নাট, বুৰঞ্জীমূলক নাট, ক্লাচিকেল নাটকৰ অভিনয়ত যাত্ৰাত ব্যৱহাৰ কৰা সাজ-পোছাক তৈয়াৰ কৰি অথবা ভাৰাত আনি ব্যৱহাৰ কৰা হৈছিল। অসমৰ বিখ্যাত ভ্ৰাম্যমান থিয়েটাৰ গোষ্ঠী সমূহে সাজপোছাক মোৰ নিজৰ কল্পনাৰে ডিজাইন কৰিবলৈ যথেষ্টখিনি সহযোগিতা আগবঢ়াইছিল। মোক সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছিল যাৰ ফলত মই বিভিন্ন পৰীক্ষা নিৰীক্ষা চলাবলৈ সক্ষম হৈছিলো। মই এতিয়ালৈকে প্ৰায় ৩০/৩৫ খন নাটকৰ সাজ-পোছাক ডিজাইন কৰিছো। মোৰ নিজৰ নৃত্যনাট, বেলেৰ কথা নকওঁ। এই ভ্ৰাম্যমান থিয়েটাৰৰ কাৰণে মই বহু নৃত্যনাটিকা প্ৰস্তুত কৰি দিছিলো – মোৰ এই নৃত্যনাটিকাবোৰ কেৱল মনোৰঞ্জন নাছিল, এইবোৰে বহণ কৰিছিল একোটা message।

অসমীয়া চলচ্চিত্ৰ পৰিচালক কেবাগৰাকীয়েও অসমীয়া ছবিত নাচ পৰিচালনা কৰিবৰ কাৰণে কোৱাত এই দিশতো কিছু জ্ঞান অৰ্জন কৰি লওঁ বুলি ভাবি – এই বাটত ভৰি পেলালো। সচৰাচৰ নৃত্য পৰিচালনাতকৈ চলচ্চিত্ৰত নৃত্য পৰিচালনাৰ কৌশল একেবাৰে বেলেগ। সফল নৃত্য পৰিচালক হবলৈ ফিল্ম প্ৰস্তুত কৰাৰ, বিশেষকৈ টেকিংৰ বিষয়ে কাৰিকৰী জ্ঞান থাকিব লাগিব। হাতে কামে লাগি অভিজ্ঞতা অৰ্জন কৰিলে – সেই অভিজ্ঞতাৰ তুলনা নাই। মই ১৬ খন অসমীয়া চলচ্চিত্ৰৰ নৃত্য পৰিচালনা কৰিলো।

সৃজনীমূলক দলীয় নৃত্য, (creative group dance) এটা জনপ্ৰিয় নৃত্যানুষ্ঠান। সমগ্ৰ পৃথিৱীতে এই নাচৰ বৰ আদৰ। এনে ধৰণৰ নৃত্য ৰচনাত কৰিয়গ্ৰাফাৰ সকলে বহুখিনি স্বাধীনতাৰে কাম কৰিব পাৰে। এই দিশত নিজৰ কল্পনা শক্তিৰ প্ৰয়োগৰ সীমা নাই। এই দিশতো কাম কৰিবলৈ আগবাঢ়িলো। জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, আৰু ভূপেন হাজৰিকাৰ কেবাটাও জনপ্ৰিয় গীতৰ ওপৰত ভিত্তি কৰি, উত্তৰ-পূব অঞ্চলৰ লোক আৰু পৰম্পৰাগত নাচ আৰু সাজপোছাকৰ মাধ্যমেৰে ৰচনা কৰি পৰিবেশন কৰিলো। আৰু কেবাখনো নৃত্যনাট্য ৰচনা কৰি মঞ্চত পৰিবেশন কৰিলো। এই নৃত্যনাট্যবোৰৰ মাধ্যমেৰে সমাজৰ বাবে কিছু কথা দেশৰ বাবে কিছু কথা ব্যক্ত কৰিবৰ কাৰণে যত্ন কৰিলো।

মোৰ পঞ্চতন্ত্ৰৰ অপেৰাৰ জৰিয়তে 'ঐক্য', মৌমাখি আৰু ভালুক' নৃত্যনাট্যৰ জৰিয়তে 'শোষণকাৰী যিমানেই পৰাক্ৰমী হওক, এক হৈ সংগ্ৰাম চলালে শোষণকাৰীৰ পৰাজয় সুনিশ্চিত' – এই বিষয়বস্তু – 'ৰজা' নৃত্যনাট্যৰ জৰিয়তে গণতন্ত্ৰৰ বিষয়ে, 'সাগৰ দেৱতা' –নৃত্যনাট্যত অন্ধ বিশ্বাসৰ বিৰুদ্ধে জনমত – আদি বিষয়বস্তুৰ যি পাৰো বাৰ্তা দিবলৈ চেষ্টা কৰিছো। আজি কিছুদিনৰ আগতে কবি সাহিত্যিক শ্ৰীকেশৱ মহন্তই ৰচনা কৰা 'জাগা অভিনব ছন্দে' –নামৰ নৃত্যনাট্য এখন পৰিচালনা কৰিছিলো। প্ৰত্যেক যুগতেই সমাজ সংস্কাৰত নাৰীৰ অসাধাৰণ ভূমিকা – নৃত্যনাট্যখনৰ বিষয়বস্তু এয়েই আছিল। আৰু এখন নৃত্যনাট্য লিখি উলিয়াই মঞ্চস্থ অলপতে কৰিলো। 'চেতনা'। এই নৃত্যনাট্যখন কৰাৰ মোৰ বৰ হেঁপাহ আছিল। 'যুগে যুগে নাৰী বিৱৰ্তন' এই বিষয়বস্তুৰ ওপৰত নৃত্যনাট্যখন ৰচনা কৰিছিলো। কলামোদী দৰ্শক, সমালোচক আৰু বাতৰি কাকতে মোৰ এই নৃত্যনাট্যখনৰ বিষয়ে উচ্চ প্ৰশংসা কৰিছে। নৃত্যনাট্যখনৰ বিষয়বস্তুক লৈ, পৰিবেশন লৈ আলোচনা বিলোচনা কৰা হৈছে, লিখালিখি কৰা হৈছে, নাটখন অসমৰ ঠায়ে ঠায়ে মঞ্চস্থ কৰাৰো পৰামৰ্শ দিয়া হৈছে –এইবোৰৰ অৰ্থ মানুহৰ মনত নৃত্যনাট্যখনে প্ৰতিক্ৰিয়া কৰিবলৈ সমৰ্থ হৈছে। এজন শিল্পীৰ কাৰণে ইয়াতকৈ আৰু কি বেছি লাগিছে –।



আন্তৰ্জাতিক মহিলা বৰ্ষ উপলক্ষ্যত গাৰমা হাজাৰিকাৰ আহৰে নিৰ্মিত তোৰণখন।

মাজে মাজে সময় উলিয়াই প্ৰবন্ধ পাতি লিখো। গুৱাহাটীৰ পৰা প্ৰকাশিত এখন বাতৰি কাকতৰ শিশু শিতানটোও প্ৰায় এবছৰ চলাইছিলো। 'মানৱ' নামৰ আন এখন নৃত্যনাট্য লিখি উলিয়াইছো – চাওঁচোন কেতিয়াকৈ মঞ্চস্থ কৰিব পাৰো।

যি আশা লৈ ঘৰলৈ উলটিছিলো সেই আশা পূৰণ হোৱাৰ ৰেঙণি দেখা পালো। গুৱাহাটীৰ অন্যতম মহিলা সংস্থা 'মিতালী সংঘ' আগবাঢ়ি আহিল। মোক উৎসাহিত কৰি কলে, 'তুমি আগবাঢ়ি যোৱা আমি তোমাৰ কাষত আছো'। এটা শুভক্ষণত মিতালী সংঘতে 'মিতালী কলা কেন্দ্ৰ' নামকৰণ কৰি মোৰ কল্পনাৰ কলাকেন্দ্ৰ মুকলি কৰা হ'ল। মই নিজে প্ৰশিক্ষণ দিয়া আৰম্ভ কৰিলো। দহ গৰাকী ছাত্ৰীৰ পৰা আৰম্ভ কৰি লাহে লাহে ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ললে। কেন্দ্ৰৰ কাম কাজ বাঢ়িবলৈ ধৰিলে। ঠিক এই সময়তে বিখ্যাত উড়িছীগুৰু ৰবীন্দ্ৰভাৰতী বিশ্ববিদ্যালয়ৰ উড়িছী নাচৰ মুৰব্বী শ্ৰীমুৰলীধৰ মাঝিয়ে কলাকেন্দ্ৰৰ উড়িছী নৃত্য পাঠ্যক্ৰমৰ উপদেষ্টা আৰু পথ প্ৰদৰ্শক হোৱাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মান্তি হ'ল। প্ৰতিবছৰে গুৰুৱে বিশেষ কৰ্মশালা, পৰিচালনা কৰিবলৈ ললে। কেন্দ্ৰৰ জ্যেষ্ঠ শিল্পী সকলে মাজে মাজে কলিকতাত অৱস্থিত গুৰুগৃহত থাকি বিশেষ শিক্ষালাভ কৰাৰ ব্যৱস্থাও কৰা হ'ল। মিতালী কলা কেন্দ্ৰ ঠন ধৰি উঠিল –প্ৰতিবছৰে কেন্দ্ৰত শিক্ষালাভ কৰা শিক্ষাৰ্থীৰ দ্বাৰা নৃত্যানুষ্ঠান কৰোৱা হ'ল। লাহে লাহে কেন্দ্ৰত সত্ৰীয়া নাচৰ শিক্ষা, লোক আৰু পৰম্পৰাগত লোক নৃত্যৰ শিক্ষাও আৰম্ভ কৰা হ'ল। শিক্ষাৰ্থীক সাজ-পোছাক ডিজাইন, অংগসজ্জা, কৰিয়গ্ৰাফীৰ বিষয়েও প্ৰাথমিক জ্ঞান দিবৰ ব্যৱস্থাও কৰা হ'ল। শিল্পীৰ জীৱনতো অনুশাসন আৰু শৃংখলাৰ প্ৰয়োজন বুলি ভাবো। এই বীজ কলাকেন্দ্ৰৰ শিক্ষাৰ্থীৰ মাজতো অংকুৰিত হবৰ বাবে আমি চেষ্টা কৰিছো। যি প্ৰক্ৰিয়াৰ কথা ভাবিছিলো সেই প্ৰক্ৰিয়া কলাকেন্দ্ৰত আৰম্ভ হৈছে। কলাকেন্দ্ৰই ৰবীন্দ্ৰ-ভাৰতী বিশ্ববিদ্যালয়ৰ স্বীকৃতি প্ৰাপ্ত অল ইণ্ডিয়া ফাইন আৰ্টচ এছোচিয়েচনৰ স্বীকৃতি লাভ কৰিছে।

বহু কাম, সময় কিন্তু কম। কাম কৰি আছো। কৰি গৈ থাকিম। মোৰ এই কামত হাজাৰ জনৰ আশীৰ্বাদ, শুভেচ্ছা আৰু সহযোগিতা আছে।

# অসমৰ নিৰ্বাচনৰ আলেখ- লেখ

অসমত এতিয়া নিৰ্বাচনী বতৰ। এইবাৰৰ নিৰ্বাচনত পূৰ্বৰ দৰে জোৱাৰ নাই। কোনো এটা দলৰ সপক্ষে এইবাৰ নিৰ্বাচনী বতাহ বলা নাই। ১৯৮৫ চনৰ নিৰ্বাচনত আঞ্চলিক দল অসম গণ পৰিষদৰ সপক্ষে নিৰ্বাচনী বতাহ বলিছিল। কিন্তু এইবাৰ তাৰ ওলোটাহে হৈছে। পাঁচ বছৰীয়া অগপ-ৰ শাসনকালত ৰাইজৰ দুৰ্দশা, দলীয় অন্তৰ্দ্বন্দ্ব আৰু অৱশেষত অগপ দল দুটা ভাগত বিভক্ত হোৱাটোৱেই ইয়াৰ মূল কাৰণ।

অগপ দল দুটা ভাগত বিভক্ত হোৱাৰ পিছতো দলৰ অন্তৰ্কন্দল এতিয়াও শেষ হোৱা নাই। জানিব পৰা মতে দলৰ বহু সংখ্যক নেতা আৰু কৰ্মীয়ে মনোনয়ন পত্ৰ নোপোৱাৰ বাবে বিক্ষুব্ধ হৈছে। ইয়াৰ ভিতৰত প্ৰাক্তন কৃষি মন্ত্ৰী দেব বৰা, প্ৰাক্তন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী গণেশ কুটুম, প্ৰাক্তন চৰ উন্নয়ন মন্ত্ৰী হবিবুৰ ৰহমান, প্ৰাক্তন উপাধ্যক্ষ বলোভদ্ৰ তামুলী আদিৰ নাম উল্লেখযোগ্য। এই সকলৰ বেছি ভাগেই এতিয়া নিৰ্দলীয় নতুবা অন্য ৰাজনৈতিক দলৰ প্ৰাৰ্থী হিচাপে থিয় দিছে আৰু তেওঁলোকে অগপ-ৰ প্ৰাৰ্থীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। দলৰ বহু সংখ্যক আগশাৰীৰ নেতা আৰু কৰ্মীৰ এনে সিদ্ধান্তই অগপ দলক বিপাঙত পেলাইছে।

প্ৰফুল্ল মহন্তৰ বিশ্বস্ত সহযোগী বুলি জনাজাত গণেশ কুটুমক মনোনয়ন পত্ৰ নিদিয়াটোৱে মহন্তৰ জনজাতীয় বিৰোধী নীতিটোকে পুনৰ প্ৰমাণ কৰিলে বুলি দলৰ একাংশ কৰ্মীয়ে মত পোষণ কৰিছে।

নিৰ্বাচনী প্ৰচাৰক কেন্দ্ৰ কৰি এইবাৰ অগপ দল বিপৰ্যয়ৰ সন্মুখীন হৈছে। নিৰ্বাচনী প্ৰচাৰৰ বাবে কৰ্মী বিচাৰি এইবাৰ অগপ-ৰ প্ৰাৰ্থী সকলে বহু ঠাইত হাবাথুৰি খাইছে। জানিব পৰা মতে এইবাৰ পইছাৰ বিনিময়তহে কাম কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। তাৰ উপৰি অগ্ৰিম ধন লৈহে নিৰ্বাচনী প্ৰচাৰৰ কাম কৰিছে।

আনহাতে অগপ দলৰ বহু সংখ্যক প্ৰাৰ্থীয়ে এইবাৰ নিজৰ সমষ্টিত ৰাইজৰ চোকা সমালোচনাৰ সন্মুখীন হৈছে। কিছু সংখ্যকে নিজৰ সমষ্টি এলেকাত সোমাব পৰা নাই। প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়োক বৰমা সমষ্টিৰ বহু ঠাইত ৰাইজে প্ৰবেশ কৰিব দিয়া নাই।

সেইদৰে প্ৰাক্তন মন্ত্ৰী দিলীপ শইকীয়া সোনোৱালেও নিজৰ সমষ্টিত বহু ঠাইত প্ৰবেশ কৰিব পৰা নাই।

আনহাতে অগপ-ৰ গোলোকগঞ্জৰ প্ৰাৰ্থীজনে মনোনয়ন পত্ৰ দাখিল কৰিবলৈ যোৱাৰ সময়ত মহিলা এগৰাকীৰ ছেন্দেলৰ কোব খোৱা বুলি বাতৰি প্ৰকাশ পাইছে। জানিব পৰা মতে বিধায়ক হৈ থকা অৱস্থাত প্ৰাৰ্থীজনে হেনো চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে ভালেখিনি টকা সৰকাইছিল।

নিৰ্বাচনী প্ৰচাৰত এইবাৰ অগপ দলে অসম চুক্তি ৰূপায়ণ বা বিদেশী বহিষ্কাৰ এই বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাই। বৰং নিৰ্বাচনী ইস্তাহাৰত অসম চুক্তি ৰূপায়ণ আৰু বিদেশী বহিষ্কাৰৰ বিষয়টো পাঁচ নম্বৰ দফাতহে স্থান দিছে। ১৯৮৫ চনৰ নিৰ্বাচনৰ লেখীয়াকৈ এইবাৰ জনপ্ৰিয় নিৰ্বাচনী শ্লোগান নাই বাবেই অগপ-ৰ প্ৰাৰ্থী সকলে এইবাৰ টকা-পইছাৰ জোৰত নিৰ্বাচনত জয় লাভ কৰাৰ বাবে কৌশল অৱলম্বন কৰিছে। আকৰ্ষণীয় পোষ্টাৰ আদি ছপোৱাৰ বাবে ইতিমধ্যে তেওঁলোকে কলিকতাৰ পৰা মানুহ ভাড়াত আনিছে।

নতুন অগপ দলৰ প্ৰাৰ্থী সকলে তুলনামূলকভাবে বিপৰ্যয়ৰ সন্মুখীন নহলেও সাংগঠনিক দুৰ্বলতাৰ বাবে এই দলেও এতিয়ালৈকে নিৰ্বাচনী প্ৰচাৰত বিশেষ গা কৰি উঠিব পৰা নাই। তাৰ উপৰি দলৰ নাম, নিৰ্বাচনী প্ৰতীক নতুন হোৱা বাবেও প্ৰাৰ্থী সকল সমস্যাৰ সন্মুখীন হৈছে। জানিব পৰা মতে দলৰ ভিতৰত এনে কিছু সংখ্যক কৰ্মী ওলাইছে যে তেওঁলোক প্ৰকৃততে অগপ দলৰ নে নতুন অগপ দলৰ সেই বিষয়ে দলৰ নেতৃবৃন্দইও নিশ্চিত হ'ব পৰা নাই। নতুন অগপ-ৰ সভাপতি পুলকেশ বৰুৱাই এইবাৰো বৰক্ষেত্ৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। কিন্তু এই সমষ্টিৰ পৰা কংগ্ৰেছ (ই) নেতা ভূমিধৰ বৰ্মণে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে বৰুৱা সমস্যাত পৰিছে বুলি জানিব পৰা গৈছে। কিয়নো বৰক্ষেত্ৰী সমষ্টিত সংখ্যালঘুৰ ভালে সংখ্যক ভোট আছে। কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থীজনে সংখ্যালঘুৰ ভোট লাভ কৰিবলৈ হ'লে বৰুৱা আহুকালৰ সন্মুখীন হ'ব।

সেইদৰে দলৰ উপ সভাপতি বৃন্দাবন গোস্বামীয়ে তেজপুৰ সমষ্টিৰ পৰা তেওঁৰ জয় সম্পৰ্কে সুনিশ্চিত হ'ব নোৱাৰিয়েই হেনো তেজপুৰৰ লগতে গহপুৰ সমষ্টিৰ পৰাও প্ৰতিদ্বন্দ্বিতা কৰিছে। উল্লেখযোগ্য যে ১৯৮৫ চনৰ নিৰ্বাচনত গোস্বামীয়ে তেজপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। অগপ দল দুভাগত বিভক্ত, অধিক সংখ্যক আঞ্চলিক দলৰ প্ৰতিদ্বন্দ্বিতা আৰু অগপ-ৰ পৰা ওলাই গৈ বহু সংখ্যকে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে অগপ আৰু নতুন অগপ প্ৰাৰ্থী সকল এইবাৰ নিৰ্বাচনত বিপৰ্যয়ৰ সন্মুখীন হৈছে।

আনহাতে কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থী আৰু কৰ্মী সকলে এতিয়াও ৰাজ্যখনৰ বেছিভাগ ঠাইতে মুক্ত ভাবে নিৰ্বাচনী প্ৰচাৰ চলাব পৰা নাই। মনোনয়ন পত্ৰ নোপোৱাৰ বাবে বহু সংখ্যক নেতা আৰু কৰ্মীয়ে দলৰ পৰা পদত্যাগ কৰিছে। নিৰ্বাচনৰ আগমুহূৰ্তত এই ঘটনাই দলৰ নিৰ্বাচনী কাম-কাজত ক্ষতি সাধন কৰিছে বুলি জানিব পৰা গৈছে। অগপ-ৰ বিভাজনত কংগ্ৰেছ (ই)ৰ নেতা আৰু কৰ্মী সকল উৎসাহী হৈ পৰিছে। কংগ্ৰেছ (ই) দলৰ কৰ্মী সকলে কেন্দ্ৰৰ নিৰ্বাচনৰ ফলাফলক আগ্ৰহেৰে লক্ষ্য কৰি আছে। দলৰ নেতা আৰু কৰ্মী সকলৰ ধাৰণা এয়ে যে কেন্দ্ৰৰ নিৰ্বাচনৰ ফলাফল কংগ্ৰেছ (ই) দলৰ সপক্ষে গলে, অসমতো দলৰ জয়ৰ পথ সুনিশ্চিত হ'ব।

এইবাৰৰ নিৰ্বাচনৰ মন কৰিবলগীয়া কথা এটা হ'ল এয়ে যে ইতিমধ্যে কেবাজনো প্ৰাৰ্থীয়ে তেওঁলোকলৈ অহা ভাবুকিৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে। এনেদৰে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰা বেছি সংখ্যক প্ৰাৰ্থীয়েই হ'ল নতুন অগপ ৰ। আনকি অগপ-ৰ প্ৰাৰ্থী তথা প্ৰাক্তন মন্ত্ৰী কুমাৰ দীপক দাসেও ভাবুকিৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিবলগীয়া হৈছে। অৱশ্যে পিছত তেওঁলোকে স্ব-ইচ্ছাৰে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰা বুলি লিখি দিছে। জানিব পৰা মতে বৰপেটা সমষ্টিত নতুন অগপ-ৰ প্ৰাৰ্থী তথা প্ৰাক্তন নেতা শশধৰ কাকতি মদ্ৰাজত অসুস্থতাৰ হেতু চিকিৎসাধীন হৈ আছিল। মনোনয়ন পত্ৰ দাখিল কৰাৰ বাবে তেওঁক বিমানেৰে মদ্ৰাজৰ পৰা লৈ অহা হৈছিল।

ত্ৰিনয়ন





# গুহাৰ ভিতৰত

প্ৰীতি কাকতী

আগষ্ট মাহৰ দহ তাৰিখৰ দিনটো ক্ৰেডিটনত (ইংলেন্ড, ১৯৮৮)আছিল ঈষৎ ঠান্ডা। পুৱা ৮-৩০ বজাত প্ৰাতঃৰাশ কৰি আমি ওলালো বহু দূৰৈৰ ঠাই কিছুমান চাবলৈ। টাউন পাৰ হব ধৰোতে দেখিলো ছায়া নিবিড়, ঘন ডাঙৰ ডাঙৰ গছবোৰে পথৰ শোভা বৰ্দ্ধন কৰি আছে। বাৰ্ণভিল নাৰ্চাৰী পাৰ হওঁতে দহ বাজি গৈছে। ইংলেন্ডৰ চাবলগীয়া নাৰ্চাৰী, গাৰ্ডেন চেন্টাৰ আদি দেখিলেই মোৰ মনটো ভাল লাগে। কিন্তু সেইদিনা নামি চাবলৈ আমাৰ সময় নাছিল। বতৰটো ডাৱৰীয়া আছিল যদিও তেতিয়া অলপ ৰ'দ দিছে। মনটো ভাল লাগিল ৰ'দৰ উত্তাপ অনুভৱ কৰি। বাটত পাৰ হলো কেইবাটাও শান্ত স্ৰোতস্বিনী। টোন, ব্ৰু, য়িও সেইবোৰৰ নাম। মনোৰম দুয়োপাৰ। দুফালে সেউজ পথাৰ। ঢৌ খেলি গৈছে মৃদু সমীৰণে তাৰ ওপৰেদি। নয়নাভিৰাম দৃশ্যৰে ভৰা চোমাৰচেট কাউন্টিত সোমালোগৈ ১০-৩২ বজাত। ডাঙৰ আঙুৰ বন এখন পাৰ হৈ ১১-১৫ মিনিটত আমি পালোগৈ গন্তব্য স্থান। নাম চেদাৰ। মেন্দিপ পাহাৰৰ উচ্চ মালভূমিৰে বা চেদাৰ টাউনৰ মাজেৰে গুহালৈ যাব পাৰি। যাত্ৰাপথৰ শেষত পাই চেদাৰ গৰ্জ। ১২ শতিকাৰ পৰা ইংলেন্ডৰ চাৰিটা আশ্চৰ্য দ্ৰষ্টব্যৰ 'চেদাৰ হোল'ৰ স্থান আছে। দৰ্শকে পথৰ ওপৰত ১৪০ মিটাৰ ওখ চূণ শিলৰ থিয় পৰ্বত দেখি বিস্মিত হয়। গৰ্জৰ তলৰ প্ৰান্তৰ ওচৰত বৃটেনৰ সৰ্ববৃহৎ নদী বোৰৰ অন্যতম চেদাৰ য়িও ১৮ টা বিভিন্ন জুৰিৰে বাহিৰলৈ ওলাই আহিছে। ১৬ শতিকাত এই নদী খনে সাতোটা পানীৰ মিল চলাইছিল চেদাৰ গাঁৱত। এতিয়া মিল নাই। পানীয়ে এতিয়া হ্ৰদৰ ৰূপ লৈছে আৰু পথৰ কাষত জলপ্ৰপাত ৰূপে বাগৰি পৰিছে।

আমি উপস্থিত হলোগৈ চেদাৰৰ সামান্য চেঁচা পৰিবেশত, এখন পাহাৰৰ পাদদেশত। সোঁফালে সেউজ পাহাৰ স্তৰে স্তৰে উঠি গৈছে। বাওঁফালে পথৰ দাঁতিত এটি বহল জুৰি। মাজত সৰু এটা দ্বীপ যেন। দ্বীপটো আগৰে পৰা আছিল নে কৃত্ৰিম বুজা নাযায়। অৰ্থাৎ বেছ প্ৰাকৃতিম। তাত গছ-বনৰ লগতে বহা আসনো আছে। তাৰ সিফালে কেইখন মান বিপনি। গাড়ী অলপ দূৰৈৰ পাৰ্কত থৈ আমি বিপৰীত ফালৰ মনোমোহা বিপনি বোৰৰ আগেদি গৈ টিকট কিনিলো গুহাৰ অভ্যন্তৰত সোমাবলৈ। সেই ওখ পৰ্বত খনতে আছিল কেইটামান গুহা, যি সেইদিনাৰ ভ্ৰমণৰ প্ৰধান আকৰ্ষণ আছিল। তাতো দীঘল শাৰী। এটা দল সোমাই আন এটা বাটেৰে ওলাবলৈ আৰম্ভ কৰিলেহে এই ফালে সোমাবলৈ দিয়ে। এখন মুকলি ৰেস্তোৰাঁত বহি আমি ফলৰ ৰস আৰু পাতল আহাৰ খাই গুহা চাবলৈ গলো। গুহাৰ ভিতৰ সোমাই অলপ দূৰ যাওঁতেই যেতিয়া বিভিন্ন আকাৰ আৰু প্ৰায় একে আকৃতিৰ বৰফৰ দৰে স্তম্ভ দেখিছিলো তেতিয়া মনটো আনন্দত ভৰি পৰিছিল। স্কুলৰ ভূগোলৰ কিতাপত ষ্টেলেকটাইট্চ আৰু ষ্টেলেকমাইটচ্ৰ বিষয়ে পঢ়িছিলো আৰু ছবিহে দেখিছিলো, সেইদিনা স্বচক্ষে দেখা পাম বুলি আগতে ভবা নাছিলো। গুহাকেইটাৰ ভিতৰখন বৰ ধুনীয়াকৈ ৰাখিছে। কিছুমান ঠাইত বৰ সাৱধানে যাব লাগে। ভিতৰত বৈদ্যুতিক পোহৰৰ ব্যৱস্থা আছে যদিও মাজে মাজে ম্লান পোহৰ। ভিতৰখন সামান্য ওখ-চাপৰ, একা বেঁকা আৰু অলপ পিছল। ৰেলিঙত ধৰি লাহে লাহে যাব লাগে।

## গুহাৰ ইতিহাস

প্ৰায় ১৮৭০ খৃষ্টাব্দত ৰিচাৰ্ড কক্স গফ নামে এজন অৱসৰ প্ৰাপ্ত জাহাজৰ কেপ্তেনে চেদাৰলৈ আহি চাৰ্টাৰ হাউচ লেডৱৰ্কচত এটা চাকৰি ললে। তেওঁৰ গিৰিখাতৰ সৰু সৰু গুহাবোৰ খান্দিবলৈ মনৰ মাজত আশা আছিল যাতে দদায়েক কক্সৰ দৰে তেওঁৰো এটা গুহা হয়, যিটো ৰাইজক দেখুৱাব পাৰে। ১৮৭৭ খৃষ্টাব্দত তেওঁ পৰ্বতৰ ওপৰৰ ফালে এটা সৰু গুহা পালে, যিটো এতিয়া 'কেভমেন ৰেষ্টোৰাঁ' হৈছে। তেওঁ এইটোৰ নাম দিছিল 'নিউ গ্ৰেট ষ্টেলেক্‌টাইট কেভাৰ্ন'। বিস্ফোৰণৰ দ্বাৰা গুহাটোৰ দৈৰ্ঘ্য দুগুণৰ বেছি কৰি তেওঁ কেইবাটাও কৃত্ৰিম গুহাত পৰিণত কৰিলে। তেওঁ অকল ডাঙৰ চেম্বাৰটো কৃত্ৰিম জলাশয়, জলপ্ৰপাত আৰু ফোৱাৰাৰে সজাই তোলে। এইটোক গফৰ পুৰণি গুহা বুলি কয়। ১৮৯০ খৃষ্টাব্দত ৬৩ বছৰ বয়সীয়া গফে তেওঁৰ পুত্ৰদ্বয় আৰ্থাৰ আৰু ৱিলিয়ামৰ সৈতে পৰ্বতৰ নামনিত এটা নাতিদীৰ্ঘ গুহাৰ মূৰৰ ফালে খান্দিবলৈ ধৰে (এইটোৱেই আজিৰ গফ কেভ)। তেওঁ সোনকালেই উপলব্ধি কৰিলে তেওঁৰ এই প্ৰচেষ্টাই চেদাৰত অনাৱিষ্কৃত দিশ এটা মুকলি কৰিব ধৰিলে। প্ৰথমৰ ডাঙৰ সাফল্য হৈছে ষ্টেলেগমাইট বেচিনৰ বিৰাট সোপানাৱলীটো, যিটোক তেওঁ ১৮৯২ খৃষ্টাব্দত ফন্টচ নাম দিয়ে। তাৰ পিছত গোটা শিলৰ মাজেদি চাৰি মিটাৰ বিস্ফোৰণ কৰি তেওঁ ১৮৯৩ খৃষ্টাব্দত গ্ৰ্যান্ড পেচেজ পায়গৈ। প্ৰতিবাৰ খনন কৰাৰ পিছত তেওঁ



OKDISCD


গুহাবোৰ ৰাইজৰ বাবে মুকলি কৰি দিছিল। অৱশেষত এটা সুৰংগৰ মাজেদি খান্দি যাওঁতে, যিটো গুহা মাটিৰে বন্ধ হৈ আছিল ,তাত গফ দুটা ডাঙৰ চেম্বাৰত সোমালগৈ। এই দুটাই ১৮৯৮ খৃষ্টাব্দত চেন্ট পল আৰু ডায়েমন্ড চেম্বাৰ নাম লয়। এই আৱিষ্কাৰে বৃদ্ধ লোকজনৰ মনত গৌৰৱৰ সঞ্চাৰ কৰিছিল। উৎসাহতে তেওঁ এই দুটাও ৰাইজৰ বাবে মুকলি কৰিলে।

খননৰ সময়ত গুহাৰ মুৰত বাওঁফালে গাঁতত এটা কংকাল পোৱা গৈছিল। বাহিৰত থকা মিউজিয়ামত আমি এইটো চাইছিলো। ইয়েই 'চেদাৰ মেন' নামে পৰিচিত। ৰেডিঅ' কাৰ্বন পদ্ধতিৰে পৰীক্ষা কৰাত কংকালটো প্ৰায় ৯000বছৰ পুৰণি বুলি প্ৰমাণ কৰা হৈছে। লাওখোলাটোৰ আগফালে যথেষ্ট ভাঙিছে , বোধকৰো মানুহজনে মুখৰ ফালে ডাঙৰ আঘাত পাই মৰিছিল!'চেদাৰ মেন'ৰ সমাধি দিয়া হৈছিল তিনি হেজাৰ বছৰ আগতে। আপাৰ পেলিয়লিথিক যুগৰ চিকাৰীৰ এটা ফৈদে শ শ বছৰ ধৰি বোধকৰো শীতকালৰ আবাস হিচাপে ব্যৱহাৰ কৰিছিল এই গুহাটো। সিহঁতে এৰি থৈ যোৱা বহুতো শিল আৰু হাড়ৰ সঁজুলি এতিয়া মিউজিয়ামত সংৰক্ষিত হৈ আছে। কংকাল থকা গাঁতৰ কাষেদি গুহাটো এটা ডাঙৰ সুৰংগ হৈ নামি গৈছে য'ত 'চেদাৰ মেন'ক কবৰ দিছিল। গাঁতৰ পিছফালে ২৩ মিটাৰ গভীৰত থকা সুৰংগই মাটিৰ তলৰ নদীৰ লগত সংযোগ ৰক্ষা কৰিছে। নদীত বান আহিলে ইয়াৰ পৰা পানীৰ সোঁত বয় যিটোৱে গুহাৰ তলৰ অংশৰ পৰা চাললৈকে পানীৰে ভৰাই পেলায়।

একেবাৰে তলৰ এঠাইত এটা লোহাৰ সজাই গুহাৰ বেৰৰ কিছু অংশ ৰক্ষা কৰি আছে।

ফন্টৰ সিফালে, গ্ৰান্ড পেচেজ গৈছে হাৰ্ট ব্ৰেক হিললৈ। সোঁফালে হিলটোৰ ওপৰত বিস্ময়কৰ ষ্টেলেকটাইটচৰ এটা থুপৰ অৱশিষ্ট আছে। নাম হৈছে 'ৰিং ও বেলচ''

সন্দেহ নাই, এসময়ত ৰিচাৰ্ড গফে তাৰ ওপৰত ঘন্টাধ্বনি কৰিছিল। এইবোৰ কোনো দুষ্কৃতিকাৰীয়ে ছিঙি নিয়াৰ প্ৰমাণ আছে। এতিয়া দুটাহে ঘন্টা আছে। ষ্টেলেকটাইট প্ৰাকৃতিক অৱস্থাতহে অপৰূপ দেখায়। দুয়োবিধ পৰি থকা পানীৰ ৰসায়নৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন হাৰত বাঢ়ে। এইটো নিশ্চিত ভাবে কব পাৰি যে এই গুহাবোৰত থকা ডাঙৰ ষ্টেলেকটাইট বোৰ বহু হেজাৰ বছৰ পুৰণি। প্ৰথম আৱিষ্কাৰ হওঁতে গ্ৰান্ড পেচেজৰ মজিয়াত জমাহৈ থকা বোকা দূৰলৈ বিস্তৃত হৈ আছিল। তেতিয়া আঠু কাঢ়ি বগুৱা বাই যাব লগা হৈছিল। এতিয়া দৰ্শকে খোজ কাঢ়ি যায়। প্ৰথম অৱস্থাত ইয়াৰ পৰা কিমান বোকা উলিয়াব লগা হৈছিল সহজে বুজিব পাৰি। ৰবাৰ্ট গফৰ এটা গাধ আছিল, সেইটোৱে বহু টন শিলাখন্ড গুহাৰ বাহিৰলৈ কঢ়িয়াই নিছিল। 'ৰিং ও বেলচ' পাৰ হৈ কেইবাটাও ছিৰি পোৱা যায়। সেইফালে গলে ওপৰত আৰু গ্ৰ্যান্ড পেচেজৰ বাওঁফালে শাখা গেলাৰী পায়। এই গেলাৰীটোৱে শেষ প্ৰান্ত আছিল । ১৯৭৬ চনত এটা সুৰংগ খান্দি ইয়াক চেন্ট পলৰ লগত যুক্ত কৰা হ'ল। সুৰংগটো ৪0 মিটাৰ দীঘল। খুব সাৱধানে গোটা শিল ফুটাই কৰোতে গুহাৰ ইয়াৰ গঠনৰ কোনো ক্ষতি হোৱা নাছিল। কিন্তু খননকাৰী সকল অপ্ৰত্যাশিত বাধাৰ সমুখীন হৈছিল। প্ৰথমতে চালৰ প্ৰাকৃতিক পথেৰে বোকাৰ প্ৰবাহ বব ধৰিলে আৰু তাৰ পিছত সুৰংগটো এটা অজ্ঞাত গিৰি গুহাত ভাঙি গ'ল, ফলত মজিয়াত এটা গভীৰ গাঁত হ'ল। এইটো সংযুক্ত কৰি দিয়া হৈছে। চেন্ট পলৰ এখন বেৰ সম্পূৰ্ণ ভাবে বহুৰঙী বিশাল ষ্টেলেগমাইটেৰে আবৃত। ইয়াৰ তলত মজিয়াৰ লেভেলত আছে আলাদিনৰ গুহা। এইটো বৰ ধুনীয়া। ষ্টেলেক্টাইটচৰ কৃত্ৰিম







জলাশয়ত ইয়াৰ প্ৰতিবিম্ব পৰিছে। এটা চমু পথেৰে গৈ পায় ডায়েমন্ড চেম্বাৰ। চেন্ট পলৰ দৰেই এখন বেৰ এটা বিৰাট ষ্টেলেকমাইট জলপ্ৰপাতৰ দৰে। ইয়াত ওপৰৰ গুহা দেখা যায় আৰু ডাঙৰ ডাঙৰ ষ্টেলেকটাইট্চ, ষ্টেলেকমাইট্চ আৰু বহুতো স্তম্ভৰে অপূৰ্ব ভাবে অৱস্থিত। প্ৰথমটোক আখ্যা দিয়া হৈছে মন্দিৰৰ স্তম্ভ, দ্বিতীয়টোক আৰ্চ এঞ্জেল্চ উইং, তৃতীয়টো অৰ্গেন পাইপ্চ। সকলো মিলি ৰজা চলোমনৰ মন্দিৰ যেন হৈ পৰিছে। ডায়েমন্ড চেম্বাৰৰ তলৰ লেভেলত ফ্ৰোজেন ৰিভাৰ আৰু নায়েগ্ৰা ফলচ্ নামে আকৰ্ষণীয় গঠন আছে। সোঁফালে ঘূৰি গলে পায় এটা ডাঙৰ বাট। এইটো শিলেৰে ভৰা চেম্বাৰলৈ গৈছে। তাত নীলা পোহৰে গুহাটো পোহৰাই ৰাখিছে। ই এনেকুৱা এটা ছাঁ পেলাইছে, যিটো ডিঙিত ৰিবন লগোৱা এটা 'ক'লা মেকুৰী' যেন দেখায়। এই ঠাই খিনি গুহাৰ মুখৰ পৰা ২৫0 মিটাৰ আঁতৰত আৰু পাহাৰ শীৰ্ষৰ পৰা ১00 মিটাৰ তলত। আচৰিত কথা যে ইয়াৰ তাপমাত্ৰা গোটেই বছৰতেই একেই থাকে –১১°চেলছিয়াচ। 'ক'লা মেকুৰী'ৰ সিফালে গুহাৰ বেৰবোৰ অকল শিলৰ, তাত ষ্টেলেকটাইট্চ নাই আৰু বাটটোও অলপ ঠেক, পাৰ হবলৈ অসুবিধা।

'মাচৰুম চেম্বাৰ'ত এসময়ত কাঠফুলা গজিছিল, বালিৰ গভীৰ গুহা ইয়াৰ পিছত আছে। এইটো পাৰ হৈ ১২ মিটাৰ নামি গৈ 'ব'ল্ডাৰ চেম্বাৰ' পায়। ইয়াত ১৯৬৬ চনত ডেভিদ লেফাৰ্টি নামে এজন মানুহে ১৩0 দিন অকলে থাকি ভূগৰ্ভত বাস কৰাৰ আগৰ ৰেকৰ্ড ভংগ কৰিছিল। 'ৰজা চলোমনৰ মন্দিৰ' এৰি আমি ছিৰি কিছুমানেৰে গৈ আকৌ গ্ৰ্যান্ড পেচেজ পালো। গুহাৰ এই অংশ আগতে বোকাৰে চাললৈকে ভৰ্তি হৈ আছিল। ৰিচাৰ্ড গফ আৰু তেওঁৰ পুত্ৰ সকলে বৰ কষ্টেৰে খান্দি ডাঙৰ চেম্বাৰবোৰ আৱিষ্কাৰ কৰিছিল। ছিৰিবোৰৰ ওচৰত, গ্ৰান্ড পেচেজৰ চালত এটা বৈদ্যুতিক লেম্পৰ চাৰিওফালে থুপ খাই হাৰ্ট টাং আৰু অন্যান্য ফাৰ্ম জকমকীয়া হৈ গজি আছে। প্ৰথমতে অলপ আচৰিতেই হৈছিলো গুহাৰ ভিতৰত ফাৰ্ম দেখি। গভীৰ গুহাৰ সম্পূৰ্ণ অন্ধকাৰত কোনো গছ বেছিদিন জীয়াই থাকিব নোৱাৰে। এই নিঃসংগ সৰু শৈল উদ্যান খন বৈদ্যুতিক লেম্পৰ পোহৰে অপূৰ্ব সুন্দৰ কৰি তুলিছিল। সম্ভৱতঃ কোনো দৰ্শকৰ কাপোৰত লাগি অহা ৰেণু পৰি এই গছ গজিছিল। ইয়াৰ পৰা বাটটো ওলাই গৈছে গ্ৰান্ড পেচেজেৰে। বাওঁফালে চুইচ ভিলেজ, ষ্টেলেকটাইটচ্ৰ এটা থুপ। নিথৰ পানীত সুন্দৰকৈ তাৰ প্ৰতিবিম্ব পৰিছে। তাৰ পৰা ভিতৰলৈ যোৱা এটা পথ 'ৰিং ও বেল্চ'ত পুনৰ লগ লাগিছে। ইয়াৰ পৰা পাঁচ মিনিটৰো কম সময়ত গৈ গুহাৰ মুখ পালোগৈ।

১৯৮৫ চনলৈ গফৰ গুহা শেষ হৈছিল দূৰৈৰ ফাঁট থকা অঞ্চলত। তলত নদী আছিল, এতিয়া বালিৰে বন্ধ হৈছে। গুহাটো ধীৰ প্ৰবাহিত পানীৰে ভৰি আছিল, যি পানী হাজাৰ হাজাৰ বছৰ ধৰি লাহে লাহে চূৰ্ণশিলৰ বেৰ আৰু চাল গলাই ইয়াৰ খাল ডাঙৰ কৰিছিল। শিলৰ কিছুমান অংশ সোনকালে গলিছিল, আনবোৰতকৈ আৰু ঘূৰণীয়া, ফোঁপোলা, দীঘলীয়া ফাঁটৰ উৎপত্তি হৈছিল। গুহাটোৰ এইবোৰ উল্লেখযোগ্য দিশ। তলৰ লেভেলত নদীখনে নতুন সোঁতৰ সৃষ্টি কৰিছিল। ডাঙৰ বানপানীৰ বাহিৰে আন সময়ত ই ওখ আৰু শুকান হৈ পৰে। এনে বানপানী হৈছিল ১৯৬৮ ৰ জুলাই মাহত। ১৯৮৫ চনৰ নবেম্বৰ মাহত ৰিচাৰ্ড ষ্টিভেনচনে আৱিষ্কাৰ কৰিছিল ভূগৰ্ভস্থ নদীটোলৈ যোৱা এটা বাট। হাৰ্টব্ৰেক হিললৈ যোৱা বাটত এটা পানীপূৰ্ণ গাঁত আছে। প্ৰায় ৮৪ বছৰ আগতে আৰ্থাৰ আৰু ৱিলিয়ামে ভাবিছিল যে নদীৰ লগত নিশ্চয় সংযোগ আছে। জলাশয়টো তৰাং যেন লাগিছিল, কিন্তু তলত অদৃশ্য হৈ আছিল এটা সংকীৰ্ণ ফাঁট। এইটোৰে ষ্টিভেনচনক কোবাল সোঁতে বিশাল জলৰাশিৰ তলৰ এটা বাটলৈ লৈ গৈছিল। উজনি সোঁতত সাঁতুৰি ডুবুৰীবোৰে এটা চেম্বাৰ পালে, নাম দিলে লয়ড হল, এইটোৰ মজিয়া শুকান নহয়। আন এটা নিমজ্জিত সুৰংগ শিলেৰে ভৰা ডাঙৰ গুহাৰ ফালে আছিল। এইটোৰ নাম বিচপৰ পেলেচ। দূৰৈৰ প্ৰান্তত নদীখন ২৭ মিটাৰ গভীৰৰ পৰা উঠি আহিছে। কিন্তু ডুবুৰীবোৰে সকলো বাধা পাৰ হৈ এটা নিমজ্জিত সুৰংগ অনুসৰণ কৰি এটা সৰু শুকান চেম্বাৰ জলপ্ৰপাতেৰে সৈতে সাজিছিল। তাৰ সিফালে নদীখন আন এটা পানীৰে ভৰা পথৰ পৰা ওলাইছে। বৰষুণৰ বতৰত বিশেষকৈ শীতত, ডুবুৰীবোৰে প্ৰায়ে সোঁতৰ বিপৰীতে সাঁতুৰিব নোৱাৰে। কিছুমান নিমজ্জিত পথত প্ৰচুৰ খোলা থকা প্ৰাণী আৰু আন কিছুমান প্ৰাণী আছে। পানীৰ তলত এটা বন্যপ্ৰাণী ৰিজাৰ্ভ স্থান কৰা হৈছে।

## কক্সৰ গুহা

জন সাধাৰণক দেখুওৱা এইটো হৈছে চেদাৰৰ প্ৰাচীনতম গুহা। আৱিষ্কাৰ কৰে জৰ্জ কক্সে ১৮৩৭ ত। গৰ্ফতকৈ বহু সৰু এইটো গুহা। ওচৰলৈ গৈহে ষ্টেলেকটাইট্চ বোৰ দেখা যায়। গফৰ গুহাৰ দৰে ই এটা দুৰণি পৰিত্যক্ত নদীৰ ফাল। কক্সে বোধকৰো প্ৰথমে প্ৰবেশ কৰিছিল প্ৰবেশ কোঠাৰ চালেদি। এই চেম্বাৰটো এটা সৰু শিলৰ খনিৰ তলত আছে। এইটো এতিয়া বন্ধ কৰা হৈছে কংক্ৰিটেৰে। প্ৰবেশ কোঠা পাৰ হৈ (এটা ধুনীয়া জলাশয় আছে) বাটটো নামি গৈছে এটা সৌন্দৰ্য পূৰ্ণ গুহালৈ। তাত আছে অতি ধুনীয়া ডাঙৰ ডাঙৰ ষ্টেলেকটাইটচ স্তম্ভ আৰু 'কাৰ্টেন' ইয়াক 'ট্ৰান্সফৰ্মেচন দীন' বুলি কয়। কক্সে যেতিয়া এই গুহাটো পাইছিল, তেতিয়া ঘনকৈ থকা স্তম্ভবোৰৰ মাজেদি যাবলৈ অসুবিধা পাইছিল গুহাটো পাবলৈ। দৰ্শকে যাতে সহজে যাব পাৰে তাৰ বাবে তেওঁ গুহাৰ তলেদি বাট কৰিলে। আজি ডেৰশ বছৰ পিছতো ই তেনেকৈয়ে আছে। ষ্টেলেক্মাইটবোৰ অতি ৰঙীন। ৰঙা ৰং স্পষ্ট। এটা সৰু ষ্টেলেকমাইটৰ ৰং ক'লা-নীলা আভাযুক্ত। জৰ্জ কক্সে ১৮৩৭ত দেখিছিল যে এটা ষ্টেলেকটাইটৰ পৰা পানীৰ টোপাল তলত থকা ষ্টেলেকমাইটৰ ওপৰত পৰিছে। দুয়োটা সংযুক্ত হোৱালৈ তেওঁ বহুদিন বাট চাই আছিল। এজন ভূতত্ত্ববিদে কৈছিল তেওঁ তাৰ বাবে হাজাৰ বছৰ ৰব লাগিব। কক্সে স্বীকাৰ কৰিছিল যে ২৬ বছৰ ৰৈয়ো তেওঁ একো পৰিবৰ্তন ধৰিব নোৱাৰিলে।

গুহাৰ গভীৰতম লেভেলৰ ওচৰতে এটা জলাশয় আছে, যাৰ পানীৰ উপৰিভাগৰ গিৰিসংকটত থকা বাহিৰৰ নদীৰ পানীৰ উঠা নমাৰ লগত সম্বন্ধ আছে। কিন্তু তিনি মিটাৰ তলত থাকে। যদি সেয়ে হয়, নিশ্চয় নামনিৰ ফালে নদী গৰ্ভৰ লগত মাটিৰ তলেদি সংযোগ আছে। এই জলাশয়ৰ ওপৰৰ ফালে থকা 'মাৰ্বল কাৰ্টেন' চেদাৰৰ গুহাবোৰৰ ভিতৰত সবাতোকৈ সুন্দৰ আৰু অতি কমনীয় গঠন। কেইটামান ছিৰি পাৰ হৈ লেজ চেপেল নামে কৃত্ৰিম গুহাদ্বাৰ।





OKDISCD

১৯৮৭-ত ইয়াৰ ১৫১-তম আৱিষ্কাৰ উৎসৱ উপলক্ষে কক্স্ কেভ ফেন্টাচি গ্ৰটোৰ লগত যুক্ত কৰা হয়। সম্পূৰ্ণ শীতকাল জুৰি এলানি ছিদ্ৰৰ দ্বাৰা মাটি আৰু শিল খান্দি প্ৰয়োজন মতে বাটটো বহল কৰিছিল। বিস্ফোৰণে ষ্টেলেকটাইট্‌চৰ ক্ষতি কৰিব পাৰে বাবে এইদৰে অমানুষিক কষ্ট কৰি পথ উলিয়াইছিল। এইখিনিৰ পৰা অঁকোৱা পকোৱা সোপানাৱলী নামি গৈছে ফেন্টাচি গ্ৰটোৰ একেবাৰে ভিতৰৰ ফালে।

চেদাৰৰ গুহাৰ ভিতৰত ফেন্টাচি গ্ৰটো হৈছে তৃতীয় আৰু ক্ষুদ্ৰতম গুহা। ইয়াৰো ইতিহাস আছে। যোৱা শতিকাৰ শেষৰ ফালে কক্সৰ গুহাৰ ওচৰৰ মাটি, এটা পানীৰ মিলৰ অধিকাৰী ৰ'লাণ্ড পেডিয়ে অধিকাৰ কৰে। তেওঁ নিজৰ 'শ্ব' কেভ আৱিষ্কাৰৰ উদ্দেশ্যে পাহাৰৰ ফালে কেইটামান ছিদ্ৰ কৰিলে, তাৰে এটাৰে তেওঁ উজ্জ্বল পোহৰ থকা কক্সৰ গুহা দেখিবলৈ পালে। তেওঁ কেইবাটাও কৃত্ৰিম সুৰংগ কৰিলে। গুহা আৰু নাপায় বুলি তেওঁৰ দৃঢ় ধাৰণা হ'ল। তেওঁ নিজেই এটা কৰিব বুলি থিক কৰিলে। ৰ'লাণ্ডৰ সুৰংগবোৰে থিয় পৰ্বতত থকা কেইবাটাও খাপৰ লগত যুক্ত আছিল, যিটো তেওঁ বিস্ফোৰণ কৰি ডাঙৰ কৰিলে আৰু দহ মিটাৰ ওখ শিলৰ দেৱাল গাঁথি দিনৰ পোহৰ নপৰা কৰিলে। ১৮৯৩ ত পেডিয়ে তেওঁৰ 'কেভ' ৰাইজৰ বাবে মুকলি কৰিলে। ইয়াত তেওঁ 'ডাইভিং'ৰ শিক্ষা দিছিল। তেওঁ মানুহৰ অদৃশ্য ডেউকা থকা বুলি কৈছিল আৰু তাকে প্ৰমাণ কৰিবলৈ এখন সৰু পৰ্বতৰ পৰা জঁপিয়াইছিল। পিছে তেওঁৰ গুহাত প্ৰাকৃতিক সুবিধাবোৰ নাছিল, গতিকে তেওঁ সফল নহ'ল। বহুদিন গুহাটো বন্ধ হৈ আছিল। ১৯৬৭ ত পুনৰ মুকলি কৰা হ'ল। তেতিয়া এটা জলপ্ৰপাত আৰু ক্ৰান্তীয় একুৱাৰিয়াম আৰু ১৯৮২ত পৰীৰ সাধুৰ দৃশ্য কৰিলে। আধুনিক প্ৰযুক্তিৰে পুনৰ নতুনকৈ কৰিছে। ইয়াৰ ভিতৰত সবাতোকৈ বিভ্ৰান্তিকৰ হৈছে 'হলোগ্ৰাম'– লেসাৰ ৰশ্মি প্ৰয়োগ কৰি ত্ৰিমাত্ৰিক ফটোগ্ৰাফ তোলা। ১৯৮৭ৰ পৰা ইয়াত উচ্চ প্ৰযুক্তিৰে পোহৰৰ প্ৰদৰ্শনী কৰিব ধৰা হৈছে। গফ হৈছে সৰ্ববৃহৎ গুহা। ইয়াত যেন সময় ৰৈ আছে। এই আশ্চৰ্য জগতত সোমালে, শুনিলে আচৰিত হব লাগে যে তললৈ গৈ থকা যেন লাগিলেও প্ৰকৃততে খুব ধীৰে ধীৰে উঠিহে যোৱা হয়। কক্সৰ গুহা গফতকৈ সৰু যদিও বহুতে ইয়াক বেছি ধুনীয়া বুলি ভাবে। ইংলেণ্ডৰ কিছুমান সুন্দৰতম গঠন আছে ইয়াত। টেপ কৰা কমেন্টৰী ব্যৱস্থা থকা বাবে নিজৰ ইচ্ছাত ঘূৰিব পাৰি মাটিৰ তলৰ প্ৰকৃতিৰ মাজত।

চেদাৰ গৰ্জৰ কেইবাটাও গুহাত সম্ভৱ মানুহে বাস কৰিছিল। সেইবোৰ মানুহৰ কাৰণে ঘৰ সাজি বাস কৰাটো হয়তো ব্যয়সাধ্য আছিল। 'প্ৰাইড ইভান্স হোল'ৰ দৰে কিছুমান গুহাত নিচলা মানুহে বাস কৰিছিল বুলি প্ৰমাণ পোৱা গৈছে। ১৯ শতিকাৰ প্ৰথম ভাগত কেইবাটাও সৰু গুহা মমৰ পোহৰেৰে মানুহক দেখুওৱা হৈছিল। এশ বছৰ জুৰি গুহা অভিযাত্ৰীবোৰে চেদাৰৰ ভূগৰ্ভস্থ নদীলৈ যোৱা পথ পোৱাৰ সপোন দেখি আহিছিল। এই সপোন বাস্তৱত পৰিণত হয়, যেতিয়া ১৯৮৫ চনত এজন গুহা ডুবুৰীয়ে গফৰ গুহাত এটা অকণমানি পানীপূৰ্ণ সুৰুঙা পাইছিল। এবছৰতে ডুবুৰীবোৰে তীব্ৰ সোঁতৰ বিপৰীতে সাঁতুৰি নিমজ্জিত গেলাৰীৰ ৫০০ মিটাৰ আৰু এটা শুকান গুহা আৱিষ্কাৰ কৰিছিল। এতিয়াও অভিযান চলি আছে নতুন কিবা পোৱাৰ সন্ধানত। এই গুহাবোৰ চাই মানুহ ইমান আকৰ্ষিত হ'ল যে ১৯৮২ চনৰ জুনমাহত গুহা অভিযানৰ উত্তেজনাৰ অভিজ্ঞতা পাবলৈ এখন আঁচনি কৰা হ'ল। ই এক প্ৰকাৰ খেললৈ ৰূপান্তৰিত হৈছে। বহুতেই গফৰ গুহাৰ ডায়েমণ্ড চেম্বাৰ পাৰ হৈ অজান দেশলৈ যাব খোজে। চেদাৰ গুহাবোৰে সেয়ে অভিযানত যোৱা লোকক হেলমেট, লেম্প আৰু বয়লাৰ চুটৰ যোগান ধৰে। এজন দক্ষ গাইডে দহ জনীয়া একোটা দলক সেই বন্য অঞ্চলবোৰলৈ পথ দেখুৱাই নিয়ে। এইটো অৱশ্যেই বিপদজনক খেল। কিন্তু দুঃসাহসিক অভিযানত যোৱা বহুতো লোকেই আছে।

গুহাৰ পৰা ওলাই দেখা যায় পাহাৰৰ গাৰে উঠি গৈছে একাবেঁকাকৈ ২৭৪টা ছিৰি। এই জেকব লেডাৰেদি উঠি গৈ পোৱা যায় জেকাবৰ টাৱাৰ। তাৰ ওপৰত উঠিলে চাৰিওফালৰ অপূৰ্ব দৃশ্য দেখা যায়।

মিউজিয়াম চেদাৰত মানৱ বসতিৰ 80,000 বছৰৰ তথ্য পাতি আছে। প্ৰধান আকৰ্ষণ হৈছে চেদাৰ মানৱৰ কংকাল। প্ৰস্তৰ যুগৰ চিকাৰী বোৰৰ বহুতো সা–সঁজুলি আৰু জন্তুৰ হাড় আছে। তদুপৰি ৰোমানো–বৃটিছ যুগৰ আহিলা আৰু কেভমেন ৰেষ্টোৰাঁৰ ওপৰৰ ফালে থিয় পৰ্বতত থকা 'লং হোল' গুহাৰ পৰা অনা মুদ্ৰাও আছে।

গুহাৰ অধীনত থকা গিফট শ্বপ দুখনত নানা ধৰণৰ অসংখ্য উপহাৰ সামগ্ৰী, স্মাৰক, গাইডবুক, মেপ আৰু গুহাবোৰৰ ৰঙীন ফিল্ম আৰু ভিডিঅ' আছে প্ৰায় ১৬ মিনিট সময়ৰ। সকলো চাইমেলি আগৰ ঠাইত দ্বীপটোৰ জুনিপাৰ গছৰ তলৰ ঘূৰণীয়া চিটত সকলো বহিলোহি। তেতিয়া সামান্য চেঁচা বতাহ বলিছিল। মোৰ খুব ভাল লাগিছিল। দুয়ো জোপা জুনিপাৰ বৰ প্ৰাচীন। বহুকালৰ পৰা যেন সেই প্ৰাচীন গুহাবোৰৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখি আহিছে। সূ


সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া ৱৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া ৰৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ ৰৰঙণি ডিমাণ্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰা: লি:, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ,
পানবজাৰ, গুৱাহাটী-৭৮১০০১






# গুৱাহাটী বিশ্ববিদ্যালয়ত বসন্তৰ বাতৰি আৰু শৈক্ষিক পৰিবেশ

স্বপ্না বেজবৰুৱা

বসন্তৰ প্ৰথম বৰষুণ জাকত প্ৰকৃতিয়ে প্ৰাণ পায়। লঠঙা ঠালৰ ফাঁকে ফাঁকে জোন দেখি থকা গছবোৰ সেউজীয়াৰে আবৰি পৰে। বৰষুণৰ পাছত ৰ'দ জাকত এতিয়া জালুকবাৰীখন এনে লাগিছে যেন সদ্যস্নাতা এগৰাকী গাভৰুৱে ৰ'দত চুলি মেলাইছে। যিমান দূৰলৈকে চোৱা যায় সিমান দূৰলৈকে কৃষ্ণচূড়াৰ সেউজীয়াবোৰে তিৰবিৰাই আছে। কিন্তু জালুকবাৰীত এই সৌন্দৰ্য উপভোগ কৰিবলৈ যেন কোনোৱেই নাই। অবিৰাম শৈক্ষিক ব্যস্ততাৰ পাছত বহুদিনৰ সাঁচতীয়া মৰম আৰু এবুকু উল্লাস বুকুত বান্ধি লৈ ইয়াৰ বাসিন্দা সকল বিহুৰ বতৰত গুচি যায় অতি আপোনজনৰ ওচৰলৈ। লগে লগে জালুকবাৰী বিশ্ববিদ্যালয় চৌহদ নিজম পৰে।

বিহুৰ পাছত ইয়াৰ বাসিন্দা সকল ঘূৰি আহি আয়ে দিয়া বিহুৰ টোপোলা মেলাৰ লগে লগেই হয়তো ফুলো নুফুলোকৈ থকা কৃষ্ণচূড়াৰ কলিবোৰে পাহি মেলিব। স্নাতকোত্তৰ ছাত্ৰ সন্থাই আয়োজন কৰা বিহু সন্মিলনৰ পাছতেই আৰম্ভ হব বিশ্ববিদ্যালয়ৰ স্বাভাৱিক কৰ্ম ব্যস্ততা। প্ৰাৰম্ভিক বৰ্ষৰ পৰীক্ষা সমূহ আৰম্ভ হব অহা ৭ জুনৰ পৰা। অন্য কেইবাৰৰ দৰে এইবাৰো পৰীক্ষা পিছুওৱাৰ বাবে উপাচাৰ্য মহোদয়ৰ ওপৰত প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰা হৈছিল। পি পি চি-ৰ (পৰীক্ষা পিছুওৱা কমিটি) যুক্তিবোৰ আছিল এনে ধৰণৰ– নিৰ্দিষ্ট সময়ত ছাত্ৰাবাসত ভৰ্তিকৰণ নোহোৱা; সঘনে অনুষ্ঠিত হোৱা পৰীক্ষাৰ বাবে শ্ৰেণী সমূহ বন্ধ থকা; ৰাষ্ট্ৰপতিৰ শাসনৰ বাবে শ্ৰেণী বন্ধ থকা আৰু শৈক্ষিক পৰিবেশ নষ্ট হোৱা; পাঠ্যক্ৰম শেষ হোৱাৰ পৰা পৰীক্ষালৈ যথেষ্ট কম সময় হোৱা ইত্যাদি ইত্যাদি। তেওঁলোকৰ মতে পৰীক্ষা সমূহ এটা বছৰতে আগুৱাই আনি শৈক্ষিক বছৰ মিলাবলৈ যোৱাতকৈ ক্ৰমান্বয়ে আগুৱাই আনিলে কোনোৱেই অসুবিধাত পৰিব লগা নহয়। যুক্তি যিমানেই সবল নহওক লাগিলে, এইবাৰ উপাচাৰ্য আৰু স্নাতকোত্তৰ ছাত্ৰ সন্থাই ভীষ্মৰ প্ৰতিজ্ঞাত অবতীৰ্ণ হ'ল। কোনো মতেই পৰীক্ষা নিপিছুৱায়। পি পি চি-ৰ সদস্য সকলক উপাচাৰ্যই সাধু কৈ পঠাই দিলে। উত্তৰ প্ৰদেশৰ ফালে গাধ বৰ বেছি। গাধবোৰে কেতিয়াও পেন্দুলামৰ গতিত মূৰ নোজোঁকাৰে, অৰ্থাৎ নেতিবাচক উত্তৰ নিদিয়ে, এদিন বহুত মানুহে একেলগে গাধক মূৰ জোঁকাৰিবলৈ বহুত বুদ্ধি কৰিও বিফল হ'ল। শেষত এজন মানুহে গাধক কাণে কাণে কথা এটা ক'লে আৰু গাধই নেতিবাচক উত্তৰত মূৰটো জোঁকাৰি দিলে। তেতিয়া সকলো মানুহ আচৰিত হৈ কি ক'লে সোধাত মানুহজনে ক'লে– 'মই গাধক সুধিলো তই ভি চি হবি নেকি? তেতিয়া সি নহওঁ বুলি মূৰটো জোঁকাৰি দিলে।' উপাচাৰ্য মহোদয়ে আৰু এটা বাস্তৱ ঘটনাৰ কথা ক'লে– "আমি কটন কলেজত পঢ়ি থাকোতে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ। ফাকুৱাৰ দিনা আমি তেখেতক ফাকু দিবলৈ যোৱাত তেখেতে কাগজ এখনত লিখি পঠালে– তোমালোকৰ ফাকুখিনি ইয়াতে দি যোৱা; মই পাছত নিজে সানি লম।" এই দুটা কাহিনীৰ পৰা উপাচাৰ্যই কি ক'বলৈ বিচাৰিছে সেয়া বুজিবলৈ কাৰো বেছি সময় নালাগে। অৱশেষত পৰীক্ষা পিছুওৱা বদনামৰ পৰা হাত সাৰিবলৈ পূৰ্বতে ঘোষণা কৰা ৩১ মে'ৰ পৰাই কাৰ্যক্ৰমনিকা ঘোষণা কৰিলে, মাজতে ১৩ দিনকৈ বন্ধ দি। অৰ্থাৎ মাছ বুলি নেখাই জি জি বুলি খোৱাৰ দৰেই কথা। কিন্তু নিৰ্বাচনৰ নাম ওলোৱাৰ লগে লগে পৰীক্ষা ৭ জুন পালেগৈ।




আনহাতে মে' মাহতে নতুন পাঠ্যক্ৰমৰ বাবে নাম ভৰ্তিকৰণো হব। বিশ্ববিদ্যালয়ৰ চৌহদত ফুলি থকা বসন্তৰ ৰঙীন ফুলবোৰে আদৰণি জনাব নবাগত সকলক। এই সকলৰ মানসিকতা আৰু কৰ্মৰাজিয়ে নিৰ্ণয় কৰিব আহিব ধৰা বছৰটোত বিশ্ববিদ্যালয়ৰ পৰিবেশ, চিন্তাধাৰা আৰু মানদণ্ড। এখন বিশ্ববিদ্যালয়ৰ মানদণ্ড ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰে নিৰ্ণয় নহয়। মানদণ্ড নিৰ্ণয় কৰা হয় মানুহৰ জ্ঞান-ভাণ্ডাৰলৈ বিশ্ববিদ্যালয়ে আগবঢ়োৱা অৱদানেৰে। এইবাৰ বসন্তৰ বতাহে কি দি যায় সেয়া গণনা কৰা হব অহা শীতৰ সেমেকা পুৱাত। সূ

# উচ্চশিক্ষাৰ গতানুগতিকতা আঁতৰ হওক

পবিত্ৰ কুমাৰ শৰ্মা

১৯৪৭ চনত ভাৰতত ২৫ খন বিশ্ববিদ্যালয় আছিল। তেতিয়া অসমত এখনো বিশ্ববিদ্যালয় নাছিল। এতিয়া উত্তৰ পূৰ্বাঞ্চলত গুৱাহাটী, ডিব্ৰুগড়, নগালেন্ড মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল, পাৰ্বত্য আৰু কৃষি বিশ্ববিদ্যালয়কে ধৰি উচ্চতৰ শিক্ষানুষ্ঠানৰ সংখ্যা বাঢ়িল। ভাৰতত এতিয়া বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ সংখ্যা ১৮৯ খন। কলেজৰ সংখ্যা ৭000-ৰ ওপৰ। কলেজ আৰু বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰা স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰৰ সংখ্যা 80 লাখ। মুঠ ছাত্ৰৰ ৯.৫%ই স্নাতকোত্তৰ শ্ৰেণীত পঢ়ে। ১.১%ই হে গৱেষণা কৰে। কলেজত পঢ়া ছাত্ৰৰ 80% কলা, ২১% বাণিজ্য আৰু ১৯% বিজ্ঞানত ভৰ্তি হয়। বিশ্ববিদ্যালয় আৰু কলেজত নিয়োজিত শিক্ষকৰ সংখ্যা আঢ়ৈ লাখ। অসমৰ ক্ষেত্ৰত প্ৰায় একলাখ ছাত্ৰ ছাত্ৰীয়ে অসমৰ তিনিখন বিশ্ববিদ্যালয়, কলেজ, আভিযান্ত্ৰিক, চিকিৎসা আৰু কৃষি কলেজত পঢ়ি আছে। বিশ্ববিদ্যালয় দুখনত (গুৱাহাটী আৰু ডিব্ৰুগড়) স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ সংখ্যা 8000। অসমত বিজ্ঞান আৰু বাণিজ্য শিক্ষাৰ সম্প্ৰসাৰণ দুখ লগা। গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৮-৮৯ চনৰ ৬৩,৫২0জন ছাত্ৰৰ ভিতৰত ৩৯,২৩৭জন কলা বিভাগত; ১২,২১৬জন বিজ্ঞান বিভাগত আৰু মাথোন 80৩২ জনহে বাণিজ্য বিভাগত আছিল। বিশ্ববিদ্যালয়ে স্বীকৃতি দিয়া ১১৯খন কলেজৰ মাথোন ২১খনতহে বিজ্ঞান শাখা আছে। বাণিজ্য বিভাগ থকা কলেজৰ সংখ্যা 8 খন। দুয়োখন বিশ্ববিদ্যালয়ত স্নাতক স্তৰত বিজ্ঞান থকা কলেজ দুকুৰিৰ ওচৰত।

অসমৰ কলেজত পৰম্পৰাগত বিষয় সমূহেই খুলি থকা হৈছে। ফলত নিয়োজিত হ'ব পৰা শিক্ষিতৰ সংখ্যা কমি গৈ আছে। মানৱ সম্পদ উপযুক্ত ৰূপে গঢ়িলৈ অসমক উন্নয়ন কৰাৰ কোনো পৰিকল্পনা যোৱা 8৩ বছৰত হোৱা নাই। এতিয়া অকল এটা উপাধি লৈ চাকৰি বিচাৰি হাবাথুৰি খালে নিয়োগ কৰিব নোৱৰা জনসংখ্যা বাঢ়ি গৈ থাকিব। ইতিমধ্যেই অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা ১৫লাখ হৈছে বুলি জনা যায়। এতিয়া আচলতে কলেজ বা বিশ্ববিদ্যালয়ত উত্তীৰ্ণ হৈ অহা ছাত্ৰৰ নিয়োগৰ পথ প্ৰায় শূন্য। এই পৰিস্থিতি কোনো গণতান্ত্ৰিক সমাজবাদী দেশত চলি থাকিব নোৱাৰে। সমাজৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে বৰ্ধিত জনসংখ্যাৰ লগত সংগতি ৰাখি বৰ্তমান উৎপাদনশীল শ্ৰমৰ প্ৰয়োজন বেছি। অসমৰ কলেজ বিশ্ববিদ্যালয় বা অন্যান্য শিক্ষানুষ্ঠানত পঢ়া ছাত্ৰ-ছাত্ৰীৰ উৎপাদনশীল শ্ৰমৰ প্ৰতি অনীহা আঁতৰ নহ'লে অসমৰ অৰ্থনৈতিক ভেটি টনকিয়াল হ'ব নোৱাৰে।

অসমত থকা দুয়োখন বিশ্ববিদ্যালয়ত ভেজা দি থকা গতানুগতিক স্বীকৃতি প্ৰাপ্ত কলেজ প্ৰতিষ্ঠাৰ মানসিকতাৰে কেৰাণী, মহৰী, পিয়ন, চকিদাৰ, বিষয়া নিয়োগ কৰিব পাৰিছে যোৱা 8৩ বছৰত মাথোন ৩ লাখ ৫৭ হাজাৰ। অসমত আঞ্চলিক, সৰ্বভাৰতীয় ৰাজনৈতিক দল বা আমোলাতান্ত্ৰিক প্ৰশাসনে যিমানেই ঢৌটুফালি অসমৰ নিবনুৱা সমস্যা সমাধানৰ মন্ত্ৰ আওৰাওক বৃটিছ চৰকাৰে ১৮৫৭ চনত লন্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠা কৰা স্বীকৃতি প্ৰাপ্ত পৰম্পৰাগত কলেজে উৎপাদন কৰা জন সম্পদ অসমৰ প্ৰগতিৰ কাৰণে অলাগতিয়াল বোজা হৈ থাকিব। এই ব্যৱস্থাৰ পৰিবৰ্তন সম্ভৱ হ'ব কলেজীয়া শিক্ষাৰ ধাৰণাত সম্পূৰ্ণ পৰিবৰ্তন আৰু গতিশীলতা আনিলেহে। কোঠাৰি শিক্ষা আয়োগৰ প্ৰতিবেদনত দিয়াপৰামৰ্শাৱলীৰ ভিত্তিত ভাৰতৰ অন্যান্য প্ৰদেশত বহুতো নতুন নিয়োগৰ সম্ভাৱনা থকা আত্মনিৰ্ভৰশীল হ'ব পৰা বিষয় খোলা হৈছে। অসমত এই পৰিস্থিতি উপলব্ধি কৰা কোনো ৰাজনৈতিক নেতা বা আমোলাতান্ত্ৰিক বিষয়া নাই। ফলত এনে বিষয় সমূহ খোলাত যি গুৰুত্ব দিয়া উচিত আছিল সি হোৱা নাই।

কোঠাৰি আয়োগৰ প্ৰতিবেদনৰ পাছত ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬-ত কৰ্ম আঁচনিত পাঠ্যক্ৰমৰ পুনৰ গঠনৰ বাবে দিহা দিয়া হৈছিল। বিশ্ববিদ্যালয় অনুদান আয়োগে ২৭টা কেৰিকুলাম বিকাশ কেন্দ্ৰও প্ৰতিষ্ঠা কৰিলে। সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ৫00 খন স্বায়ত্ত শাসিত কলেজ খোলাৰো অনুমোদন দিয়া হ'ল যদিও কলেজ মাথোন ১00খনহে হৈছে। ১৯৮৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আঞ্চলিক আলোচনা সত্ৰতো নতুন বিষয় কিছুমান খুলিবলৈ অনুমোদন দিলে। পৰীক্ষা পদ্ধতিৰ সংশোধন, কলেজ শৈক্ষিক পঞ্জীত পৰ্যায়ক্ৰমে ২00 দিন প্ৰতি বছৰত শ্ৰেণী বহাৰ ব্যৱস্থা, সময়মতে পৰীক্ষা পতা আৰু ফলাফল ঘোষণা কৰা, ক্ৰমাগত মূল্যায়নৰ যোগেদি ছাত্ৰৰ অৰ্হতা বৃদ্ধি কৰা আদি ব্যৱস্থা সমূহ অনুমোদনহে হৈ থাকিল। 8৫ খন একাডেমিক ষ্টাফ কলেজ খুলি পোন প্ৰথমবাৰৰ বাবে ভাৰতত কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকক প্ৰাক্‌কালীন আৰু অন্তবৰ্তীকালীন নবীকৰণ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ল। অসমৰ গুৱাহাটী বিশ্ববিদ্যালয়েও এনে এখন একাডেমিক ষ্টাফ কলেজ পালে। বহুতো নতুন বিষয় খুলি কলেজীয়া শিক্ষাত নিয়োগ হ'ব পৰা যুৱক যুৱতীৰ সংখ্যা বঢ়োৱাৰ কথাও কোৱা হ'ল। আনহাতে বিশ্ববিদ্যালয় অনুদান আয়োগে গতানুগতিক নতুন কলেজ খোলাৰ পৰিবৰ্তে ইন্দিৰা গান্ধী মুকলি বিশ্ববিদ্যালয় আৰম্ভ কৰি সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত 88 কোটি টকা পুঁজিৰ ব্যৱস্থা কৰিলে।

সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত নতুন বিষয় খুলিবলৈ কলেজত এটা বিষয়ৰ বাবে ৫ লাখ আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে ৭ লাখ টকা ধৰা হৈছিল। অসমৰ কেইখন কলেজে বা বিশ্ববিদ্যালয়ে এনে সুবিধা ললে? বিশ্ববিদ্যালয় অনুদান আয়োগে স্নাতক স্তৰত (১) আধাৰ পাঠ্যক্ৰম (২) কিছুমান মূল বিষয় (৩) কিছুমান প্ৰায়োগিক বিষয় আৰু (8) সমাজ সেৱাৰেহে স্নাতক পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ দিহা দিছিল। অসমত এৰা ধৰা ব্যৱস্থাৰে আধাৰ পাঠ্যক্ৰম খোলা হ'ল। নতুন বিষয় খোলাৰ উদ্যমক গাপ দিয়া হ'ল।

অন্যান্য প্ৰদেশত বহুতো বিষয় খোলা হৈছে। মহাৰাষ্ট্ৰত পুণা বিশ্ববিদ্যালয়ে আধাৰ পাঠ্যক্ৰম আৰু গতানুগতিক বিষয়ৰ বাহিৰেও প্ৰায়োগিক বিষয়, বৃত্তিমুখী বিষয় আৰু সমাজ সেৱা বিষয় খোলাৰ ব্যৱস্থা লয়। টিৰুতিৰপল্লী (কেৰালাত) ছেইন্ট জোছেফ কলেজে সামাজিক গতিবিজ্ঞান, পৰ্যটন, গ্ৰাম্য পুনৰ্নিৰ্মাণ পৰিকল্পনা, ফটোগ্ৰাফী, তড়িৎলেপন আৰু ধাতুবিদ্যা, মীন জীৱ বিজ্ঞান, কথাছবি শিল্প, গণিতীয় জিন প্ৰযুক্তিবিদ্যা, কয়লাৰ উৎপাদনৰ ব্যৱহাৰ, আধুনিক চৰকাৰ পৰিচালনা আদি ২৩টা নতুন পাঠ্যক্ৰম আৰম্ভ কৰিছে। অন্ধ্ৰ বিশ্ববিদ্যালয়ত গ্ৰামীণ বিকাশ, কাৰ্যালয় পৰিচালনা, ইলেক্ট্ৰনিকছ, যান্ত্ৰীকৰণ, ব্যৱহাৰিক ৰসায়ন, আকৰশোধন, পৰিপুষ্টি বিজ্ঞান, ব্যৱসায়িক যোগাযোগ, পৰিচালনা অধ্যয়ন, প্ৰাক্ প্ৰাথমিক শিক্ষা আদি বিষয় খুলিছে। যি বিলাক বিষয় খোলা হৈছে সেই বিষয় বিলাকে জীৱনৰ প্ৰকৃত পৰিস্থিতিত জ্ঞান প্ৰয়োগৰ ওপৰত গুৰুত্ব দিছে। ফলত শিক্ষিত সম্প্ৰদায়ৰ চাকৰিমুখী মনোবৃত্তি নোহোৱা হৈছে।

অসমত অকল আলোচনা সত্ৰ পতা আৰু কেতিয়াবা অনুমোদন দিয়া হয় যদিও শিক্ষক সকলৰ স্বাভাৱিক জঠৰতা আৰু ঘাইকৈ আমোলাতন্ত্ৰৰ নিৰ্লিপ্ততাই কোনো গঠনমূলক কামতে উৎসাহিত নকৰে। এখন স্বাধীন দেশৰ আমোলাতান্ত্ৰিক পদ্ধতিও পৰাধীন দেশৰ বৃটিছ উপনিবেশৰ ধাৰাতে চলি আছে। কেৰাণী এজনে, পিয়ন এজনে অসমৰ প্ৰতি সচেতন নোহোৱা ভাৰতীয় প্ৰশাসনীয় বিষয়া আৰু তেওঁলোকক হয়ভৰ দিয়া প্ৰশাসনীয় (অসম লোকসেৱা আয়োগৰ) বিষয়াই যি এটা ধাৰণাৰে অসমৰ সৰ্বনাশ কৰি আছে তাৰ প্ৰতিকাৰ এতিয়া অসমৰ যুৱশক্তিয়ে উপলব্ধি কৰিছে। অসমত থকা 80 লাখ 0-১8 বছৰ বয়সৰ উঠি অহা যুৱশক্তিক আস্থা, প্ৰত্যয় আৰু উজ্জ্বল ভৱিষ্যতৰ দিক নিৰ্ণয় বাৰ্ধক্যৰ গৰাহত পৰা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ নেতা আঞ্চলিক দলত সোমোৱা প্ৰবীণ নেতা বা আমোলা বিষয়াই বুজিব পৰা নাই। ইয়াক উপলব্ধি কৰিব পাৰিছে তেওঁলোকৰ লগত শিক্ষাদানৰ লগত জড়িত শ্ৰদ্ধাভাজন শিক্ষকে। বিজ্ঞান, কলা আৰু বাণিজ্য বিভাগত স্নাতক স্তৰত অসমত কলেজত নিয়োজিত শিক্ষক সকলে অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষক সকলে ৰাজনৈতিক পদ্ধতিক প্ৰশ্ৰয় নিদি অসমৰ ডেকাশক্তিক প্ৰগতি আৰু উন্নয়নৰ পথ দেখুৱাব লাগিব। তেওঁলোকৰ কাৰণে ই এক সমাজ পুনৰ গঠনৰ প্ৰত্যাহ্বান। বিজ্ঞানৰ ছাত্ৰ সকল স্বাভাৱিকতেই বেছি পদ্ধতিমূলক, সেই ধাৰণা কলা আৰু বাণিজ্যৰ ছাত্ৰৰ মাজলৈ সম্প্ৰসাৰণ হোৱাৰ বাবে বিজ্ঞান শিক্ষক সকলৰ দৰে কলা আৰু বাণিজ্যৰ শিক্ষকেও কলেজত অধিক সময় ছাত্ৰৰ সংযোগলৈ অহা প্ৰয়োজন।

শিক্ষকসকলে নিজে সমাজ গঠনক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰাৰ সুবিধা লব লাগিব। উন্নয়নশীল দেশে উন্নত দেশত প্ৰতিযোগিতা মূলক পৰিস্থিতিৰ লগত খাপ খাব লাগিব। আমেৰিকাৰ দৰে উন্নত দেশত প্ৰতিযোগিতা ইমান বেছি যে নতুন নতুন প্ৰযুক্তি বিদ্যাৰে আধুনিকীকৰণ কৰাৰ ফলত কেইদিন মানৰ ভিতৰতে অৰ্হতা আওপুৰণি হৈ পৰে। আমেৰিকাৰ সম্প্ৰদায় আৰু কনিষ্ঠ কলেজত প্ৰত্যেকখন কলেজৰ বিষয় সুকীয়া। অসমৰ দৰে এখন কলেজত যি বিষয় আছে তাকে আন এখনত খোলা নহয়। পাঠ্যক্ৰম প্ৰস্তুত কৰা, পঢ়োৱা, পাঠ্যপুথি প্ৰণয়ন কৰা আৰু ছাত্ৰক উপযুক্ত ভাবে গঢ়ি যোগ্যতা নিৰ্ণয় কৰা দায়িত্ব শিক্ষক সকলৰ প্ৰতিজনৰে। তাৰ ওপৰতে শিক্ষক জনৰ চাকৰি নিৰ্ভৰ কৰিব। উপযুক্ত জীৱিকাৰ পথৰ কাৰণে এজন ছাত্ৰক সম্পূৰ্ণ আত্মনিৰ্ভৰশীল ৰূপে গঢ়ি তোলাত এনে কলেজ আৰু স্কুলে গুৰুত্ব দিয়ে। জ্ঞান আৰু তথ্য বিস্ফোৰণৰ এতিয়াৰ পৰিবৰ্তনশীল সমাজত আমাৰ ইয়াত থকা স্থবিৰ শিক্ষা ব্যৱস্থাক আঁকোৱালি ধৰি থকা শিক্ষক সকলে অহা ১0 বছৰৰ ভিতৰতে সমাজত অলাগতিয়াল আবৰ্জনা বুলি বিবেচিত হ'ব। আমেৰিকাৰ সম্প্ৰদায় কলেজত প্ৰতি বছৰতে সমাজৰ প্ৰয়োজনীয় অৰ্হতাৰ বিচাৰত পাঠ্যক্ৰমত গতিশীলতা অনা হয়। এটা নিৰ্দিষ্ট ভৌগোলিক সীমাৰ ভিতৰত থকা জন সংখ্যাৰ শিক্ষা আৰু প্ৰশিক্ষণ সেই অঞ্চলত লগা ব্যৱসায আৰু উদ্যোগৰ লগত সংগতি পূৰ্ণ কৰি গঢ়ি লোৱা হয়। কলেজ সমূহো জন সাধাৰণে নিজে গঢ়ি নিজে লালন পালন কৰিবলৈ প্ৰস্তুত হয়। সম্প্ৰদায় কলেজত কলেজৰ শিক্ষকৰ বাহিৰেও উদ্যোগ, ব্যৱসায়, শ্ৰমিক আৰু অন্যান্য পাৰদৰ্শীয়ে বক্তৃতা দিয়ে। প্ৰতিজন যোগ্য নাগৰিকেই একোজন শিক্ষকৰ ভূমিকা লয়। সম্প্ৰদায় কলেজ সমূহেই সমাজৰ অৰ্থনৈতিক উন্নয়নৰ বাটকটীয়া। এনে কলেজত অধ্যয়নৰ বাবে বয়সৰ সীমা নাই। ১৮ বছৰৰ পৰা অৱসৰ লোৱা বয়সৰ মানুহেও একেলগে একেটা বিষয় অধ্যয়ন কৰে। জীৱন যুদ্ধত নতুন জীৱন ধাৰাত জীৱিকা নিৰ্বাহৰ পথত যাতে অনুপযুক্ত হৈ নপৰে তাৰ কাৰণেই এনে শিক্ষাৰ প্ৰতি সকলো নাগৰিক আগ্ৰহী। প্ৰতিযোগিতাৰ বাবে পাৰদৰ্শী নোহোৱাকৈ জীৱিকা নিৰ্বাহৰ পথ উলিওৱা অসম্ভৱ হোৱা কাৰণেই এনে ধৰণৰ কলেজবোৰ গঢ়ি উঠে।

বৃটিছ শাসনত বৃটিছ সামাজ্যৰ বেলি মাৰ নোযোৱা ঔপনিবেশিক শাসনৰ প্ৰয়োজন পূৰণ কৰিবলৈ প্ৰতিষ্ঠা কৰা কলেজ বিশ্ববিদ্যালয়ে স্বাধীন গণতান্ত্ৰিক দেশৰ উন্নয়নৰ বাবে জন সম্পদ গঢ়িব নোৱৰা বাবেই এতিয়া প্ৰশাসনীয় পদ্ধতি, আইন শৃংখলাৰ বাহিৰলৈ গুচি গৈছে। হত্যা, বিভীষিকা আৰু তিৰোতাৰ অসহায় বিননিৰে দেশৰ বাতাবৰণ কলুষিত কৰাৰ প্ৰবণতা বৃদ্ধি পাইছে। সেনা বাহিনী আৰু দমন অত্যাচাৰেৰে এই পৰিস্থিতি নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। সেই বাবেই প্ৰয়োজন হৈছে নতুন পথ প্ৰদৰ্শক শিক্ষানীতি। য'ত ৰাজনৈতিক চাতুৰিৰ স্থল নাথাকে। ■

OKDISCD

# কবিতাৰ দেশ-কাল

## নলিনীধৰ ভট্টাচাৰ্য

সময়ৰ ফুলনি এতিয়া দগ্ধ। আমি পানী দিম ক'ত? পুৰি ছাই হৈ যোৱা ফুলত নে অপতৃণত? অপতৃণেও পানী বিচাৰে। কিন্তু তাত পানী দিব নোৱাৰি। দগ্ধ ফুলবোৰকে আমি জীয়াই তুলিব লাগিব, জীপ দিব লাগিব। নহ'লে জীৱনৰ গতি ৰুদ্ধ হৈ যাব। সৌন্দৰ্য অসুস্থ হব। সকলো মানৱীয় স্পন্দনৰ মৃত্যু ঘটিব। সাম্প্ৰতিক কবি এই বিষয়ে সজাগ। যথাৰ্থ মানৱতাবোধৰ আধাৰত স্বদেশী-চিন্তাৰ অৰ্থবহ ব্যঞ্জনা কৰাই আজিৰ কবিৰ কাম। আধুনিকতাৰ অৰ্থও মানৱ-সত্য; কবিয়ে এই মানৱ-সত্যলৈকে আঙুলিয়াই দিয়ে। কেৱল ব্যক্তিগত উচ্চাৰণেৰে কবিতা জীয়াই নেথাকে, কেৱল সামাজিক দৃশ্যপটৰ বৰ্ণনাৰেও কবিতাক প্ৰাণ দিব নোৱাৰি। উভয়ৰ সাৰ্থক মিশ্ৰণতহে কবিতাই পূৰ্ণতা পায়। দেশ-কালৰ চিত্ৰ কবিতালৈ আহিবই, কিন্তু সি আহিব কবিৰ জীৱন-বীক্ষা বা অন্তৰ্দৃষ্টিৰে পৰিশোধিত হৈ। এনে ব্যক্তিগত স্পৰ্শ নেথাকিলে কবিতাই নান্দনিক তথা আধ্যাত্মিক তৃপ্তি পাঠকক দিব নোৱাৰে। আমাৰ আলাংকাৰিক সকলেও পাঠক বা শ্ৰোতাৰ দিশটোৰ ওপৰত যথেষ্ট গুৰুত্ব দি গৈছে। কবিতা মৰ্মৰ বস্তু হ'লেও, সি একপ্ৰকাৰ সম্বোধনহে। শ্ৰোতাৰ সম্পৰ্ক তাত উপেক্ষণীয় নহয়। এইবোৰৰ সতে অৱশ্যে জড়িত থাকে ৰচনা আৰু গঠন-কৌশল। কবিৰ নিপুণ শব্দ-বিন্যাস গাঁথনিৰ ঐক্যৰ মাজত উপলব্ধিৰে অৰ্থবহ হৈ উঠিলেহে কবিতাৰ আবেদন বাঢ়ে।

তৰুণ কবি কবীন ফুকনৰ সম্প্ৰতি প্ৰকাশিত কবিতা পুথি 'এনেকৈয়ে দিন, এনেকৈয়ে ৰাতি' পঢ়ি এনেবোৰ কথা মনলৈ আহিছে; কাৰণ ফুকনৰ কবিতাৰ অংগীকাৰো কম বেছি পৰিমাণে তেনেকুৱাই। ফুকনৰ এইটো বোধহয় প্ৰথম সংকলন। দেশ-কাল-পাত্ৰ তেওঁৰ কবিতাৰ ঘাই প্ৰসংগ। বাস্তৱৰ দৈন্য, সময়ে অনা সংকট তেওঁৰ কবিতালৈ বাৰে বাৰে আহিছে আৰু এইবোৰ পোহৰাই তুলিছে অন্তৰ্নিহিত মানৱীয় মূল্যবোধে। পয়াৰ আৰু সমিল মুক্তিকে তেওঁৰ বেছিভাগ কবিতাক গতিময় কৰি তুলিছে আৰু সংহত গাঁথনিৰ মাজত তেওঁৰ কবিতাই নিৰাশাৰ অন্ধকাৰৰ পৰা আশাৰ পোহৰলৈ যাত্ৰা কৰিছে। 'হৈমন্তিক' নামৰ কবিতাত তেওঁৰ মনৰ উগুল-থুগুল ৰূপ প্ৰকট হৈছেঃ

এনেকৈয়ে দিন, এনেকৈয়ে ৰাতি  
ছাঁ-পোহৰৰ ইকাটি-সিকাটি  
উদাস আবেলি, জয়াল ৰাতি  
এতিয়া যে মোৰ আহিন-কাতি।

কিন্তু, 'উদাস আবেলি, জয়াল ৰাতি' অতিক্ৰম কৰা মানসিকতাও তেওঁ অৰ্জন কৰিছেঃ

মই নৈ হৈ আহিছিলো বৈ  
পাহাৰ-ভৈয়াম মোৰ বুকুৰ বান্ধৈ  
মই পাক খাই উৰি উৰি ধুমুহা উৰাই নিয়া  
তড়িৎ তুফান  
মই অনাবিল বক্ষলে স্নেহসিক্ত কুমাৰী  
আজান' .......

এই আত্ম-জিজ্ঞাসাৰেই তেওঁ লক্ষ্য কৰিছে ফাঁচি বজাৰৰ এন্ধাৰ, বৃদ্ধ কামুকৰ বীভৎস লিপ্সা, তিৰাশীৰ অসমত অবুজ হুতাহ আৰু তেজৰ দাগ, 'পৰাজয়ৰ উলাহ আৰু বিজয়ৰ বিষাদ' কঢ়িয়াই অনা অসম-চুক্তিৰ শিহৰণ, জতুগৃহ-সদৃশ পৰিবেশ, বোন্দাৰ জিঘাংসা, ৰঙা গোলাপৰ কলিৰ হত্যা আৰু আণবিক যক্ষৰ দাঁত। বাস্তৱ অভিজ্ঞতাৰ অৰ্থ-ব্যঞ্জনাৰ মাজত কবিৰ দেশ আৰু পৃথিৱীৰ ভাবনা মূৰ্ত হৈ উঠিছে। তেওঁ ঘৃণা আৰু সংশয়ো প্ৰকাশ কৰিছে। তথাপিও, তেওঁ নিজৰ 'Significant human being'-ক দাঙি ধৰিবলৈ উদ্বিগ্ন হৈছে। তেওঁ নিজৰ মানৱীয় সত্তাক যেন আৱিষ্কাৰ কৰিব পৰা নাইঃ

মোৰ নিভৃতিৰ নিলগত  
মোৰ সতে মোৰ চিনাকিৰ হ'ল উৎখাত।

আত্মানুসন্ধানৰ এই প্ৰক্ৰিয়াই তেওঁক প্ৰতিবাদ কৰিবলৈ শিকাইছে। তেওঁৰ সংবেদনশীল অন্তৰত শ্ৰম-জীৱনৰ প্ৰতি সহানুভূতিৰ সৃষ্টি হৈছে। নগৰ-চেতনাৰ ইংগিতো তেওঁ দিছে। 'মহানগৰত কৃষ্ণাৰ্জুন' কবিতাৰ প্ৰতিপাদ্য নগৰ-জীৱনৰ পংকিলতা আৰু বৈষম্য। এই কবিতাত মিথৰ সহায়ত আধুনিক অৱক্ষয়ৰ সংকেত দিবলৈ কবিয়ে চেষ্টা কৰিছে। 'জতুগৃহত এৰাতি'তো মহাকাব্যৰ সমলেৰে সাম্প্ৰতিক বাস্তৱৰে ব্যাখ্যা দিয়া হৈছে। 'জতুগৃহ' যেন ধৰিত্ৰীৰ সূতিকা-গৃহ তাত হোৱা মৃত্যুৰ আস্ফালন আৰু 'অপহৃতা-অসুৰাৰ কিৰিলি কৰাছ' কবিৰ মনৰ কাণত পৰিছেহি। এলিয়টৰ কবিতাৰ উদ্ধৃতি শিতানত থৈ তেওঁ ইতিহাসৰো এটা সংজ্ঞা দিবলৈ যত্ন কৰিছেঃ

তেৱেঁই অতীত হেনো, তেৱেঁই সম্প্ৰতি,  
তেওঁ হেনো অনাগত কাল,  
সজাগ মনেৰে তেওঁক সময় থাকোতে  
পাৰোমনে চিনি থোৱা ভাল।

ইতিহাসৰ গতি-বিধি বুজা সহজ নহয়; সন্ত্ৰাসৰ মাজতো বতাহ আৰু আঁহত পাতৰ লগত ৰ'দে চুপতি মাৰে। ইতিহাসৰ এই বৈপৰীত্য কবিয়ে মানি লৈছে যদিও কবিয়ে বিচাৰিছে সৰ্বত্ৰ প্ৰেমৰ, সুন্দৰৰ উদ্ভাস। কাৰণ পৃথিৱীৰ প্ৰতি তেওঁৰ ভালপোৱা অসীম। তাৰ বাবে নিৰ্দয় দেৱতাক হানিবলৈ, স্থিতিৰ ঠাইত গতিক প্ৰতিষ্ঠা কৰিবলৈ কবিয়ে সংকল্প লৈছে। নাৰীৰ লাবণ্য তেওঁৰ কবিতাৰ বিষয় বস্তু হৈছে; তাৰো অৰ্থ জীৱনৰ আকুতিহে। জীৱনক অৰ্থবহ কৰাৰ সমস্যাই তেওঁৰ কবিতাৰ ঘাই বক্তব্য; প্ৰকৃতি, মৃত্যু প্ৰভৃতিয়ে তেওঁৰ কবিতাত পৰোক্ষ ভূমিকাৰে মূল প্ৰসংগক পুষ্ট কৰিছে।

'অবুজ' নামৰ কবিতাৰ লিৰিকেল ভংগী, আন আন কবিতাত ঘৰুৱা শব্দৰ যথাৰ্থ প্ৰয়োগ, অনুপ্ৰাসৰ দ্যোতনা, তেজীমলা, চিলনী জীয়েকৰ সাধু, নিচুকণী গীত, প্ৰাচীন মিথ বা প্ৰতীক, শংকৰদেৱৰ বৰগীত আদিৰ সহায়ত আধুনিক জীৱনৰ ইংগিত। সৰ্বতোপৰি বহু পৰ্ববিশিষ্ট পয়াৰ, হ্ৰস্ব-দীৰ্ঘ মাত্ৰাৰ পৰ্ব যুক্ত সমিল মুক্তকৰ সাৱলীলতাই তেওঁৰ কবিতাৰ ভাষাক নতুন মাত্ৰা দিছে। অৱশ্যে তেওঁৰ বিৰুদ্ধে মৃদু অভিযোগো আছে। অধিকাংশ ক্ষেত্ৰতে তেওঁ সংযত যদিও, ঠায়ে ঠায়ে যে শব্দ-বাহুল্য হোৱা নাই, এনে নহয়। তদুপৰি, কেৱল মিলৰ বাবেই একোটা শব্দৰ মোহত পৰা স্বভাৱ সদায় হিতকৰ নহয়। এইটো চলি থাকিলে অৱশেষত সি mamerism-ত পৰিণত হবগৈ পাৰে। অৱশ্যে, এনে আসোঁৱাহ বৰ বেছি নহয়। ফুকনে কেইবাটাও কবিতাৰ শিতানত বিদেশী কবি আৰু লেখকৰ উদ্ধৃতি একোটা দিছে; ই তেওঁৰ অধ্যয়নশীলতাৰ পৰিচয় দিয়ে। কিন্তু, বিদেশী ধ্বনি-প্ৰতিধ্বনি শুনি শুনিও, অসমীয়া কবিতাই ভাবে-ভাষাই অসমীয়া সাজত দেখা দিলেহে আমি কবিতাক পাঠকৰ মাজলৈ নিব পাৰিম। বিদগ্ধতা আমাক লাগে, কিন্তু তাৰ লগতে বস্তুনিষ্ঠতা, সামাজিক আৰু মানসিক প্ৰয়োজন সমূহলৈও আমি লক্ষ্য কৰাটো ভাল। ফুকনৰ কবিতাৰ ইমেজ নিতান্ত ব্যক্তিগত নহয়, কিয়নো তেওঁ 'বেয়া বতৰ', 'মাতাল সময়'ৰ কবি। তেওঁৰ 'সুন্দৰৰ আয়তন' বঢ়োৱাৰ যি হেঁপাহ সি আন্তৰিক, কিন্তু 'মই', 'তাইৰ হত্যাত মোৰ কবিতা', 'জতুগৃহত এৰাতি', 'ক্ষুব্ধ হৃদয়', হৈমন্তিক' আদি কবিতাত কল্পনা-প্ৰতিভাৰ যি স্বাক্ষৰ আছে, তেনে সৃষ্টিশীলতাৰ আভাস আটাইবোৰ কবিতাতে সমানে আছে বুলি ক'ব নোৱাৰি।

কিন্তু, এইবোৰ আসোঁৱাহ সামান্য। প্ৰথম সংকলনতে ফুকনৰ স্বতন্ত্ৰ খোজৰ উমান পোৱা গৈছে। কবিতা-আশ্ৰয়ী গদ্যতকৈ সমিল মুক্তক বা মিলযুক্ত পয়াৰৰ পৰীক্ষা-নিৰীক্ষা, শব্দ-চয়নৰ বিশেষ ভংগী, পৰিচিত উপমা-উৎপ্ৰেক্ষাৰ আধাৰত উৎসমুখী মানৱীয় প্ৰৱণতাক দাঙি ধৰাত ফুকন সামগ্ৰিক ভাবে সফল হৈছে বুলি ক'ব পাৰি। তেওঁৰ চিন্তাই যি ছদ্মবেশ লৈছে সি মায়াবৃত নহয়, তাক মৃদুভাবে ৰহস্যময় বোলাই ভাল, – সহৃদয় দীক্ষিত পাঠকে তাৰ ব্যঞ্জনাৰ সোৱাদ সহজেই লব পাৰিব। আমি ফুকনৰ কবিতাৰ চৰিত্ৰ-দীপ্তি আৰু উজ্জ্বল আৰু গভীৰ হব বুলি আশা কৰিছো।

পুথিখনৰ বেটুপাত, ছপা-বন্ধা আটক-ধুনীয়া। তাৰ বাবে শিল্পী আৰু প্ৰকাশক নিশ্চয় শলাগৰ পাত্ৰ। আমি পুথিখনৰ বহল প্ৰচাৰ কামনা কৰিছো।

**এনেকৈয়ে দিন, এনেকৈয়ে ৰাতিঃ**  
**কবিন ফুকন**  
**অংকুৰ-আবিৰ প্ৰকাশন**  
**পষ্ট-বক্স-১**  
**ডিব্ৰুগড় বিশ্ববিদ্যালয়-৪**





# গল্পত সমকালীনতাৰ নক্সা

পদ্মপাণি মহন্তৰ 'চেগুন পুলি ৰুব কোনে' পঢ়ি ধাৰণা হৈছে, তেওঁ গল্পৰ মাজত সাময়িকতাক ধৰি ৰাখিবলৈ আন্তৰিকতাৰে চেষ্টা কৰিছে। তেনে কৰোতে, গল্পবোৰ একোটা বিশেষ মুহূৰ্তৰ নক্সা যেন হৈছে। স্বাভাৱিকতে এনে ধৰণৰ নক্সাত গল্পৰ আদি, মধ্য আৰু অন্ত বিচাৰি লাভ নহয়, লেখকে তেওঁৰ বিচিত্ৰ অভিজ্ঞতাৰ একোট টুকুৰাৰ শব্দ-চিত্ৰহে আঁকিবলৈ প্ৰয়াস কৰিছে। গল্প লিখাৰ ইও এক কৌশল। এই কৌশলত লেখক সফল হৈছে বুলিয়েই ক'ব লাগিব।

অৱশ্যে এই কৌশলেই একমাত্ৰ মাপকাঠি নহয়, তাৰ লগত লেখকৰ অভিজ্ঞতা, অনুভৱ আৰু জীৱন-দৃষ্টিৰো প্ৰয়োজন আছে। পদ্মপাণিৰ অভিজ্ঞতাৰ ভঁৰাল চহকী; সিয়েই তেওঁক গল্পৰ উপাদান যোগাইছে। তেওঁৰ জীৱন-দৃষ্টিও আছে– এনে এক দৃষ্টিয়েই তেওঁৰ গল্পবোৰৰ গাঁথনিত পোহৰ পেলাইছে। এই নক্সা সমূহৰ মাজত কেতিয়াবা লোকচক্ষুৰ আঁৰে আঁৰে লেখক নিজেও আছে। স্বকীয় আত্ম-বিশ্লেষণৰ ইংগিত আছে, তদুপৰি আছে আমোলাতন্ত্ৰৰ নিৰ্মমতা, মধ্যবিত্তৰ দুমুখীয়া স্বভাৱ, ফোপোলা ৰাজনীতি, অকপট সমাজ-সেৱা, শিক্ষাভিমান, মানৱীয় অনুভূতি অসম আন্দোলনৰ প্ৰমূল্যহীনতা আৰু ভৱিষ্যত চিন্তাৰ ইংগিতময় নিদৰ্শন। এনেবোৰ প্ৰসংগক প্ৰচ্ছন্ন ব্যংগ আৰু কাৰুণ্যৰ স্পৰ্শেৰে সৰস আৰু উজ্জ্বল কৰাৰ প্ৰয়াসো নোহোৱা নহয়। তথাপিও, এটা কথা ক'ব লাগিব। আৰু অধিক পৰ্যবেক্ষণ হ'লে, তেওঁৰ ৰচনাৰ ভেটি প্ৰশস্ত আৰু গভীৰ হব। এই আশা আমি কৰিব পাৰো।

সৰ্বমুঠ তেৰটা গল্পৰ সমষ্টি এই সংকলনটো পদ্মপাণিৰ প্ৰথম ৰচনা। প্ৰথম ৰচনা হ'লেও, তেওঁ প্ৰতিশ্ৰুতিসম্পন্ন গল্পকাৰ। 'নিৰুত্তৰ' গল্পত বৃন্দাবনৰ মানৱীয় অনুভূতিৰ ইংগিত দিয়াত তেওঁ সফল হৈছে। 'বোকাখাতৰ পেৰা'ত দেখুওৱা হৈছে আজিৰ সমাজত সততাৰ স্থান নাই। পুলিচৰ চাকৰিত সোমাই ফটিক ভিতৰৰ দুৰ্নীতিৰ চক্ৰ দেখি অবাক হৈছে আৰু আত্ম-বিশ্লেষণৰ সহায়ত পুলিচৰ চাকৰি ত্যাগ কৰিছে। চৰিত্ৰবান শিক্ষক চন্দ্ৰ খুৰাক, যাৰ আদৰ্শত ফটিক এদিন উদ্বুদ্ধ হৈছিল, শেষ সময়ত লাগি-মেলিও চৰকাৰী সাহায্য দিয়াবলৈ ফটিক সমৰ্থ নহ'ল। পইছাৰ কাৰণে নিয়োগ-পত্ৰ দিয়াত লেহেম কৰা এজন অৱসৰপ্ৰাপ্ত বিষয়াই দোষ স্বীকাৰ কৰি চাকৰিলৈ ওলোৱা পুতেকক তেনে নকৰিবলৈ পৰামৰ্শ দিছে 'দীক্ষা' গল্পত। 'ল'ৰাৰ অন্নপ্ৰাশন' গল্পত বিচ্ছিন্ন আমোলাতন্ত্ৰৰ অমানৱীয় চৰিত্ৰ উদঙাই দেখুওৱা হৈছে। কেতিয়াবা বৰ বৰ বিষয়াই দোষ কৰে, সেই দোষ মূৰ পাতি লবলগীয়া হয়গৈ কোনোবা তলতীয়া কৰ্মচাৰীয়ে। ইয়াৰ কাৰণ কি? লেখকে দেখুৱাইছে নিজৰ সুনাম ৰক্ষা কৰাৰ বাবেই ডাঙৰ বিষয়াই তলতীয়া কৰ্মচাৰীক কলংকৰ বোজা জাপি দিয়ে আৰু তলতীয়া কৰ্মচাৰীয়ে ওপৰৱালাৰ সুনাম ৰক্ষাৰ বাবে শাস্তি লবলৈ বাধ্য হৈ পৰে। এনে এক ঘটনা ঘটিছে 'সুনাম' গল্পত। আনহাতে 'মৰা কুকুৰ' নামৰ গল্পত তথাকথিত বাবু সংস্কৃতি আৰু যথাৰ্থ মানৱীয় অনুভূতিৰ বৈপৰীত্য দেখুওৱা হৈছে। এই বাবু সংস্কৃতিয়ে সমাজৰ দুৰ্গন্ধবোৰ আঁতৰোৱাৰ কথা নেভাবে, সেই কথা ভাবে সাধাৰণ শ্ৰেণীৰ মানুহেহে। প্ৰফেচাৰ জনে যাক 'আনকালচাৰ্ড' বুলি কৈছে, সেই কৃষ্ণকান্তইহে 'মৰা কুকুৰ'টো পুতিবলৈ ল'লে– কাৰণ তাক পুতি নথলে মানুহৰ অপকাৰ হব। অথচ বাবু-সংস্কৃতিৰ ধাৰক-বাহক সকলেই সমাজ সেৱাৰ ভাষণ দি ফুৰে। 'পলাতক' গল্পত ৰাজহুৱা কামত নিজক উছৰ্গা কৰা এজন ডেকা ডাক্তৰৰ তেজত শ্বেত-কণিকা দেখি গল্পৰ নায়িকা বিহ্বল হৈ উঠিছে। মানুহৰ প্ৰতি মানুহৰ দৰদ আৰু সহানুভূতি গল্পটোৰ বৈশিষ্ট্য। মন্ত্ৰী-মুদাগৰক ওখ-খাপৰ বিষয়ায়ো যে ভয় কৰে, বা তেওঁক সন্তুষ্ট ৰাখিবলৈ যত্ন কৰে- এনে এক মনোভাৱ দাঙি ধৰা হৈছে 'মুখ্যমন্ত্ৰীৰ মোমায়েক' নামৰ গল্পত। অৱশ্যে, গল্পৰ নায়কে তেওঁৰ এই ভুলটো পিছলৈ বুজিব পাৰিছে। এক ভুলৰ শুধৰণি হৈছে 'একাত্মতা' গল্পতো। এই গল্পৰ নায়ক এজন ডাক্তৰ, তেওঁ সাধাৰণ দুখীয়া বুঢ়া এজনৰ নাতিৰ চিকিৎসাৰ বাবে পইছা লৈছিল, অথচ, সেইজন বুঢ়ায়েই ডাক্তৰৰ ল'ৰাৰ চিকিৎসাৰ বাবে মানিমুনি শাক যোগান ধৰিছিল। বুঢ়াৰ কষ্টৰ সংসাৰ, পইছাৰ নাটনি,– এইবোৰ কথা ডাক্তৰৰ মনলৈ বাৰে বাৰে আহিছে আৰু বুঢ়াৰ পৰা





OKDISCD

লোৱা পইছা কেইটা যে কিমান দুখৰ সেই কথা ভাবি ডাক্তৰৰ অনুশোচনা হৈছে। এহাতে প্ৰাচুৰ্য আৰু আনহাতে দৰিদ্ৰতা এই সামাজিক বৈষম্য যে অমানৱীয় এই করুণ উপলব্ধিয়েই গল্পটোৰ সাৰমৰ্ম। 'গান্ধীবাদী' গল্পতো সাধাৰণ মানুহৰ মানৱতাবোধৰ বিপৰীতে তথাকথিত ৰাজনৈতিক নেতাৰ আত্মম্ভাৰিতা দেখুওৱা হৈছে। অৱশ্যে, ইয়াতো অনুশোচনাৰে নেতাজনে নিজক পৱিত্ৰ ৰাখিবলৈ চেষ্টা কৰিছে।

'আই মোক নে?' এটা ভাল গল্প। ঘৰত জুই লগাত অন্যান্য বস্তু-বাহানি উলিওৱা হ'ল, কিন্তু 'আই মোক নে' বুলি মাতি থকা পোহনীয়া ভাটৌ চৰাইটোক উলিয়াবলৈ কাৰো অৱসৰ নহ'ল। জীৱ-জন্তুৰ প্ৰতি মৰম হয়তো গল্পটোৰ প্ৰতিপাদ্য, কিন্তু, মানুহৰ স্বাৰ্থপৰতা আৰু দয়া-মায়াহীনতাৰ এখন ছবিও ইয়াত পৰোক্ষভাবে দেখুওৱা হৈছে। শেষ গল্প 'চেগুন পুলি ৰুব কোনে'ত ভৱিষ্যত সম্বন্ধে চিন্তা কৰাটো যে মানুহৰ কৰ্তব্য তালৈ লেখকে আঙুলিয়াই দিছে; কাৰণ, এনে এক বোধৰ তীৰ্থত স্নান কৰিহে মানুহে মানৱীয় সত্তাক জীয়াই ৰাখিব পাৰে।

পদ্মপাণিৰ গল্পত নায়কবোৰৰ এটা নিৰ্দিষ্ট চৰিত্ৰ আছে। প্ৰায়বোৰেই অপকৰ্মত জড়িত হৈও নিজক শুধৰোৱাৰ মানসিকতা অৰ্জন কৰিছে। আপাত সৰল সংক্ষিপ্ত আয়তনৰ মাজত কেইবাটাও গল্প, বিশেষকৈ 'মৰা কুকুৰ', 'আই মোক নে', 'পলাতক', 'দীক্ষা', 'একাত্মতা'– খন্ড মুহূৰ্তৰ চিত্ৰ হিচাপে সাৰ্থক হৈছে। লেখকৰ আন এটি বিশেষত্ব হৈছে, নিজে স্বপ্ন দেখাতে তেওঁ আবদ্ধ হৈ থকা নাই, স্বপ্ন দেখুওৱাটোও তেওঁৰ লক্ষ্য হৈছে। এইখিনি গুণ-সত্বেও, আমি আকৌ দোহাৰিছো লেখকে তেওঁৰ ৰচনাক গভীৰতৰ মাত্ৰা দিবলৈ যত্ন কৰিব লাগিব।

পুথিখনৰ বেটুপাত আটকধুনীয়া, ছপা-বন্ধাও ভাল। বৰ্ণাশুদ্ধিও বেছি নাই; দুই এটা অ'ত ত'ত চকুত পৰিছে। সেইবোৰ পৰবৰ্তী সংস্কৰণত শুধৰালে ভাল হব। আমি পুথিখনৰ বহুল প্ৰচাৰ কামনা কৰিছো।

চেগুন পুলি ৰুব কোনেঃ
পদ্মপাণি
প্ৰকাশকঃ
প্ৰতাপ গোস্বামী
দীপজ্যোতি প্ৰকাশন
হেলেম, শোণিতপুৰ

# 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদঃ

## কিছু প্ৰাসঙ্গিক চিন্তা

সঞ্জীৱ কলিতা

অসম নাট্য সন্মিলনে ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদ প্ৰকাশৰ প্ৰস্তুতি চলাই আছে বুলি বাতৰি ওলাইছে। সন্দেহ নাই যে ইয়াৰ ফলত এটা বহুদিনীয়া অভাৱ পূৰণ হ'ব। অসমত আজিকালি নাট্যোৎসাহী যুৱক-যুৱতীৰ সংখ্যা বাঢ়িছে। কিন্তু আগ্ৰহ থকা সত্বেও এওঁলোকে অসমীয়াত লাগতিয়াল কিতাপপত্ৰ পঢ়িবলৈ বিচাৰি নেপায়। 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদে এই উৎসাহী যুৱক-যুৱতী সকলৰ জ্ঞান পিপাসা কিছু হলেও পূৰণ কৰিব। নাট্য সন্মিলনৰ এই উদ্যোগত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰো যথেষ্ট উপকাৰ হ'ব।

কিন্তু ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদৰ প্ৰকৃত সুফল পাবলৈ হলে অনুবাদ কৰ্ম নিখুঁত আৰু সৰ্বাঙ্গ সুন্দৰ হোৱাটো বাঞ্ছনীয়। অৱশ্যে আমি আগে ভাগে নিখুঁত নহবই বুলি ধৰি লোৱা নাই আৰু ধৰি লোৱাটো অনুচিতো হ'ব। কিন্তু সতৰ্কতাৰ প্ৰয়োজন আছে। 'নাট্যশাস্ত্ৰ'ৰ সম্পৰ্কত বা আধাৰত অসমীয়াত ইতিমধ্যে দুই চাৰিটা প্ৰবন্ধ ওলাইছে। প্ৰবন্ধ বিলাকৰ লেখক সকল যথেষ্ট গুণী জ্ঞানী শ্ৰদ্ধেয় লোক। তত্ৰাচ কোনোটো প্ৰবন্ধত কিছুমান সংস্কৃত শ্লোকৰ যি অসমীয়া অনুবাদ তেখেত সকলে কৰিছে তাত প্ৰকৃত তাৎপৰ্যৰ এনে বিভ্ৰান্তি ঘটিছে যে ক'ৰবাৰ কথা ক'ৰবাত সোমাইছেগৈ। আমি নিজে সংস্কৃত ভাষা ভালকৈ জনা মানুহ নহওঁ যদিও 'নাট্যশাস্ত্ৰ'ৰ বাংলা আৰু ইংৰাজী অনুবাদৰ লগত মিলাই অৰ্থৰ এই অসঙ্গতি উদ্‌ঘাটন কৰাত সিমান কষ্ট হোৱা নাই। দুটামান উদাহৰণ দিওঁ। উদাহৰণ কেইটা প্ৰকাশ আলোচনীৰ জুন ১৯৮৮ সংখ্যাত প্ৰকাশিত এটা প্ৰবন্ধৰ পৰা লোৱা হৈছে।

'নাট্যশাস্ত্ৰ'ৰ সপ্তম অধ্যায়ৰ তিৰান্নবৈ নম্বৰ শ্লোকটোৰ টীকাত এটা বাক্য আছে। বাক্যটো হ'ল – 'মনঃ সমাধানাচচ সত্ব নিষ্পত্তিৰ্ভবতি।' উল্লিখিত প্ৰবন্ধটোত প্ৰবন্ধকাৰে এই বাক্যটোৰ অসমীয়া অনুবাদ কৰিছে – 'মনৰ সমাধানৰ কাৰণে সত্বগুণ নিষ্পন্ন হয়' – এই অনুবাদটোৰ কিবা অৰ্থ আছে বুলি পতিয়ন যাবলৈ আমি টান পাইছো। বাংলা আৰু ইংৰাজী অনুবাদত আছে – মনৰ সমাহিত ভাবৰ পৰা সত্ব নিষ্পন্ন হয়। অভিনয় শিল্পৰ প্ৰসংগত এইটোহে শুদ্ধ অনুবাদ হ'ব। ইয়াৰ প্ৰমাণ বিখ্যাত অভিনয় তত্ববিদ ষ্টেনিচ্‌লাভস্কিৰ 'চাইক' টেকনিক' নামৰ পদ্ধতিত পোৱা যায়। ষ্টেনিচ্‌লাভস্কিয়ে যিটোক concentrated state of mind অৰ্থাৎ মনঃসংযোগ বুলি ক'ব খুজিছে তাকে ভৰত মুনিয়ে সত্ব বুলি অভিহিত কৰিছে। কিন্তু অসমীয়া নিবন্ধকাৰে 'মনৰ সমাধানৰ কাৰণে সত্বগুণ নিষ্পন্ন হয়' বুলি জোৰ জবৰদস্তি কৰি গীতাৰ সত্ব ৰজঃতমঃৰ ফালে অৰ্থ টানি লৈ যোৱাত অভিনয় তত্ব হিচাপে ভৰত মুনিৰ বাক্যটোৰ প্ৰকৃত তাৎপৰ্য হেৰাই গৈছে।

অনুৰূপ আন এটা বাক্য – সত্বে কাৰ্যঃ প্ৰযত্নস্তু নাট্যং সত্বে প্ৰতিস্থিতম্‌। (নাট্যশাস্ত্ৰ xxiv-১) একেটা প্ৰবন্ধতে এই বাক্যটোৰ অসমীয়া অনুবাদ কৰা হৈছে এই বুলি – সাত্বিক গুণৰ উদ্ভাৱনত প্ৰযত্ন কৰিব লাগে কাৰণ সত্বৰ ওপৰত নাট্য প্ৰতিষ্ঠিত। আমি ইঙ্গিত দিছোৱেই যে গীতাত বৰ্ণিত 'সাত্বিক গুণ' আৰু 'নাট্যশাস্ত্ৰ'ৰ সত্ব বা সাত্বিক অভিনয় একেটা বস্তু নহয়। ভৰত মুনিয়ে আন এঠাইত অব্যক্ত ভাবক সত্ব বুলি অভিহিত কৰিছে। তেনেকুৱা অব্যক্ত অৰ্থাৎ কথা, বচন বা অংগভঙ্গীৰে প্ৰকাশ কৰিব নোৱৰা সাতটা ভাব তেওঁ চিহ্নিত কৰিছে –যেনে ঘাম, অবশ ভাব, অশ্ৰু, মূৰ্ছা ইত্যাদি। এই বিলাক সাত্বিক ভাব আৰু ইয়াৰ অভিনয়েই হ'ল 'নাট্যশাস্ত্ৰ' বৰ্ণিত সাত্বিক অভিনয়। এই ভাববোৰৰ অভিনয় কৰিবৰ বাবে অভিনেতাজনৰ মনৰ সমাহিত অৱস্থা অৰ্থাৎ নিঃছিদ্ৰ concentration লাগিব। অন্যথা কোনেও মঞ্চৰ ওপৰত করুণ ৰসসিক্ত অশ্ৰু বা ভয় জনিত কপালৰ বিন্দু বিন্দু ঘামৰ টোপাল বাহিৰ কৰিব নোৱাৰে। মনৰ যি সমাহিত বা concentrationৰ স্তৰত এই ভাববোৰ প্ৰকাশ কৰা সম্ভৱ তাকে সত্ব বোলা হৈছে আৰু এই শক্তিটো অভিনেতাই যত্ন কৰি আয়ত্ত কৰিব লাগিব। আনকথাত, প্ৰকৃত নাট্য চৰ্চা চেলেংপেটেং মানুহৰ কৰ্ম নহয়। পৰিশীলিত সমাহিত মনৰ গুৰুত্ব ইয়াত অপৰিসীম। গতিকে ক'ব পাৰি নাট্য সত্বত প্ৰতিষ্ঠিত। কিয়নো ইন্দ্ৰিয়াৰ্থশ্চ মনসা ভাব্যতেহ দুভাবিতম। অৰ্থাৎ ইন্দ্ৰিয় গ্ৰাহ্য বিষয় মনৰ দ্বাৰা ভাবিত হয় আৰু মনশূন্য ব্যক্তিয়ে ইন্দ্ৰিয় গ্ৰাহ্য বিষয় নুবুজে। গোটেই কথাখিনিত অভিনেতাৰ মন আৰু মননশীলতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু এইটোহে আমাৰ ধাৰণাত ভৰত মুনিৰ আচল বক্তব্য। অথচ অভিনেতা হবৰ বাবে অভিনেতাজন সাত্বিক গুণৰ অৰ্থাৎ ৰজঃ তমঃৰ পৰা মুক্ত কিবা সাধু সাধু গন্ধী হ'ব লাগে ধৰণৰ অৰ্থ এটাহে নিবন্ধকাৰৰ অনুবাদত ফুটি উঠিছে যিটো আমি ভাবো ভ্ৰান্ত।

ওপৰত দিয়া উদাহৰণ দুটাত আমাৰ কাকো সমালোচনা কৰাৰ অভিপ্ৰায় নাই। 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদ কৰ্মত যে যথেষ্ট সতৰ্কতাৰ প্ৰয়োজন আছে তাকে প্ৰতিপন্ন কৰিবৰ বাবেহে উদাহৰণ দুটা দিব লগা হ'ল, কিয়নো যিজন নিবন্ধকাৰৰ ৰচনাৰ পৰা নমুনা দুটা লোৱা হৈছে তেখেত আমাৰ বিদ্বান মহলত সংস্কৃত ভাষাৰ পন্ডিত হিচাপে জনাজাত ব্যক্তি। তেখেতৰে যদি এনে ভাষাগত আৰু দৃষ্টিভঙ্গীগত ভ্ৰান্তি হ'ব পাৰে তেনে আনৰো পাৰে। 'নাট্যশাস্ত্ৰ' যিহেতু নাটক আৰু অভিনয় সম্পৰ্কীয় তাত্বিক গ্ৰন্থ সেইবাবে অনুবাদক জন প্ৰাচীন আৰু অৰ্বাচীন বিভিন্ন অভিনয় তত্বৰ সম্যক ধাৰণা থকা ব্যক্তি হলে সুবিধা। কিন্তু দুৰ্ভাগ্যবশতঃ অসমত নাটক আৰু অভিনয় তত্বৰ চৰ্চা ইমান নিঃকিন যে তেনে ব্যক্তি প্ৰায় দুৰ্লভ। গতিকেই যথেষ্ট চিন্তা চৰ্চা আৰু সতৰ্কতা অৱলম্বন নকৰিলে গ্ৰন্থখনৰ অনুবাদে যিকোনো ৰূপ লোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। তেতিয়া সি শাস্ত্ৰ হলেও হ'ব পাৰে, নাট্যতত্ব হোৱাৰ পৰা নিলগত থাকিব।

দ্বিতীয়তে, 'নাট্যশাস্ত্ৰ'ৰ অসমীয়া অনুবাদত অভিনব গুপ্তৰ টীকা ভাষ্যখিনি সংযোজন কৰা হবনে নহয়। আহুকাণে পহুকাণে শুনামতে অসমীয়া অনুবাদ দুটা খন্ডত উলিয়াবলৈ পৰিকল্পনা কৰা হৈছে। বাংলা অনুবাদ চাৰিটা খন্ডৰ। গতিকে ঠাইৰ অকুলন হ'ব বুলি ভাবি হয়তো অভিনব গুপ্তৰ টীকা ভাষ্য বাদ দিয়াৰ কথাই চিন্তা কৰিব। কিন্তু আমাৰ পৰামৰ্শ হ'ল সেই টীকা ভাষ্যখিনি যেন বাদ দিয়া নহয়। 'নাট্যশাস্ত্ৰ'ৰ মূল সংস্কৃত পাঠৰ কোনো কোনো অংশ বেচ দুৰ্বোধ্য বুলি অনেক পন্ডিতৰ অভিমত। আনকি টীকা ভাষ্যৰ সহায়তো সেই দুৰ্বোধ্য অংশবোৰৰ প্ৰসংগ সংগতি ৰক্ষা কৰা টান। তেনেস্থলত টীকা ভাষ্য সমূলি নেথাকিলে অৰ্থোদ্ধাৰ ঠায়ে ঠায়ে দুৰূহ হ'বগৈ পাৰে। তদুপৰি এই গ্ৰন্থখনৰ অধ্যায় বিলাকৰ যিটো ক্ৰম, অৰ্থাৎ কোনো এটা অধ্যায় প্ৰকৃততে ন নম্বৰ হ'ব লাগেনে পঁচিশ নম্বৰ হ'ব লাগে এই লৈও খেলিমেলিৰ অন্ত নাই। সেইদৰে কিছুমান শ্লোকৰ স্থান আচলতে কোনটো অধ্যায়ত হ'ব লাগে সেইটোও বহুত পন্ডিতক বিপাঙত পেলোৱাৰ কাৰণ। ভৰত মুনিৰ মূল পাঠৰ কিছুমান শ্লোক (আনকি অধ্যায়ো, কাৰণ কাৰোবাৰ মতে 'নাট্যশাস্ত্ৰ'ৰ ছয়ত্ৰিশটো অধ্যায় আৰু কাৰোবাৰ মতে আঠত্ৰিশটা) বিভিন্ন অনুলেখকে বাহুল্য জ্ঞানে বা মতাদৰ্শগত অমিলৰ কাৰণে বাদ দিয়াটোও বিপত্তিৰ হেতু। অভিনব গুপ্তই নিজেও হেনো হাত ফুৰাই কিছুমান শ্লোক বাদ দি থৈছে সেই এঘাৰ শতিকাতে। সকলো মিলি এই আশ্চৰ্য সুন্দৰ গ্ৰন্থখনৰ পাঠ ঠায়ে ঠায়ে জটিল হৈ পৰিছে। তথাপি টীকা ভাষ্যখিনি থাকিলে সেই জটিলতাৰ জঁট ভঙাত সহায়ক হ'ব বুলি আশা কৰিব পাৰি।



বাংলা অনুবাদৰ প্ৰতিটো খন্ডৰে পৰিশিষ্টত কেতবোৰ মূল্যবান প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। আমি আশা কৰিম অসম নাট্য সন্মিলনেও যাতে কেইটামান সুলিখিত প্ৰবন্ধ প্ৰতিটো খন্ডৰে পৰিশিষ্ট হিচাপে সন্নিবিষ্ট কৰিবলৈ নেপাহৰে। এই ক্ষেত্ৰত গতানুগতিক প্ৰশস্তিমূলক নিবন্ধতকৈ ক্ৰিটিকেল আলোচনা বিলোচনাহে বোধহয় অধিক আদৰণীয় হ'ব। শাস্ত্ৰ শব্দটো শুনিলেই আমাৰ বহুতৰ চকু মুদি আঠুলোৱা অভ্যাস – কিন্তু আৰম্ভণীৰ কিছুমান বেবেৰিবাং ধৰ্মমূলক কথা বাদ দিলে ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ' যে চৰক সংহিতা আদিৰ দৰেই ভিন্ন বিষয়ৰ বিজ্ঞান সন্মত গ্ৰন্থ সেইটো প্ৰতিপন্ন কৰাটোহে দৰকাৰী কথা। গোড়া ধৰ্মীয় নেতা সকলৰ ৰোষৰ হাত সাৰিবলৈ আৰ্যভট্টই চৌধ্য কোটি দেৱতাৰ স্তুতি গায় ৰাহুৱেহে চন্দ্ৰক গিলে বুলি লেখি পিছ মুহূৰ্ততে চন্দ্ৰৰ ওপৰত পৃথিৱীৰ ছাঁৰ ডায়মিটাৰ গণনা কৰিবলৈ লাগি যোৱা কথাটোৱে আল্‌বেৰুণীক বৰ আচৰিত কৰিছিল। কোনে জানে, ভৰত মুনিয়েও হয়তো 'নাট্যশাস্ত্ৰ'ৰ প্ৰথম দুটামান অধ্যায় সমাজৰ প্ৰভু সকলক সন্তুষ্ট কৰিবলৈকে লেখিব লগা হৈছিল। কাৰণ 'মনুসংহিতা' প্ৰভৃতিত যি সোতৰটা বৃত্তিৰ মানুহক অস্পৃশ্য জ্ঞান কৰি তেওঁলোকৰ হাতৰ পানী পৰ্যন্ত নচুবলৈ নিৰ্দেশ দিয়া হৈছিল তাৰ ভিতৰত এটা আছিল নট্‌ – অভিনেতা। 'নাট্যশাস্ত্ৰ' সেই অভিনেতাৰ বৈচিত্ৰ্যপূৰ্ণ সৃজনশীল কৰ্মৰে সুলিখিত বিজ্ঞানসন্মত ব্যাকৰণ, য'ত আনকি আধুনিক মনোবিজ্ঞানৰো দুই চাৰি উপাদান দুৰ্লভ নহয়। চেকুলাৰিজম বা কোনো কোনো ক্ষেত্ৰত ধৰ্মীয় নাস্তিক্য ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'ৰ বৰ মনকৰিবলগীয়া বৈশিষ্ট্য।

যি কি নহওক, অসম নাট্য সন্মিলনে এনে এখন গ্ৰন্থৰ অনুবাদ প্ৰকাশ কৰিবলৈ আগবাঢ়ি নিঃসন্দেহে প্ৰশংসনীয় কাম কৰিছে। অনুবাদটো সঠিক আৰু সুন্দৰ হলেই এতিয়া হয়। সূ

# নিৰুপমা বৰগোহাঞিৰ 'চম্পাৱতী' নাৰী মুক্তিৰ সকীয়নি

অঞ্জলি শৰ্মা

অসমীয়া সাহিত্যত সচেতন ভাবে নাৰীৰ সমস্যাকলৈ ৰচিত সাহিত্য তেনেই কম। আমি জনাত নিৰুপমা বৰগোহাঞিয়ে সচেতন ভাবে নাৰীবাদী দৃষ্টিভংগীৰে ৰচনা কৰা উপন্যাসখনি হ'ল– 'অন্য জীৱন'।

'আজিৰ অসম'ৰ মাহেকীয়া আলোচনীৰ জুলাই ১৯৮৯ সংখ্যাত গোবিন্দ প্ৰসাদ শৰ্মাই নাৰীবাদৰ বিভিন্ন ধাৰা আৰু 'অন্য জীৱন'ত ইয়াৰ প্ৰতিবিম্ব সম্পৰ্কে বহলাই আলোচনা কৰিছে।

নিৰুপমা বৰগোহাঞিৰ সদ্য প্ৰকাশিত (এপ্ৰিল ১৯৯০, প্ৰকাশক সুজিত ভট্টাচাৰ্য, শান্তি প্ৰকাশ, গুৱাহাটী) 'চম্পাৱতী'ও এই নাৰীবাদী দৃষ্টিভংগীৰ ফালৰ পৰাই ৰচনা কৰা হৈছে।

এই উপন্যাসৰ কাহিনী উপস্থাপন কৰা হৈছে উজনি অসমৰ শিৱসাগৰৰ এখন গাঁৱত। দুজন কংগ্ৰেছী বন্ধু জীৱনাথ কাকতি আৰু পূৰ্ণানন্দ হাজৰিকা; এওঁলোকৰ পুত্ৰ শিৱানন্দ হাজৰিকা আৰু দুহিতা চম্পাৱতী কাকতিৰ বিবাহ নাবালক অৱস্থাতে ঠিক কৰি থোৱা হয়।

সময়ত কংগ্ৰেছৰ প্ৰকৃত আদৰ্শৰে উদ্বুদ্ধ জীৱনাথ কাকতিয়ে শিক্ষকতা এৰি নিৰ্বাচনত নমাৰ ইচ্ছা নথকা বাবে তেওঁৰে বন্ধু, শিৱানন্দৰ দেউতাক, পূৰ্ণানন্দ হাজৰিকাক টিকট দিয়ালে। জীৱনাথ কাকতি আৰু চম্পাই তেওঁলোকৰ বন্ধু আৰু ভাবী শহুৰেকক ইলেকচনত জিকাবৰ বাবে দেহে কেহে খাটিছিল। ইলেক্‌চনত পূৰ্ণানন্দ জিকিল। ইলেক্‌চনত জিকাৰ পাছত সাধাৰণতে যি হয়, সেয়ে হ'ল। লংকালৈ যোৱা সকলোবোৰ ৰাৱণেই। পূৰ্ণানন্দও ইয়াৰ ব্যতিক্ৰম নহ'ল। তেওঁৰ কথা আৰু কামত মন্ত্ৰীৰ ভেম তেওঁৰ প্ৰিয় বন্ধু জীৱনাথ কাকতিৰ আগতো আনকি ফুটি উঠে। মন্ত্ৰী হৈ পূৰ্ণানন্দই আগতে ঠিক হৈ থকা বিয়াখন হোৱাত আপত্তি তুলিলে। কিন্তু চম্পাই শিৱানন্দক ইতিমধ্যে ভাল পাই পেলাইছিল। সেয়েহে শিৱানন্দৰ মতামত সুধি জীৱনাথে এখনি পত্ৰ প্ৰেৰণ কৰিলে। শিৱানন্দই চম্পাক বিয়া কৰোৱাৰ কথা দিলে। বিয়া নকৰালেও মনেৰে তেওঁ চম্পাক কেতিয়াবাই পত্নীৰ মৰ্যাদা দিয়া বুলিও জনালে। শিৱানন্দৰ কথাত জীৱনাথ কাকতি বৰ সন্তুষ্ট হ'ল আৰু চম্পা আৰু শিৱৰ বিয়া হৈ গ'ল। এইখিনিলৈকে কাহিনীটো গতানুগতিক।

বিয়াৰ পাছত চম্পা গাঁৱৰ পৰা নগৰৰ শহুৰৰ ঘৰলৈ গ'ল। বিয়াৰ এসপ্তাহ মান পাছত চম্পাৰ শাহুৱেকে অতি সহজ সৰল ভাবে পুতেকৰ মংগল চিন্তা কৰি চম্পাক যি কথা ক'লে সেইখিনি এনেধৰণৰ– শিৱানন্দ দিল্লীত এম এ পঢ়োতে তেওঁৰ অঞ্জনা নামৰ এজনী ছোৱালীৰ লগত সম্পৰ্ক হয়। শাহুৱেকৰ মতে এই ছোৱালীজনীৰ স্বভাৱ চৰিত্ৰ ভাল নহয়। এতিয়াও শিৱই কাম কৰা স্থানীয় কলেজখনতে এই ছোৱালীজনীয়ে কাম কৰে। শিৱক এই ডাইনীজনীৰ কবলৰ পৰা চম্পাই ৰক্ষা কৰিব লাগে। কিন্তু এই কথা শুনাৰ পাছত চম্পাৰ প্ৰতিক্ৰিয়া বেলেগ হ'ল। চম্পাই সমগ্ৰ সত্তাৰে যিজনক ভাল পাইছিল, তেওঁৰ এই প্ৰতাৰণা সহজ ভাবে লব নোৱাৰিলে। চম্পাৰ কথা হ'ল, শিৱৰ মতামত জনাৰ পাছতহে তেওঁলোকৰ বিয়া হৈছে; গতিকে শিৱই এই প্ৰতাৰণা কিয় কৰিব? সেইদিনা ৰাতি যেতিয়া চম্পা শিৱৰ মুখামুখি হ'ল, তাই সেই কথাই সুধিছিলঃ তাইক তেওঁ কিয় বিয়া কৰালে। শিৱই এই কথাৰ উত্তৰত নিজৰ দোষ স্বীকাৰ কৰক চাৰি চম্পাক প্ৰহাৰ কৰি এনে মন্তব্যৰে মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিলে– "তিৰোতা মানুহৰ মতা মানুহৰ আগত এটাই মাত্ৰ ভূমিকা পালন কৰিব লগা আছে, তাতকৈ সিহঁতক বেছি দিবলৈ গ'লে সিহঁতে কুকুৰৰ দৰে একেবাৰে মূৰলৈকে উঠিব খোজে। মই ইমানদিনে সেই বেছি দিয়াৰ ভুলটো কৰি আহিছিলো। কিন্তু আজিৰ পৰা আৰু সেই ভুল নহয়, এই আজিৰ পৰা মোৰ মাত্ৰ পাটীৰ তিৰোতা" (পৃঃ ৬৮)। এনে উক্তিত আমাৰ পুৰুষ প্ৰধান সমাজখনত পুৰুষেই শ্ৰেষ্ঠ–এই বিশ্বাস আৰু দম্ভ প্ৰতিফলিত হৈছে।

কিন্তু আমি চম্পাৱতীৰ মাজত সৰ্বসাধাৰণতকৈ এক বেলেগ ৰূপৰ নাৰীৰ চিত্ৰ ফুটি উঠা দেখিবলৈ পাইছো। সমাজত আৰু ঘৰখনত পুৰুষেই শ্ৰেষ্ঠ, এই বিশ্বাস আমাৰ সমাজত এনেভাবে দৃঢ়বদ্ধ হৈ আছে যে, মানুহে ভাবে পুৰুষৰ সকলো কৰিবৰ অধিকাৰ আছে; নাৰীৰহে নাই। তাৰ ফলত পুৰুষৰ অবিচাৰ, অমানৱীয় ব্যৱহাৰ সহ্য কৰিও আমাৰ সমাজত নাৰীয়ে জীৱন অতিবাহিত কৰে। এনেকি এই ধাৰণা ইমান দৃঢ় যে এনে বন্ধন ছিঙি কোনোবা যদি ওলাইও আহে, তেন্তে নাৰীয়েই সেই নাৰীক তিৰস্কাৰ কৰে। চম্পাৱতীৰ বৰমাকেও নিজৰ জীয়েক ৰেৱতীৰ ভৱিষ্যতৰ বিপদৰ আশংকাত চম্পাৱতীক তিৰস্কাৰ কৰিছিল। কিন্তু চম্পাৱতী যেন অন্য ধাতুৰে গঢ়া। শিক্ষক আৰু সৎ জীৱন যাপন কৰা জীৱনাথে মাউৰী জীয়েকক সৰুতে এটা কথা শিকাইছিল যে অন্যায়ৰ প্ৰতিবাদ কৰাহে প্ৰকৃত মানুহৰ কাম। চম্পাৰ ওপৰত শিৱানন্দৰ অকথনীয় অত্যাচাৰৰ কথা গম পাই লিখা চিঠিত জীৱনাথ কাকতিৰ সুচিন্তিত মত আৰু উপদেশ সুন্দৰভাবে ফুটি উঠিছে। তেওঁ চম্পাক সিহঁতৰ ভগ্নপ্ৰায় দাম্পত্য জীৱনৰ চিন্তা কৰিব লগীয়া সকলো দিশৰ ভাল বেয়া সম্ভাৱনা সম্পৰ্কে আঙুলিয়াই দিছে। তেওঁ চম্পাক নিজৰ জীৱন সম্পৰ্কে সিদ্ধান্ত লোৱাৰ পূৰ্ণ স্বাধীনতা দিয়াৰ লগতে এইটো সোঁৱৰাই দিছে যে এতিয়াও যদি চম্পাই ভাবে, তাইৰ বৈবাহিক জীৱন পুনৰ সুন্দৰ কৰি গঢ়ি লোৱাৰ সময় উকলি যোৱা নাই– তাই সেইটো কৰিব পাৰে। কিন্তু যদি ভাবে, তাৰ কোনো অৱকাশ নাই, তেন্তে এনে অত্যাচাৰৰ বলি হৈ থকাৰ কোনো যুক্তি নাই। কাৰণ যিজনে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ নকৰে, তেৱোঁ সমানেই দোষী। দেউতাকৰ এই চিঠি পাই চম্পাই নিজক প্ৰস্তুত কৰিছিল সকলো সহ্য কৰি জীৱনটো নতুনকৈ গঢ়াৰ বাবে এবাৰ চেষ্টা কৰি চাবলৈ। কিন্তু শিৱানন্দৰ ব্যৱহাৰে তাইৰ এই প্ৰস্তুতিক থান-বান কৰি পেলালে।

তাই তেতিয়াই সিদ্ধান্ত ললে, তাই পুনৰ দেউতাকৰ ওচৰলৈকে ঘূৰি যাব। দেউতাকৰ ওচৰলৈ বুলি গাঁৱলৈ ঘূৰি যোৱাৰ পাছত তাইৰ মৰমৰ গাঁওখনে কিন্তু তাইক আগৰ দৰে গ্ৰহণ নকৰিলে। তাইৰ বৰমাক, তাইৰ ভনীয়েক ৰেৱতীৰ কথাই এই কথা প্ৰমাণ কৰে। এজন সৎ নিষ্ঠাবান শিক্ষকৰ জীৱনৰ আদৰ্শৰে লালিত পালিত হোৱা তাইৰ নিচিনা এজনী ছোৱালীয়ে বৈবাহিক জীৱনৰ মোহ কিয় ত্যাগ কৰিব লগা হ'ল সেই কথা বিচাৰ নকৰি সমাজেও শিৱানন্দহঁতে তাইৰ চৰিত্ৰৰ যি কুৎসা ৰটনা কৰিলে, তাকেই সঁচা বুলি গ্ৰহণ কৰিলে। এইখনেই আমাৰ সমাজ! এইখন সমাজত পুৰুষৰ সকলো কাৰ্যৰ অনুমোদন আছে। কেৱল স্ত্ৰীয়ে কোনো কথাৰ প্ৰতিবাদ কৰিব নোৱাৰিব। তেওঁলোকে বসুমতীৰ নিচিনাকৈ পুৰুষৰ সকলো অত্যাচাৰ সহ্য কৰিব লাগিব। পুৰাণ কাহিনীত বসুমতীৰ ওপৰত অত্যাচাৰ বেছি হ'লে স্বয়ং ভগৱানে শাস্তি দিছিল। কিন্তু আমাৰ সমাজত নাৰীক এনে বিপদৰ পৰা উদ্ধাৰ কৰোতা কোনো নাই। বৰং তেওঁলোকক সমাজৰ ককৰ্থনাই কটা ঘাত চেঙা তেলৰ নিচিনাকৈ বেছিকৈহে যাতনা দিয়ে। চম্পাৰো সেই একেই অৱস্থা।

চম্পাই ঘৰলৈ আহি পুনৰ কলেজত নাম লিখিলে। চম্পাৰ সহপাঠী সাদৰী এতিয়া তাইৰ একমাত্ৰ লগৰীয়া। সাদৰীৰ দেউতাক আৰু ককায়েক সূৰ্য কমিউনিষ্ট আদৰ্শৰ লোক। সূৰ্যৰ অনুপ্ৰেৰণাত সাদৰীয়ে নিজৰ গাঁৱতে নাৰী মুক্তিৰ কাম কিছু কৰিছে। তাই এই কামত চম্পাৰ সহযোগ বিচৰাত, দেউতাকৰ অনুমতি সাপেক্ষে, চম্পাই নিজৰ দৰে আন দুৰ্ভগীয়া নাৰী সকলৰ মুক্তিৰ কামত সহায়ৰ হাত আগবঢ়াইছে। সাদৰীৰ ককায়েক সূৰ্যইও শিক্ষা সাং কৰি নাৰী মুক্তিৰ কামতেই আত্মনিয়োগ কৰাৰ কথা ভাবিছে। এই সূৰ্যই স্কুলত পঢ়ি থকা কালতে ধাননি পথাৰত এদিন চম্পাক এইদৰে জোকাইছিল– "ধানো খাম চাউলো খাম চম্পাৱতীক বিয়া কৰাই ঘৰলৈ যাম।' (পৃঃ ১৩) ইয়াতো সমাজৰ পুৰুষ শ্ৰেণীৰ যুগ যুগৰ বিশ্বাসেই প্ৰকাশ পাইছে। পুৰুষে ভাবে নাৰীৰ সততা, প্ৰেম, পৱিত্ৰতা তেওঁলোকৰ একান্ত প্ৰাপ্য বস্তু। নাৰীয়ে এই সকলোখিনিৰে পুৰুষক আত্মসমৰ্পণ কৰিব লাগে। তেতিয়া শিৱানন্দক মন সঁপি দিয়া চম্পাৰ তীক্ষ্ণ বাক্যবাণে সূৰ্যক ঘূৰি যাবলৈ বাধ্য কৰিছিল। সূৰ্যই অৱশ্যে চম্পাৰ তিৰস্কাৰক নিজকে প্ৰকৃত মানুহ ৰূপে গঢ় দিয়াত এক প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰিছিল। এতিয়া কলেজীয়া শিক্ষা সমাপ্ত কৰি অহা সূৰ্য নতুন আদৰ্শেৰে উদ্বুদ্ধ এক আদৰ্শবাদী যুৱক। চম্পাৰ প্ৰতি আগৰে পৰা এক অনুকম্পা থকাৰ বাবে বা চম্পাৰ প্ৰতি সহানুভূতিশীল হোৱা বাবেই এতিয়া সূৰ্যই চম্পাক পুনৰ বিবাহৰ প্ৰস্তাৱ দিলে। তেতিয়া চম্পা বৰ বিমোৰত পৰিল। কাৰণ চম্পাৰ মনৰ মানুহ আছিল শিৱানন্দ। এই শিৱানন্দই যেতিয়া তাইৰ জীৱনৰ মোহ ভাঙি দিলে, তেতিয়া বাৰু নতুনকৈ তেওঁ কেনেকৈ জীৱন আৰম্ভ কৰে। তাতে আকৌ এই সূৰ্যক লৈয়ে শহুৰেকৰ ঘৰে তাইৰ চৰিত্ৰত কলংক সানিব খুজিছে। ইপিনে তাইৰ মনৰ যি বেদনাৰ ঘা সি এতিয়াও শুকোৱা নাই। সেয়ে তাই স্বাভাৱিকতে সূৰ্যক প্ৰত্যাখ্যান কৰিলে। কিন্তু তাৰ প্ৰত্যুত্তৰত সূৰ্যৰ মুখৰ পৰা এতিয়া সেই একেই অভিব্যক্তি এনেদৰে প্ৰকাশ পালে– "মই ভাবিছিলো তোমাক প্ৰেম নিবেদন কৰি পত্নীৰ মৰ্যাদা দিবলৈ ওলোৱাত তুমি কৃতাৰ্থ হৈ যাবা, হাজাৰ হওক তুমি আৰু কুমাৰী ছোৱালী নোহোৱা। এজনৰ লগত বহুত দিন বিবাহিত জীৱন কটাই আহিছা, কিন্তু মোৰ মন উদাৰ আৰু প্ৰগতিশীল বাবে মই সেই কথা উলাই কৰিছিলো– যদিও তাৰ বাবে মোৰ মনত অলপো দ্বিধা নাছিল সেই কথাও নহয়।" (পৃঃ ১২৭)

সূৰ্যৰ এই কথাত চম্পাই শিৱানন্দৰ কথাৰে প্ৰতিধ্বনি হোৱা শুনিবলৈ পালে। শিৱানন্দই এদিন কৈছিল– "কি অকৃতজ্ঞ তুমি! মই ভাবিছিলো যে দেউতাহঁতৰ প্ৰায় অমতে গৈ তোমাক বিয়া কৰোৱাৰ যি সৎ সাহস, তাৰ বাবেই তুমি মোৰ ওচৰত কৃতজ্ঞতাত গদ্‌গদ্ হৈ থাকিবা।" (পৃঃ ৬৬) ইয়াৰ পৰা বুজা গ'ল, বিবাহৰ জৰিয়তে পুৰুষে দিয়া সামাজিক মৰ্যাদাৰ বিনিময়ত আমাৰ সমাজত স্ত্ৰী সদায় পুৰুষৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগে। সেয়ে হ'ল আমাৰ পুৰুষ প্ৰধান সমাজৰ যুগ যুগ ধৰি সঞ্চিত বিশ্বাস। সেয়েহে নাৰী মুক্তিৰ কামত লাগি থকা সূৰ্যৰ মুখতো আমি এনে কথাৰ পুনৰাবৃত্তি হোৱা দেখিবলৈ পাওঁ।

ইয়াত চম্পাৱতীয়ে সূৰ্যৰ বিয়াৰ প্ৰস্তাৱ নাকচ কৰি কোৱা কথা কেই আষাৰ তাৎপৰ্যপূৰ্ণ। চম্পাৱতীয়ে কৈছিল– "তুমি চম্পাৱতীক ভাল পাই বিয়া কৰাই ঘৰলৈ নিব খুজিছা। কিন্তু সূৰ্য, তুমি লগতে ধান-চাউলো খাব খুজিছিলা, সেই ধান-চাউল নোখোৱাকৈ কেৱল বিয়াখন কৰিবানে?" "সূৰ্য ধান-চাউলখিনি হ'ল চম্পাৰ প্ৰেমৰ যৌতুক, যি প্ৰেম চম্পাই এদিন অপাত্ৰত বিলাই দিলে।" (পৃঃ১২৬)। চম্পাই সূৰ্যৰ প্ৰস্তাৱত অসন্মতি জনোৱাৰ কাৰণ দৰ্শাইছিল এই বুলি– "কিন্তু এতিয়া মোৰ মনত কোনো প্ৰেম নাই সূৰ্য আৰু সংসাৰৰ ইমান ঘাত-প্ৰতিঘাত পাই অহাৰ পিছত মই তৎক্ষণাতে বিয়াৰ বন্ধনত সোমাব নোখোজো– অন্ততঃ প্ৰেমৰ জাহ্নবীয়ে যেতিয়ালৈকে মোৰ হৃদয়ত জোৱাৰ নোতোলে...........। স্বামী পুত্ৰ ঘৰ-সংসাৰ বিনে তিৰোতাৰ জীৱনত পূৰ্ণতা নাহে বুলি আমাৰ যি চিৰন্তন বিশ্বাস– তাৰ বিপৰীতে মই কিমান দূৰ বাট বুলিব পাৰো চাওঁচোন। তিৰোতাই একেটা মাত্ৰ আশ্ৰয়তে ভেজা দি থকাৰ ফলত তেওঁলোকৰ জগৎখন বৰ ঠেক হৈ আছে।" (পৃঃ ১২৭)

চম্পাৱতীৰ এই উক্তিৰ মাজেদি লেখিকাই যেন নাৰীক সকীয়াই দিছে যে আমি নিজক মুক্ত কৰিব খুজিলে আমাৰ মাজৰ পৰাই সেই প্ৰচেষ্টা আৰম্ভ হব লাগিব। প্ৰথমে আমি স্বাৱলম্বী হব লাগিব। 'অন্য জীৱন'ত পুতলীয়ে তেওঁৰ শিক্ষক নৰেণৰ সহযোগত নাৰী স্বাধীনতা

OKDISCD

ষনাৰ যি চেষ্টাত ব্ৰতী হৈছে, আমাৰ চম্পাও সেই কথাত আশাবাদী। কাৰণ তাইৰ দেউতাক জীৱনাথেই তাইৰ বিবাহিত জীৱনৰ শৃংখল চিঙিবলৈ সাহস যোগাইছিল। তাৰ পাছত গাঁৱত নাৰী মুক্তিৰ কামত লাগি থকা সাদৰীয়ে চম্পাক কৈছিল যে শিৱানন্দৰ অত্যাচাৰৰ এইদৰে বিৰোধিতা কৰি তাই সংসাহসৰ কামেই কৰিছে। কাৰণ নাৰীয়ে পুৰুষৰ পীড়নক সহ্য কৰি থাকিলে নাৰীৰ মুক্তি কেতিয়াও সম্ভৱ নহব। সেয়ে সূৰ্যৰ কথাত শিৱানন্দৰ কথাৰ প্ৰতিধ্বনি শুনিলেও চম্পাই সূৰ্যক ভুল বুজা নাই। এয়া নাৰী মুক্তি আন্দোলনৰ কৰ্মী সূৰ্যৰ দোষ নহয়; এয়া যুগ যুগ ধৰি সংস্কাৰৰ আচ্ছাদিত সমাজৰ প্ৰতিফলন মাত্ৰ। কিন্তু চম্পা হতাশ হোৱা নাই। সূৰ্যৰ নিচিনা কিছুমান প্ৰগতিবাদী আদৰ্শ পুৰুষৰ চেষ্টাতেই যে এদিন নাৰীয়ে মুক্তি লাভ কৰিব, সেই আশাৰে চম্পা জীয়াই থাকিব।

ইয়াৰ যোগেদি লেখিকা যে প্ৰগতি আদৰ্শৰ সমাজবাদী নাৰীবাদত আস্থাশীল, সেই কথা প্ৰকাশ পাইছে। 'অন্য জীৱনত' প্ৰকাশ পোৱা লেখিকাৰ এই আদৰ্শৰ নাৰীবাদী ভাবধাৰাই 'চম্পাৱতী'ত যেন পৰিপক্কতা লাভ কৰিছে।

আজি আমাৰ অসমতো চম্পাৰ নিচিনা অলেখ নাৰী পুৰুষৰ দ্বাৰা পীড়িত হৈ আছে; আনকি যৌতুক প্ৰথাৰ বলি হৈ মৃত্যুকো সাবটি লোৱাৰ নিচিনা ঘটনা অলেখ ঘটিছে। এনে সময়ত নাৰী সকলৰ মাজত মুক্তিৰ চেতনা জগাই তুলিবলৈ নিৰুপমা বৰগোহাঞিয়ে তেওঁৰ শেহতীয়া উপন্যাস 'অন্য জীৱন' আৰু 'চম্পাৱতী'ৰ মাজেদি যি প্ৰচেষ্টা কৰিছে, সেয়া সঁচাই প্ৰশংসনীয়। সূৰ্যক চম্পাৱতীয়ে কৰা প্ৰত্যাখ্যানৰ জৰিয়তে যেন অসমীয়া নাৰীক পুৰুষৰ এই প্ৰাধান্যক অস্বীকাৰ কৰিবলৈ তেওঁ সকীয়াই দিছে। এনে প্ৰত্যাখ্যানৰ জৰিয়তে চম্পাৱতীৰ নিচিনাকৈ নিজক প্ৰস্তুত কৰিলেহে আমাৰ সমাজত নাৰী মুক্তি সম্ভৱ হব– সেই কথাকে লেখিকাই প্ৰকাৰান্তে ঘোষণা কৰিছে।

কিন্তু লেখাৰ জৰিয়তে নাৰী মুক্তিৰ আন্দোলন এয়া সূচনাহে কৰা হৈছে। আমাৰ লেখিকা সকলে তেওঁলোকৰ লেখাৰে বৰগোহাঞিৰ এই প্ৰচেষ্টাত সহযোগ কৰিলেহে এই আন্দোলনে প্ৰবল ৰূপ গ্ৰহণ কৰি নাৰী মুক্তিক সম্ভৱ কৰি তুলিব বুলি আশা কৰিব পাৰি।



# আঞ্চলিক অসমতাৰ উৎসঃ এটি সমীক্ষা

আতিকুদ্দিন আহমেদ

উন্নয়নৰ যি কোনো পৰিমাপ প্ৰয়োগ কৰিলেই এই কথা ওলাই পৰে যে অসম এখন অনগ্ৰসৰ ৰাজ্য। আৰু এই অনগ্ৰসৰতাৰ কাৰণো একাধিক। প্ৰাকৃতিক সম্পদত অসম দেশৰ ভিতৰতে চহকী যদিও পিছপৰা ৰাজ্যসমূহৰ তালিকাতহে অসমৰ স্থান। পৰিকল্পনাৰ যোৱা চল্লিশ বছৰত ভাৰতবৰ্ষত কিছুমান প্ৰদেশ যিদৰে আগবাঢ়ি গ'ল তাৰ তুলনাত অসম তেনেই পিছপৰি থাকিল। আৰু ইয়াতেই আঞ্চলিক অসমতাৰ দৰে সমস্যাৰ সৃষ্টি। উন্নয়নৰ সুফলখিনি সমানেই সকলো অঞ্চলে পাব পৰা হ'লে অৰ্থনৈতিক বৈষম্যও আজিৰ দৰে ইমান প্ৰকট হৈ নিশ্চয় নুঠিলহেঁতেন। গতিকে পূৰ্বৰ অৰ্থনৈতিক বিকাশৰ তত্ত্ব আৰু ইয়াৰ বিফল প্ৰয়োগেই আজি অঞ্চল ভিত্তিক উন্নয়নৰ কথা ভাবিবলৈ মানুহক বাধ্য কৰিছে। সেয়েহে ঠায়ে ঠায়ে আঞ্চলিক উন্নয়নৰ দাবী উত্থাপিত হৈছে। আঞ্চলিকতাবাদেও গা কৰি উঠিছে। সমসাময়িক অসমৰ প্ৰেক্ষাপটত দুটা দৃষ্টিভংগীৰে এই নিবন্ধত আঞ্চলিক অসমতাৰ কাৰণ সমূহ ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে।

দূৰদৰ্শী ইংৰাজ সকলে অসমৰ প্ৰাকৃতিক সম্পদখিনিৰ ব্যৱসায়িক সম্ভাৱনালৈ লক্ষ্য কৰি সেই কালতে এইবোৰ উদ্ঘাটন কৰিবলৈ মন মেলাৰ লগে লগেই আৰম্ভ হয় ঔপনিবেশিক আৰ্হিৰে অসমৰ উন্নয়ন প্ৰক্ৰিয়া। কালক্ৰমত চাহ, তেল আৰু কয়লাৰ দৰে অৰ্থনৈতিক সম্পদ আৱিষ্কৃত হয় অসমৰ মাটিত। কেৱল ব্যৱসায়িক স্বাৰ্থতে ভাৰতবৰ্ষক শাসন কৰিবলৈ অহা ইংৰাজে অসমৰ পৰা অবাধ সম্পদ লুণ্ঠনৰ বাট মুকলি কৰে ৰেল পথ আৰু জল পথেৰে অসমক কলিকতাৰ লগত সংলগ্ন কৰি। আৰু তেতিয়াৰে পৰা অসম কেঁচামাল যোগান ধৰা এখন বজাৰেই হৈ থাকিল। স্বাধীনতাৰ পিছত এই ছবিখন সলনি হব বুলি ভবা হৈছিল যদিও সি হৈ নুঠিল। স্বাধীনতাৰ পিছত ভাৰতৰ অন্যান্য ৰাজ্য সমূহে কেন্দ্ৰীয় চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰি উন্নয়নৰ বাবে অধিক সা-সুবিধা আদায় কৰিবলৈ সমৰ্থ হোৱাত অসম বেছি পিছপৰি থাকিব লগীয়া হ'ল। মন কৰিব লগীয়া কথা এই যে উন্নয়নৰ বাবে লগা কোনোটো সা-সুবিধাই অসমত পূৰ্ণকৈ বিকশিত নহয়। পৰিবহণ ব্যৱস্থাটোও ইংৰাজে এৰি থৈ যোৱা অৱস্থাতে থাকিল। আনহাতে ৰাজ্যখন মুখ্যতঃ কৃষি নিৰ্ভৰশীল। তদুপৰি বানপানীৰ প্ৰভাৱৰ পৰাও মুক্ত নহয়। তাতে সময় আগবঢ়াৰ লগে লগে প্ৰব্ৰজনৰ সমস্যা, দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাও ভয়াবহ হৈ উঠিছে। এনে স্থলত অসমৰ অৰ্থনীতিৰ সামগ্ৰিক ছবিখন কৰুণ আৰু হতাশাজনক নহৈ নোৱাৰে।

কেন্দ্ৰীয় চৰকাৰে অসমক অবহেলাৰ চকুৰে চাই অহাৰ, শোষণ কৰি অহাৰ কথা মিছা নহয়। কাৰণ, (১) বিদেশী বহুজাতিক কোম্পানীক অসমত অবাধ ব্যৱসায় কৰি মুনাফা অৰ্জন কৰিবলৈ এৰি দিয়া হৈছে। অসমৰ স্বাৰ্থত এই কোম্পানী সমূহৰ ভূমিকা প্ৰায় শূন্য। (২) অসমৰ চাহ উদ্যোগৰ মুখ্য কাৰ্যালয়বোৰ অসমৰ বাহিৰতে আজি পৰ্যন্ত ৰ'ল যিটো ৰাজ্যখনৰ স্বাৰ্থৰ পৰিপন্থী। (৩) অসমৰ পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নত কেন্দ্ৰই সমূলি মন-কাণ দিয়া নাই। (৪) অসমৰ সম্পদখিনি কেঁচামাল হিচাপে বাহিৰলৈ নি উদ্যোগ চলোৱাৰ নীতি গ্ৰহণ কৰা হৈছে। (৫) প্ৰাকৃতিক সম্পদলৈ চাই ৰাজ্যিক অৰ্থনীতিৰ বিকাশৰ স্বাৰ্থত গেছক্ৰেকাৰ, পেট্ৰ'ৰাসায়নিক উদ্যোগ চক্ৰ ইত্যাদি অন্য বহু ৰাজ্যত স্থাপন হোৱাৰ আগেয়েই অসমত হব লাগিছিল। এয়া অবহেলাৰে চৰম নিদৰ্শন। (৬) ৰাজ্যখনৰ প্ৰাকৃতিক গেছৰ দৰে দুষ্প্ৰাপ্য সম্পদ অবাবত পুৰি পেলোৱা হৈছে। (৭) কেন্দ্ৰীয় নিয়োগ নীতিয়ে ৰাজ্যখনক সহায় কৰিব নোৱৰাত ব্যাপক নিবনুৱা সমস্যাই দেখা দিছে। (৮) বিদেশী নাগৰিকৰ সমস্যাটোক কেন্দ্ৰীয় সমস্যা হিচাপে গ্ৰহণ নকৰাত ৰাজ্যিক অৰ্থনীতিত এটা প্ৰবল হেঁচা পৰিছে। আৰু লগতে (৯) উন্নয়নৰ বাবে যিখিনি আনুষ্ঠানিক সা-সুবিধা লাগে তাৰো অসমত দুখ লগাকৈ অভাৱ হোৱাৰ হেতু অসম অনগ্ৰসৰ হৈ থাকিব লগীয়া হৈছে।

তদুপৰি অসমৰ সমস্যাবোৰ সমাধান কৰাত চলিত কেন্দ্ৰীয় পৰিকল্পনা ব্যৱস্থাটো চৰম ভাবে বিফল হৈছে বুলি ক'লেও ভুল কোৱা নহয়। কাৰণ পৰিকল্পনাৰ প্ৰস্তুতি বাস্তৱ ভিত্তিত আৰু ৰূপায়ণ ফলপ্ৰসূ হৈ উঠা নাই। একে সময়তে এই পৰিকল্পনাই কেতবোৰ সমস্যাৰহে জন্ম দিয়া দেখা গৈছে। ইয়াৰে ভিতৰত ক্ৰমবৰ্ধমান ৰূপত বাঢ়ি অহা অৰ্থনৈতিক বৈষম্য আৰু আঞ্চলিক অসমতাই প্ৰধান। অৰ্থাৎ আমাৰ চলিত পৰিকল্পনাই ধনী দুখীয়াৰ প্ৰভেদ বঢ়াই নিছে। সেয়েহে অৰ্থনৈতিক সমতা, সামাজিক ন্যায় আদি আদৰ্শ সমূহ ভাৰতীয় পটভূমিত একোটা নিমিলা অংকৰ দৰেই হৈ পৰিছে।

ঠিক এনে এটি পৰিবেশতে জন্ম হৈছে আঞ্চলিকতাবাদী ধ্যান-ধাৰণাৰ। বৰ্তমান অঞ্চল ভিত্তিক উন্নয়নী তত্ত্বৰ সপক্ষে যুক্তি আগবঢ়োৱা হৈছে। সমতাপূৰ্ণ অৰ্থনৈতিক বিকাশ নোহোৱাৰ বাবেই বিভিন্ন আন্দোলনৰ ৰূপত নিজ নিজ দাবী লৈ আঞ্চলিকতাবাদে গা কৰি উঠিছে। পুঁজিবাদী আৰ্হিত বিকাশ প্ৰক্ৰিয়া চলাই যোৱা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সেয়েহে আজি স্বায়ত্ত শাসন, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু আনকি স্বাধীনতাৰো দাবী তোলা হৈছে যিবোৰৰ যুক্তি যুক্ততা বিচাৰযোগ্য। অন্য কথাত ক'বলৈ গ'লে ঔপনিবেশিক শোষণৰ দিন আৰু নাই। গতিকে (১) সম্পদ কেন্দ্ৰীয়কৰণ, (২) কেন্দ্ৰীয় পৰিকল্পনা আৰু ক্ষমতা (ৰাজনৈতিক আৰু অৰ্থনৈতিক) কেন্দ্ৰীয়কৰণৰ নীতি পৰিহাৰ কৰাৰ সময় সমাগত। ৰাজ্য সমূহলৈ অধিক ক্ষমতা, স্বায়ত্ত শাসন আদি সুনিশ্চিত কৰিব পৰাকৈ ভাৰতীয় সংবিধানৰ পুনৰ মূল্যায়ন বিষয়তো অধিক চিন্তা-চৰ্চা হৈছে। এতিয়া মাত্ৰ প্ৰয়োজন পৰিবৰ্তনৰ লগত খাপ খোৱাকৈ পৰিবৰ্তিত কেন্দ্ৰীয় দৃষ্টিভংগী। এক আশাবাদী দৃষ্টিৰেই আমিও ভাবো যে সমস্যাবোৰ এতিয়াও সমাধানৰ বাহিৰ হৈ যোৱা নাই।

অসমৰ আৰ্থ-সামাজিক অনগ্ৰসৰতাৰ অন্যতম কাৰণ হিচাপে অৰ্হতা-সম্পন্ন জনশক্তিৰ নাটনি, উদ্যমহীনতা, পৰ-নিৰ্ভৰশীল মনোভাব, উন্নয়নমুখী চেতনাৰ অভাৱ, চাকৰি মুখী স্বভাৱ, ব্যৱসায় বাণিজ্যৰ প্ৰতি অনীহা আদি একাধিক দিশলৈ আঙুলিয়াব পাৰি। শেহতীয়াকৈ যোৱা আশীৰ দশকৰ আৰম্ভণিতেহে অনুভৱ কৰিব পাৰিলে যে আমি আত্মনিৰ্ভৰশীল নহয়। আমাৰ অস্তিত্ব বিপন্ন। ৰাজ্যখনৰ ব্যৱসায় বাণিজ্যৰো বেছিখিনিয়েই আমাৰ হাতত নাই। বাহিৰৰ পৰা অহা এচাম মানুহে কিন্তু আমাৰ উদাসীনতাৰ সুযোগ লৈ ইয়াতে সোণ বুটলিছে। এতিয়া উপায়ান্তৰ হৈ আমাৰ এচাম যুৱকে যদিও ব্যৱসায় বাণিজ্য কৰিবলৈ আগবাঢ়ি আহিছে; এয়া কিন্তু যথেষ্ট নহয়। তাতে ব্যৱসায় কৰিবলৈ যিখিনি অৰ্হতা বা গুণাগুণ লাগে তাকো আমাৰ যুৱক সকলে আয়ত্ত কৰিবলৈ বহু বাকী।

আনহাতে উদ্যোগীকৰণে সীমিতভাবে হ'লেও অসমত বৰ্তমান যিখিনি ব্যৱসায় বাণিজ্যৰ সম্ভাৱনা সৃষ্টি কৰিছে তাতো অসমৰ স্থানীয় লোকৰ অংশ গ্ৰহণ তেনেই নগণ্য। এটা দৃষ্টান্তৰ পৰাই এই সত্য প্ৰতিপন্ন হয়। অৰ্থাৎ অইল ইণ্ডিয়াই বছৰি প্ৰায় ৭০ কোটি টকা পৰিমাণৰ যিখিনি Stationary সামগ্ৰী কিনে তাৰে ২২ কোটি টকা মূল্যৰহে থলুৱা উৎপাদিত সামগ্ৰী। বাকী সৰহখিনিয়েই ৰাজ্যখনৰ বাহিৰৰ পৰা ক্ৰয় কৰা হয়। একেদৰেই ক'ল ইণ্ডিয়া, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, সাৰ কাৰখানা, কাকতৰ কল আদিয়েও যি পৰিমাণে পৰোক্ষ নিয়োগৰ সম্ভাৱনা আনি দিছে তাক সম্পূৰ্ণকৈ গ্ৰহণ কৰিব পৰা হোৱা নাই।

অসমৰ দৰে বৰ্ধিত জনসংখ্যাৰ ৰাজ্য এখনত চাকৰিৰ পৰিধি সীমিত হোৱাটোৱেই স্বাভাৱিক। সেয়েহে কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষা আহৰণ কৰি আত্মনিয়োগ গ্ৰহণ কৰাৰ বিকল্প নাই। আত্মনিয়োগ অন্য এক প্ৰকাৰে আত্মনিৰ্ভৰশীলতাৰে পৰিচায়ক। আমাৰ পৰনিৰ্ভৰশীল স্বভাৱেই আজি ব্যৱসায় বাণিজ্য আৰু অন্যান্য ঔদ্যোগিক কাম-কাজৰ সুবিধাখিনি সংকুচিত কৰি পেলাইছে। সাময়িক ভাবে গ্ৰহণ কৰাৰ পৰিবৰ্তে ব্যৱসায় বাণিজ্যৰ প্ৰতি স্থায়ী দৃষ্টিভংগী গঢ় ললেহে আমাৰ বহুবোৰ সমস্যাৰে সমাধান সম্ভৱ হব। আজি শোষণ কৰা হৈছে বুলি কথাই প্ৰতি চিঞৰিলেও শোষণৰ বাটবোৰ জানো আমিয়েই মুকলি কৰি দিয়া নাই?


পাঞ্জাৱে কৃষি উন্নয়নৰেও যে চমকপ্ৰদ প্ৰগতি লাভ কৰিব পাৰি তাৰ প্ৰমাণ আমাৰ আগত দাঙি ধৰিছে। তাত কৃষিয়ে আয়, উৎপাদন আৰু নিয়োগ সুনিশ্চিত কৰাৰ লগে লগে সৰ্বসাধাৰণৰ সাধাৰণ জীৱন স্তৰো নিৰ্ধাৰণ কৰিছে। উল্লেখযোগ্য যে পাঞ্জাৱ বৰ্তমান ভাৰতৰ এখন প্ৰগতিশীল ৰাজ্য। জনমূৰি আয় ভাৰতৰ ভিতৰতে সৰ্বাধিক। এনে হোৱাৰ মূলতে যদিও কৃষিৰ আধুনিকীকৰণ তথাপি পাঞ্জাৱৰ জনসাধাৰণৰ জাতিগত উদ্যমো কম গুৰুত্বপূৰ্ণ নহয়। ইয়াৰ বিপৰীতে অসমো এখন কৃষি প্ৰধান ৰাজ্য। কিন্তু অসমৰ কৃষি অনগ্ৰসৰ। বতৰ নিৰ্ভৰশীল। তাতে অসম বান-প্ৰপীড়িত ৰাজ্য। হ'লেও অসমৰ সৰহভাগ লোকেই এতিয়াও কৃষিক জীৱিকাৰ আহিলা হিচাপেহে লৈছে; বাণিজ্যিক ভিত্তিত লোৱা নাই।

এনে এটি দৃষ্টিভংগীৰে চালে দেখা যায় যে আমাৰ উদাসীনতাই অনগ্ৰসৰতাৰো মূল কাৰণ। তাতে বহুবোৰ কথা আমি এতিয়াও ভালদৰে বুজি উঠা নাই। যোৱা আশীৰ দশকত কিবা এটা জগৰণ আহিছিল সিও আছিল মূলতঃ আবেগিক আৰু তাৰ শেষো হয় ৰাজনৈতিক চাতুৰিৰ মাজেদি। এই জাগৰণ যদি সংস্কাৰৰ সপক্ষে হ'লহেঁতেন, শিক্ষা-দীক্ষাৰে এটা উন্নত উদ্যমী জাতি হিচাপে অসমীয়া জাতিটো গঢ়ি তোলাৰ স্বাৰ্থত হ'লহেঁতেন তেন্তে আজি আমি ইমান পিছপৰা, দুৰ্বল আৰু অৰ্থনৈতিক ভাবে পৰাধীন হৈ থকাৰ ভাব মনলৈ নাহিলহেঁতেন।

পূৰ্বতে কৈ অহা হৈছে যে আত্মনিৰ্ভৰশীলতাৰে অন্য এটি নাম স্বাধীনতা। গতিকে অসমৰ স্বাৰ্থত সম্পদ ব্যৱহাৰ, জনশক্তিৰ গুণগত মান উন্নয়ন আৰু উন্নত প্ৰযুক্তি প্ৰয়োগৰ জৰিয়তে আত্মনিৰ্ভৰশীল অসমৰ অৰ্থনীতি গঢ় দিবলৈ এটা পৰিবেশ তৈয়াৰ কৰাটো বৰ্তমান আটাইতকৈ জৰুৰী হৈ পৰিছে। লগতে অসমত দুৰ্নীতি প্ৰতিৰোধ, সুষম আয় বিতৰণ, কাৰিকৰী আৰু প্ৰায়োগিক শিক্ষাৰ সম্প্ৰসাৰণ, বান প্ৰতিৰোধ, ভূমি সংস্কাৰ, কৃষি আধুনিকীকৰণ, ঔদ্যোগিকৰণৰ বিশেষ ব্যৱস্থাৰ দৰে এলানি সংস্কাৰ মূলক আঁচনি ৰূপায়িত কৰিব পৰা যায়।

OKDISCD


সূত্ৰধাৰ □ ১৬-৩১ মে' ১৯৯১



অংকনঃ চম্পক বৰবৰা

# চক্রেটিছ

প্ৰফুল্ল চন্দ্ৰ বৰা

বহুতো বন্ধু-বান্ধৱে একমুখে স্বীকাৰ কৰে যে আন কোনেও সেই ক্ষেত্ৰত মোক চেৰ পেলাব নোৱাৰে। ময়ো ভাবো, মোৰ কৃতিত্ব সেইখিনিতেই।

মই এই ক্ষেত্ৰত অনেকবাৰ কৃতকাৰ্য হৈছো। বহুতে নাজানে, কিন্তু জনাই জানে।

বহুত দিনৰ আগৰ কথা, বোধকৰো কুৰি বছৰমান হ'ল। সেইবাৰ আমাৰ স্থানীয় এম এল এ মধুসূদন দত্তক ময়েই নাম দিছিলো কলিয়া ভোমোৰা বৰফুকন। কাৰণ আমাৰ সমষ্টিত নৈ-জান জুৰি সকলোতে তেওঁ কাঠৰ দলং দিওৱাৰ কথা কৈ কৈ তেওঁৰ কাৰ্যকালত ক'তো বাঁহৰ সাঁকো এডালো দিয়াব নোৱাৰিলে। নামটো বেছ চলিছিল। দত্ত পিছত আৰু এম এল এ নিৰ্বাচিত হোৱা নাছিল, কিন্তু তেওঁৰ কলিয়া ভোমোৰা বৰফুকন নামটো স্থায়ী হৈ পৰিছিল। নৱজ্যোতি গ্ৰন্থালয়ৰ প্ৰতিষ্ঠাতা কিতাপ ব্যৱসায়ী অক্ষয় গোস্বামীক নাম দিছিলো গেজেট গোঁসাই। আজিও তেওঁক মানুহে সেই নামেৰেই জানে।

আমাৰ মনত পৰাৰে পৰা হৰিহৰ গোস্বামীৰ স্বাস্থ্য ভাল নাছিল। সদায় ইটো-সিটো কিবা নহয় কিবা এটা বেমাৰ ব্যাধি তেওঁৰ থাকিবই। দাঁত বিষ, চকুৰ বিষ, গেষ্টিক, পানীলগা, চাইটিকাৰ বিষ, মূৰ ঘূৰণি ইত্যাদিত তেওঁ নিতৌ ভুগিছিল। চৰকাৰী চাকৰি কৰিছিল, পিছে অৱসৰ গ্ৰহণৰ আগে আগে ঘৰৰ ওচৰৰ পৰা চল্লিশ মাইল দূৰলৈ প্ৰমোচন দি বদলি কৰোতেই তেওঁ চাকৰি ইস্তফা দি পেন্সন লৈ ঘৰত বহিছিল। ল'ৰাৰ পৰা বুঢ়ালৈ সকলোৱেই তেওঁক 'নৰিয়া গোঁসাই' বুলিয়েই জানিছিল। আৰু সকলোৱেই এইটোও জানিছিল যে সেই নামটোও ময়েই দিয়া।

জলেশ্বৰ কলিতা হেডমাষ্টৰে আহিয়েই স্কুলৰ গেটৰ ওচৰৰ পৰাই জেওৰা-জপনা, ঘৰ-দুৱাৰ আৰু গোটেই এবাৰ চকু ফুৰাইছিল। তাৰ পিছত বেঞ্চ-ডেক্স, চকী-টেবুল, আলমাৰিৰ যদি ক'ৰবাত কেনেবাকৈ গজাল এটাও এৰায়, তেওঁ ততালিকে এটা সৰু হাতুৰিৰে নিজেই মেৰামতি কৰাত লাগি গৈছিল। হাতত সৰু হাতুৰিটো লৈ তেওঁ বেঞ্চ ডেস্ক ইত্যাদি পৰীক্ষা কৰি ফুৰা দৃশ্যটো দেখি বহুতেই খুক-খুক্কৈ হাঁহিছিল।

এদিন ময়ো জলেশ্বৰ কলিতা হেডমাষ্টৰৰ সেই দৃশ্য নিজে উপভোগ কৰি লগে লগেই তেওঁক মেৰামতি হেডমাষ্টৰ নামকৰণ কৰি আহিলো সহকাৰী শিক্ষক সকলৰ আগত। তেওঁ এতিয়া মৰিও দেৱতা হ'ল, কিন্তু মেৰামতি হেডমাষ্টৰ নামটো অজৰ অমৰ হৈ থাকি গ'ল।

বহুতেই মোৰ এই দৰে নাম দিব পৰা ক্ষমতা দেখি প্ৰশংসাও কৰিছিল।

এনেকুৱা আৰু বহুত উদাহৰণ ওলাব – মই উপনাম দিয়া বহুত নামেই মানুহজনৰ লগত জোখৰ চোলাটোৰ দৰেই লিপিট খাই পৰিছিল। ৰুদ্ৰ চলিহাৰ কথা প্ৰায়েই মোৰ মনত পৰে। তেওঁ কোনো দিনেই পাৰ্টিৰ বাহিৰে আন কথা নাপাতিছিল। তেওঁ সদায় কৈছিলঃ শাক্‌খোৱা, ভাত-খোৱা, আই মীন – পৰচৰ্চা, মই এইবোৰত নাই। এটা পাৰ্টিৰ লগত আছো যেতিয়া, আই মীন – পাৰ্টিৰ আদৰ্শই মোৰ বাবে মেইন কথা। আই মীন, পাৰ্টিৰ যোগেদিয়েই মই ৰাইজৰ সেৱা কৰি যাম।.....

মোৰ নাম দিয়া দক্ষতাৰ বাবেই চলিহাৰ পাৰ্টিটোক সকলোৱে 'আই মীন' পাৰ্টি বুলিয়েই জনাৰ সুযোগ পাইছিল। সেই পাৰ্টিটোৰ ক্ষেত্ৰত এইটো জানিবা এটা 'ক'ড' হৈ পৰিছিল।

এসময়ত সাগৰপুৰ সমষ্টিৰ অতি শক্তিশালী এম এল এ মহেশ চন্দ্ৰ মেধি তৃতীয় বাৰৰ বাবে নিৰ্বাচনত উঠি যেতিয়া শ্ৰীমতী দূৰ্গাময়ী দেৱী নামৰ বিৰোধী দলৰ প্ৰাৰ্থী গৰাকীৰ হাতত পৰাজিত হৈছিল, তেতিয়া লগে লগে মই তেওঁক দিয়া নাম মহিষাসুৰ' আজিও জনপ্ৰিয় হৈ আছে।

বহুতেই মোক তাৰ বাবে কেৱল প্ৰশংসা কৰাই নহয়, দুই-চাৰিয়ে এই বুলিও কৈছিলঃ আপুনি ইচ্ছা কৰিলে দেখোন গল্প-উপন্যাস-নাটক কিবাকিবি লিখিব পাৰিবহে। চাওক না চেষ্টা কৰি।

মানুহৰ কথাত ময়ো উৎসাহিত হওঁ। কিন্তু ইমান মানুহক তেনেকৈ খাপ খাই যোৱা বিধৰ নাম-উপনাম-উপাধি দিয়ো মই অনেক চেষ্টা কৰি আজিলৈকে এটা গল্প, বা এখন নাটক বা এখন উপন্যাস লিখিব পৰা নাই। বহুতৰে উৎসাহত অভিভূত হৈ এবাৰতো সৰস্বতী পূজাৰ দিনা এক ৰীম কাগজ, এটা নতুন ফাউন্টেইন পেন কিনি আনি এখন নতুনকৈ অনা ৰাইটিং টেবুলত বহি লৈছিলো। এটা টেবুল লাইটো 'ফিট' কৰি লৈছিলো। শ্ৰীমতীয়ে চকীখনত এখন নতুন কুছনো দিছিল। কিন্তু নাই, নহ'ল, মানে নোৱাৰিলো। মই কোনো 'প্লট' এটাও লিখাৰ বাবে ঠিক কৰিব নোৱাৰিলো।

মোৰ ছোৱালী জনীয়ে ক'লেঃ দেউতা সিদিনা যে দেইলী বজাৰত জুই লাগিছিল। তাৰ অলপ সময়ৰ আগতে যে আপুনি কোনোমতে বজাৰ কৰি আহিছিল তাকে লৈয়েই গল্প এটা লিখক।

ঃ ধেৎ, সেইটোও এটা গল্পনে? জুই লাগি ভালহে হ'ল, কেইবাটাও দোকানী দেউলীয়া হৈ গৈছিল, জুই লগাৰ বাবে ইন্সিঅ'ৰেঞ্চৰ এগাল এগাল টকা পাই আকৌ ধনী হ'ল।

তাই ক্ষান্ত নহ'ল।

মোক আৰু এটা 'প্লট' দিলেঃ মামাহঁতৰ ককা আৰু আইতা যে অকলে অকলে বিছনাত পৰি থাকে। চাকৰটোৱে চোৱাচিতা কৰে। মামা-মামীহঁত যে এবছৰতহে এবাৰ আহি মাত্ৰ চাই যায়হি। কিমান যে দুখ লগা কথা – তাকে লৈয়েই গল্প এটা লিখক।

ফুকলীয়া ল'ৰা-ছোৱালীবোৰৰ মুখত কথা শুনি মোৰ খঙো উঠে, হাঁহিও উঠে। মোৰ ছোৱালী জনী এনেয়েও বৰ কথকী; তাইক সেইবাৰো বুজালোঃ আপোন মানুহক লৈ লিখিব নাপায়। আনৰ ঘৰৰ হোৱাহেঁতেন তাকে লৈ অৱশ্যে গল্প এটা লিখিব পাৰিলোহেঁতেন।

কথাটো এদিন বন্ধু মনোৰঞ্জন কাকতিক ক'লো। কাকতিয়ে ক'লেঃ আপুনি ইমান চমজদাৰ মানুহ, কিয় নোৱাৰিবহে। কিয় আপুনি দেখোন উপনাম দিয়া মানুহ কেইজনৰ চৰিত্ৰক লৈয়ে একোটা চুটি গল্প লিখিব পাৰে। নতুবা আটাইকেইজনক সামৰি এখন উপন্যাসো লিখি পেলাব পাৰে।

কাকতিৰ পৰামৰ্শটো মোৰ ভাল লাগিছিল।

সেই কাৰণে মই উপনাম দিয়া চৰিত্ৰকেইটাক লৈয়েই এদিন শুভ মুহূৰ্তত এটা চুটি গল্প লিখা আৰম্ভ কৰি দিলো –কলিয়া ভোমোৰা বৰফুকন, গেজেট গোস্বামী, নৰিয়া গোঁসাই, মেৰামতি হেডমাষ্টৰ, আই মীন পাৰ্টি, মহিষাসুৰ ইত্যাদি। পাঁচ-ছটামান গল্প লিখি শেষ কৰাৰ পিছত এদিন মনোৰঞ্জন কাকতিক কথাটো ক'লো।

কাকতিয়ে খুব প্ৰশংসা কৰিলেঃ মই কৈছো নহয়, আপুনি লিখিব পাৰিব। মই জানো নহয়, আপোনাৰ 'ক্ৰিয়েটিভ পাৱাৰ' আছে। গল্পবোৰ এতিয়া পেপাৰ, মেগাজিনলৈ পঠাই দিয়ক। যদি কেনেবাকৈ সেইবোৰত প্ৰকাশ নাপায়, নিৰাশ নহ'ব। তেতিয়া এখন কিতাপ কৰি ছপাই পেলাব। তেতিয়া আপুনিতো সাহিত্যিকেই হৈ যাব।

তেওঁৰ পৰামৰ্শটো ময়ো পছন্দ কৰিলো। খুব উৎসাহো বোধ কৰিলোঃ ঠিকেই সাহিত্যিক হ'ব পৰাটোতো জীৱনৰ এটা ডাঙৰ এচিভমেন্ট হ'ব। মানুহক নাম দি থকা, জ'ক কৰা, তাছ খেলা, সদায় ভিডিঅ' চোৱা এইবোৰতকৈ কিবা এটা লিখি থৈ যাব পৰাটো নিশ্চয় এটা ডাঙৰ কথা।

কাকতিয়েই আকৌ এদিন ক'লেঃ ডঃ ৰাধাকৃষ্ণণে কি কৈছিল জানে? – তেওঁ কৈ গৈছে – 'নথিং লাষ্টছ্ একচেপ্ট ইয়ৰ ৰাইটিং।'

ঠিক আছে, মই লিখিম আৰু এদিন সেই গল্প কেইটা যেতিয়া কিতাপ আকাৰে ওলাব তেতিয়া সেই কিতাপখন বন্ধু মনোৰঞ্জন কাকতিৰ নামতে অৰ্পণ কৰিম –'বন্ধু মনোৰঞ্জন কাকতিৰ হাতত এই গল্প পুথিখন অৰ্পণ কৰিলো – যাৰ সীমাহীন প্ৰেৰণাৰ বাবেই এই গল্পকেইটা লিখিবলৈ হাতত কলম তুলি লৈছিলো।' – আৰু কিবাকিবি হয়তো লিখিব লগা হ'ব পাৰে, সেইটো সময়ত ঠিক কৰিম কিন্তু কাকতিক কথাটো আগতে নকওঁ। কিতাপ প্ৰকাশ হ'লে তেওঁক এটা কপি দি এটা 'চাৰপ্ৰাইজ' দিম।

সঁচা কথা কবলৈ গ'লে, মোৰ কেতিয়াবা বন্ধু মনোৰঞ্জনৰ কথা-কান্ডবোৰ দেখি তেওঁকো নাম এটা দিবলৈ মন যায়। কিন্তু সঁচাই তেওঁ মনোৰঞ্জনেই। গতিকে মই এটা নতুন নাম আৱিষ্কাৰ কৰাৰ পৰা বাচি গলো। তেওঁ মোৰ কোপ দৃষ্টিৰ পৰা ৰক্ষা পালে। তাতে মনোৰঞ্জন কাকতি আৰু মোৰ এখন উমৈহতীয়া কৰ্মক্ষেত্ৰও আছিল –'নৱমল্লিকা সাহিত্য কানন' নামৰ অনুষ্ঠানটি। কাননৰ বিভিন্ন বৈঠক ঘৰে ঘৰে বহিছিল। সাহিত্য-আলোচনা, গল্প-কবিতা পাঠ, গীত-মাত আবৃত্তি, একক অভিনয় আদি নিয়মীয়াকৈ চলিছিল। চুৰ্চুৰীয়াকৈ খোৱা-বোৱাৰো আয়োজন হৈছিল। বছৰেকীয়া অধিবেশনবোৰ স্থানীয় ইংৰাজী মাধ্যমৰ 'লিটল ষ্টাৰ' স্কুলত হৈছিল।

মাজে মাজে কাননৰ বৈঠকলৈ একোজন বিশিষ্ট সাহিত্যিক বা পন্ডিতক নিমন্ত্ৰণ কৰি আনি একোটা জটিল বিষয়ত বক্তৃতা দিওৱাৰ ব্যৱস্থাও আমি কৰিছিলো। কাননৰ বেলেগ বেলেগ সদস্যৰ বেলেগ বেলেগ বিষয়ত ৰাপ। সেয়েহে আমাৰ আলোচনা চক্ৰৰ বিষয়ো ভিন্ন প্ৰকৃতিৰ আছিল। আলোচনা চক্ৰৰ দায়িত্ব দিয়া হৈছিল মনোৰঞ্জন কাকতিৰ ওপৰতে। এটা কথা অৱশ্যে স্বীকাৰ কৰিবই লাগিব যে অসমৰ ভালে কেইজন বিখ্যাত কবি-সাহিত্যিক পন্ডিতক কাকতিয়ে আমাৰ কাননৰ আলোচনা সভাবোৰলৈ বক্তা ৰূপে নিমন্ত্ৰণ কৰি আনিছিল।

......অন্ততঃ মোৰ বাবে অতি আচহুৱা ধৰণৰ বিষয়-বস্তু এটা লৈ এদিন কাকতি মোৰ ওচৰ পালেহিঃ বুইছে বৰা, মাজে মাজে এনেকুৱা জটিল বিষয়ো আলোচনা কৰা দৰকাৰ। হেমন্ত বৰঠাকুৰ, মহম্মদ ইউনুছ, স্নেহলতা দত্ত আদি সদস্য সকলে প্ৰায়ে কোৱা মেলা কৰে বোলে চিৰদিন অসমীয়া কবিতাত প্ৰকৃতি, প্ৰেম, স্বদেশ-প্ৰেম, শংকৰদেৱৰ একশৰণ ধৰ্ম, জ্যোতিপ্ৰসাদৰ গীত – এইবোৰ বিষয়কে শুনি শুনি কাণ ঘোলা হৈছে। চিৰিয়াছ

OKDISCD



সূত্ৰধাৰ □ ১৬-৩১ মে' ১৯৯১

টপিক এটা নলয়? সেইবাবেই এইবাৰ আমাৰ আলোচনা চক্ৰৰ উপ-সমিতিয়ে নিৰ্বাচন কৰিছে এটা বেলেগ ধৰণৰ বিষয় –চক্ৰেটিছ মানে 'চক্ৰেটিছ আৰু তেওঁৰ দাৰ্শনিক চিন্তাধাৰা'। মানে একেবাৰেই চিৰিয়াছ বিষয় দি দিছো। এইবাৰ কোনোবাই টুলুঙা বিষয় বুলি কওকচোন চাওঁ।

কাকতিয়ে একে উশাহেই আদ্যোপান্ত ক'লে।

বিষয়টোৰ সম্পৰ্কত মোৰ একো ধাৰণাই নাছিল। মোৰ খঙো উঠিল – কাকতিয়ে বাৰু চিৰিয়াছ বিষয় বিচাৰি চক্ৰেটিছ পাবগৈ লাগেনে? তাতে এই বিষয়ে ক'ব পৰা মানুহ পোৱাও নিশ্চয় টান হ'ব।

কিন্তু তেওঁ ক'লেঃ বৰা, এতিয়া মাত্ৰ এগৰাকী ভাল বক্তা নিমন্ত্ৰণ কৰিব লাগে। পোৱা যাব – পেনেলত – এই চাওক, তিনিজনৰ নাম ৰাখিছো, ইজন নহলে সিজন।

মোৰ ধপহকৈ মনত পৰি গ'ল ময়েই চক্ৰেটিছ নাম দিয়া চক্ৰধৰ তামুলী নামৰ জধলা মানুহজনলৈ। মোৰ হাঁহি উঠি গ'ল।

কাকতিয়ে ক'লেঃ কি হ'ল, আপুনি দেখোন হাঁহি দিলে?

ঃ হেৰি নহঁহাকৈ পাৰিনে? আমাৰ ইয়াতে দেখোন চক্ৰেটিছ এজন আছেই। মানে মই পাতি দিয়া চক্ৰেটিছজনৰ কথা কৈছো। তাহানি কালৰ চক্ৰেটিছৰ দৰেই হাটে-বজাৰে, ৰাস্তাই-ঘাটে ল'ৰাৰ পৰা বুঢ়ালৈকে দিনে-নিশাই তেওঁ কেৱল জ্ঞানকে বিতৰণ কৰি আছে।

এইবাৰ কাকতিয়েও প্ৰাণ খুলি হাঁহিলেঃ ঠিকেই, এজন জীয়া চক্ৰেটিছ আমাৰ ইয়াতেই আছে সঁচা; কিন্তু আমাক লাগিব চক্ৰেটিছৰ বিষয়ে ভালকৈ ক'ব পৰা এজন মানুহ।......

......কাননৰ আলোচনা চক্ৰৰ দিন চমু চাপি আহিল ৩০ মাৰ্চ শনিবাৰে বিয়লি তিনি বজা।

২৮ মাৰ্চ বৃহস্পতিবাৰে দুপৰীয়া মনোৰঞ্জন কাকতি লৰাঢপৰাকৈ আকৌ মোৰ ওচৰ পালেহিঃ বৰা, জোৰ পুৰি হাত পালেহি, বৰ ডাঙৰ কথা হ'ল নহয়!

ঃ কি হ'ল?

ঃ চক্ৰেটিছৰ বিষয়ে ক'ব পৰা মানুহ আমাৰ ইয়াত এজনো বিচাৰি নাপালো। কলেজৰ প্ৰফেচৰ, ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক, সাংবাদিক, সাহিত্যিক মানে যাকে য'তে পাইছো বহুতকে কনটেক্ট কৰিলো –কিন্তু কোনো এজনো কবলৈ ৰাজী নহ'ল।

ঃ আপুনি জানো চক্ৰেটিছৰ বিষয়ে কবলৈ ডাক্তৰ, ইঞ্জিনিয়াৰ বিচাৰিব লাগে?

ঃ কিন্তু কৰিব কি? বৰশী পেলাই চাইছিলো, কিজানি কোনোবাই খোটেই।

ঃ বাহিৰৰ মানুহ কাৰোবাক?

ঃ উপায় নাপাই গুৱাহাটীৰ প্ৰণবেন্দু গোস্বামীক নিমন্ত্ৰণ কৰিছিলো। তেওঁ আহিম বুলি প্ৰতিশ্ৰুতিও দিছিল। প্লে'নত আহিম বুলিছিল, খৰচো দিম বুলিছিলো। কিন্তু আজি এয়া টেলিগ্ৰাম পাইছো আহিব নোৱাৰে। মই কৈছো নহয়, এই ডাঙৰ ডাঙৰ ইনটেলেকচুৱেল বোৰৰ ওপৰত মোৰ একো আস্থা নাই।

ঃ বন্ধ কৰি দিয়ক আপোনাৰ আলোচনাচক্ৰ। ইমান জটিল বিষয় এটা লৈছে – সেই বিষয়ে কবলৈ কোনে সাহস কৰিবহে?

ঃ নাই নাই। এতিয়া আৰু আলোচনাচক্ৰ বন্ধ কৰিব নোৱাৰি। যেনেতেনে বক্তা এজন গোটাবই লাগিব। সঁচা কথা কবলৈ গলে এজন পাইছোও। তেওঁৱেই আমাৰ ইয়াৰ একমাত্ৰ ব্যক্তি যিজনে চক্ৰেটিছৰ বিষয়ে ক'ব পাৰিব।

ঃ কোননো?

ঃ চক্ৰধৰ তামুলী। – কাকতিয়ে ক'লে।

মই মোৰ হাঁহিটো বন্ধ কৰিব নোৱাৰিলো।

মই কাকতিক ক'লোঃ বুজিলেতো? মই এনেয়ে মানুহক নাম দিয়া নাই নহয়, চাই-চিতিহে দিওঁ। মই এজন সঁচাসঁচি জীৱন্ত চক্ৰেটিছ বনাই দিলো দেখিলে?

কাকতি কিছু গহীন হ'ল।

তেওঁ সুৰ সলনি কৰি ক'লেঃ আমি মানুহক এনেকৈ সদায় লঘু কৰা উচিত নহয়। তেখেত বৰ জনা মানুহ। কিন্তু আমি জানো তেখেতক কোনোবা দিনা স্বীকৃতি দিছো? অৱশ্যে তেওঁ স্বীকৃতি বিচৰা মানুহো নহয়।

ঃ সুন্দৰ সুন্দৰ, বৰ ভাল কথা, জীৱন্ত চক্ৰেটিছকে নিমন্ত্ৰণ কৰি আনি চক্ৰেটিছৰ বিষয়ে বক্তৃতা দিয়াওকহি।......

.........কাকতিয়ে নেৰানেপেৰাকৈ ধৰাত ময়ো চক্ৰধৰ তামুলীৰ ঘৰলৈ যাবলৈ বাধ্য হ'লো।

তামুলী ঘৰত নাছিল।

আমি দুয়ো নগৰখনত বিচাৰ চলাথ কৰিলো। অৱশেষত দৈনিক বজাৰলৈ যোৱা পথৰ কাষৰ পান দোকান এখনৰ সমুখত বেঞ্চ এখনতে বহি থকা পালোগৈ। দুজন যুৱকৰ লগত তেওঁ তৰ্ক-বিতৰ্ক কৰি তেওঁলোকক কিবা এটা বুজাবলৈ চেষ্টা কৰি আছিল।

আমি তেওঁক লগ পাবলৈ অহাৰ কথা জনোৱাত তেওঁ যুৱক দুজনক ক'লে ঃ ৰ'বা, তোমালোক গুচি নাযাবা, তোমালোকৰ লগত মোৰ কথা শেষ হোৱা নাই।

তাৰ পিছত আমাক ক'লে – বৰা আৰু কাকতি দুয়ো যে আহিল? মই বা কি জগৰ লগালো?

কাকতিয়ে আমাৰ অভিপ্ৰায় জনালে।

আলোচনা চক্ৰৰ বিষয়টোৰ কথা কোৱাৰ লগে লগেই তামুলীয়ে প্ৰাণ খুলি হো-হোৱাই হাঁহি দিলে।

আমি দুয়ো কিছু বিব্ৰত নোহোৱাকৈ নাথাকিলো।

তাৰ পিছত তেওঁ ৰসিকতা কৰি ক'লেঃ আপোনালোকে চক্ৰেটিছৰ বিষয়ে কবলৈ আৰু মানুহ বিচাৰি নাপালে। শেষত হ'বলা এইজন থলুৱা চক্ৰেটিছকে ধৰিলেহে?

খন্তেক থমকি ৰৈ আকৌ ক'লেঃ হ'ব বাৰু যাম, যি জানো ক'ম আৰু। আমাৰ নিচিনা মানুহৰ এইবোৰ বিষয়ৰ জ্ঞান বৰ সীমিত ভাই। তথাপি যাম আৰু আমাৰ বৰাই এই নিঃকিনক বহুত দিনৰ আগতেই চক্ৰেটিছ নামটো দি থৈছেই।.....

তাৰ লগে লগেই আকৌ প্ৰাণ খোলা হাঁহি।

মই থতমত খাই গ'লো! মোৰ মূৰটো যেন আচন্দ্ৰাই কৰি গ'ল। পৃথিৱীখন যেন মোৰ ভৰিৰ পৰা এৰাই গ'ল। মোৰ একো বক্তব্যও নোহোৱা হ'ল।

তথাপি হাত জোৰ কৰি ক'লোঃ নহয় নহয়, দাদা, মানে মই এনেয়ে ধেমালিতে কেতিয়াবা, কোনোবা মানুহক মানে ..... হেৰি....

ঃ হ'ব, হ'ব, মই কিবা বেয়া পাইছো নেকি? – নিতান্তই সৰল চিত্তে তামুলীয়ে ক'লে।

তেওঁক ভৰিত ধৰি মাফ খুজিবলৈ মোৰ মন গৈছিল। কিন্তু মই আৰু সাহস কৰিব নোৱাৰিলো।□ সূ





# অসমৰ সাম্প্ৰতিক পৰিস্থিতিত আলফাৰ প্ৰাসংগিকতা

দিগন্ত মংগল নেওগ

সূত্ৰধাৰৰ ১-১৫ মাৰ্চ সংখ্যাৰ "সম্পাদকৰ টোকাবহী"ত হোমেন বৰগোহাঞিদেৱে উল্লেখ কৰিছে যে অসমবাসীয়ে বৰ্তমান এক গভীৰ সংকটৰ সমুখীন হৈছে, য'ত অসমৰ মানৱতা আৰু সভ্যতা সংস্কৃতিৰ মৰিশালিত পৰিণত কৰাৰ এক প্ৰচেষ্টা চলিছে। সঁচাকৈয়ে অসমবাসীৰ সমুখত উপস্থিত হোৱা এই সংকটত অসমৰ জনসাধাৰণ এক দোমোজাত পৰিছে আৰু ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ পথ জনসাধাৰণে নিজেই বাছি উলিওৱাৰ প্ৰয়োজন হৈ পৰিছে। আৰু এই পথ বাছি উলিয়াব লাগিব জনসাধাৰণৰ পূৰ্বণি অভিজ্ঞতা সমূহৰ কথা মনত ৰাখিয়েই।

বৰ্তমান পৰিস্থিতিৰ পৰা উদ্ধাৰ পোৱাৰ উপায়ৰ কথা চিন্তা কৰোতে আমি আলোচনা কৰিব লাগিব আজি এনে পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ কাৰণ সমূহৰ প্ৰতি। আজি অসমৰ এচাম যুৱক বিক্ষুব্ধ হৈছে বৰ্তমান ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি, বৰ্তমান সমাজ ব্যৱস্থাৰ প্ৰতি আৰু বিশেষকৈ বিক্ষুব্ধ হৈছে কেন্দ্ৰীয় চৰকাৰৰ ঔপনিবেশিক মনোভাবৰ প্ৰতি। কেন্দ্ৰীয় চৰকাৰৰ ঔপনিবেশিকতাবাদৰ পৰা মুক্ত হবলৈ এচাম যুৱক সংঘবদ্ধ হোৱাৰ ফল স্বৰূপেই আজি অসমত সামৰিক শাসন চলিছে। চৰকাৰী সন্ত্ৰাসত জনসাধাৰণ জুৰুলা হৈ পৰিছে। চৰকাৰী সন্ত্ৰাসে সৃষ্টি কৰা পৰিস্থিতিৰ ফল স্বৰূপেই আজি সেই চাম বিকল্প সন্ধানী যুৱকৰ ৰণ কৌশল সলনি কৰি পেলাইছে।

এতিয়া প্ৰশ্ন হয় বৰ্তমান অসমত আল্‌ফাৰ দৰে সংগঠনৰ জন্মৰ প্ৰয়োজন আছিলনে? আমি আগতেই উল্লেখ কৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ শোষণকামী মনোভাবৰ বাবেই আজি অসমৰ এচাম বিক্ষুব্ধ যুৱকৰ মাজৰ পৰাই জন্ম হৈছে আল্‌ফাৰ দৰে সংগঠনৰ। স্বাধীনতাৰ পিছৰ পৰাই অসমৰ জনসাধাৰণে নীৰৱে চাই আহিছে দিল্লীৰ ঔপনিবেশিক শোষণ ব্যৱস্থা আৰু তাত কিদৰে সহায় কৰিছে এচাম সুবিধাবাদী অসমীয়াই। আৰু সেইবাবেই আমাৰ সমুখত প্ৰশ্ন হয় আজিৰ অসমীয়া যুৱকে কেন্দ্ৰীয় চৰকাৰৰ এনে শোষণৰ প্ৰতি কিয় বিদ্ৰোহ নকৰিব?

অসমৰ প্ৰাকৃতিক সম্পদ সমূহৰ অবাধ লুণ্ঠন আজিৰ অসমীয়াই নীৰৱে চাই থাকিবনে, এই সম্পদ সমূহৰ সঠিক ব্যৱহাৰৰ দ্বাৰা অসমৰ অৰ্থনীতি কিদৰে গঢ়ি তুলিব পৰা গ'লহেঁতেন? প্ৰায় ৮০০ খন চাহ বাগিচাৰে অসমৰ চাহ শিল্পই অসমৰ অৰ্থনীতি কিদৰে গঢ়ি তুলিব পাৰে, অথচ এই উদ্যোগৰ মুখ্য কাৰ্যালয় সমূহ অসমৰ বাহিৰত স্থাপন হোৱাত অসমে কিমান ৰাজহ আৰু নিয়োগৰ পৰা বঞ্চিত হৈছে আৰু এই বাগিচা সমূহত নিয়োগ কৰা প্ৰশাসনীয় বিষয়া হিচাপে কিমান সংখ্যক অসমীয়া যুৱকে সুযোগ পাইছে? মূঠ কথা এয়ে নেকি যে, এনে পদত নিযুক্তি দিবৰ বাবে অসমত উপযুক্ত যুৱক নাই। অসমৰ চাহ উদ্যোগৰ পৰা প্ৰধানকৈ কোন উপকৃত হৈছে তাক গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সভাপতি তথা বৰ্তমানৰ মুখ্য সচিবৰ বক্তব্যতে স্পষ্টভাবে প্ৰকাশ পাইছে।

বিশ্বৰ অৰ্থনীতিত এক মুখ্য ভূমিকা গ্ৰহণ কৰা খাৰুৱা তেল অসমে ভাৰতৰ মুঠ উৎপাদনৰ পঁচিশ শতাংশ উৎপাদন কৰে। অথচ এই উদ্যোগৰ পৰা অসম কি দৰে লাভান্বিত হৈছে সি এক বিতৰ্কৰ বিষয়। তেল উৎপাদনৰ এক সৰ্বভাৰতীয় প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ নিয়োগৰ কথাকে চোৱা যাওঁক। পূৰ্বাঞ্চলৰ মুখ্য কাৰ্যালয় থকা আয়োগে আজি প্ৰায় দহ বছৰ ধৰি পূৰ্বাঞ্চলত নিয়োগ বন্ধ কৰি ৰাখিছিল, অথচ মুখ্য কাৰ্যালয় ডেৰাডুনৰ পৰা পূৰ্বাঞ্চলত নিযুক্তি দিয়া অনা-অসমীয়া লোকৰ সংখ্যা প্ৰতি বছৰে এশতকৈ অধিক। ভয়ংকৰ নিবনুৱা সমস্যাকো আওকাণ কৰি এক ৰাজহুৱা প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ আয়োগে লাভৰ বাবেই নিয়োগ বন্ধ কৰি ঠিকা ভিত্তিত কাম কৰাৰ ব্যৱস্থা কৰাটো অসমৰ জনসাধাৰণৰ নিশ্চয় অজ্ঞাত নহয়।

ওপৰোক্ত দুটা উদাহৰণৰ দ্বাৰাই আমি নিশ্চয় অসম শোষণৰ অবাধ ভূমি হৈ পৰাটো কিছু পৰিমাণে স্বীকাৰ কৰি লব পাৰো। এনেবোৰ শোষণৰ কথা সংসদৰ মজিয়াত উত্থাপিত হ'লেও এচাম সুবিধাবাদী লোকৰ বাবেই নিষ্ফল হৈ আহিছে। এনেবোৰ কথাকেই বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ আল্‌ফাৰ জন্ম হৈছে আৰু এনে সংগঠনৰ জন্মৰ প্ৰয়োজনীয়তাক আমি সেইবাবেই হয়তো নুই কৰিব নোৱাৰো।

এতিয়া প্ৰধান বিষয় হৈছে– "ব্যক্তি সন্ত্ৰাস"। বিশ্বৰ কোনো সভ্য লোকেই হত্যাৰ নীতিক নিশ্চয় সমৰ্থন নকৰে। হত্যা চৰকাৰীয়েই হওক বা কোনো সংগঠনৰ দ্বাৰাই হওক, সি সদায়েই গৰিহণাৰ যোগ্য। কিন্তু অসমত আজি চলিছে হত্যাৰ অবাধ ৰাজনীতি। অসমৰ বিভিন্ন ৰাজনৈতিক দল সমূহৰ প্ৰতাৰণামূলক কাৰ্যৰ ফল স্বৰূপেই আজি অসমৰ কিছু জনসাধাৰণ বিকল্পৰ সন্ধানত আল্‌ফাৰ প্ৰতি আকৰ্ষিত হৈছে। ফল স্বৰূপেই আতংকিত ৰাজনীতিয়ে অসমলৈ নমাই আনিলে অঘোষিত সামৰিক শাসন, বুলেটৰ দ্বাৰা অসমৰ বিকল্প সন্ধানী জনসাধাৰণৰ মুখ চিৰদিনলৈ বন্ধ কৰি দিব বিচৰা হ'ল। যাৰ ফলত আল্‌ফাৰ ৰণ কৌশল সলনি হব লগা হৈছে। সেইবাবেই অসমৰ ৰাজনীতিত কলংকিত দল ইন্দিৰা কংগ্ৰেছক আল্‌ফাই আজি প্ৰধান শত্ৰু ৰূপে গণ্য কৰা যেন অনুভৱ হৈছে। ৰাষ্ট্ৰপতি



CKDISD

শাসনৰ বাবে প্ৰচেষ্টা চলোৱা, ৰাষ্ট্ৰপতি শাসনলৈ আদৰণি, সৈন্য বাহিনীৰ কাম-কাজৰ প্ৰশংসা আদি প্ৰথমতে ৰাজহুৱাকৈ এই দলেই কৰিছিল।

অসম প্ৰদেশ কংগ্ৰেছ (ই)-ৰ সাধাৰণ সম্পাদকক হত্যা কৰাৰ পিছতেই 'সম্পাদকৰ টোকাবহী' যিমান ক্ষুৰধাৰ হৈ পৰিছে চৰকাৰী সন্ত্ৰাসৰ প্ৰতিবাদত সিমান ক্ষুৰধাৰ হৈ পৰা নাই যেন অনুমান হয়। চৰকাৰী সন্ত্ৰাসৰ বাবে এটা উদাহৰণেই নিশ্চয় যথেষ্ট হব–

শিৱসাগৰ জিলাৰ লাকুৱাৰ উপেন্দ্ৰ নাথ ৰাজকোঁৱৰৰ পুত্ৰ দুৰ্গেশ্বৰ ৰাজকোঁৱৰক সেনা বাহিনীৰ লোকে গ্ৰেপ্তাৰ কৰি নিয়ে। যোৱা ১৬ ডিচেম্বৰত আলফাৰ সভাপতি ৰাজীৱ ৰাজকোঁৱৰৰ ঘৰলৈ দুৰ্গেশ্বৰ ৰাজকোঁৱৰক লৈ যোৱা হয়, ৰাজীৱ ৰাজকোঁৱৰৰ দেউতাক মুক্তি যুঁজাৰু উমা ৰাজকোঁৱৰৰ সমুখত দুৰ্গেশ্বৰ ৰাজ-কোঁৱৰক অমানুষিক অত্যাচাৰ কৰা হয়। ১৭ ডিচেম্বৰৰ পুৱা শিৱসাগৰৰ বকতাৰ ওচৰত ৰাস্তাৰ কাষত দুৰ্গেশ্বৰ ৰাজকোঁৱৰৰ মৃত দেহটো পোৱা গ'ল। হত্যাৰ আগতেই দুয়ো হাত আৰু দুয়োখন ভৰি ভাঙি দিয়া হৈছিল আৰু চোকা অস্ত্ৰেৰে সমগ্ৰ মুখমণ্ডল ক্ষত বিক্ষত কৰি দিয়া হৈছিল। যোৱা ২৮ ডিচেম্বৰত উপেন্দ্ৰ নাথ ৰাজকোঁৱৰে শিৱসাগৰৰ উপায়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতি আৰু অসমৰ ৰাজ্যপাললৈ হত্যাৰ সবিশেষ জনাই এক ন্যায়িক তদন্তৰ অনুৰোধ জনাই স্মাৰক পত্ৰ দিয়ে, কিন্তু সকলো হাতীৰ গালৈ তৰাৰ জুমুঠি মৰাৰ দৰে হ'ল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে গুৱাহাটী উচ্চ ন্যায়ালয়ত এক আবেদনত উমা ৰাজকোঁৱৰে এই ঘটনাৰ কথা উল্লেখ কৰিছিল। এনে অমানুষিক অত্যাচাৰৰ ক্ষমতা ভাৰতীয় সেনা বাহিনীক কোনখন সংবিধানে প্ৰদান কৰিছে, নিজ পুত্ৰৰ এনে অমানুষিক চৰকাৰী হত্যাৰ তদন্তৰ অনুৰোধ জনাই সঁহাৰি নোপোৱা উপেন ৰাজকোঁৱৰে কোনখন সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব– ই এটা উদাহৰণহে, নাৰী ধৰ্ষণৰ কথা উল্লেখ নকৰিলোৱেইবা।

ৰাষ্ট্ৰপতি শাসনৰ কালছোৱাত কিমান নিৰপৰাধী যুৱক টাডাত বন্দী হৈ আছে তাক সম্পাদকে নিশ্চয় নজনাকৈ থকা নাই। অদূৰদৰ্শী বিগত চৰকাৰখনে নাজানো কিহৰ বাবে অসমত মাত্ৰ গুৱাহাটীতহে ডেজিগনেটেড আদালত স্থাপনৰ সিদ্ধান্ত লৈ থৈ গ'ল, যাৰ ফল আজি অসমৰ জনসাধাৰণে ভুগিব লগা হৈছে। ডেজিগনেটেড আদালতৰ একমাত্ৰ বিকল্প হ'ল ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়। গতিকে অসমৰ ৰাজ্যপালৰ পাঁচ হাজাৰ আলফাৰ সদস্যক গ্ৰেপ্তাৰ কৰাৰ অভিযানৰ সতীৰ্থ অসম আৰক্ষী প্ৰশাসনে ভাবি চোৱা নাই যে ৰাজ্যপালৰ এই অভিযান সফল কৰিবলৈ গৈ কিমান নিৰপৰাধী অসমীয়া যুৱকৰ ভৱিষ্যত ধ্বংস কৰি পেলাইছে।

অসমৰ ৰাজ্যপালে অলপতে এক সাক্ষাৎকাৰত প্ৰকাশ কৰিছে "অসমত ৰাষ্ট্ৰপতিৰ শাসন আৰু আল্ফাক বে আইনী ঘোষণা কৰাৰ বাবে আল্ফাই কংগ্ৰেছ (ই)-কে জগৰীয়া কৰে আৰু সেই বাবেই কংগ্ৰেছ (ই)-ৰ সদস্য সকল আল্ফাৰ একমাত্ৰ লক্ষ্য হৈ পৰিছে।" নিজে সশস্ত্ৰ পহৰাৰ মাজত থাকি ৰাষ্ট্ৰপতি শাসনৰ আদৰণি, সৈন্য বাহিনীৰ কামৰ প্ৰশংসা আৰু আল্ফাক সমালোচনা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিতেশ্বৰ শইকীয়াই দলৰ সদস্য সকলক আল্ফাৰ বন্দুকৰ সমুখীন হবলৈ এৰি দিয়া বুলি উঠা অভিযোগৰেই প্ৰমাণ হ'ল মানবেন্দ্ৰ শৰ্মাৰ মৃত্যু।

ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বাবেই হয়তো আল্ফাৰ ৰণ কৌশলৰ কিছু পৰিমাণে সলনি হৈছে। কিন্তু দিল্লীৰ ঔপনিবেশিক শোষণৰ প্ৰতিবাদ জনাই সৃষ্টি হোৱা সংগঠনক 'নৱ ৰাক্ষস' আখ্যা দিয়াতকৈ বিপ্লৱৰ সঠিক পথৰ সন্ধান দিব বিচৰাটোহে বৰ্তমান প্ৰয়োজনীয় যেন লাগে। কিয়নো বৰ্তমান অসমত 'গণতন্ত্ৰ', ' সংবিধান', 'ঐক্য আৰু সংহতি' আদি শব্দবোৰ মূল্যহীন হৈ পৰিছে। গতিকে অসমৰ বিক্ষুব্ধ যুৱক সকলক এক বিজ্ঞানসন্মত পথৰ সন্ধান দিয়াটোহে বুদ্ধিজীৱী সকলৰ বাবে বেছি প্ৰয়োজনীয় হৈ পৰিছে। নীতি বচনেৰে বৰ্তমান ঐক্য সংহতি ৰক্ষা কৰিবলৈ নিষ্ফল প্ৰচেষ্টা চলোৱাতকৈ এক বিজ্ঞানসন্মত আঁচনিৰ দ্বাৰা ঐক্য সংহতি ৰক্ষা কৰিবলৈ প্ৰচেষ্টা চলালেহে বেছি ফলপ্ৰসূ হব বুলি আশা কৰিব পাৰি। ■

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভৱিষ্যত

## পবিত্ৰ কুমাৰ শৰ্মা

সূত্ৰধাৰ, ১-১৫ মাৰ্চত প্ৰকাশিত নতুন উপাচাৰ্য ড০ নিৰ্মল কুমাৰ চৌধুৰীৰ সাক্ষাৎকাৰ পঢ়ি তাৰ ওপৰত দুটামান দিশত আমাৰ মন্তব্য দিয়াৰ প্ৰয়োজন বোধ কৰিছো। উপাচাৰ্যৰ দৃঢ় মনোবল, বিজ্ঞান প্ৰযুক্তি বিদ্যা সম্পৰ্কে থকা প্ৰায়োগিক দিশৰ অভিজ্ঞতা আৰু শিক্ষানুষ্ঠানৰ প্ৰশাসনীয় অভিজ্ঞতাই নিশ্চয় বিশ্ববিদ্যালয়খনক গতিশীল কৰিব। কিন্তু বিশ্ববিদ্যালয়ৰ কৰ্ম-অলসতা আঁতৰ কৰাৰ প্ৰথম পদক্ষেপ হব লাগিব প্ৰশাসনীয় সংস্কাৰ। ইয়াৰ কাৰণে খুব গুৰুত্বপূৰ্ণ পদক্ষেপ হব বিশ্ববিদ্যালয় আইন সংশোধন। বিশ্ববিদ্যালয়ৰ আইনখন সংশোধন কৰি প্ৰাক্তন উপাচাৰ্যৰ দিনতে চৰকাৰক দিয়া হৈছিল। কিন্তু তাৰ ওপৰত অনভিজ্ঞ শিক্ষা মন্ত্ৰীয়ে একো দিহা নললে। সেই আইনখন আকৌ পৰ্যালোচনা কৰি যথা সম্ভৱ ত্ৰুটিমুক্ত কৰা আৱশ্যক হব।

গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সন্থাই বিশ্ববিদ্যালয়ৰ আৰ্থিক সংকট সম্পৰ্কে যুগুতোৱা আলোচনাচক্ৰৰ পৰামৰ্শাৱলীও সহায়ক হব। বিশ্ববিদ্যালয়ত থকা সচিবৰ পদবী আৰু সেই বিভাগত থকা কৰ্মী এটি উপকৰুৱা বিভাগ হৈ পৰিছে। ইয়াৰ ছাত্ৰ সংক্ৰান্ত কাম ছাত্ৰ কল্যাণ বিষয়ৰ লগত সাঙুৰি বাকীখিনি মূল কাৰ্যালয়ত ন্যস্ত কৰিব পাৰি। সচিব কাৰ্যালয়ৰ কৰ্মচাৰী কলা বিভাগৰ প্ৰতিটোতে একোজন নিয়োগ কৰিলে উপাচাৰ্যই ভবা বিকেন্দ্ৰীকৰণত সহায়ক হব। বিশ্ববিদ্যালয়ৰ ছাত্ৰ ভৰ্তি, পৰীক্ষা পতা, পৰীক্ষাৰ ফলাফল ঘোষণা কৰা সকলো দিশতে বিভাগীয় স্বাধীনতাৰে বিকেন্দ্ৰীকৰণ কৰিলে ছাত্ৰসকল উপকৃত হব। শিক্ষক সকলৰ পৰিচালনা সমিতিয়ে সকলো ব্যৱস্থা নিজে নিয়াৰিকৈ নিয়ন্ত্ৰণ কৰিব পাৰিব। ৰাষ্ট্ৰীয় শিক্ষা নীতিতো বিভাগীয় স্বায়ত্ত শাসন কৰ্ম আঁচনিত অন্তৰ্ভুক্ত আছিল। প্ৰশাসনীয় কাম, আৰ্থিক ৰেকৰ্ড আদিত কম্‌পিউটাৰ 'সেৱাৰ পূৰ্ণ ব্যৱহাৰ কৰা প্ৰয়োজন। এতিয়া থকা কম্‌পিউটাৰ বিভাগ আৰু বিভিন্ন বিভাগত থকা কম্‌পিউটাৰৰ দ্বাৰাই এই কাম কৰিব পৰা যাব।

বিশ্ববিদ্যালয় চৌহদৰ চাৰিওফালে বেৰা দি মাথোন দুটা প্ৰবেশ পথ কৰিলে চকীদাৰৰ সংখ্যা যথেষ্ট কমাই পেলাব পৰা হব। মই অলপতে মগধ বিশ্ববিদ্যালয়ত এনে ব্যৱস্থা দেখিছো। বিশ্ববিদ্যালয় চৌহদৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় ঘাই পথ ব্ৰহ্মপুত্ৰ দলঙৰ পৰাই বিচ্ছিন্ন কৰি চৌহদৰ চাৰিসীমাৰ বাহিৰেদি সদিলাপুৰ হৈ সাতমাইলত লগোৱাৰ কাৰণে ৰাজ্য চৰকাৰক পতিয়ন নিয়াব লাগে। বিশ্ববিদ্যালয় বজাৰত থকা অবৈধ দোকান পোহাৰৰ নিয়ন্ত্ৰণ কৰি বিশ্ববিদ্যালয়ৰ পুৰণা বজাৰৰ ঘৰ দুৱাৰবোৰ ভাঙি সেই ঠাইত এখন চুপাৰ মাৰ্কেট কৰিবলৈ বেংক বা জীৱন বীমাৰ পৰা ঋণৰ ব্যৱস্থা কৰিব লাগে। বিশ্ববিদ্যালয় চৌহদৰ বজৰুৱা পৰিবেশ গুচাই নল'লে শিক্ষানুষ্ঠানৰ গাম্ভীৰ্য আৰু পৰিবেশ গঢ়া অসম্ভৱ। ৰাজহুৱা বজাৰ সমাৰ চৌহদৰ পৰিসীমাৰ বাহিৰলৈ স্থানান্তৰিত কৰিব পাৰি।

শৈক্ষিক দিনপঞ্জীৰ সামগ্ৰিক ধাৰণাতো আমি এতিয়াও বছৰেকৰ মূৰত পতা কেন্দ্ৰীয় পৰীক্ষাৰ ধাৰণাৰেই চিন্তা কৰি আছো। কিন্তু শৈক্ষিক পঞ্জীৰ প্ৰকৃত অৰ্থ ছাত্ৰ-ছাত্ৰীক ক্ৰমাগত মূল্যায়ন কৰাৰ ব্যৱস্থা কৰা। ক্ৰমাগত মূল্যায়নৰ কাৰণে পৰীক্ষা পদ্ধতিৰ সলনি কৰি শেষ পৰীক্ষাত মাথোন শতকৰা ২৫ নম্বৰ ৰাখি বাকীখিনি সাপ্তাহিক পৰীক্ষা, মাহেকীয়া পৰীক্ষা, ঘৰত কৰিবলৈ দিয়া কাম, পুথি ভঁৰালত অধ্যয়ন আৰু প্ৰসংগ পুথি ব্যৱহাৰ, আলোচনাচক্ৰ আদিৰে দিব লাগিব। এনে ব্যৱস্থা স্বায়ত্ত শাসিত কলেজত হৈছে। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ স্তৰত এই ব্যৱস্থা আৰম্ভ কৰা সম্ভৱ। নতুন উপাচাৰ্যই বিকেন্দ্ৰীকৰণৰ পোষকতা কৰিছে। বিকেন্দ্ৰীকৰণ কৰি বিভাগ সমূহক সম্পূৰ্ণ দায়িত্ব দিলে এনে ব্যৱস্থা প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰিব পৰা হব। আমাৰ ইয়াত স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষা মানে স্নাতক শ্ৰেণীৰ এক সংক্ষিপ্ত ৰূপ হৈ পৰিছে। এজন ছাত্ৰই স্নাতক স্তৰত মেজৰ লৈ পাছ কৰিবলৈ ১৭০০ নম্বৰৰ পৰীক্ষা দিয়ে। বিশ্ববিদ্যালয় কলা বিভাগ সমূহৰ ঘাইকৈ ৮০০ আৰু বিজ্ঞানত ১০০০ নম্বৰৰ পৰীক্ষা দিলেই ছাত্ৰই সেই বিষয়ত পাৰদৰ্শী (মাষ্টাৰ) হৈ পৰে। কলা-বিজ্ঞান-বাণিজ্যৰ সকলো বিভাগতে অন্তত ১৫০০ নম্বৰৰ ভিত্তিত পাঠ্যক্ৰম তৈয়াৰ কৰা ব্যৱস্থা অনতিপলমে ল'ব লাগে। কলা বিভাগ সমূহত ছাত্ৰ ভৰ্তিকৰণ সীমিত কৰাও প্ৰয়োজন। স্কুলীয়া স্তৰতে নবম দশম মানতো এটা শ্ৰেণীত ৫০ জনতকৈ অধিক ছাত্ৰ হ'লে শাখা খোলা হয়। আনহাতে স্নাতকোত্তৰ শ্ৰেণীত কলা বিভাগত ২০০ লৈ ছাত্ৰ ভৰ্তিৰ ব্যৱস্থা কৰা হ'ল। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিবেদনত স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ বেছিকৈ ভৰ্তি কৰিলে শাখা খুলি অধিক শিক্ষক নিয়োগ কৰাৰ পৰামৰ্শ দিয়া আছিল। সেইটোতো বাদেই এতিয়া একোটা বিভাগত পঞ্চম বাৰ্ষিক পৰিকল্পনাত থকা শিক্ষকৰ সংখ্যাৰ পদ সমূহেই যোৱা পাঁচ বছৰত পূৰণ নহ'ল। ৰসায়ন বিভাগতে মুঠ ছটা পদৰ (খালি হৈ থকা) এটাত নিৰ্বাচন হোৱাৰ তিনি মাহৰ পাছত এতিয়া নিয়োগ পত্ৰ দিয়া হৈছে। বাকী পাঁচটা পদত শিক্ষক নিয়োগ কৰিবলৈ আৰু কেইবছৰ লাগিব প্ৰশাসনে জনাবনে? ৰসায়ন বিভাগৰ এক তৃতীয়াংশ শিক্ষকৰ পদ খালি হৈ থাকোতেও প্ৰশাসনৰ গা নলৰে। অথচ অনুদান আয়োগৰ পৰামৰ্শ-পদোন্নতি বা অৱসৰ হৈ ওলোৱা পদ ছমাহতে পূৰাব লাগে। কলা বিভাগ বা আন সকলো বিভাগতে ছাত্ৰৰ সংখ্যা স্নাতকোত্তৰ শ্ৰেণীত ৫০ জন কৰিব লাগে। সামাজিক গতি বিজ্ঞান, জীৱ পদাৰ্থ বিজ্ঞান, জীৱ ৰসায়ন বিজ্ঞান, ইলেকট্ৰনিকছ আদি বিষয় খোলাত গুৰুত্ব দি ছাত্ৰ সকলৰ বাবে বিকল্প বিষয় খুলিব লাগে। মস্কো বিশ্ব বিদ্যালয়ত ২৪০ টা বিভাগ আছে। আলিগড় বিশ্ববিদ্যালয়ত ৮০টা। চীনত অকল বিজ্ঞানৰ ৫০০ তকৈও অধিক বিষয় আছে। আমি অকল গতানুগতিক কেইটামান বিষয়ৰ বাহিৰলৈ যাব পৰা নাই। স্থবিৰ আৰু প্ৰবীণ সকলৰ স্থিতাৱস্থাৰ প্ৰতি থকা প্ৰবণতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিগন্ত বহলোৱাত প্ৰকৃত প্ৰতিবন্ধক।

ৰামমূৰ্তি আয়োগৰ প্ৰতিবেদনৰ অনুমোদনাৱলীত কোৱা হৈছে বিশ্ব-বিদ্যালয় শিক্ষা মূলত স্নাতকোত্তৰ, ডক্টৰেট গৱেষণা আৰু ডক্টৰোত্তৰ গৱেষণাৰ কেন্দ্ৰ হোৱা উচিত। সেই কাৰণেই বিশ্ববিদ্যালয়ত ছাত্ৰ ভৰ্তিকৰণ সীমিত হোৱা উচিত। "The Universities have come under severe strain on account of the load of administering examinations of the bachelor's level. They should be relieved of the responsibility of holding these examinations so that they can concentrate on post graduate, doctoral and post doctoral studies, apart from research. (page 222, Review Committee Report, Dec.1990) কলেজ সমূহত স্নাতকোত্তৰ শ্ৰেণী খোলা সম্পৰ্কেও অনুমোদন দিয়া হৈছে এনে দৰে– "If in a college M. A. and M. Sc. teaching is to be continued, it must be mandatory that there are adequate facilities for research in those subjects." অসমৰ কটন কলেজতে এই ব্যৱস্থা কাৰ্যকৰী কৰা উচিত নহয়নে?

পি এইচ ডি উপাধি স্নাতকোত্তৰ উপাধিতকৈও সহজ বুলি ছাত্ৰ সকলেই ধাৰণা কৰিবলৈ লৈছে। এঘাৰ বজাত আহি, মাজে মাজে আহি, কলেজত শিক্ষকতা কৰি, প্ৰশাসনত দায়িত্বশীল পদত থাকিও পি এইচ ডি পোৱা সম্ভৱ হৈছে। মই বিশ্ববিদ্যালয়ৰ গৱেষণা পৰিষদত পৰামৰ্শ দিছিলো পি এইচ ডি-ৰ গৱেষণাৰ থেছিছ পি এইচ ডি-ৰ কাৰণে বিবেচনা কৰাৰ আগতে অন্ততঃ তিনিখন গৱেষণা পত্ৰ প্ৰকাশ হব লাগে বুলি। থেছিছখন শতকৰা ৫০ ভাগ কৃতিত্বৰ কাৰণে থৈ গৱেষণাৰ সংশ্লিষ্ট অন্ততঃ ৪টা ক'ৰ্ছত অধ্যয়ন আৰু পৰীক্ষাত কৃতকাৰ্য হ'লেহে পি এইচ ডি পোৱা উচিত। উপাধি লাভৰ বাবে গৱেষণাৰ প্ৰয়োজন নাই। ইয়াৰ ফলত দেশত ৰাজহুৱা ধনৰ অপচয় হৈ আছে।

সাধাৰণ প্ৰশাসনীয় সমস্যা সমূহতে প্ৰশাসনীয় ব্যৱস্থাত আউল লগা পৰিস্থিতি হৈছে। কোনো কামেই খৰগতিত কৰাৰ পদ্ধতি নোহোৱা হৈ শিক্ষক সকল এটা গতত কাম কৰাত অভ্যস্ত হৈ গৈছে। গতিকে নতুন শিক্ষক নিয়োগত আধুনিক

গতিধাৰাৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰা পি এইচ ডি (আই আই টি আদি) নিয়োগত গুৰুত্ব দিয়া প্ৰয়োজন। বিশ্ববিদ্যালয় স্তৰত শিক্ষক নিয়োগত in breeding আটাইতকৈ মাৰাত্মক। আমি আশা কৰো ৩০০ শিক্ষকৰে পৰিপুষ্ট বিশ্ববিদ্যালয়খনে শৈক্ষিক দিশত নতুন ধ্যান ধাৰণাৰে ভৱিষ্যতৰ ছাত্ৰসমাজক এখন স্বাৱলম্বী অসম গঢ়াত নেতৃত্ব দিব পৰা আত্মনিৰ্ভৰশীল উন্নয়নৰ প্ৰতি যথেষ্ট আৰু দায়িত্বশীল যুৱশক্তি গঢ়ি তুলিব। ছাত্ৰ সকলৰ প্ৰতিভা আছে। তাক বিকাশৰ পথৰ বাটকটীয়া হব লাগিব শিক্ষক সকল। ইয়াৰ বাহিৰেও শিক্ষক সকলৰ সমাজ সেৱাৰ ভূমিকাও ৰামমূৰ্তি আয়োগৰ পৰামৰ্শাৱলীত আছে। ৰামমূৰ্তি আয়োগৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰিব পাৰিলে ভাৰতৰ স্থান পৃথিৱীত অহা দশকতে বেলেগ হৈ পৰিব। ■

# দেহ, মন, অন্তৰ আৰু আত্মা

ডাঃ প্ৰবীণ কুমাৰ নেওগ

সূত্ৰধাৰত (১-১৫ ফেব্ৰুৱাৰী) মুকুল কুমাৰ শৰ্মাৰ "প্ৰবৃত্তি বৃদ্ধি আৰু পৰিবৰ্তন" শীৰ্ষক বিশ্লেষণ ধৰ্মী প্ৰবন্ধটোৱে মোকেই নহয়- আন বহুতকো উপকৃত কৰিছে বুলি ভাবিছো। জটিলতা বৰ্জিত, সাৱলীল প্ৰকাশ ভংগীৰ, যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত এনে প্ৰবন্ধ শৰ্মাৰ পৰা আমি আৰু আশা কৰিছো।

শৰ্মাই শিক্ষাৰ প্ৰধান লক্ষ্য চাৰিটা দিশত হোৱাটো কাম্য বুলি কৈছে–দৈহিক, বৌদ্ধিক, আন্তৰিক আৰু আত্মিক। এজন ব্যক্তিৰ এই চাৰিটা বিকাশ আপাত দৃষ্টিত স্বতন্ত্ৰ ভাবে পৰিচালিত যেন লাগিলেও প্ৰকৃততে কিন্তু ইহঁত পৰস্পৰ নিৰ্ভৰশীল ভাবেহে বিকশিত হয়। পৰিপুষ্টি হীনতাত ভোগা এটা শিশুৱে বৌদ্ধিক বিকাশৰ বাবে পদাৰ্থ বিজ্ঞানৰ সূত্ৰ অধ্যয়ন কৰিব নোৱাৰে– তেনেকৈ তেওঁৰ আন্তৰিক অনুভূতিও মানৱীয় দিশত বিকশিত হব নোৱাৰে। শৰ্মাদেৱে ঠিকেই কৈছে- দৈহিক, বিকাশৰ বাবে স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনীয় আটাইবোৰ কথা সৰুৰে পৰাই ল'ৰা-ছোৱালীয়ে আহৰণ কৰা প্ৰয়োজন। এতিয়া স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনীয় আটাইবোৰ কথা কি কি? স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনীয় কথাবোৰৰ ভিতৰত উচ্চ গুণসম্পন্ন খাদ্য, পৰিষ্কাৰ পানী আৰু পৰিবেশ, শাৰীৰিক বিকাশৰ বাবে যথোপযুক্ত পৰিশ্ৰম বা ব্যায়াম আদিয়েই প্ৰধান। দৈহিক পৰিশ্ৰম, ব্যায়াম আদিৰ কথা শৰ্মাদেৱে আলোচনা কৰিলেও খাদ্য আৰু পৰিবেশ সম্পৰ্কে তেখেতে একো নক'লে। শিক্ষা-মনোবিজ্ঞানৰ দৃষ্টিৰ পৰা নাচাই কেৱল প্ৰজনন-তত্ত্ব (Genitics)-ৰ দিশৰ পৰা চালেও আমি জানো যে এজন ব্যক্তিৰ বিকাশ মূলতঃ দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে– জন্ম সূত্ৰে মাক-বাপেকৰ পৰা পোৱা গুণ আৰু পৰিবেশৰ প্ৰভাৱত গঢ় লোৱা গুণ। জন্ম সূত্ৰে মাক-বাপেকৰ পৰা সন্তানে মূলতঃ দৈহিক গুণ সমূহ লাভ কৰে; প্ৰজনন-তত্ত্বৰ বিভিন্ন সূত্ৰানুযায়ী এই গুণ সমূহ দেহ কোষৰ ক্ৰমোজোমত থকা জিনৰ জৰিয়তে সন্তানৰ দেহলৈ সঞ্চালিত হয়। কিন্তু বৌদ্ধিক বিকাশৰ বাবে প্ৰয়োজনীয় গুণ সমূহ এনেদৰে জিনৰ জৰিয়তে সৰবৰাহ হয় বুলি নিশ্চিত কোনো সূত্ৰ নাই আৰু ই সম্ভৱো নহয়। এজন বিদ্বানৰ পুত্ৰ বিদ্বানেই হব বুলি ক'ব নোৱাৰি। ঠিক তেনেকৈ এজন চোৰৰ পুত্ৰ একেই গুণপ্ৰাপ্ত নহবও পাৰে। জন্মৰ পাছত ব্যক্তিৰ বৌদ্ধিক আৰু আন্তৰিক বিকাশ নিৰ্ভৰ কৰে মূলত পৰিবেশৰ ওপৰত; পৰিবেশ বিজ্ঞানসন্মত হ'লে ব্যক্তিৰ বিকাশো বিজ্ঞানসন্মত ভাবে হবলৈ বাধ্য।

দৈহিক বিকাশৰ বাবেও আমাৰ পৰিবেশ বিজ্ঞানসন্মত চিন্তা ধাৰাৰে পৰিচালিত হোৱাটো প্ৰয়োজন। দৈহিক বিকাশৰ বাবে পৰিশ্ৰম আৰু ব্যায়াম যেনেকৈ প্ৰয়োজন– উচ্চ গুণসম্পন্ন খাদ্যও তেনেকৈ অপৰিহাৰ্য। কিন্তু আমাৰ সমাজ ব্যৱস্থাত খাদ্য নিৰ্বাচনৰ প্ৰক্ৰিয়াটো মূঠেও বিজ্ঞানসন্মত নহয়– পৰম্পৰা আৰু গোড়া ধৰ্ম বিশ্বাসে আমাৰ খাদ্যাভ্যাস নিয়ন্ত্ৰণ কৰে। প্ৰটিন, কাৰ্বহাইড্ৰেট, চৰ্বি, খনিজ পদাৰ্থ আৰু ভিটামিন– এই পাঁচটা উপাদানেই হ'ল খাদ্যৰ মূল উপাদান যাৰ উপস্থিতিৰ হ্ৰাস বৃদ্ধিয়েই খাদ্য এটাৰ 'খাদ্য মূল্য'ৰ হ্ৰাস বৃদ্ধি সূচাব লাগে। কিন্তু তাৰ বিপৰীতে আমাৰ প্ৰচলিত বিশ্বাসত 'এইটো খাব পায়', 'এইটো খাব নাপায়' জাতীয় চিন্তাইহে খাদ্যৰ'খাদ্যমূল্য' সূচায়। কোনো এটা বস্তু খোৱাৰ আগতে আমাৰ চিন্তা হ'ব লাগে যে খাদ্যটোত যথেষ্ট পৰিমাণে দেহৰ বাবে প্ৰয়োজনীয় উপাদান সমূহ আছে নে নাই, বা এই খাদ্যটো মোৰ পৰিপাক তন্ত্ৰই সহজে পৰিপাক কৰিব পাৰিবনে বা এই খাদ্যটোৱে মোৰ দেহত থকা অমুক অসুখটোত কিবা প্ৰভাৱ পেলাব নেকি আদি। কিন্তু তাৰ বিপৰীতে আমি চিন্তা কৰো এই বুলি যে এইটো খাদ্য খালে মোৰ জাত নাযায়তো? এইটো খাদ্য খালে অমুক শাস্ত্ৰত নৰক গামী হয় বুলি কৈছে দেখোন! ইত্যাদি। এনে ধৰণৰ চিন্তাৰ বাবেই আমি উচ্চ প্ৰটিন সম্পন্ন শিঙি মাছ, সুস্বাদু মুৰ্গী মাংস বা গোমাংসও নাখাওঁ, কিন্তু প্ৰায়শ্চিত্ত হোৱাৰ নামত সত্ৰাধিকাৰৰ 'পদজল' বা 'মহাপ্ৰভু ধোওৱা' লেতেৰা পানীও খাওঁ! চীন দেশত জনসংখ্যাৰ আধিক্যই তাৰ জনসাধাৰণক সকলোবোৰ খাব পৰা জন্তুৰে মাংস খাবলৈ বাধ্য কৰাইছে। মূলতঃ বিজ্ঞানসন্মত দৃষ্টিভংগীৰ ওপৰত প্ৰচলিত তাৰ সমাজত বৰ্তমান বহু চৰ্চিত কথা ফাঁকি হ'ল– "পৃথিৱীৰ ফালে বুকু আৰু আকাশৰ ফালে পিঠি দি থকা যিকোনো জন্তুক খাদ্য হিচাপে ব্যৱহাৰ কৰিব পাৰি।" ইয়াৰ পৰা তাত দুটা লাভ হৈছে–প্ৰথমতে, অপৰিপুষ্টিজনিত বিভিন্ন ৰোগ যেনে– কোৱাশিবয়কৰ, মেৰাচমাচ, স্কাৰ্ভি, বেৰিবেৰি আদি ৰোগ সমূহৰ প্ৰাদুৰ্ভাৱ কমি আহিছে আৰু দ্বিতীয়তে, জীৱ-জন্তুবোৰক খাদ্যৰ বাবে সমানে ব্যৱহাৰ কৰা বাবে প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিছে।

শৰ্মাই কোৱা চতুৰ্থ বিকাশটো সম্পৰ্কে কিন্তু আমাৰ খুদুৱনি থাকি গ'ল। চতুৰ্থত তেখেতে আধ্যাত্মিক বিকাশৰ কথা কৈছে– কিন্তু প্ৰকৃততে আধ্যাত্মিক বিকাশ এক অস্পষ্ট বিষয়। আন্তৰিক বিকাশৰ কথা কওঁতে শৰ্মাই কৈছে– "মৰম, শ্ৰদ্ধা, সহানুভূতি, সমানুভূতি মনোভাব, মূল্যবোধ আদি এই দিশৰ উপাদান। .............. শিক্ষাই cool headed আৰু warm hearted ব্যক্তি সৃষ্টি কৰিব লাগে। .......... শিক্ষা ব্যৱস্থাই কেৱল মগজু গঢ়াৰ দায়িত্ব ললেই নহব– ই অন্তৰ গঢ়াৰ দায়িত্বও লব লাগিব। এতিয়া প্ৰশ্ন হ'ল প্ৰকৃত শিক্ষাই আন্তৰিক বিকাশতে ওপৰোক্ত গুণ কেইটা মানুহক দিয়াৰ পাছতো এজন ব্যক্তিৰ বাবে কি প্ৰয়োজনীয় 'আধ্যাত্মিক' গুণটো থাকিল যে যিটো নাথাকিলে এজন ব্যক্তিক প্ৰকৃত শিক্ষিত বুলি গণ্য কৰাত অসুবিধা হব? আধ্যাত্মিক বিকাশৰ ক্ষেত্ৰত শৰ্মাদেৱে কৈছে যে আত্মাত নিহিত হৈ থকা 'ঐশ্বৰিক গুণ' সমূহনো কি সেইটোহে নুবুজিলো। 'মৰম-স্নেহ, শ্ৰদ্ধা, সহানুভূতি, সমানুভূতি, মানৱীয় মূল্যবোধ সম্পন্ন, cool headed আৰু warm hearted এজন ব্যক্তিয়ে জানিবা 'ঈশ্বৰ' আৰু 'আত্মাক' অনুধাৱন কৰিব নোৱাৰিলে, তেতিয়া তেওঁৰ কোনটো বেয়া কামৰ বাবে আমি তেওঁক অশিক্ষিত বুলি কম? আমাৰ কথা হ'ল এজন ব্যক্তিৰ দৈহিক আৰু বৌদ্ধিক বিকাশৰ উপৰিও প্ৰয়োজনীয় বিকাশ হব লাগে– "মানৱতাবাদী" দৃষ্টিভংগীৰ। এই মানৱতাবাদ– ঈশ্বৰ, আত্মা, কৰ্মফল, পূৰ্বজন্মৰ চিন্তা চৰ্চা আদিৰ ওপৰত নিৰ্ভৰশীল হব নালাগে; বাস্তৱৰ ওপৰত নিৰ্ভৰশীল, বিজ্ঞানসন্মত হব লাগে; Websters' Third New International Dictionary-ত মানৱতাবাদৰ সংজ্ঞা দিছে এনেদৰে– "মানৱতাবাদ এটি মতবাদ, দৃষ্টিভংগী বা জীৱনৰ পদ্ধতি যি মানৱিক স্বাৰ্থ আৰু মূল্যবোধৰ ওপৰত কেন্দ্ৰীভূত, এটি দৰ্শন যি অতি প্ৰাকৃতিক কথা কান্ডক বৰ্জন কৰে, মানুহক প্ৰাকৃতিক বস্তু হিচাপে গণ্য কৰে আৰু যুক্তিবোধ তথা বৈজ্ঞানিক পদ্ধতিৰ মাজেৰে আত্মোপলব্ধি অৰ্জনৰ বাবে মানুহৰ ক্ষমতা, মৰ্যাদা আৰু যোগ্যতাৰ ওপৰত জোৰ দিয়ে।" এনে ধৰণৰ মানৱতাবাদী বিকাশ আমি বিচাৰো যাক কোনোবাই আন্তৰিক বিকাশ বোলে বা মানসিক বিকাশ বোলে। বোলক। এনে এজন মানৱতাবাদী ব্যক্তিৰ আধ্যাত্মিক বিকাশ শূন্য হওক, তেওঁ নাস্তিক হওক তাত কিবা আপত্তি থাকিব পাৰে জানো? ■







# বিজ্ঞান, দৰ্শন আৰু শিক্ষা

মুকুল কুমাৰ শৰ্মা

অমুক কোন?

– অমুক তমুকৰ পুতেক।

– তমুকনো কোন?

– তমুক অমুকৰ দেউতাক।

ইয়াত 'তমুক' আৰু 'অমুক' কোনো এজনৰো পৰিচয় পোৱা নগ'ল। স্পষ্ট আৰু পোনপটীয়া উত্তৰৰ অবিহনে এনে চক্ৰাকাৰ আৰু আপেক্ষিক সংজ্ঞাই কোনো এজনৰো পৰিচয় দিব নোৱাৰে। পৰিচয়ৰ বাবে কোনোবা এজনক তেওঁৰ নাম, ঠিকনা, বৃত্তি, চৰিত্ৰ আদি কিছুমান বিশিষ্ট উপাদানৰ সহায়ত প্ৰতিষ্ঠা কৰি লব পাৰিব লাগিব, তেহে তেওঁৰে গইনা লৈ তেওঁৰ অঙহী-বঙহীৰ চিনাকি দিব পৰা যাব।

প্ৰায় একে ধৰণৰ আৰু এটা আওপকীয়া বিবৰণলৈ মন কৰা হওক। সৰুতে দৰ্শন পঢ়িবলৈ মন মেলোতে প্ৰখ্যাত ইংৰাজ পন্ডিত বাৰ্ট্ৰান্ড ৰাছেলক তেখেতৰ পৰিয়ালবৰ্গই মৰমতে এই বুলি জোকাইছিলঃ দৰ্শনতনো কিটো আছে? তাত আছে মাত্ৰ এনেবোৰ কথাঃ

What is mind? No matter.
What is matter? Never mind.

খুহুতীয়াকৈ উপস্থাপন কৰা এই কথাষাৰে যদিও পদাৰ্থ (matter) আৰু মন (mind)-ৰ কোনো সংজ্ঞা দাঙি ধৰা নাই, যদিও এইষাৰ কথা অমুক-তমুকৰ চিনাকিৰ দৰেই চক্ৰাকাৰ আৰু সেইবাবে প্ৰকৃততে অৰ্থহীন, তথাপি ইয়াত এইটো অতি স্পষ্ট হৈ ওলাই পৰিছে যে পদাৰ্থ আৰু মন দুটা সম্পূৰ্ণ বিপৰীত কথা, দুটা পৰস্পৰ বিৰোধী বস্তু। প্ৰকৃত অৰ্থ বুজিবৰ বাবে ইয়াৰো যিকোনো এটাৰ সংজ্ঞা আনটোৰ সহায় নোলোৱাকৈ দিব পাৰিব লাগিব। পদাৰ্থ আৰু মন– এই দুটাৰ ভিতৰত পদাৰ্থৰ ধাৰণাই তুলনামূলক ভাবে বুজিবলৈ অধিক সহজ আৰু সেইবাবে প্ৰথমতে পদাৰ্থৰ সংজ্ঞাকে দিবলৈ চেষ্টা কৰা উচিত হব।

**পদাৰ্থ আৰু মনঃ** কোনো এডোখৰ নিৰ্দিষ্ট ঠাই জিনি থাকিব পৰা আৰু এটা নিৰ্দিষ্ট ভৰ থকা সকলো বস্তুকে বিজ্ঞানৰ ভাষাত পদাৰ্থ বুলি কোৱা হয়। বায়ু, পানী, মানুহ, কাগজ, কলম আদি পদাৰ্থ, কাৰণ ইহঁত প্ৰত্যেকৰে ভৰ আছে আৰু প্ৰত্যেকেই একোডোখৰ ঠাই জিনি থাকে। আনহাতে, দয়া, মৰম, শ্ৰদ্ধা, গণতন্ত্ৰ, চিন্তা, আগ্ৰহ, ধৰ্ম, মনোভাব আদি পদাৰ্থ নহয়, কাৰণ ইহঁতৰ এটাৰো ওপৰত উল্লেখ কৰা গুণ দুটা নাই। এইবিলাকৰ দৰে মনো পদাৰ্থ নহয়, কাৰণ মনৰ কোনো পাৰ্থিৱ অস্তিত্ব নাই। আমি জানো যে, আমাৰ লাওখোলাৰ মাজত মগজু নামৰ এটা বস্তু আছে, ই পদাৰ্থৰে গঠিত। চিন্তা, স্মৰণ, কল্পনা আদি মগজুৰ কাৰ্যপ্ৰণালীতেই মনৰ সৃষ্টি, মন কিন্তু এটা ধাৰণাহে মাত্ৰ। পাৰ্থিৱ মগজুৰ দৰে অপাৰ্থিৱ মনটোক কিন্তু কোনো শৈল্য চিকিৎসকেও অস্ত্ৰোপচাৰ কৰি হাতেৰে চুই চাব নোৱাৰে বা চকুৰে নেদেখে। সাৰে থকা অৱস্থাত আমাৰ মন চেতন হৈ থাকে, টোপনি আহিলে মনে অচেতন অৱস্থা লাভ কৰে। গতিকে আমি ক'ব পাৰো যে সম্পূৰ্ণ জাগ্ৰত অৱস্থাৰ পৰা টোপনি আহোতে লাহে লাহে আমাৰ মনৰ যিটো গুণ ক্ৰমাৎ কমি আহি সম্পূৰ্ণ নিদ্ৰিত অৱস্থাত একেবাৰে নাইকিয়া হৈ পৰে বা ওলোটা ভাবে ক'বলৈ গ'লে টোপনিত লালকাল হৈ থকা অৱস্থাৰ পৰা লাহে লাহে সাৰ পাওঁতে আমাৰ মনৰ যিটো গুণে ক্ৰমাৎ বাঢ়ি আহি সম্পূৰ্ণ জাগ্ৰত অৱস্থাত সৰ্বাধিক মাত্ৰা লাভ কৰে সেইটোকে চেতনা বুলি কোৱা হয়। চেতনাক মনৰ এটা অৱস্থা বুলি নকৈ ঠেক অৰ্থত চেতনাকে মন বুলি ক'ব পাৰি। মন পদাৰ্থ নহয় সঁচা, কিন্তু পদাৰ্থ নোহোৱাটোৱেই মনৰ একমাত্ৰ বৈশিষ্ট্য নহয়, আৰু সেইবাবে ই মনৰ সংজ্ঞা হব নোৱাৰে। মনৰ এটা সন্তোষজনক সংজ্ঞা দিয়া অৱশ্যে সহজো নহয়। যিকোনো এটা বিষয় অধ্যয়ন কৰিবলৈ যাওঁতে প্ৰথমতেই তাৰ এটা কটকটীয়া সংজ্ঞা দিবলৈ চেষ্টা কৰাটো নিশ্চয় এটা অপৰিহাৰ্য পদক্ষেপ নহয়। আমি প্ৰায় বেছি ভাগেই বিদ্যুতৰ





OKDISCD

সংজ্ঞা নজনাকৈয়ো ঘৰত সুন্দৰ ভাবে বিজুলী চাকি জ্বলাই থকা নাই জানো? যেতিয়ালৈকে বিষয়টোৰ বৈশিষ্ট্য বা প্ৰকৃতি স্পষ্টকৈ উপলব্ধি কৰিব পৰা হৈ থাকে তেতিয়ালৈকে অযথা এটা দুৰ্বোধ্য আৰু ঠেক সংজ্ঞাৰ মেৰপাকত নোসোমোৱাই ভাল। মনৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। মন দে, মন কৰ, মনত পেলা, মন বান্ধ আদি খন্ড বাক্য সমূহৰ অৰ্থ আমি অতি সহজেই বুজি নাপাওঁনে? অৰ্থাৎ মন কাক বোলে আমি জানো।

**বিজ্ঞান আৰু দৰ্শনঃ** পদাৰ্থৰ বিভিন্ন গুণাগুণ পুংখানুপুংখ ৰূপে অধ্যয়ন কৰিবলৈ চেষ্টা কৰোতেই বিজ্ঞানৰ জন্ম হ'ল। বহল ভাবে পদাৰ্থক দুভাগত ভাগ কৰিব পাৰি– জড় আৰু জীৱ– আৰু সেই অনুসৰি আমি বিজ্ঞানকো বহল ভাবে দুভাগত ভগাব পাৰো– ভৌতিক বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান। অধ্যয়নৰ সুবিধাৰ নিমিত্তে বিজ্ঞানৰ এই দুয়োটা ভাগকে আকৌ নানান সৰু সৰু উপভাগত ভাগ কৰি লোৱা হৈছে। সজীৱেই হওক বা নিৰ্জীৱেই হওক, পদাৰ্থৰ ৰূপ আমি উপলব্ধি কৰো চকু, কাণ, নাক, ছাল আৰু জিভাৰ দ্বাৰা। আমাৰ ইন্দ্ৰিয় সমূহৰ সংবেদনশীলতা অৱশ্যে নিচেই ঠেক সীমাৰ মাজত আবদ্ধ। উদাহৰণ স্বৰূপে পোহৰৰ বহুত তৰংগই আমি চেকুৰে নেদেখো, শব্দৰ বেছি ভাগ কম্পনৰ প্ৰতিয়েই আমাৰ কাণ সংবেদনশীল নহয়। সেইবাবে চতুৰ বিজ্ঞানী সকলে বাহ্যিক জগতৰ ইন্দ্ৰিয়গ্ৰাহ্য নোহোৱা খবৰ সংগ্ৰহ কৰিবৰ কাৰণে নানা ধৰণৰ সা-সৰঞ্জাম উদ্ভাৱন কৰি উলিয়াইছে আৰু এই বিলাকৰ দ্বাৰা ইন্দ্ৰিয়ৰ শক্তি কৃত্ৰিম ভাবে বঢ়াই তুলিছে। চকুৰে নেদেখা তৰংগ, কাণেৰে নুশুনা কম্পনাংক এই বিলাক সৰঞ্জামে ক্ৰমে দেখা আৰু শুনা পৰ্যায়লৈ ৰূপান্তৰিত কৰিব পাৰে।

ইন্দ্ৰিয় আৰু অন্যান্য সা-সৰঞ্জামৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাত জগতৰ যি ৰূপ প্ৰকাশ পায় সি হ'ল জগতৰ বাহ্যিক ৰূপ বা অৱভাস (phenomenon বা appearance)। আনহাতে, বহুতো চিন্তাশীল ব্যক্তিয়ে বিশ্বাস কৰিবলৈ ভাল পায় যে বাহ্যিক ৰূপৰ অন্তৰালত সকলো বস্তুৰে এটা নিজস্ব ৰূপ বা স্বৰূপ আছে। ইয়াকে সত্তা (noumenon বা reality) বুলি কোৱা হয়। অৱভাস মানে সত্তাৰ প্ৰকাশ। সত্তাই নিজে নিজকে যিমানখিনি প্ৰকাশ কৰে সিয়েই হ'ল অৱভাস। বাহ্যিক ৰূপৰ অনুসন্ধানেই হ'ল বিজ্ঞান; এই অনুসন্ধান সম্ভৱ হয় ইন্দ্ৰিয় বা ইন্দ্ৰিয়ৰ সামৰ্থ্য কৃত্ৰিম ভাবে বঢ়াই তোলা নানান সা-সৰঞ্জামৰ দ্বাৰা আহৰণ কৰা জ্ঞানৰ জৰিয়তে। আনহাতে, সত্তাৰ অনুসন্ধানেই হ'ল দৰ্শন; কিন্তু সত্তাৰ জ্ঞান ইন্দ্ৰিয় বা সৰঞ্জামৰ যোগে পাব নোৱাৰি, ইয়াক পাব পাৰি কেৱল মনৰ বিচাৰ শক্তিৰ দ্বাৰাহে।

এইখিনিতে বিজ্ঞান আৰু দৰ্শনৰ কেইটামান মৌলিক পাৰ্থক্য উনুকিয়াব পাৰি। বিজ্ঞানত অধ্যয়নৰ বিষয় বস্তু বাহ্যিক জগতখন, দৰ্শনত অধ্যয়নৰ বিষয় বস্তু বাহ্যিক জগতৰ মূল সত্তা। বিজ্ঞানে বাহ্যিক জগতৰ জ্ঞান দিয়ে, দৰ্শনে ইন্দ্ৰিয়াতীত সত্তাৰ সন্ধান দিয়ে। বিজ্ঞানৰ দৃষ্টিভংগী আংশিক, দৰ্শনৰ দৃষ্টিভংগী সামগ্ৰিক। বিজ্ঞানত অধ্যয়নৰ পদ্ধতি অভিজ্ঞতাপ্ৰসূত (empirical), দৰ্শনত অধ্যয়নৰ পদ্ধতি কল্পনাপ্ৰসূত (speculative)।

**জড়বাদ আৰু আদৰ্শবাদঃ** পদাৰ্থ আৰু মন– এই দুটাৰ কোনটো শ্ৰেষ্ঠ; কোনটো মুখ্য আৰু কোনটো গৌণ, কোনটোৰ অৰ্থ আনটোৰ সহায় নোলোৱাকৈ স্বতন্তৰীয়াকৈ বুজিব পাৰি– আদি দৰ্শনৰ কিছুমান মৌলিক প্ৰশ্ন। এই বিলাক প্ৰশ্নৰ বিশ্লেষণে দৰ্শনত দুটা প্ৰধান মতবাদৰ জন্ম দিছে– জড়বাদ আৰু আদৰ্শবাদ।

জড়বাদত পদাৰ্থকে জগতৰ মূল উপাদান বুলি ধৰা হয়। বিশ্ব ব্ৰহ্মান্ডৰ সকলো বস্তু, আনকি মানুহো, পদাৰ্থৰে তৈয়াৰী, জড়বাদী সকলৰ মতে মানুহ যে কেৱল পদাৰ্থৰে তৈয়াৰী এনে নহয়, ই সম্পূৰ্ণৰূপে পদাৰ্থৰ ধৰ্মৰ দ্বাৰাই নিয়ন্ত্ৰিত; জীৱনৰ আধ্যাত্মিক দিশ, সৃজনশীল শক্তি, উদ্দেশ্য আদি কিছুমান ভ্ৰান্ত ধাৰণা মাত্ৰ। এই মতবাদ অনুযায়ী মানুহৰ মনটো এটা পাৰ্থিৱ মগজু আৰু ইয়াৰ কাৰ্যকলাপৰ বাহিৰে আন একো নহয়। অকল সেয়ে নহয়, জড়বাদৰ মতে গোটেই বিশ্ব ব্ৰহ্মান্ডখনেই এটা বৃহৎ যন্ত্ৰ, এবাৰ কেনেবাকৈ চলি যোৱাৰ পাছত ই পদাৰ্থৰ ধৰ্ম অনুযায়ী নিজে নিজেই চলি আছে। জড়বাদী সকলে ভাবে যে আন বস্তুৰ দৰে মানুহো একে অণু-পৰমাণুৰে নিৰ্মিত কিছুমান বিশেষ গুণ সম্পন্ন এবিধ বস্তুৱেই। সেইবাবে এওঁলোকৰ মতে মানুহৰ দেহাটোহে প্ৰধান, মনটো এটা অলীক ধাৰণা মাত্ৰ। কেতিয়াবা হয়তো পৰীক্ষাগাৰত বিজ্ঞানী সকলে অণু-পৰমাণুক উপযুক্ত ভাবে লগ লগাই জীৱকোষ তৈয়াৰ কৰি মানুহ সৃষ্টি কৰিবলৈও সক্ষম হব। জড়বাদী সকলে এই ভাবিহে আচৰিত হয় যে "দেহাটোৰনো এটা মন কিয় থাকে?"

আনহাতে, আদৰ্শবাদ মন আৰু মনৰ চেতনাহে জগতৰ মূল সত্তা। আদৰ্শবাদী সকলে মনটোক বিজ্ঞানৰ সূত্ৰই ব্যাখ্যা কৰিব পৰা কেৱল মগজুৰ কাৰ্যকলাপ বুলি নাভাবে। আন কথাত ক'বলৈ গ'লে, তেওঁলোকৰ মতে চেতনা মগজুত সন্নিবিষ্ট হৈ থকা জড় পদাৰ্থৰ কোনো উপজাত দ্ৰব্য নহয়; মনেই হৈছে আচল মৌলিক বস্তু। সেইবাবে সকলো জড় পদাৰ্থতকৈ মানুহৰ অভিজ্ঞতা, ভাব, ধ্যান-ধাৰণা, মূল্য, ব্যক্তিত্ব আদি মূল সত্তাৰ অধিক সমীপবৰ্তী। আদৰ্শবাদী সকলে প্ৰশ্ন কৰে "মনটোৰনো এটা দেহ থাকে কিয়?" ই জড়বাদী সকলৰ "দেহটোৰনো এটা মন কিয় থাকে" প্ৰশ্নৰ সম্পূৰ্ণ বিপৰীত।

আদৰ্শবাদৰ কেইবাটাও উপভাগ আছে। এটা উপভাগৰ মতে জগতখন বিচাৰ-বুদ্ধি সম্পন্ন (rational)। এই ক্ষেত্ৰত আদৰ্শবাদ আৰু বিজ্ঞানৰ মাজত কিছু মিল দেখিবলৈ পোৱা যায়, কাৰণ দুয়োটাই জগতখন কিছুমান নিৰ্দিষ্ট সূত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত বুলি বিবেচনা কৰে। বিজ্ঞানতকৈও এখোজ আগুৱাই গৈ আদৰ্শবাদে ক'ব খোজে জগতখন নিৰ্দিষ্ট কিছুমান সূত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ গুৰিতে আছে এক বিশ্বজনীন মন (universal mind)। এওঁলোকৰ মতে গোটেই জগতখনেই যেন এটা জীৱ– ইয়াৰ এটা দেহ আছে আৰু এটা মন আছে। জগতৰ পাৰ্থিৱ ৰূপটো হ'ল বিশ্বজনীন মনৰ এক বাহ্যিক প্ৰকাশ। দাৰ্শনিক হেগেলৰ পৰম আদৰ্শবাদ মতে "জগতখন হৈছে এটা বৃহৎ চিন্তা প্ৰক্ৰিয়া।" কলা, সাহিত্য, ধৰ্ম আৰু দৰ্শনৰ মাজেদি আমি এই বিশ্বজনীন চিন্তা প্ৰক্ৰিয়াৰ কাষ চাপিব পাৰো।

আদৰ্শবাদৰ দ্বিতীয় এটা উপভাগ মতে "সকলো সত্যই মানসিক।" প্ৰতিটো পৰমাণুৰে মন, জীৱন আৰু শক্তি আছে। দাৰ্শনিক লাইব্‌নিজৰ মতে পৰমাণু বিলাক শক্তিসম্পন্ন আৰু আত্মাযুক্ত কিছুমান চিৎপৰমাণু (monad)। মানুহৰ শৰীৰতো এনে ধৰণৰ অসংখ্য চিৎপৰমাণুৰ সমষ্টি, মনটো হ'ল মূল পৰিচালক চিৎপৰমাণু (goverming monad)।

আদৰ্শবাদৰ তৃতীয়টো উপভাগে গুৰুত্ব





আৰোপ কৰে যে অনুভৱ কৰিব পৰা মনটোৰ অবিহনে জগতখনৰ কোনো অস্তিত্ব নাই। আইৰিচ দাৰ্শনিক জৰ্জ বাৰ্কলিৰ মতে বস্তুৰ অস্তিত্ব আছে যেতিয়া ইহঁত আমাৰ ইন্দ্ৰিয়ৰ দ্বাৰা জ্ঞাত হয়; ইন্দ্ৰিয়ৰ দ্বাৰা অনুভূত নোহোৱা বস্তু, অৰ্থাৎ অতীন্দ্ৰিয় জগতৰ কোনো অস্তিত্ব নাই। এনে এটা যুক্তি তৰ্কৰ সহায়ত খন্ডন কৰা টান সঁচা, কিন্তু আমি চকু ঢাকি ধৰিলেই আমাৰ সমুখৰ বস্তুবিলাকৰ অস্তিত্ব নাইকিয়া হৈ যাব বুলি মানি লোৱাটো আমাৰ সাধাৰণ অভিজ্ঞতাৰে সম্পূৰ্ণ পৰিপন্থী।

কান্টৰ মতে আমি জনা জগতখন কেৱল ইন্দ্ৰিয়ৰ মাজেদি অনুভূত হোৱা জগত। এই জগত সম্বন্ধে আমি যি জ্ঞান লাভ কৰো সেই জ্ঞান জগতৰ সত্তাৰ জ্ঞান নহয়, এই জ্ঞান কেৱল জগতৰ অৱভাসৰ জ্ঞান। অৱভাস আমাৰ মনৰ সৃষ্টি। প্ৰকৃত জগতখন হ'ল বস্তুৰ নিজা স্বৰূপ বা অতীন্দ্ৰিয় সত্তাৰ জগত। এই জগত অজ্ঞাত (unknown) আৰু অজ্ঞেয় (unknowable)।

বিজ্ঞানৰ মতে সকলো পদাৰ্থ ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰমাণুৰ সমষ্টি। আধুনিক বিজ্ঞানে অৱশ্যে প্ৰমাণ কৰিছে যে পৰমাণু বিলাকক তাতোকৈ ক্ষুদ্ৰতৰ কণিকালৈ ৰূপান্তৰিত কৰিব পাৰি। অকল সেয়ে নহয়, বিজ্ঞানে এই কথাও প্ৰমাণ কৰি দেখুৱাইছে যে পৰমাণুৰ এই অংশ বিলাক কোনো নিষ্ক্ৰিয় আৰু অচল কণিকা নহয়, ইহঁত শক্তিৰ বিশেষ ৰূপহে মাথোন। গতিকে দৰাচলতে এই বিলাক জড় কণিকা নে শক্তি কণিকা সেই কথা এতিয়াও নিৰ্ভুল ভাবে ক'ব পৰা হোৱা নাই। তেজঃক্ৰিয়তা, আপেক্ষিকতাবাদ, কোৱান্টামবাদ আদি বিজ্ঞানৰ দিশ সমূহে পদাৰ্থৰ জড় দিশটোৰ লগতে শক্তিৰ দিশটোও পোহৰাই তুলিছে আৰু তাৰ ফলত বৰ্তমান যুগত জড়ৰ ক্ৰমান্বয়ে নিৰ্জড়ীকৰণ হবলৈ আৰম্ভ কৰিছে। বৈজ্ঞানিক সত্য উদ্ঘাটনৰ পৰিপ্ৰেক্ষিতত ঘটা পদাৰ্থৰ এনে নিৰ্জড়ীকৰণে জড়বাদৰ তাত্ত্বিক ভেটি কিছু পৰিমাণে দুৰ্বল কৰি পেলাইছে। অনবৰতে পদাৰ্থৰ গুণাগুণৰ লগত লীলা খেলা কৰি থকা বিজ্ঞানী সকলেও আনকি জড়বাদত সম্পূৰ্ণ আস্থা ৰাখিবলৈ টান পাইছে। সি যি কি নহওক, সাধাৰণ অভিজ্ঞতাৰ পৰা আমি ঠাই জিনি থকা আৰু ভৰ থকা পদাৰ্থৰ অস্তিত্ব কেতিয়াও নুই কৰিব নোৱাৰো আৰু সেইবাবে জড়বাদ আৰু আদৰ্শবাদৰ মতানৈক্য বোধকৰো সদায়েই চলি থাকিব।

দৰ্শনৰ লগত শিক্ষাৰ বৰ ঘনিষ্ঠ সম্বন্ধ। বিদ্যালয়ৰ পাঠ্যক্ৰম, পাঠ্যপুথি, শিক্ষাদানৰ পদ্ধতি, শিক্ষকৰ ভূমিকা, শ্ৰেণী কোঠাৰ বাতাবৰণ আদি কেনে ধৰণৰ হোৱা উচিত সেই কথা বহু পৰিমাণে নিৰ্ভৰ কৰে দাৰ্শনিক বিবেচনাৰ ওপৰত। ইয়াত বৰ্ণনা কৰা জড়বাদ আৰু আদৰ্শবাদৰ উপৰিও দৰ্শনত আৰু অনেক বিভিন্ন মতবাদ আছে।

প্ৰত্যেক ব্যক্তিয়েই সম্পূৰ্ণ বা আংশিক ভাবে ইয়াৰে যিকোনো এটাৰ ওপৰত নাইবা কেইবাটাৰো সাৰ অংশ গোট খুৱাই তাৰ ওপৰত ভিত্তি কৰি নিজৰ নিজৰ জীৱন-দৰ্শন ঠিক কৰি লয়। তাৰ বাবে অৱশ্যে গভীৰভাবে দৰ্শন শাস্ত্ৰ অধ্যয়ন কৰাৰ প্ৰয়োজন নাই, সৰুৰে পৰা জীৱনত লাভ কৰা অভিজ্ঞতায়েই যথেষ্ট। আমাৰ তেজৰ প্ৰকৃতি অনুযায়ী যেনেকৈ নজনাকৈয়ে আমি A, B, AB, O আদি একো একোটা গ্ৰুপৰ অন্তৰ্গত, ঠিক তেনেকৈ নিজে সজ্ঞানে বাছি লোৱা নাই যদিও নিজৰ নিজৰ কাৰ্য-চিন্তা মনোভাৱ আদিৰ জৰিয়তে আমি একো একোটা দাৰ্শনিক মতবাদৰ দলভুক্ত হৈ পৰো। ইয়েই আমাৰ জীৱন দৰ্শন। জীৱন দৰ্শনৰ ওপৰতে ব্যক্তিৰ সকলো কাৰ্যকলাপ নিৰ্ভৰ কৰে। এজন ব্যক্তিৰ দৰে এখন সমাজৰ কাৰ্যকলাপো দাৰ্শনিক বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল। প্ৰতি সমাজতে প্ৰচলিত শিক্ষা ব্যৱস্থাই বহু পৰিমাণে সেই সমাজে বিশ্বাস কৰা দৰ্শনকেই প্ৰতিফলিত কৰে। সূ


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
**উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ**

**জেউতি ছেক্স ক্লিনিকছ**
**কুমাৰপাৰা, গুৱাহাটী-৭৮১০০৯**

# বিয়া? – বাপ্‌ৰে

গৰিমা হাজৰিকা


'হেৰা শুনিছা, আজি অফিচৰ পৰা অলপ সোনকালে আহিবা দেই –তিনিখন বিয়া মনত আছে নহয়?' 'এহ মই নেযাওঁ দিয়া তুমি অমিহঁতৰ লগতে যাবা'। 'তোমালোক মতা মানুহবোৰৰ নো কি – নেযাওঁ নকৰো বুলি কলেই লেঠা ছিগিল, সামাজিক নীতি নিয়ম কেৱল মাইকী মানুহেহে ৰাখিব লাগে।' 'মা, অমি মাহীয়ে ফোন কৰিছে, বিয়ালৈ কেনেকৈ যাবা সুধিছে।' 'ৰবলৈ ক গৈছো, হেৰা তুমি যোৱাই নেকি? প্ৰেজেন্ট কিনিবলৈ এশমান টকা দিয়া।' 'এশ টকা লাগিবনে?' 'বিয়া তিনিখন নহয়? বস্তুৰ দাম যিদৰে বাঢ়িছে, কিবা খবৰ ৰাখিলেহে।' 'মা অমি মাহী ফোনত ৰৈ আছে।' 'গৈছো ৰ-হ অ'।

'ইচ, পাঁচোটা বাজিবৰে হ'ল – অ মণি, তই ওলাইছনে?' 'মা মই নেযাওঁ – বিয়ালৈ। ইমান Bore লাগে। লীনুও নেযাওঁ বুলি কৈছে' 'বাপেৰ জীয়েৰে নেযাওঁ বুলি কলেই লেঠা ছিগিল। কইনা, দৰাৰ মাক-বাপেক নিজে আহি মাতি গৈছে, নগলে কিমান বেয়া হ'ব।' 'তুমিতো যাবাই, হৈ গ'ল।' 'শুন, মাছৰ টেঙাখন ৰান্ধি গৈছো। ৰত্নেক ভাজি আৰু দাইলখন ৰান্ধিবলৈ কবি বুজিছ।' 'মা ৰবা, ৰবা, খোপাটো তুমি নেবান্ধিবা মই বান্ধি দিছো – নতুনকৈ পাৰী লগোৱা মেখেলা চাদৰ যোৰো ইস্ত্ৰি কৰি থৈছো, সেইযোৰ পিন্ধি যাবা।'

প্ৰেজেন্ট কেইটা বান্ধিলিনে?' 'চব ৰেডি মা, অমি মাহী আহিলেই হৰ্ণ দিছে।' 'মোলৈ ভাত থব নালাগে, তিনিখন বিয়া খাই আৰু ভাত খাব নোৱাৰিম – তহঁতে খাই দিবি।' 'হব, হব তুমি যোৱা এতিয়া।'

'মণি অ মণিমা, আগফালে অলপ চাছোন মাৰ আহিলনে নাই। ন'টা বাজিবৰ হ'ল, ইমান দেৰি কৰিছে।' 'দেৰিতো হবই দেউতা তিনিখন বিয়া, তিনিওখন দূৰৈৰ দূৰৈৰ ঠাইত। তুমি মিছাকৈ চিন্তা কৰিছা। সেইয়া কলিং বেল বাজিছে, মা আহিছে নিশ্চয়।'


'মণি, ৰহ ময়েই দুৱাৰখন খুলিছো। হাৰে, তুমি বক্সিং খেলি আহিলানে, বিয়া খাই আহিলা?' 'এহ্ যেতিয়াই তেতিয়াই ধেমালিখন ভাল নেলাগে বুজিছা।' 'ইয়ে মা, তোমাৰ মূৰটো ইমান জপৰা হ'ল কেনেকৈ, ইমান ধুনীয়াকৈ খোপাটো বান্ধি দিছিলো। ইচ্ ইচ্ কাপোৰ যোৰত চোন ভাজি, দাইলৰ দাগ।' 'তই মনে মনে থাক, বেছি পেকপেকাই নেথাকিবি। ৰত্নে, মোলৈ ভাত আছেনে নাই।' 'কি হ'ল মাৰৰ ইমান নো খং কাৰ ওপৰত? বিয়া খাবলৈ গৈছা – আকৌ খং কিয়?' 'এইবোৰ বিয়া মিছামিছি – সাতলংকাত গাড়ী থৈ খোজ কাঢ়িবা – বিয়া ঘৰ পাই দেখিবা দেউতাক মাক গেটতে 'জয়' 'বিজয়' দৰে হাতযোৰ কৰি থিয় হৈ থাকিব। বহিবলৈ দিব ক'ত – চিধা গেটৰ পৰাই সোধপোচ কৰাৰ দায়িত্বত থকা মানুহে, লৈ যাব খোৱা ঘৰলৈ। দিলে খোৱা ঘৰত সুমুৱাই – 'কন্‌চেনট্ৰেচন' কেম্পত কয়দী ভৰোৱাদি এগাল মানুহ। তাৰ পাছত ঘৰৰ মানুহৰ কাম খতম। তুমি খালা নে নাই, নে এনেই থিয় দি আছা কব নোৱাৰে।' 'পিছে খাবলৈ পালানে নাই?' 'খাবলৈ পালানে নাই মানে? খাবলৈ কোনে ক'ব? – গোপাল ভাঁড়ৰ জুইৰ ওপৰত টেবুলে টেবুলে বিবিধ খোৱা সুন্দৰকৈ সজাই থৈছে – প্লেট লোৱা আৰু শাৰী পাতি গৈ হাত পাতা। মুখত হাঁহি এটা নথকা পাথৰৰ ধুনীয়া ধুনীয়া মূৰ্তি কিছুমানে প্লেটত খোৱা বস্তু তুলি দিব খোৱা। তাতে মানুহৰ হেঁচা তেপা, অলপ ধতুৱা মানুহ ফিট হৈ যাব।' 'কিয়? গৃহস্থ ঘৰৰ কোনো মানুহ নাই নেকি?' 'হেৰা, তুমি যেনেকৈ সুধিছা – যেন তুমি কোনোদিন গুৱাহাটীৰ বিয়া খোৱাই নাই। কিয় – বিমলৰ ঘৰৰ বিয়াত কি হৈছিল মনত নাই? চাহ, কফি দিয়া ঠাইত তুমি থিয় হৈ থাকোতে, তোমাক এজনে আহি 'কফি দিয়ক' বুলি কোৱা নাছিল।' 'সেইবোৰ কাৰণতেই মই আজি কালি বিয়ালৈ যাব ভাল নেপাওঁ।'



'ভাল নেপালেতো নহ'ব। বিয়ালৈ দেউতাক মাকে যেনেকৈ ঘৰলৈ আহি মাতিবহি যেন নগলে তেওঁলোকে বৰ বেজাৰ পাব। কিন্তু বিয়া ঘৰত তুমি খালানে নাই, তুমি বিয়ালৈ গৈছা নে নাই কাৰো খবৰ নাই। হুলস্থূল, কুম্ভমেলা, হেজাৰ বিজাৰ মানুহ, বুফে খাবলৈ সুমুৱাই দিব খোৱা ঘৰত – তাৰ পাছত প্লেট পাতি খাবও পাৰা নহলে এনেয়ে দুই এজনৰ সৈতে কথা পাতি গুচি আহিলেও কোনেও গম নেপায়।' 'মা অঞ্জুক কইনাৰ সাজত কেনেকুৱা দেখিছিলি, কি পিন্ধিছিল তাই?' 'অঞ্জুক ভালদৰে চাব পাৰিলেহে, প্ৰেজেন্টটো দি মছলা ললোহে, নিলেই নহয় ভিতৰলৈ – হাতৰ মছলা হাততে থাকিল। তাতে ভিডিঅ' তোলাৰ উৎপাতত চকু জলক তবক। আজিকালি বিয়াবোৰ খাই এনেকুৱা লাগে – আমি যেন কেৱল খাবলৈকে গৈছো।'

'ৰবাছোন ৰবা ইমান খং উঠিছে কিয়? বিলোৱা মানুহৰ অভাৱ কাৰণেহে বুফে বিয়া বোৰ পাতে। আগৰ দিনৰ দৰে তো এতিয়া নাই, আগতে ঘৰত বিয়া এখন হলে ঘৰৰ মানুহ ওচৰ চুবুৰীয়াঁ মিলি নিমন্ত্ৰিত অতিথিক সুন্দৰভাৱে সোধপোচ কৰি আপ্যায়িত কৰাটোতেই বেছি গুৰুত্ব দিছিল। আজিকালি কথাবোৰ কিবা বেলেগ হ'ল। গতিকে মানুহ সোধপোচ কৰোতে বেমেজালি হবই আৰু সমাজেও কথাটো এক প্ৰকাৰে মানিয়েই লৈছে দেখোন।' 'থোৱা, সমাজে মুঠেই মানি লোৱা নাই – যাকেই সোধো সেয়েই 'বুফে' বিয়া ভাল নেলাগে বুলি কয়, ঠিক আছে বাৰু বিলোৱা মানুহৰ অভাৱ তেনেহলে বাৰশ, পোন্ধৰশ কৈ মানুহ নিমন্ত্ৰণ কৰিব নালাগে। কম মানুহ মাতি নিমন্ত্ৰিত মানুহখিনিক ভালদৰে ঘৰৰ মানুহে সোধপোচ কৰিব লাগে। মুখৰ মাত ষাৰ হে বৰ ডাঙৰ কথা। গুৰুত্ব দিব লাগে সোধপোচত কিন্তু আজিকালিৰ বিয়াত গুৰুত্ব দিয়ে মন্ডপ সজোৱাত।'


'মা তোমাৰ খোপাটো কেনেকৈ খুলিল।' 'এই VDO তোলা মানুহজনৰ গাত লাগি, যেনিয়ে তেনিয়ে ঘূৰি ফুৰে নহয়।' 'বৰুৱাৰ ঘৰত চাগৈ বহুৱাই খুৱাইছে।' 'বহুৱাই খুৱালে কি হ'ব, খুউৱাৰ ঠাই কম, মানুহ পাৰে মানে মাতিছে – উশাহ নিশাহ বন্ধ হোৱাৰ বেপাৰ। দায়িত্ব নথকা মানুহ কিছুমানে বিলাইছে। কোনোবাই লুচি দাইল পাইছে, কোনোবাই অম্বল, কোনোবাই একোৱে পোৱা নাই; ৰৈ আছে – বেমেজালি। গৃহস্থ ঘৰৰ মানুহ এজনো সোধপোচত নাই – সকলো কিবাকিবি কথাত ব্যস্ত। তাতেইতো মোৰ কাপোৰত ভাজি পৰিল। অ' এটা কথা কবলৈ পাহৰিছিলোৱেই। অঞ্জুৰ বিয়াত দুগৰাকী বয়সস্থ মানুহৰ দুৰ্গতি দেখি বৰ বেয়া লাগিল। এগৰাকীয়ে নাতিনীয়েকক লৈ গৈছে। থিয় হৈ থিয় হৈ মানুহ গৰাকীয়ে নিজেই খাব নে নাতিনীয়েকক খুৱাব। মোৰ দেখি বৰ বেয়া লাগিল, মিউজিক চেয়াৰ খেলাত থোৱাৰ দৰে দহখন মান চকী থৈ দিয়াৰ পৰা এখন চকী আনি তেখেতক বহিবলৈ দিলো। ইগৰাকীৰ যে দুৰৱস্থা, লগত এজনী আপি – তাইক লৈ কি কৰে। সঁচাকৈ দেই এই ধৰণৰ বিয়াবোৰ বৰ অশান্তিকৰ। বিভাইঁতৰ বিয়াখন বৰ ভাল লাগিছিল, তুমিওতো গৈছিলা সেইখন বিয়ালৈ। ঠাই অনুপাতে মানুহ মাতিছিল – ঘৰৰ মানুহে কি সুন্দৰকৈ সোধপোচ কৰিছিল। তেনে এটা জাকজমকতা নাছিল, অথচ এটা সুন্দৰ পৰিবেশ সৃষ্টি হৈছিল। শইকীয়াৰ ঘৰত আকৌ কি জানা, খাবলৈ যাবলৈ কিউত থিয় হোৱা। খোৱা ঠাই ভৰ্তি হৈ গলে, কোনোবা এজন আহি সংকেতেৰে কবহি, ঠাই নাই, মানুহখিনিক ৰবলৈ কওক। মই কিউত থিয় নিদি কায়দা কৰি গুচি আহিলো। কিছুমান মানুহে আজিকালি এইবোৰ কথা দোষৰ বুলিয়েই নধৰে। কিন্তু কি জানা – বিয়া হ'ল এটা সামাজিক অনুষ্ঠান আনন্দৰ অনুষ্ঠান। কেৱল ঘৰৰ মানুহবোৰে বিয়া এখনত আনন্দ পালেই নহ'ব – নিমন্ত্ৰিত অতিথি সকলেও আনন্দৰ সুন্দৰ পৰিবেশ এটা পাব লাগিব। মোৰ যে গুৱাহাটীৰ বিয়া বুলিলেই ভয় লগা হৈছে –কিহত বা পৰোগৈ।' 'বাৰু হ'ল এতিয়া বিয়াৰ কথা বহুত শুনিলো। ভাত খাওঁ আহা।'



ধাৰাবাহিক উপন্যাস ১৩

# ডিকটৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰবৰা

এবছৰকাল জেলত থকাৰ পাছত ৰেমা যেতিয়া না-থীয়াল গ্ৰুপ-চেন্টাৰলৈ উলটিল তেতিয়ালৈ গাঁৱৰ মানুহবোৰ যেয়ে যেনেকৈ পাৰে থানথিত লাগিল।

গ্ৰুপ-চেন্টাৰবোৰ আছিল শাসন-যন্ত্ৰৰ অভিমন্যু বেহু। এইবোৰ যেনেদৰে চৰকাৰৰ মানত গাঁৱৰ মানুহবোৰক সুৰক্ষিত কৰাৰ উপায় ঠিক তেনেদৰে এম্ এন এফ-ক বিভ্ৰান্ত কৰাৰ কৌশল। প্ৰধান চহৰবোৰৰ পৰা গৰিলাবোৰক ছত্ৰভংগ কৰি দিয়াৰ পিছত দাঁতিকাষৰীয়া জংঘলত সিহঁতে আশ্ৰয় ল'লে। সিহঁতৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ বাবে ভিতৰুৱা গাঁওবোৰৰ কাষ চাপিল। কিছুমানে সহানুভূতিত সহায় আগবঢ়ালে, আন কিছুমানক সহায় কৰিবলৈ বাধ্য কৰোৱা হ'ল। গৰিলাবোৰে মিলিটাৰী আদিৰ গতি বিধিও গাঁৱৰ কিছুমান মানুহৰ পৰা লোৱা হ'ল।

এই সকলোবোৰৰ অন্ত পেলাবলৈ শাসক-সকলে এটা পন্থা উদ্ভাৱন কৰিলে। প্ৰতি গাঁৱৰ মূৰে মূৰে কুৰিটামান মিলিটাৰীৰে গঠিত একোটা পষ্ট খোলা হ'ল। কিন্তু গাঁৱৰ সংখ্যা আছিল অনেক আৰু অ'ত ত'ত পাহাৰৰ টিলাবোৰৰ ওপৰে ওপৰে সিঁচৰতি। গতিকে গাঁৱৰ মানুহক সুৰক্ষিত কৰাত আৰু লগতে এম্ এন্ এফ-ৰ গতিবিধি ৰোধ কৰাত এই পন্থা আংশিক ভাবেহে সফল হ'ল।

বছৰ চেৰেকৰ মূৰতে শাসন যন্ত্ৰৰ পন্থা সলনি হ'ল। সৰু সৰু গাঁওবোৰ ভিতৰুৱা ঠাইৰ পৰা আনি প্ৰধান ৰাষ্টাৰ কাষৰ ডাঙৰ গাঁওবোৰৰ লগত একগোট কৰি গ্ৰুপ-চেন্টাৰ গঠন কৰা হ'ল। প্ৰতিটো গ্ৰুপ-চেন্টাৰতে স্বাস্থ্য, কৃষি, বন, যোগান আদিৰ অফিচ পতা হ'ল। আৰম্ভণিতে একোখন এম্ ই স্কুল পতা হ'ল। এম্ ই স্কুল থকাবোৰত হাইস্কুলৰ শ্ৰেণী আৰম্ভ কৰিবলৈ যো-জা কৰিলে। এই সকলোবোৰ চোৱা-চিতা কৰিবৰ বাবে উপাযুক্তক প্ৰতিনিধিত্ব কৰি একোজন এ-অ' অৰ্থাৎ এড্‌মিনিষ্ট্ৰেটিভ্ অফিচাৰ নিয়োগ কৰা হ'ল। এ-অ'-ৰ অফিচ, যোগান বিভাগৰ অফিচ আৰু ভঁৰাল সুৰক্ষিত কৰাৰ লগতে গাঁওখন সুৰক্ষিত কৰিবলৈ মেজৰৰ শাৰীৰ পষ্ট কামান্ডাৰৰ তলত আৰ্মিৰ একোটা চিকিউৰিটি পষ্ট পতা হ'ল। এনেদৰেই চৰকাৰে গ্ৰুপ-চেন্টাৰবোৰক সুৰক্ষিত আৰু উন্নয়নশীল গাঁৱলৈ পৰিবৰ্তন কৰাৰ প্ৰচেষ্টা কৰিলে। এনে গাঁওবোৰক কোৱা হ'ল পি, পি, ভি, অৰ্থাৎ প্ৰটেক্‌টেড্ এন্ড প্ৰগ্ৰেছিভ্ ভিলেজ্।

ৰেমা গাঁও পাওঁতে দেৰি হ'ল। পশ্চিমত বেলি লহিয়াইছিলেই। তাৰ পোহৰত না-থীয়াল গ্ৰুপ-চেন্টাৰটোৰ সৰু সৰু ঘৰবোৰৰ নতুন টিন-পাতবোৰ চিক্‌মিকাই আছিল। সি দেখিলে গাঁৱৰ মতা-তিৰোতা কিছুমান পথাৰৰ সঁজুলি লৈ গাঁৱলৈ উভতিছে। সিহঁতৰ আগে পিছে মিলিটাৰী। সিহঁতৰ মুখত বিশেষ কথা নাই। সিহঁতৰ ওঁঠতো সতেজ হাঁহি নাই।

মানুহমখাৰ আগে-পিছে অহা মিলিটাৰীবোৰৰ এটাৰ ৰেমাৰ ওপৰত চকু পৰিল। – হেই্, ইধাৰ আও–

ৰেমা তাৰ ওচৰলৈ গ'ল।

– তোৰ নাম কি?

লালবিয়াক ৰেমা। – ৰেমাই ক'লে।

– ঘৰ ক'ত তোৰ? – মিলিটাৰীটোৱে সুধিলে।

– এইখন গাঁৱতে।

– পাছ নিকাল', পাছ নিকাল' – মিলিটাৰীটোৱে উৎপাত লগাই দিলে।

ৰেমাই তাক ধৰি নিয়াৰ দিনাও আইডেন্‌টিটি কাৰ্ডখন তাৰ চোলাৰ জেপতে ৰাখিছিল। সি উৱলি যাব খোজা আইডেন্‌টিটি কাৰ্ডখনৰ লগতে খমখমীয়া কাগজ এখনো উলিয়াই দিলে। কাগজখিলাত তাক মুক্তি দিয়াৰ কথা লিখা আছিল। মিলিটাৰীটোৱে দুয়োখন কাগজ উৰাই ঘূৰাই চাবলৈ ধৰিলে। আইডেন্‌টিটি কাৰ্ডখন তাৰ চিনাকি। কিন্তু আনখন কাগজত দুটা মোহৰ মৰা আছে। এটা ঘূৰণীয়া আৰু আনটো চাৰিকোণীয়া। সি একো বুজিব নোৱাৰিলে। বৰ দৰকাৰী কাগজ হব হবলা। সি অলপ কোমল মাতেৰে সুধিলে– এ ক্যা হায়?

ৰেমাই তাক বুজাবলৈ চেষ্টা কৰিলে যে সি যোৱা এবছৰে জেলত আছিল আৰু এই কাগজখিলাত তাৰ মুক্তি আৰু গাঁৱলৈ যাবলৈ অনুমতি প্ৰদান কৰা আছে।

– অ'- তু এম্ এন্ এফ্! – মিলিটাৰীটোৰ চাৱনি আৰু মাত মুহূৰ্ততে ৰুক্ষ হ'ল।

ৰেমাই আপত্তি কৰি উঠিল।

ঠিক হেই, ঠিক হেই' চ'ল', গাঁওমে চ'ল'– মিলিটাৰীটোৱে তাক যেন কথাৰেই গতিয়াই লৈ যাব।

ৰেমাই বাটত বিশেষ কথা নামাতিলে। কিন্তু যি দুই এষাৰ কথা পথাৰৰ পৰা ওলোটা মানুহৰ লগত পাতিলে তাৰ পৰা ইমানেই জানিলে যে চৰকাৰে গ্ৰুপ-চেন্টাৰটোৰ পাঁচ মাইলমান আঁতৰত সিহঁতক জুম খেতি কৰিবলৈ অনুমতি দিছে। খেতিৰ সঁজুলি আৰু ধানৰ সঁচৰ বিনামূলীয়া যোগান ধৰিছে। প্ৰতি পৰিয়ালক দিয়া মাটি তেনেই তাকৰীয়া। তাৰ উপৰি সিহঁত পুৱা মিলিটাৰীৰ লগত পথাৰলৈ যাব লাগে। মিলিটাৰীবোৰে দিনৰ দিনটো সিহঁতক পথাৰত ৰখি থাকে। বেলি লহিয়ালেই সিহঁতে পথৰুৱাহঁতক উৎপাত লগাই দিয়ে ঘৰলৈ উলটিবলৈ। গতিকে পথাৰত সিহঁতে বেছি সময় কাম কৰিব নোৱাৰে। তাৰ উপৰি মুকলি মনেৰে কাম কৰাৰ আমোদো সিহঁতে নাপায়।

– কিন্তু তহঁতে এই এবছৰে চাউল-পাতৰ ব্যৱস্থা কেনেকৈ কৰিছ? – ৰেমাই জানিবলৈ উৎসুক হ'ল।

– যোৱা এবছৰে চৰকাৰে আমাক বিনামূল্যে ৰেচন দিছে। খেতি নচপোৱালৈকে বোলে দি থাকিব। – কোনোবা এটাই ক'লে।

ৰেমাই মানুহটোৰ মুখলৈ আচৰিত ভাবে চাই ৰ'ল।

নিশা ঘৰত বেমাৰী মাকজনীয়ে আনন্দ মনেৰে যেতিয়া তাক খাবলৈ ভাতৰ সলনি আটাৰ ৰুটি তিনিখন আগুৱাই দিলে সি আৰু আচৰিত হ'ল। মানুহবোৰ নিশ্চয় যথেষ্ট সলনি হৈছে– ৰেমাই ভাবিলে।

ৰেমাৰ ধাৰণা অমূলক নাছিল। পিছদিনা পুৱাই সি তাৰ প্ৰমাণ পালে। সান্ধ্য আইনৰ বাবে ৰাতি সি গাঁও ফুৰিবলৈ ওলাই আহিব নোৱাৰিলে। পিছদিনা পুৱাই ওলাই আহি সি এঠাইত ৰ'লহি। ঘৰ এটাৰ আগত মেজ এখন উলিয়াই মানুহ এজনীয়ে তামোল-পান, চিগাৰেট, লজেন্স-টফি আদি বস্তু কিছুমান সজাব ধৰিছে। কেই মুহূৰ্তমান চাই থাকি সি ধৰিব পাৰিলে তিৰোতাজনী আন কোনো নহয়, ছা-ঙীহে।

লৰালৰিকৈ তাইৰ ওচৰলৈ গৈ সি মাতিল– উ ছাঙ, কেনে আছ'?

– উ-ই – ছা-ঙীৰ মুখত হাঁহি বিৰিঙি উঠিল। তাই ক'লে– তই আহিছ বুলি কালি শুনিলো। খবৰ পাওঁতে দেৰিয়েই হ'ল। আজি যাম বুলি ভাবিছিলোহে।

– তই কেনে আছ' ক'চোন? – ৰেমাই সুধিলে।

– ভালেই।

ৰেমাই তাইৰ মুখলৈ ভালদৰে চায়ো এবছৰৰ আগতে হৈ যোৱা ঘটনাৰ লেশ বিচাৰি নাপালে।

– দোকানখন তোৰেই হবলা? – সি সুধিলে।

– অ'। – শলাগি তাই কৈ গ'ল– আমি প্ৰথমতে আহোতে চৰকাৰে টিন এক বান্দিলকৈ আৰু চাৰিশকৈ টকা দিছিল। মোকনো থাকিবলৈ টিনৰ ঘৰটো কেলেই লাগিছে। টিনখিনি বেচি দিলো। তাৰে থাকিবলৈ এই খেৰৰ ঘৰটো বনালো – লগতে দোকানখনো দিলো।

মেজখনৰ ওপৰত বস্তুখিনি ঠিক কৰি কৰি তাই ক'লে– চলি আছো আৰু!

ৰেমাৰ ধাৰণা হ'ল উ-ছাঙে বেছ বুদ্ধিৰ কাম কৰিছে। তাই ভালদৰেই চলি আছে। তাইৰ মুখৰ উজ্জ্বলতাই তাৰ প্ৰমাণ।

– ৰিণ অ'মা ক'ত? তাক দেখা নাই দেখোন।

– ৰ'- বুলি ছা-ঙীয়ে তাক মাতিলে।

প্ৰায় চাৰি বছৰীয়া ল'ৰা এটা হাফ্‌পেন্ট আৰু গেঞ্জি পিন্ধি ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। তাৰ হাতত সিজোৱা আলু এডোখৰ।

ৰেমাই ৰিণঅ'মালৈ চাই থাকোতেই পাঁচোটা মিলিটাৰী আহি সিহঁতৰ ওচৰ পালেহি। তাৰ এটাৰ পিন্ধনত বগা স্পটিং, বগা হাফ্‌পেন্ট আৰু বগা জোতা-মোজা। আন কেইটাৰ গাত সেউজীয়া ইউনিফৰ্ম। এটাৰ কান্ধত ষ্টেনগান। আন কেইটাৰ কান্ধত অট'মেটিক ৰাইফল।

বগা পোছাক পিন্ধা মানুহটো অফিচাৰ জাতীয়। সি হয়তো দেহৰক্ষক লৈ প্ৰাতঃভ্ৰমণ কৰিছে। সি সিহঁতৰ ওচৰলৈ আহি ছা-ঙীক মাতিলে– কাপী!– তাৰ পাছত হিন্দীতে সুধিলে– তোৰ কেনে?

ছা-ঙীয়ে মিজো ভাষাতে হাঁহি মাৰি ক'লে– ভাল।

– ই কোন? – ৰেমালৈ চাই অফিচাৰটোৱে সুধিলে।

ই ৰেমা। মোৰ ভাই। – ছা-ঙীয়ে ক'লে।

– কি নাম কৈছ'? পূৰা নাম ক'–

– ৰেমা, পূৰা নাম লালবিয়াক ৰেমা।

– তই কালি আহিছ নহয় জানো? – অফিচাৰটোৱে ক'লে– তই মোৱানাৰ ভাই, কিয়েনল'ভাৰ পুতেক? হয়নে নহয়?

সি কালি আহি পাইছেহে, অফিচাৰটোৱে

তাৰ সকলো খবৰ জানিলেই। ৰেমাৰ ধাৰণা হ'ল মানুহটোক সি ক'ৰবাত দেখিছে। মানুহটোৰ কথা কোৱাৰ ধৰণটোও তাৰ চিনাকি। মানুহটোৰ কথাৰ উত্তৰত ৰেমাই মূৰ দুপিয়াই শলাগিলে।

– ঠিকমতে থাকিবি। ইফালে সিফালে ঘূৰি নুফুৰিবি। – অফিচাৰটোৱে সকীয়ালে।

যোৱাৰ আগতে ছা-ঙীলৈ চাই মানুহটোৱে ক'লে– কাপী, কিবা অসুবিধা হ'লে মোক খবৰ দিবি–

মিলিটাৰী কেইটা আঁতৰি যোৱাৰ পাছত ৰেমাই সুধিলে– মানুহটো কোন?

– আৰ্মিৰ কেপ্তেইন্। – ছা-ঙীয়ে ক'লে।

– মানুহটো ডাক্টৰো। যোৱা বছৰ ভেঙনোৱামত আছিল। সি ইয়ালৈ অহাৰ পাছৰে পৰা মোক বহুতো সহায় কৰিছে।

ৰেমাই তেতিয়াহে বুজি পালে এই কেপ্তেইনটোৱেই তাক তাৰ লগৰীয়াবোৰৰ লগত ধৰি বান্ধি অনা মিচনটোৰ নেতৃত্ব দিছিল।

তাৰ মনত পৰিল সিহঁতৰ গাঁওখন জ্বলাই দিয়াৰ এদিনৰ পাছত যেতিয়া সি ভেঙনোৱামৰ মিলিটাৰী হাজোতত বন্দী হৈ আছিল তেতিয়া সেই কেম্পটোলৈ পু-ভট্ আহিছিল। সি স্পষ্টকৈ শুনিবলৈ পাইছিল পু-ভটে কেম্প কামান্ডাৰ এই কেপ্তেইনজনৰ লগত তৰ্ক কৰিছে– মই গাঁওখন আৰু গাঁৱৰ মানুহবোৰক ভালদৰে জানো। কিন্তু ইমান অত্যাচাৰ কিয়? – সাময়িক হাজোতৰ পৰাই ৰেমা আৰু তাৰ লগৰ মানুহখিনিয়ে লক্ষ্য কৰিছিল পু-ভটৰ যথেষ্ট খং উঠিছে। কেম্প-কামান্ডাৰটোৱে পু-ভটৰ মুখলৈ চাই চিঞৰি উঠিছিল – চাওক, ইট্ ইজ্ এন ইমাৰ্জেন্সি। উই কেন্নট্ ডু টু ঠিংক এট দা চেইম টাইম্। আমি বিদ্ৰোহ দমন কৰিবলৈ আহিছো। – পু-ভট্ তেতিয়াও শান্ত হোৱা নাই। তেওঁ তেতিয়াও একে উত্তেজনাৰে কৈছিল – কিন্তু বিদ্ৰোহ গাঁৱৰ নিৰীহ মানুহবোৰে কৰা নাই। কৰিছে জংঘলত থকা বিদ্ৰোহীহঁতেহে। ইউ চুড ট্ৰাই টু আৰ্ণ কন্‌ফিডেন্স এন্ড ৰেচ্‌পেক্ট ফ্ৰম দা চিম্প্‌ল ভিলেজাৰচ্। – কথা শুনি কামান্ডাৰটো গৰজি উঠিছিল– ষ্টপ্ ইট্। মোক মিলিটাৰী ৰুল শিকাবলৈ চেষ্টা নকৰিব। আই ন' হোৱাট্ আই এম্ ডুৱিং।

ৰেমাৰ ঘটনাটো মনত পৰি মিলিটাৰী কেইটা যোৱাৰ ফালে অলপ সময় চাই থাকিল। তাৰ পাছত ছা-ঙীক সুধিলে – গাঁৱত হস্পিতাল নাই নেকি?

– আছে। পিছে ডাক্টৰ নাই নহয়। কম্পাউন্ডাৰ, নাৰ্চ আদিহে কোনোবা কেইটামান থাকে।

ৰেমাই ছা-ঙীলৈ অলপ সময় চাই থাকিল। ৰ'ছাঙাৰ খবৰ কিবা পায় নেকি সুধিবৰ তাৰ বৰ ইচ্ছা গ'ল। কিন্তু তাইৰ দোকানখন সজোৱাৰ ব্যস্ততা দেখি নুসুধিলে। সি ভাবিলে তায়ো যথেষ্ট সলনি হ'ল।

ৰেমাই কিমিক লগ পাবলৈ গ'ল। পিছে সি তাইক লগ নাপালে। তাই বোলে স্কুললৈ গ'ল।

সন্ধিয়া লাগি ভগাৰ এপৰৰ ভিতৰতে অ্নুৰাঙীৰ কাম বন শেষ হ'ল। বস্তু-বাহানিখিনি সামৰি তাই শোৱাৰ চাংখনত পৰিলগৈ। ককায়েক মইয়া তেতিয়াও উভতা নাই। উভতাৰ সময়ো আৰু নাই। কাৰ্ফিউ আৰম্ভ হ'লেই চাগে'। গাঁওখন টহলদাৰী মিলিটাৰীৰ খোজ, গলখেকাৰী আৰু মাতৰ বাহিৰে তেনেই নিজম পৰিছে।

মইয়া আজি পুৱাই চৰকাৰী বস্তু কঢ়িয়াবলৈ গৈছিল। সম্ভৱ ৰেচনৰ। সি মাজে মাজে এনেকৈ কাম কৰি দুটকামান ঘটে। ঘটিলে কি হব, পইছা হাতত পৰিলেই সি মদৰ আড্ডালৈ যায়। গাঁৱৰ দুঘৰ মানুহে ঘৰতে লাওপানী বেচে। সি এতিয়া চাগে' লাওপানী পি সিহঁতৰ তাতে ক'ৰবাত ঢেলপোঙা দি পৰি আছে– অ্নুৰাঙীয়ে ভাবিলে।

না-থীয়াল গ্ৰুপ-চেন্টাৰলৈ অহাৰ ছমাহমানৰ ভিতৰতে পী-লিয়ানী ঢুকাল। ঢুকোৱাৰ সময়ত অ্নুৰাঙী আৰু মইয়ায়েই নহয়, বুঢ়ীৰ পুতেক ৰ'থানপুইয়াও আছিল।



তেওঁ আইজ'লৰ পৰা চাৰিদিনত আহি বুঢ়ী ঢুকোৱাৰ দুদিনমান আগতে গাঁও পাইছিলহি। মানুহবোৰ ইফালে সিফালে অহা-যোৱা কৰাত বাধা নিষেধ নাই। কিন্তু মাইলে মাইলে চেক্ পষ্ট থকাৰ বাবে অহা-যোৱা কৰাত বৰ অসুবিধা। তাৰ উপৰি সময়ো লাগে যথেষ্ট। ৰ'থানপুইয়া আহি পাওঁতে বুঢ়ীৰ অৱস্থা টানেই। গতিকে বুঢ়ীক আৰু আইজ'ললৈ নিয়াৰ কথা তেওঁ নাভাবিলে। দুদিন পিছতে বুঢ়ী ঢুকাল।

বুঢ়ী অবিহনে ঘৰটোত অ্নুৰাঙী আৰু মইয়ায়েই থাকিবলৈ ললে। ঘৰটো সিহঁত দুটাৰ কাৰণে যথেষ্ট ডাঙৰ। তাতে ককায়েকটো নাথাকিলে অ্নুৰাঙীৰ বৰ অকলশৰীয়া লাগে। তাই বিছনাখনত কোঁচ মোঁচ খাই শুবলৈ চেষ্টা কৰিলে।

চিলমিল ভাব অহাৰ লগে লগে অ্নুৰাঙীয়ে কিবা এটা শব্দ শুনিবলৈ পালে। ঘৰৰ পিছফালৰ চাঙখনত ৰৈ ৰৈ কেৰকেৰণি শব্দ এটা হৈছে। তাই বুকুত সাহস গোটাই বিছনাৰ পৰা নামিল। হাতত দাখন জোৰেৰে খামুচি লাহে লাহে পিছফাললৈ গৈ দুৱাৰখনৰ কাষতে থিয় দি ৰ'ল।

দুৱাৰখনৰ সিপাৰেই বাঁহৰ চাঙৰ এখন বাৰান্দা। তাতেই আলকটৰাৰ ড্ৰাম এটাত অলপ পানী ভৰোৱা আছে। আন দুই এটা বাচন খালি হৈ পৰি আছে। এই বাৰান্দা ডোখৰতেই তাই বাচন-বৰ্তন আৰু সময়ত কাপোৰ-কানি আঁৰি গা ধোৱে।

গাঁৱত থাকোতে এনেবোৰ বাৰান্দালৈ গছৰ পৰা লতা-মাকৰি-জাতীয় জন্তু জানোৱাৰবোৰে হাকুটিয়ায়। কেতিয়াবা ঘৰতো সোমাই সন্ত্ৰাসৰ সৃষ্টি কৰে। অ্নুৰাঙীয়ে তেনে কিবা হব পাৰে বুলি দাখন জোৰেৰে খামুচি খাপ দি ৰ'ল।

অ্নুৰাঙীৰ যিটো চকুত পৰিল সি লতামাকৰিতকৈ সাংঘাতিক আৰু ক্ষিপ্ৰ। তাইৰ প্ৰথমতে ফ্লেট হেট্ এটা চকুত পৰিল। ফ্লেট্ হেটটো মুহূৰ্ততে ওপৰলৈ উঠাত এখন ভয়ংকৰ মুখ চকুত পৰিল। সি কেইমুহূৰ্তমান তাইৰ ফাললৈ চাই থাকিল, তাৰ পিছ মুহূৰ্ততে ক্ষিপ্ৰ গতিত ওলমি থকা বিয়াগোম দেহটো ওপৰলৈ তুলি মানুহটো চাঙখনত থিয় দিলেহি। চাঙখনত বিশেষ শব্দ নহ'ল। সি ততালিকে তাইৰ আগেৰে ঘৰটোৰ ভিতৰ সোমাল। অ্নুৰাঙীয়ে বুজি পালে মানুহটো এম্ এন্ এফ-ৰ। যোৱা দুবছৰমানৰ পৰা এম্ এন্ এফ-ৰ কথাবোৰ শুনি শুনি তাই বেছ ৰোমাঞ্চিত হৈছে। দুটামানৰ কথা তাই সৰুৰে পৰা শুনি অহা ভা-নাপা, টাইটেচেনা আদি মিজো বীৰৰ দৰেই। গতিকে এম্ এন্ এফ-ৰ মানুহটো তাইৰ আগেৰে ভিতৰলৈ সোমাই যোৱাতো অ্নুৰাঙী দাখন লৈ দুৱাৰ মুখতে থৰ হৈ থিয় দি ৰ'ল।



মানুহটোৱে অলপ সময় কাণ উনাই পৰিস্থিতিটোৰ বুজ ল'লে। তাৰ পাছত মূৰৰ ফ্লেট্‌হেট্‌টো খুলিলে। বুকুৰ কাষেৰে পাৰ কৰি আঁৰি থোৱা কান্ধৰ মোনাটোও সোলোকাই থ'লে। তাৰ ভিতৰত ভাঁজ দি সৰুকৈ ৰখা সাংঘাতিক আগ্নেয়াস্ত্ৰ এটা আছে। তাৰ আগটো মোনাৰে বাহিৰলৈ জিলিকি পৰিছে। মানুহটোৱে এইবাৰ অ্নুৰাঙীলৈ চাই হাঁহিলে।

চৌকাত এতিয়াও আঙঠা কেইটামান তগ-বগীয়াকৈ জ্বলি আছিল। তাৰ পোহৰত মানুহটোৰ সোণখটোৱা দাঁত এটা জিলিকি উঠিল।

অ্নুৰাঙীয়ে মানুহটো চিনি পালে। তাক তাই গাঁৱত কেইবাবাৰো দেখিছে। মানুহটো আন কোনো নহয়, এম্ এন্ এফ-ৰ দুৰ্ধৰ্ষ কেপ্তেইন থানয'মা। মিলিটাৰীবোৰৰ মানত সাক্ষাৎ যম।

থানয'মাৰ বীৰত্বৰ কথা মানুহৰ মুখে মুখে। লুংলে দখল কৰাৰ গুৰিতে হেনো সিয়েই। সিয়েই হেনো আইজ'লৰ পৰা লুংলেলৈ গৈ থকা এহেজাৰমান মিলিটাৰীক পিছুৱাই ৰখাৰ মূলতে। তাৰ উপৰি আন কিছুমান কথাও তাৰ নামত প্ৰচলিত। তাৰ গাৰ মাংসপেশীবোৰ লোৰ দৰে টান। বন্দুকৰ গুলিও ওফৰি যায়। সি পাহাৰৰ ঢালত ভৰিৰ ওপৰত থিয় দি চুচুৰি নামি গৈ গৈ হাতেৰে বন্দুক চলাই যাব পাৰে। তাৰ উপৰি দুয়ো হাতেৰে সমানে একেলগে বন্দুক চলাই গুলিৰে সি নিজৰ নামো লক্ষ্যত খোদিত কৰিব পাৰে।

অ্নুৰাঙীৰে দৰে তেইছ বছৰীয়া গাভৰুৰ বাবে থানয'মা যেন মিজো বীৰৰ নতুন অৱতাৰহে!

থানয'মাক দেখি তাইৰ গোটেই গা শিয়ৰি উঠিল। তাইৰ ঘৰত ই, আৰু আনহাতে বেৰৰ সিপাৰেই ৰাস্তাত টহলদাৰী মিলিটাৰী। এটা ক্ষীণ শব্দতেই ঘৰখন নৰকত পৰিণত হব।

থানয'মাই অ্নুৰাঙীৰ ৰূপটো দেখি হাঁহিলে। সি ক্ষীণ অথচ স্পষ্ট মাতেৰে ক'লে– দাখন থ'। মোক কিবা কেইটামান খাবলৈ দে।

কথাষাৰ বুজোতে অ্নুৰাঙীয়ে সময় ল'লে। তাই দাখন থৈ সন্মোহিত মানুহৰ দৰে কাম কৰিবলৈ ধৰিলে। তাই চৌকাৰ জুইখিনি খুচৰি জ্বলাই দিলে। মইয়াৰ বাবে বনাই থোৱা ভাতখিনি গৰম কৰিবলৈ ধৰিলে।

ভাত কেইটা বাঢ়ি দিয়ে মানে থানয'মাই হাত মুখ ধুই আহিল। গাৰ ঘাম গাতে শুকোৱা তাৰ দেহৰ গোন্ধ অৱশ্যে মাৰ নগ'ল। বাহিৰত টহলদাৰী মিলিটাৰী দুটামানৰ খোজ থিৰ হৈ ৰোৱা শুনা গ'ল। বাহিৰৰ পৰা কোনোবা এটাই সুধিলে– কা-পী, ক্যা কৰ ৰহা হ্যাই?

থানয'মাই তৎপৰতাৰে মেকুৰীৰ দৰে হাতটো নি মোনাটো চপাই আনিলে।

অ্নুৰাঙীয়ে ক'ব নোৱাৰিলেও হিন্দী কথা দুই এটা অলপ বুজে। তাই বাহিৰলৈ চাই ক'লে– ছ- এই!

মিলিটাৰীবোৰেও মিজো শব্দ দুই এটা বুজি পোৱা হৈছে। সি ক'লে– খা-খা। বেগাই খাই শুই থাক।

সিহঁত আঁতৰি যোৱা খোজৰ শব্দ শুনা গ'ল।

থানয'মাই ভাত খাই থাকোতে অ্নুৰাঙী চৌকাৰ জুইৰ কাষতে বহি থাকিল। সি সুধিলে– তহঁতে বোলে আটা খায়ো থাক মাজে মাজে। হয়নে?

অ্নুৰাঙীয়ে শলাগিলে। – সদায় ৰেচনত চাউল পোৱা নাযায় নহয়। – তাই কলে।

– কাহানিও নেদেখা নুশুনা খাদ্যও আমি এতিয়া খাব লগা হৈছে। আমি স্বাধীন হ'লে এইবোৰ আৰু নাথাকিব। – য'মাই ক'লে।

অ্নুৰাঙীয়ে তালৈ চাই থাকিল। সি কৈছে যেতিয়া নিশ্চয় নাথাকিব। তাইৰ বিশ্বাস হ'ল।

বাহিৰত ঠান্ডা পৰিবলৈ আৰম্ভ কৰিছে। ভাত খোৱাৰ এলুমিনিয়ামৰ বাচন-বৰ্তন কেইটা ধুই অহাত চেঁচা পানীয়ে অ্নুৰাঙীৰ হাত ঠেৰেঙা লগালে। তাই চৌকাৰ কাষত বহি হাতটো সেকি মুখত বাইল' এটা জ্বলাই ল'লে। থানয'মাও তাইৰ কাষতে বহি থাকিল।

– তোৰ ককায়েৰটো হবলা মদ পিবলৈ গৈছে? – সি ক'লে।

অ'। – তাই শলাগিলে।

সি অলপ ৰৈ ক'লে– চা, আমি হ'লো খ্ৰীষ্টান। আমি খ্ৰীষ্টানৰ প্ৰকৃত মূল্যবোধ বুজি পাব লাগে। বুজি নাপালে তাক বুজাব লাগিব, স্থাপন কৰিব লাগিব।

অ্নুৰাঙীয়ে তাৰ কথা বুজি নাপালে। সি কিন্তু কৈ গ'ল– মিজো পাহাৰখন খ্ৰীষ্টানৰ দেশ। আমি প্ৰকৃততে খ্ৰীষ্টানবোৰৰ গাৰ্জেন। আমি নিজে কি বুজি পোৱাৰ সময় হৈছে।

সি অলপ ৰৈ ক'লে– আমাৰ সমাজত যু বেচা-কিনা কৰাতো আমি নিষিদ্ধ কৰিছো। আমি মানুহবোৰক সকীয়ায়েই আছো। যিয়ে আমাৰ হকা-বধা নামানে তাকে আমি শাস্তি দিম।

অ্নুৰাঙীয়ে এইবাৰ কথাবোৰ বুজি পালে। তাইৰ ককায়েকটোৱেই মদ-পানী পি তাইক অত' অশান্তি দিছে, কাৰোবাৰ গিৰিয়েকে এনে কৰিলে পৰিয়ালত যে কিমান অশান্তি নহব! গাঁওবোৰত এনে মদপীৰ সংখ্যা তেনেই তাকৰ নহয়। মদৰ খোলাবোৰ বন্ধ কৰিব পাৰিলে বেয়া নহয়। তাই থানয'মাৰ চকুলৈ চাই ক'লে– বৰ ভাল হব তেনে কৰিলে।

তাইৰ চকুলৈ চাই থানয'মাই ক'লে– বুজিছ! আমি হলো মিজো। মিজো সমাজত, মিজো মানুহৰ মূল্যবোধ আমি পুনৰ স্থাপন কৰিব লাগিব।

থানয'মাই তাইৰ চকুলৈ চাই কোৱা কথাৰ ধৰণত অ্নুৰাঙীৰ গোটেই গাটো শিয়ৰি উঠিল। তাইৰ বোধ হ'ল তাই যেন মিজো বীৰ এটাৰ সমুখত বহি আছে। সিয়েই গোটেই সমাজখনৰ বাবে সন্মান আনিব, সমাজখনক আগুৱাই লৈ যাব। তাক সকলো ধৰণৰ সুখ-শান্তি আৰু মনৰ আনন্দ দিয়াতো যেন তাইৰ কৰ্তব্য।

অ্নুৰাঙীয়ে ক'ব নোৱৰাকৈ তাইৰ হাতত জ্বলি থকা বাইল'টো তাৰ ফালে আগুৱাই দিলে। সি বাইল'টো লৈ দুহোপামান মাৰিলে। তাৰ পাছত শেষ হব ধৰা বাইল'টো জুইলৈ দলিয়াই সি হাতখন আগুৱাই অ্নুৰাঙীৰ হাতত ধৰিলে। তাইৰ মুখখন ৰঙা হৈ পৰিল।

তাইৰ হাতটোত ধৰিবলৈ, গাটোৰ পৰশ লবলৈ ডেকা দুই এটাই চল পালেই চেষ্টা কৰে। তাই কিন্তু আজিলৈকে কাকো আসৈ দিয়া নাই। কিন্তু থানয'মাৰ হাতৰ পৰশত তাইৰ গোটেই গাটো জিকাৰ খাই উঠিল। তাই সন্মোহিত হোৱাৰ দৰে মাত্ৰ তাৰ চকুলৈ চাই থাকিল। আনৰ হাতৰ পৰশ নপৰা শৰীৰৰ আন অংগলৈ যেতিয়া তাৰ হাতটো লাহে লাহে আগুৱাই আহিল তাই আৰু বাধা নিদিলে।

পুৱতি নিশাৰ আগতেই থানয'মা মেকুৰীৰ দৰে অ্নুৰাঙীৰ কাষৰ পৰা উঠি গ'ল। তাৰ অলপ পাছতেই গাঁৱত এটা সাংঘাতিক ঘটনা ঘটিল। গাঁৱৰ মূৰত থকা মদৰ খোলাৰ চাংখনেৰে ঘৰত বনাই থোৱা কেঁচা লাওপানীবোৰ হৰহৰকৈ বাগৰি পৰিল। তাৰ মাজেৰে টোপ টোপকৈ তেজ ব'বলৈ ধৰিলে। ঘৰৰ গৰাকীটোক কোনোবাই চুৰি মাৰি হত্যা কৰিলে। মদ খাই ঢেলপোঙা দি শুই থকা মদপীবোৰে চিঞৰিবলৈ ধৰিলে। মিলিটাৰীৰ দৌৰা-দৌৰি আৰম্ভ হ'ল। গুলিৰ শব্দও শুনা গ'ল।

তাৰ পাছত দুদিনলৈ না-থীয়াল গ্ৰুপ-চেন্টাৰটো কাৰ্ফিউৰ কবলত দিনে-নিশাই নিস্তব্ধ হৈ শুই থকাৰ দৰে লাগিল। খানা-তালাচিৰ বাবে মানুহবোৰ হ'লে শুব নোৱাৰিলে।


*ক্ৰমশঃ*

# মাৰাডোনাৰ বুটে আকৌ বিজয়ৰ বতৰা দিবনে ?


মালবিকা পাঠক

আধুনিক যুগৰ দ্ৰুত প্ৰচাৰ মাধ্যমত খ্যাতিমান একোজন ক্ৰীড়াবিদ অতি কম সময়ৰ ভিতৰতেই একোটা কিম্বদন্তীত পৰিণত হয়। তেওঁলোকৰ উত্থান-পতনৰ প্ৰতিটো ঘটনাই জনসাধাৰণৰ চিন্তা চৰ্চাৰ বিষয় হোৱাৰ লগতে মনৰ খোৰাকতো পৰিণত হয়। বিশ্ব খ্যাতিৰ শিখৰত অধিষ্ঠিত তেনে এজন ক্ৰীড়া তাৰকা যদি হঠাৎ এক অপ্ৰত্যাশিত কেলেংকাৰিৰ সৈতে জড়িত হৈ পৰে আৰু তাৰ ফলত যদি তেওঁৰ ক্ৰীড়া জীৱনৰেই পৰিসমাপ্তি ঘটাৰ উপক্ৰম হয় সি স্বাভাৱিকতেই সৱৰ চৰ্চাৰ বিষয় হৈ পৰে। ক্ৰীড়া, কলা, শিল্প, সাহিত্য সকলো ক্ষেত্ৰতেই এইটো লক্ষ্য কৰা যায় যে যৌৱনৰ শিখৰত হে মানুহে জীৱনৰ শ্ৰেষ্ঠতম কাৰ্য সম্পাদন কৰে। পাছলৈ সকলো কামতে পৰিপক্কতা বৃদ্ধি পালেও দুপৰীয়াৰ বেলিৰ দৰে প্ৰখৰ দীপ্তি তাত নাথাকে।

আজি কিছুদিনৰ পৰা প্ৰচাৰ মাধ্যম সমূহত নিয়মিত ঠাই অধিকাৰ কৰি আছে ক্ৰীড়া জগতৰ অন্যতম নক্ষত্ৰ ডিয়েগো মাৰাডোনাই। বিশ্ব ফুটবলৰ মক্কা সদৃশ লেটিন আমেৰিকাৰ আৰ্জেণ্টিনাৰ গৌৰৱ এই প্ৰতিভাশালী ফুটবলাৰ জনে যোৱা এক দশক জুৰি সমগ্ৰ বিশ্বৰ ক্ৰীড়ামোদী ৰাইজৰ পৰা যি পৰিমাণৰ আদৰ আৰু শ্ৰদ্ধা লাভ কৰিবলৈ সমৰ্থ হৈছে তাৰ তুলনা একমাত্ৰ ফুটবল সম্ৰাট পেলেৰ লগতহে কৰিব পাৰি। অৱশ্যে ফুটবলৰ দৰে কঠিন খেলত কোনো খেলুৱৈয়ে বহু বছৰলৈ একেই দক্ষতাৰে খেলা সম্ভৱ নহয় কাৰণ বয়সৰ প্ৰভাৱক কোনেও বাধা দিব নোৱাৰে। ইটালীয়া '৯০-ৰ বিশ্বকাপৰ পৰাই মাৰাডোনাৰ জীৱনলৈ দুৰ্ভাগ্যৰ দিন নামি আহে। আনাবলিক ষ্টেৰইড সেৱন কৰি অলিম্পিকৰ পৰা বহিষ্কৃত হোৱা বেন জনচনৰ লেখীয়া ঘটনা মাৰাডোনাৰ জীৱনতো যে ঘটিব পাৰে সেই কথা কোনেও ভুলতেও ভবা নাছিল। মাৰাডোনাৰ কোকেইন সেৱনৰ বাত্তৰিৰ বহু আগতেই অৰ্থাৎ ইটালীৰ যিটো ক্লাবৰ হৈ তেওঁ বৃত্তিধাৰী খেলুৱৈ হিচাপে খেলি আহিছে তাৰ কাৰ্যকৰ্তা সকলে ইটালী ছেমি ফাইনেলৰ পৰা বঞ্চিত হোৱাৰ পাছৰে পৰা মাৰাডোনাক ভাল চকুৰে নোচোৱা হৈছে। কিন্তু সেই বুলি বিশ্ব ফুটবলৰ কৰ্তৃপক্ষ ফিফাই মাৰাডোনাক ১৫ মাহৰ বাবে ফুটবল খেলাৰ পৰা যে বৰ্খাস্ত কৰিব এই খবৰ বিশ্ববাসীৰ বাবে খুবেই অপ্ৰত্যাশিত আছিল।



১৯৬০ চনৰ ৩০ অক্টোবৰত আধুনিক কোনো ব্যৱস্থা নথকা জেনেৰেল হস্পিটেল এখনত মাৰাডোনাৰ জন্ম হয়। পাঁচটি কন্যা সন্তান জন্ম হোৱাৰ পাছত ডিয়েগো পৰিয়ালৰলৈ প্ৰথম পুত্ৰ সন্তান আহে। মাক তোতা মাৰাডোনাৰ লগতে আইতাক চালভাদোৰাই এই কণমানি শিশুটিৰ জন্মত এনদৰে আপ্লুত হৈছিল যে তেওঁ প্ৰতিবেশীৰ ঘৰে ঘৰে গৈ এই শুভ সংবাদটি নিজেই দি আহিছিল। শিশুটিৰ নাম ৰখা হ'ল পেলুচা, মাৰাডোনাৰ পিতৃ নিজে এচ্তেনলা ৰোহা দলৰ প্ৰশিক্ষক আছিল। ককাদেউ তাক চিৰিল্লা ভাইপোৰেও নাতি পেলুচাৰ প্ৰতি আছিল অগাধ চেনেহ। তেওঁ উপহাৰ দিছিল পেলুচাক বল এটা। এই বলটোৰেই আৰম্ভ হ'ল তেওঁৰ শৈশৱৰ খেলুৱৈ জীৱন। ৰাতিপুৱা টোপনিৰ পৰা সাৰ পায়েই বলটো হাতত লৈ পেলুচাই অনুশীলন কৰে হাত ভৰি মূৰেৰে। সন্ধিয়া উলটি আহে ধূলি মাকটি লগা বলটিৰে। ক্লান্ত নাতিক লৈ ব্যস্ত হৈ পৰে আইতাক চালভাদোৰা। দেউতাকৰ মনত এটাই চিন্তা কেনেকৈ পুত্ৰক এজন বিখ্যাত ফুটবলাৰ হিচাপে গঢ়ি তোলা যায়। বিশ্বৰ বিখ্যাত ফুটবল তাৰকা সকলৰ গল্প তেওঁ পেলুচাক কয়, লগতে কয় তেওঁলোকৰ খেলৰ ভুল ভ্ৰান্তিবোৰৰ কথা। অবাক বিস্ময়েৰে শুনি যায় পেলুচাই পিতৃৰ কথা। সময় সুবিধা বুজি তেওঁ কম দামত টিকট কাটি পেলুচাক লৈ যায় ফুটবল খেল দেখুৱাবলৈ। যাতে নিজ পুত্ৰই বিখ্যাত খেলুৱৈ সকলৰ পাছ, গল, ড্ৰিবলিং আদি টেকনিক সমূহ ভালদৰে আয়ত্ত কৰিব পাৰে। দহ এঘাৰ বছৰ বয়সতেই কেইবাখনো টুৰ্ণমেণ্ট খেল খেলাৰ যোগ্যতা অৰ্জন কৰে পেলুচাই। আনকি এখন খেলত নিজেই আঠোটা গল দিয়ে। আৰ্জেণ্টিনাৰ জুনিয়ৰ দলৰ কোচ ভিত্তোৰিও স্পিনেত্তো চটজল দি বিশেষ ভাবে অভিভূত হ'ল এই কণমানি শিশুটিৰ খেলৰ কৌশল দেখি। ভগ্ন স্বাস্থ্যৰ আৰু কম উচ্চতাৰ পেলুচাক তেওঁ আৰ্জেণ্টিনাৰ জুনিয়ৰ্চ দলত ভৰ্তি কৰি লোৱাৰ লগতে তেওঁ স্বাস্থ্যৰ প্ৰতিও অধিক জোৰ দিয়ে। তেওঁৰ প্ৰচেষ্টাতেই কিন্তু পেলুচাৰ শাৰীৰিক স্বাস্থ্যৰ যথেষ্ট উন্নতি হয়। তেওঁৰ উচ্চতাও প্ৰায় ৫ ফুট ৪ ইঞ্চি হয়। ১৯৭৬ চনত প্ৰথমখন লীগ খেলাৰ সুবিধা পায় পেলুচাই। কিন্তু এই লীগত তেওঁ বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে। ১১ খন খেল খেলি মাত্ৰ ২ টা বলহে তেওঁ দিব পাৰিলে। ১৯৭৭ চনত তেওঁৰ শাৰীৰিক



ওজন ৭১ কেজিলৈ বৃদ্ধি পায় আৰু উচ্চতা হয় ৫ ফুট ৬ ইঞ্চি। এই বছৰতেই আৰ্জেণ্টিনাৰ জুনিয়ৰ্চৰ হৈ ৪৯ খন খেল খেলি ১৯ টা গল দিয়ে। ১৯০৪ চনৰ ১৫ আগষ্টত প্ৰতিষ্ঠিত দলটিয়ে পেলুচাৰ কৃতিত্বৰ বাবে প্ৰথমবাৰৰ বাবে ৰাণাৰ্চ আপ হয়। ১৯৭৮-ৰ পৰা ১৯৮০ লৈ সৰ্বোচ্চ গল দিয়া ব্যক্তি হিচাপে সন্মান লাভ কৰে পেলুচাই। তেওঁৰ চেক্ৰেটাৰী ক্ৰিন্টাৰ্চ পেলাৰ্চৰ সহযোগত বিশ্বৰ আটাইতকৈ ধনী ক্লাব স্পেইনৰ বাৰ্চিলোনা এফ, চিয়ে পেলুচাক বিশেষ মূল্য দি নিজ দেশৰ হৈ খেল খেলাৰ বাবে আমন্ত্ৰণ কৰিলে। ১৯৮০ চনৰ ২২ জুলাইত গোটেই বিশ্বৰে প্ৰায় ৩০০ জন সাংবাদিকৰ সমুখত ক্লাবৰ প্ৰেচিডেণ্টে ঘোষণা কৰিলে যে জাতি আৰু দেশৰ স্বাৰ্থৰ বাবে মাৰাডোনা দেশতেই থাকিব। '৮২-ৰ বিশ্বকাপৰ পাছত মাৰাডোনাই স্পেইনৰ বাৰ্চিলোনা এফ, চি দলত যোগদান কৰে। ১৯৮২, ৮৩-ত স্পেইনৰ লীগত ২০ খন খেল খেলি ১১টা গল দিয়ে। আকৌ ১৯৮৩-ত ১৬ খন লীগ মেচ খেলি গল দিয়ে ১১ টা। ১৯৮৪ চনৰ ১২ জুনত ইটালীৰ নেপল্‌চত পদাৰ্পণ কৰে। ১৯৮৪-৮৫-ত ৩০ খন খেল খেলি ১৪টা গল কৰে। ১৯৮৫-৮৬-ত ২৯ খন লীগ মেচ খেলি ১১টা গল দিয়ে। ১৯৮৬-ত মাৰাডোনাৰ অধিনায়কত্বত আৰ্জেণ্টিনাই বিশ্বকাপ হস্তগত কৰাৰ লগতে মাৰাডোনাই শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। ১৯৯০ চনত অনুষ্ঠিত হোৱা ইটালীয়া '৯০-ত বিশ্বৰ কেইবাজনো শীৰ্ষ স্থানীয় খেলুৱৈৰ বিতৰ্কৰ এটা প্ৰধান বিষয় আছিল যে আৰ্জেণ্টিনাই এইবাৰ ছেমি ফাইনেল খেল খেলাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিব। ইয়াৰ যুক্তিযুক্ততা প্ৰতিভাত হৈ উঠে ৮ জুনত মিলানৰ চান চিৰো ষ্টেডিয়ামত চতুৰ্থ বিশ্বকাপৰ উদ্বোধনী খেলত কেমেৰুনৰ হাতত ১-০ গলৰ ব্যৱধানত পৰাজয় বৰণ কৰি। উভয় পক্ষই যথেষ্ট ফাউলেৰে খেলা এই খেলখনৰ মানদণ্ড উচ্চ পৰ্যায়ৰ নাছিল। স্বাভাৱিকতে তেতিয়াৰ পৰাই মাৰাডোনাৰ জীৱনলৈ দুৰ্ভাগ্যৰ দিন নামি আহে। ৩ জুলাইতো নেপলচ্‌ত ইটালী আৰু আৰ্জেণ্টিনাৰ মাজত অনুষ্ঠিত হোৱা ছেমি ফাইনেল খেলৰ কিছুদিন আগৰ পৰাই ঘৰুৱা দল ইটালীক যিকোনো প্ৰকাৰে ছেমি ফাইনেললৈ প্ৰবেশ কৰোৱাৰ উদ্দেশ্যে মাৰাডোনাৰ প্ৰতিয়েই নহয় গোটেই আৰ্জেণ্টিনাৰ দলটিৰ বিপক্ষেই জনসাধাৰণ উঠি পৰি লাগিল। ছেমি ফাইনেলৰ দুদিন আগেয়ে আৰ্জেণ্টিনাৰ জাতীয় পতাকা পৰ্যন্ত পুৰি পেলোৱা হ'ল। অৱশেষত আহিল ৩ জুলাইৰ দিনটো। এই দিনটোতেই ইটালীক পৰাজিত কৰি আৰ্জেণ্টিনা দল ফাইনেলত অৱতীৰ্ণ হয়। ইয়াৰ দুদিন পাছতেই আৰম্ভ হয় বিশ্বকাপৰ ফাইনেল খেলখন। পশ্চিম জাৰ্মানীৰ হাতত পৰাজয় বৰণ কৰি খেল পথাৰতেই শিশুৰ দৰে উচুপি উঠিল আৰ্জেণ্টিনাৰ কেপ্তেইন ডিয়েগো মাৰাডোনা। সেইজনেই মাৰাডোনাই যশস্যাৰ মোহ আৰু অৰ্থলিপ্সাই বেছিভাগ লোকৰে হিতাহিত জ্ঞান আৰু সু-বুদ্ধিৰ বিনাশ ঘটায়। মাৰাডোনাৰ দৰে বিশ্ব খ্যাতিলব্ধ ব্যক্তি এজন কোকেইনৰ দৰে নিচাযুক্ত দৰবৰ চোৰাং কাৰবাৰৰ সৈতে জড়িত মাৰাডোনাই ক্ৰীড়া প্ৰেমীৰ মনত জগাই তুলিছে এক হতাশাজনক বিস্ময়। শেহতীয়া বাৰ্তাৰ মতে বৰ্তমানে ড্ৰাগচৰ পৰা মুক্তিৰ অৰ্থে চিকিৎসাধীন হৈ থকা মাৰাডোনাৰ সম্পৰ্কত তেওঁৰ মেনেজাৰ ফেন্সীয়ে আশা প্ৰকাশ কৰিছে যে, অহা ছমাহৰ ভিতৰত মাৰাডোনাক পুনৰ নতুন ৰূপত পোৱাৰ সম্ভাৱনা আছে। ড্ৰাগচৰ নাগপাশৰ পৰা মুক্তি লভিবলৈ মাৰাডোনায়ো হেনো ইচ্ছা প্ৰকাশ কৰিছে। মাৰাডোনা প্ৰেমীৰ বাবে ই এক সু-খবৰ। এক আশাৰ ৰেঙণি। সেউজ খেল পথাৰৰ মাজেৰে অশ্ব গতিৰে বিপৰীত পক্ষক অতিক্ৰমি গল পোষ্ট ভেদি মাৰাডোনাৰ ভৰিৰ পৰা বলটোৱে বিজয়ৰ বতৰা দিব। আকৌ হয়তো ক্ৰীড়া প্ৰেমীয়ে চিঞৰি উঠিব চাম্বাচ মাৰাডোনা চাম্বাচ ........। কিন্তু........ সূ